তমসো মা জ্যোতির্গময়

শিবনাথ শাস্ত্রী কলেজ

শিৱসাগৰ ছোৱালী কলেজ

# প্ৰবাহিনী

শিৱসাগৰ ছোৱালী কলেজ বাৰ্ষিক আলোচনী,

২০১৪ বৰ্ষ



সম্পাদিকা

যামিনী মহন্ত

# কলেজ সংগীত

কথা ঃ অধ্যাপিকা কৰবী ডেকা হাজৰিকা
ডিব্ৰুগড় বিশ্ববিদ্যালয়
সুৰঃ প্ৰবীণ হাজৰিকা, শিৱসাগৰ

আমি কোমল পুৱাৰ ৰ'দালি
আমি এজাক সপোন সোণালী
পোহৰৰ দিশে উৰা মাৰি যোৱা
যেন এজাক পখীৰ কাকলি
আমি এজাক সপোন সোণালী ।।
দূৰৰ আকাশে মাতে আশা ছটিয়াই
জ্ঞান আৰু বিজ্ঞানে মাতে ৰিঙিয়াই
নিত্য নতুন এই মহাবিশ্বত
পোহৰৰ কণিকা লওঁ বুটলি ।।
শিক্ষাৰ সাধনাৰ বন্তি জ্বলাওঁ
নিজেও উজ্বলি উঠো দেশকো উজ্জ্বলাওঁ
গৰিমাৰে মহিমাৰে জিলিকি আছে
সোণৰ কলচীৰ কাষতে
শিৱসাগৰ ছোৱালী কলেজ
প্ৰণামো তোমাক
শ্ৰদ্ধাৰে অঞ্জলি জনালো তোমাক
দেশৰ মাটিত তুমি সিঁচি দিলা
জ্ঞানৰ জোনাক
প্ৰণামো তোমাক
শ্ৰদ্ধাৰে অঞ্জলি জনালো তোমাক ।।

# প্ৰৱাহিনী

শিৱসাগৰ ছোৱালী কলেজৰ বাৰ্ষিক আলোচনী

২০১৪-১৫ বৰ্ষ

আন্তৰিকাতে এই সংখ্যাৰ প্ৰৱাহিনী

.................................................................... হাতত

তুলি দিলো।

সম্পাদিকা ঃ যামিনী মহন্ত

# প্ৰৱাহিনীৰ ছোঁঘৰত

**সম্পাদনা সমিতি**

সভাপতি ঃ ড° হেমন্ত কুমাৰ ফুকন, অধ্যক্ষ
উপ সভাপতি ঃ ড° লীলা মহন্ত বৰচেতিয়া, উপাধ্যক্ষা

উপদেষ্টা মণ্ডলী ঃ
শ্ৰী কিশোৰ কুমাৰ দেউৰী
মঃ জাকিৰ হুছেইন
শ্ৰী উৎপলা দেৱী
তত্ত্বাৱধায়ক ঃ শ্ৰী প্ৰণৱজ্যোতি ভৰালী
শ্ৰী বিদ্যুত বৰুৱা

সম্পাদিকা ঃ শ্ৰীমতী যামিনী মহন্ত




বেটুপাত ঃ সঞ্জয় দাস, পলাশ বুঢ়াগোহাঁই
অলংকৰণ ঃ পংকজ গগৈ, পলাশ বুঢ়াগোহাঁই

প্ৰকাশক ঃ ছাত্ৰী একতা সভা- ২০১৪-২০১৫
শিৱসাগৰ ছোৱালী কলেজ

মুদ্ৰণ ঃ বিনায়ক অফচেট
শংকৰ মন্দিৰ পথ, শিৱসাগৰ

# শ্ৰদ্ধাঞ্জলি

বিগত বছৰটোত যিসকল সুসন্তানক আমি হেৰুৱালো
সেইসকললৈ অশ্ৰুঅঞ্জলি .........

# উৰ্চগা

যিসকল মহান ব্যক্তিয়ে
শিৱসাগৰ ছোৱালী কলেজ নামৰ
এই বটবৃক্ষ ৰোপণ কৰি
আমাৰ বাবে প্ৰজ্ঞাৰ
দুৱাৰ মুকলি কৰিলে,
সেই সকলো জ্ঞাত-অজ্ঞাত
ব্যক্তিলৈ সহস্ৰ শ্ৰদ্ধাৰে
এই সংখ্যাৰ 'প্ৰৱাহিনী'
উচৰ্গা কৰিলো।

# অসম সাহিত্য সভা

কেন্দ্ৰীয় কাৰ্যালয় : চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট - ৭৮৫০০১ ☎ (০৩৭৬) ২৩২০৩৭৬
ফেক্স : (০৩৭৬) ২৩২০৩৭৬, ই-মেইল : assrt@gmail.com
গুৱাহাটী কাৰ্যালয় : ভগৱতীপ্ৰসাদ বৰুৱা ভৱন, গুৱাহাটী - ৭৮১০০১ ☎ (০৩৬১) ২৫১৫৮৩০
ফেক্স : (০৩৬১) ২৭৩১৬৯৫
ডিফু কাৰ্যালয় : ৰাংছিনা ভৱন, ডিফু - ৭৮২৪৬০ ☎ (০৩৬৭১) ২৭২৫৯০
ধুবুৰী আঞ্চলিক কাৰ্যালয় : ধুবুৰী - ৭৮৩৩০১ ☎ (০৩৬৬২) ২৩২৫২৮
ডিব্ৰুগড় আঞ্চলিক কাৰ্যালয় : ৰায়বাহাদুৰ ৰামেশ্বৰলাল চহৰীয়া সংহতি ভৱন, ডিব্ৰুগড় - ৭৮৬০০৩ ☎ (০৩৭৩) ২৩১৫১২৪
শিলচৰ আঞ্চলিক কাৰ্যালয় : অসম সাহিত্য সভা ভৱন, শিলচৰ - ৭৮৮০০১ ☎ (০৩৮৪) ২২৬৩৭৯৭
লখিমপুৰ আঞ্চলিক কাৰ্যালয় : উত্তৰ লখিমপুৰ - ৭৮৭০০১ ☎ (০৩৭৫২) ২৪২৪১০
নগাঁও আঞ্চলিক কাৰ্যালয় : কমলাদেৱী টোডী স্মৃতি ভৱন, নগাঁও - ৭৮২০০১

ইমৰান শ্বাহ
সভাপতি


<u>শুভেচ্ছাৰে</u>

শিৱসাগৰ ছোৱালী কলেজৰ বাৰ্ষিক আলোচনী "প্ৰবাহিনী" প্ৰকাশৰ বাবে সাধু-'হেন্তা' শুনি আনন্দ পালো।

কলেজ-আলোচনী খুলিলেই অনেক সম্ভাৱনাৰ কথা আহি পৰে, বিশেষকৈ ছোৱালী কলেজৰ আলোচনীৰ পৰা অনেক আশা কৰা হয়, নাৰী-শিক্ষা, সবলীকৰণ আদি প্ৰসঙ্গ আহে। আশা কৰো প্ৰবাহিনীয়ে এই প্ৰত্যাশা পূৰণ কৰিব।

এই 'প্ৰবাহিনী'লৈ আন্তৰিক শুভেচ্ছা জনালো।

ইমৰান শ্বাহ
২৭/১/২৪ শিৱসাগৰ,



# সম্পাদকীয়........................



স্বপ্নৰ শেৱালি কাজলি কাজলি কৈ বুটলি ল'বলৈ আগ্ৰাসিত শিৱসাগৰ ছোৱালী কলেজৰ প্ৰতিগৰাকী সদস্য-সদস্যাৰ কেতিয়াবা এটা...দুটা...তিনিটা বা তাতোধিক বেছি বসন্তৰ সাক্ষী হৈ সময়ৰ সৌধৰূপে থিয় দিয়া জ্ঞান মন্দিৰৰ 'প্ৰৱাহিনী'ত অৱগাহিত হেজাৰ প্ৰাণক সম্পাদকীয়ৰ প্ৰাৰম্ভত শুভেচ্ছা নিবেদিছো।

এই শুভ ক্ষণত যিসকল বৰেণ্য ব্যক্তিৰ অহৰহ প্ৰচেষ্টাত ঐতিহ্যমণ্ডিত শিৱদৌলৰ চৰণস্থলত অৱস্থিত শিৱসাগৰ ছোৱালী কলেজখনিয়েএটা সত্বা হিচাপে স্বীকৃতি পালে আৰু আজি পঞ্চাশটা বসন্ত গৰকিবলৈ সক্ষম হৈছে, সেই সকল মহান মনীষীলৈ অশেষ কৃতজ্ঞতা তথা শ্ৰদ্ধা জ্ঞাপন কৰিছো।

মনত অলেখ সপোনৰ অগা-দেৱা। এনে এটা সপোন পুৰণৰ সুবিধা পাইছিলো। যিদিনা উচ্চ শিক্ষাৰ অৰ্থে এই জ্ঞান মন্দিৰৰ মাজ-মজিয়াত থিয় দিছিলোহি। এটি দুটিকৈ ক্ৰমশঃ পাঁচোটা বসন্তই অতিক্ৰম কৰাৰ দিশত মই এতিয়া... মোৰ সপোনেও জ্ঞানৰ সাৰ পাই ডাল-পাতেৰে পোখা মেলিলে। সময়ৰ তাগিদাতে এই মহাবিদ্যালয়ৰ আন এটা সপোন বাস্তৱায়িক কৰাৰ গুৰু দায়িত্ব মোৰ কোলাত পৰিল। মহাবিদ্যালয়ৰ সাহিত্য আৰু আলোচনী বিভাগৰ গুৰু দায়িত্ব মই মূৰ পাতি ল'বলগীয়া হয়। এখন আলোচনী এখন মহাবিদ্যালয়ৰ দাপোনস্বৰূপ। এখন আলোচনীয়ে বহু ক্ষেত্ৰত মহাবিদ্যালয়খনক প্ৰতিনিধিত্ব কৰে। কলেজৰ সদস্য সকলৰ লিখনিয়ে তেওঁলোকৰ ব্যক্তিত্বৰ আভাস দিয়ে আৰু সমুদায় লিখনিয়ে মহাবিদ্যালয়খনিৰ নিজস্ব ব্যক্তিত্বৰ প্ৰতিফলন ঘটায়।

এখন উচ্চ মানদণ্ডৰ মাৰ্কশ্বিটৰ পাছে পাছে দৌৰি ফুৰোঁতে আমাৰ আলফুলীয়া সপোনবোৰ, হেপাঁহবোৰ আমি সামৰি সুতৰি থৈ দিছো অৱেগৰ মেটমৰা টোপোলাৰ ভিতৰত। কুঁহিপাত মেলা আশাবোৰ পোহৰৰ অভাৱত জয় পৰি ৰৈছে। নিজৰ বিবেক আৰু হৃদয়ৰ ভিন্নমুখী ভাৱনাৰ তাগিদাত ছিটিকি পৰিছে মুখৰ হাঁহিবোৰ.... নিজস্বতাক হেৰুৱাই অস্থিৰ হৈ পৰিছে আমাৰ দৰে সহস্ৰাধিক সত্বা। দৈনন্দিন জীৱনৰ গতানুগতিক কৰ্মৱাজিয়ে প্ৰত্যেককে যন্ত্ৰলৈ পৰিৱৰ্তিত কৰিছে। এই যান্ত্ৰিকতাৰ অৱসান ঘটাই পোহৰ ভালপোৱা, শব্দ ভালপোৱা সত্বাবোৰক মানুহ হোৱাৰ পথলৈ উলিয়াই অনাৰ উদ্দেশ্যই এই 'প্ৰৱাহিনী'ৰ জন্ম হৈছে। পোহৰ পিয়াসী সত্বাবোৰে আজৰি সময়ত পাৰ কৰিব পৰাকৈ পোহৰৰ উৎস আমিয়ে বিচাৰিব লাগিব।

প্ৰতিখন ভগ্ন হিয়াৰ পৰা আমি বুটলি আনিব লাগিব ৰঙীণ হেপাঁহবোৰৰ অৱশেষবোৰ। আৰু আলফুলেৰে ৰূপণ কৰিব লাগিব 'প্ৰৱাহিনী'ৰ উকা পৃষ্ঠাত। সপোনবোৰ ছপা হৈ ওলালে হয়তো ভগ্ন হিয়াৰ উচুপনিবোৰ মাৰ যাব অনিৰ্দিষ্ট সময়লৈ। অপ্ৰাপ্তিৰ দাবাগ্নিত জাহ যোৱা সত্বাবোৰে হয়তো বিচাৰি পাব হিম শীতল ছাঁয়াৰ নিৰাপত্তাৰ আশ্বাস। বহু সপোনে 'প্ৰৱাহিনী'ৰ বুকুতেই প্ৰাণ পাই উঠিব আৰু জিলিকি ৰ'ব সুদূৰৰ দিনবোৰলৈ। নীলা চিয়াঁহীয়ে আঁক-বাক কৰোঁতেই হয়তো এই কলমেই হৈ পৰিব কোনোজনৰ ভৱিষ্যতৰ নিজস্ব পৰিচয়। নিজস্বতাক হয়তো কোনোৱে এনেদৰে জয় কৰিব পাৰিব এজাক কোলাহলৰ মাজৰ পৰা। 'প্ৰৱাহিনী'ক সাৰথি কৰিয়ে হয়তো কোনোৱে সলাই পেলাব পাৰে জীৱনৰ গতিধাৰা। 'প্ৰৱাহিনী'ৰ বুকুত মূৰ থৈ প্ৰতি গৰাকী ছাত্ৰীয়ে সান্ত্বনা লভে ভগ্নহিয়াৰ কাহিনীবোৰ কৈ....

সেয়ে 'প্ৰৱাহিনী' মাথো এখন আলোচনীয়ে নহয়, ই মহাবিদ্যালয়খনিৰ ছাত্ৰীসকলক নিৰাপত্তাৰ উম দিয়া বিশাল কোলা...য'ত নিৰ্ভয়ে গুজি দিব পাৰি জীৱনৰ প্ৰতিটো পৃষ্ঠাৰে বিচিত্ৰ অভিজ্ঞতা; জীৱনৰ জ্বালা যন্ত্ৰণা, বিৰহ গাঁথা, সপোন ভঙা আৰু গঢ়াৰ দুৰ্বিহ প্ৰচেষ্টা আৰু সাফল্যৰ এচেৰেঙা কোমল ৰ'দালি....

মহাবিদ্যালয়খনিৰ বহু ছাত্ৰীয়ে হয়তো এতিয়াও এই বিশাল কোলাৰ সন্ধান পোৱা নাই... আমি এই আপাহতে সেই সকল ছাত্ৰীক এই বিশাল কোলাৰ পৰিধিলৈ আহিবলৈ আহ্বান জনাওঁ.... এই বিশাল দাপোনখনিত নিজকে হেঁপাহ পলুৱাই চোৱাৰ সুযোগটো যেন তেওঁলোক হেৰুৱাই নেপেলায় তাৰ বাবে সেইসকল ছাত্ৰীক আমি বিনম্ৰ অনুৰোধ জনাইছোঁ। অনাগত দিনবোৰত তেওঁলোকে যেন 'প্ৰৱাহিনী'ক নিজৰ বুলি আঁকোৱালি লয় আৰু 'প্ৰৱাহিনী'ৰ বুকুত সিঁচি দিব পাৰে তেওঁলোকৰ বুকুৰ উগুল-থুগুলখিনি, তাকে কামনা কৰিলো।

নিজৰ ব্যক্তিত্বৰ বিকাশ ঘটায় এদিন নিজৰ লগতে সমাজখনৰ গুৰু দায়িত্বও আমিয়ে বহন কৰিব লাগিব। ক্ৰমশঃ উশৃংখল হৈ পৰা সমাজখনত আমি নিজকে সময়ৰ ঢৌত উটুৱায় দিয়াৰ সলনি স্থিতপ্ৰজ্ঞ হৈ সমাজখনক উদ্ধাৰৰ প্ৰচেষ্টা হাতত ল'ব লাগিব। তাৰ বাবে আমাক অগ্ৰজ সকলৰ পৰাও পৰামৰ্শৱলী তথা উৎসাহ-অনুপ্ৰেৰণাৰ নিত্যান্তই প্ৰয়োজন। সেয়ে পাঠক মণ্ডলীৰ পৰা আমি তেনে পৰামৰ্শৱলী কামনা কৰিলো।

যান্ত্ৰিকতাৰ পৰা ফালৰি কাটি পোহৰৰ দিশে আগবাঢ়ি যোৱাৰ সামান্য প্ৰচেষ্টা 'প্ৰৱাহিনী'ৰ ইয়াৰ জন্ম গাঁথাই যেন স্বীকৃতি পায়। ইয়াকে কৰিবলৈ যাওঁতে অনেকখিনি ভুল ক্ৰুটি হ'ব পাৰে। অভিজ্ঞ তথা অগ্ৰজসকলে এই ভুল ক্ৰুটিখিনি নিজ গুণে শুধৰাই আন্তৰিকতাৰে আমাৰ 'প্ৰৱাহিনী'ক আঁকোৱালি ল'ব বুলি আশা ৰাখিলো। পাঠক সমাজে ক্ষুদ্ৰ প্ৰচেষ্টাটিক সহাঁৰি জনালে আমি অতিশয় কৃতজ্ঞ হ'ম।

যামিনী মহন্ত
সম্পাদিকা, প্ৰৱাহিনী
সাহিত্য আৰু আলোচনী বিভাগ
শিৱসাগৰ ছোৱালী কলেজ, শিৱসাগৰ, অসম।
২০১৩-১৪ বৰ্ষ

# অনুক্ৰমণিকা


ঃঃ চিন্তাৰ বেলাভূমিত ঃঃ
❖ ৰাইজৰ শিল্পী খগেন মহন্তৰ কথাৰে... /অন্বেষা ৰাজকুমাৰী/১১
❖ গৌতম বুদ্ধ - বৌদ্ধ ধৰ্ম আৰু ছয় ৰশ্মি বিশ্ব বৌদ্ধ পতাকা /নয়নিকা শ্যাম/১৩
❖ পঞ্চম বেদ /দীপক দত্ত/১৬
❖ বিশ্বৰ প্ৰথম নোবেল বঁটা বিজয়ী মহিলা সাহিত্যিক ঃ ছেলমা উট্টিলিয়ানা লাগেৰ লফ্‌, /ৰাজশ্ৰী ফুকন/২০
❖ অসমীয়াৰ আপুৰুগীয়া সম্পদ গামোচা /সুমন গোৱালা/২১
❖ বিপন্ন বন্যপ্ৰাণী আৰু আমাৰ দায়বদ্ধতা /জেবিন আখতাৰ ৰহমান/২৩
❖ বন্ধুত্ব ঃ বিশ্বাসৰ এক পবিত্ৰ বন্ধন /প্ৰিন্সী মহন্ত/২৭
❖ আমি সামাজিক হৈও কিয় অসামাজিক ?/দিম্পী সোণোৱাল/২৯
❖ পৃথিৱীৰ বৃহত্তম সংগ্ৰহালয় /জ্যোৎস্না গগৈ/৩১
❖ জৈৱ বৈচিত্ৰ্য আৰু ইয়াৰ সংৰক্ষণ /দীপশিখা শৰ্মা/৩২
❖ শিক্ষাৰ বৃত্তিমুখীকৰণ আৰু শিল্প কেন্দ্ৰিক প্ৰশিক্ষণ /জোনালী গগৈ/৩৪
❖ হাঁহিৰ ৰহস্য /শোভালক্ষ্মী দিহিঙ্গীয়া/৩৭
❖ সোঁৱৰণিৰ ফাকেঁৰে... বন্ধুত্ব আৰু অট'গ্ৰাফ /নীলাক্ষী বৰগোহাঁই/৩৯
❖ প্ৰকৃতি-তীৰ্থ আৰু বিশ্ব পৰ্যটন কেন্দ্ৰৰূপে শিৱসাগৰ /জুমি ভুঞা/৪০
❖ বিলুপ্তপ্ৰায় প্ৰাণী হলৌৰ বৰ্ণময় পৃথিৱীত এভুমুকি /পল্লৱী শইকীয়া/৪৩
❖ আহোমৰ দিনত অসমীয়া সাহিত্য /টুলুমণি গগৈ/৪৪
❖ অসম বুৰঞ্জীত বিশ্বনাথ ক্ষেত্ৰৰ গুৰুত্ব /মুকুতা দাস বৰকাকতি/৪৭
ঃঃ ভ্ৰমণ কাহিনী ঃঃ
❖ গেংটক চাই আহিলো /অদিতি গগৈ/৫০
ঃঃ নীলাখামৰ চিঠিৰ ভাঁজে ভাঁজে ঃঃ
❖ মৰমৰ বান্ধৱী 'লিজা' /গীতিমণি বৰুৱা/৫৩
❖ পত্ৰ /চিমি কোঁৱৰ/৫৪
ঃঃ বৰ্ণময় আলাপৰ বিশেষ এপৃষ্ঠা ঃঃ
❖ এটা বৰ্ণময় আবেলি... কবি, লোক সংস্কৃতিৰ গৱেষিকা তুলিকা চেতিয়া য়েইনৰ সৈতে ঃ /যামিনী মহন্ত/৫৫
ঃঃ গল্পৰ চানেকী ঃঃ
❖ আপোনাৰ বিয়াখন ঠিক হৈ আছে নেকি ? /প্ৰাঞ্জল প্ৰতিম বড়া/৫৭
❖ প্ৰতিজ্ঞা- জীৱন এনেকৈয়ে /নিকুমণি দিহিঙ্গীয়া/৬৩
❖ বিষন্ন পৃথিৱীৰ উচুপনি... /চিমি কোঁৱৰ/৬৪
❖ নিৰ্দয় /গীতিস্মা গগৈ/৬৫
❖ এজাক ৰ'দ কাঁচিয়লিৰ আঁৰেৰে ... /পৰিস্মিতা চুতীয়া/৬৬
❖ আকৌ নতুন প্ৰভাত হ'ব /জেবিন আখতাৰ ৰহমান/৬৯
❖ বোৱাৰী হোৱাৰ দিনা ... /যামিনি মহন্ত/৭১

❖ হেৰাই যোৱা সপোন /ৰাণীমা বৰপাত্ৰ গোহাঁই/৭৫
❖ শূন্যতাৰ অৱসান /প্ৰতীক্ষা ফুকন/৭৭
៖ কবিতাৰ মেটমৰা জোলোঙা ៖ ৮১-১০৪
❖জীৱনৰ পৰা আপুনি বিচাৰেনো কি? /মৌচুমী পান তাঁতী, ❖ৰোমন্থন সোণালী দিনৰ/সংগীতা দাস বৰুৱা (মালা), ❖আঘোণৰ কেনভাছত মোৰ শৈশৱ/দীপশিখা ফুকন, ❖ফাগুণৰ কবিতা/পল্লৱী শইকীয়া, ❖পৰিৱৰ্তন/জ্যোৎস্না গগৈ, ❖ মোৰ জীৱন/হিমাশ্ৰী বৰা, ❖উভতি নাহিবা/মল্লিকা গগৈ, ❖প্ৰিয় বন্ধু নিঃসংগতা/মধুস্মিতা শেনচোৱা, ❖ব'হাগী/ভাগ্য লক্ষী নেওগ, ❖আকাশৰ তৰা এটি খহি পৰিল/জুমি ভূঞা, ❖দোমোজাৰ অন্ধকাৰ/ মৌতৃষা কোঁৱৰ, ❖শাওন/যুথিকা ফুকন, ❖বিষাদৰ পণ/ৰীমা চুতীয়া, ❖এবুকু স্মৃতি/জয়শ্ৰী গগৈ, ❖সেউজী ৰংপুৰ/ৰাণী দাস, ❖বিচ্ছিন্ন মনৰ অবিচ্ছিন্ন আশা...../জুৰী বৰগোহাঁই, ❖মা/পাপৰি ঘৰফলীয়া, ❖ভালপোৱাৰ এটি অনুভৱ! এটি চুক্তি!!/পল্লৱী কপ্তাক, ❖সপোনৰ ৰং/বাগ্মিতা কাশ্যপ, ❖জীৱন যুঁজৰ পথাৰখন..../ৰশ্মিৰেখা বৰগোহাঁই, ❖আপোনালৈ শত-সহস্ৰবাৰ প্ৰণাম/চিমি কোঁৱৰ, ❖তোমাৰ বিয়াৰ দিনা /পৰিস্মৃতা চুতীয়া, ❖এটি জন্ম.....অৱশেষ মানৱতা/হিমাদ্ৰী ফুলকোঁৱৰ, ❖প্ৰত্যাশাৰ প্ৰতিশ্ৰুতি /সুস্মিতা দে, ❖যাত্ৰা/চিমিৰেখা দত্ত, ❖জোনাক সুখীনে তুমি..../চুম্পী ভৰলুৱা, ❖মানৱতাৰ প্ৰতীক ঃ বাপুজী / অনিন্দীতা কটকী, ❖ক'লা ৰঙৰ ফুল আৰু মই/যামিনী মহন্ত, ❖শাৰদী কোমল জোনাক.... /ৰ'দালি চেতিয়া, ❖শৰতৰ আগমনৰ লগে লগেই.... /টুলুমণি গগৈ, ❖বৰ্ষাৰ শেষত তাই আহে.../চিমি কোঁৱৰ, ❖শৰৎ/মৌতৃষা কোঁৱৰ
៖ অনুভৱৰ দলিচা ៖
❖ স্বাধীন দেশত স্বাধীনতাৰ সংজ্ঞা বিচাৰি..../পাপৰি শেনচোৱা/১০৫
❖ বিশ্বাসৰ তুলাচনীত সাৱধানতা /সুনীতা বৰগোহাঁই/১০৭
❖ জীৱনৰ অভিজ্ঞতা ঃ নিজৰ ভুলৰ বাবে..... /টুলুমণি গগৈ/১০৯
❖ শিৱসাগৰ ছোৱালী মহাবিদ্যালয় আৰু অলপ চিন্তা /চেতনা চত্ৰধৰা/১১০
❖ অভিজ্ঞতাৰ মাজেদি মোৰ অনুভৱ /বিমা বুঢ়াগোহাঁই/১১১
❖ সোঁৱৰণীৰ মুকুতা বুটলিবলৈ অতীত ৰোমন্থন /অলকা ৰাণী চেতিয়া/১১৩
៖ ইংৰাজী শিতান ៖
❖ HOW TO PROTECT YOUR LIBRARY AND ITS BOOKS/Abhijit Borpuzari/১১৬
❖ INSPIRING WORDS OF SOME GREAT SCIENTIST AND THEIR CONTRIBUTION TO THE SOCIETY /Madine Hazarika/১১৮
❖ "NOSTALGIA" THE MIST OF MEMORIES /Pronami Chetia/১২২
❖ CANCER, ITS TYPES, CAUSES & SYMPTOMS /Madhusmita Senchowa/১২৩
❖ SOCIAL NETWORKING SITES ITS 'PROS' & 'CONS' /Priyanka Dey/১২৪
៖ ইংৰাজী কবিতা ៖ ১২৫-১২৬
❖"My Beloved one"- A few lines on My Hidden Feelings Bhagya /Lakhi Neog, ❖Amazing Fact /Miss Priya Gogoi, ❖Where this 'World' is free /Priyanka Dey
❖ সম্পাদিকাৰ প্ৰতিবেদন/১২৭-১৪৬

# অনুক্ৰমণিকা


ঃঃ চিন্তাৰ বেলাভূমিত ঃঃ
❖ ৰাইজৰ শিল্পী খগেন মহন্তৰ কথাৰে... /অন্বেষা ৰাজকুমাৰী/১১
❖ গৌতম বুদ্ধ - বৌদ্ধ ধৰ্ম আৰু ছয় ৰশ্মি বিশ্ব বৌদ্ধ পতাকা /নয়নিকা শ্যাম/১৩
❖ পঞ্চম বেদ /দীপক দত্ত/১৬
❖ বিশ্বৰ প্ৰথম নোবেল বঁটা বিজয়ী মহিলা সাহিত্যিক ঃ ছেলমা উট্টিলিয়ানা লাগেৰ লফ্, /ৰাজশ্ৰী ফুকন/২০
❖ অসমীয়াৰ আপুৰুগীয়া সম্পদ গামোচা /সুমন গোৱালা/২১
❖ বিপন্ন বন্যপ্ৰাণী আৰু আমাৰ দায়বদ্ধতা /জেবিন আখতাৰ ৰহমান/২৩
❖ বন্ধুত্ব ঃ বিশ্বাসৰ এক পবিত্ৰ বন্ধন /প্ৰিন্সী মহন্ত/২৭
❖ আমি সামাজিক হৈও কিয় অসামাজিক ?/দিম্পী সোণোৱাল/২৯
❖ পৃথিৱীৰ বৃহত্তম সংগ্ৰহালয় /জ্যোৎস্না গগৈ/৩১
❖ জৈৱ বৈচিত্ৰ্য আৰু ইয়াৰ সংৰক্ষণ /দীপশিখা শৰ্মা/৩২
❖ শিক্ষাৰ বৃত্তিমুখীকৰণ আৰু শিল্প কেন্দ্ৰিক প্ৰশিক্ষণ /জোনালী গগৈ/৩৪
❖ হাঁহিৰ ৰহস্য /শোভালক্ষ্মী দিহিঙ্গীয়া/৩৭
❖ সোঁৱৰণিৰ ফাকেঁৰে... বন্ধুত্ব আৰু অট'গ্ৰাফ /নীলাক্ষী বৰগোহাঁই/৩৯
❖ প্ৰকৃতি-তীৰ্থ আৰু বিশ্ব পৰ্যটন কেন্দ্ৰৰূপে শিৱসাগৰ /জুমি ভুঞা/৪০
❖ বিলুপ্তপ্ৰায় প্ৰাণী হলৌৰ বৰ্ণময় পৃথিৱীত এভুমুকি /পল্লৱী শইকীয়া/৪৩
❖ আহোমৰ দিনত অসমীয়া সাহিত্য /টুলুমণি গগৈ/৪৪
❖ অসম বুৰঞ্জীত বিশ্বনাথ ক্ষেত্ৰৰ গুৰুত্ব /মুকুতা দাস বৰকাকতি/৪৭
ঃঃ ভ্ৰমণ কাহিনী ঃঃ
❖ গেংটক চাই আহিলো /অদিতি গগৈ/৫০
ঃঃ নীলাখামৰ চিঠিৰ ভাঁজে ভাঁজে ঃঃ
❖ মৰমৰ বান্ধৱী 'লিজা' /গীতিমণি বৰুৱা/৫৩
❖ পত্ৰ /চিমি কোঁৱৰ/৫৪
ঃঃ বৰ্ণময় আলাপৰ বিশেষ এপৃষ্ঠা ঃঃ
❖ এটা বৰ্ণময় আবেলি... কবি, লোক সংস্কৃতিৰ গৱেষিকা তুলিকা চেতিয়া য়েইনৰ সৈতে ঃ /যামিনী মহন্ত/৫৫
ঃঃ গল্পৰ চানেকী ঃঃ
❖ আপোনাৰ বিয়াখন ঠিক হৈ আছে নেকি? /প্ৰাঞ্জল প্ৰতিম বড়া/৫৭
❖ প্ৰতিজ্ঞা- জীৱন এনেকৈয়ে /নিকুমণি দিহিঙ্গীয়া/৬৩
❖ বিষন্ন পৃথিৱীৰ উচুপনি... /চিমি কোঁৱৰ/৬৪
❖ নিৰ্দয় /গীতিষ্ণা গগৈ/৬৫
❖ এজাক ব'দ কাঁচিয়লিৰ আঁৰেৰে ... /পৰিস্মিতা চুতীয়া/৬৬
❖ আকৌ নতুন প্ৰভাত হ'ব /জেবিন আখতাৰ ৰহমান/৬৯
❖ বোৱাৰী হোৱাৰ দিনা ... /যামিনি মহন্ত/৭১

❖ হেৰাই যোৱা সপোন /ৰাণীমা বৰপাত্ৰ গোহাঁই/৭৫
❖ শূন্যতাৰ অৱসান /প্ৰতীক্ষা ফুকন/৭৭


ঃঃ কবিতাৰ মেটমৰা জোলোঙা ঃঃ ৮১-১০৪

❖জীৱনৰ পৰা আপুনি বিচাৰেনো কি? /মৌচুমী পান তাঁতী, ❖ৰোমন্থন সোণালী দিনৰ/সংগীতা দাস বৰুৱা (মালা), ❖আঘোণৰ কেনভাছত মোৰ শৈশৱ/দীপশিখা ফুকন, ❖ফাগুণৰ কবিতা/পল্লৱী শইকীয়া, ❖পৰিৱৰ্তন/ জ্যোৎস্না গগৈ, ❖ মোৰ জীৱন/হিমাশ্ৰী বৰা, ❖উভতি নাহিবা/মল্লিকা গগৈ, ❖প্ৰিয় বন্ধু নিঃসংগতা/মধুস্মিতা শেনচোৱা, ❖ব'হাগী/ভাগ্য লক্ষী নেওগ, ❖আকাশৰ তৰা এটি খহি পৰিল/জুমি ভূঞা, ❖দোমোজাৰ অন্ধকাৰ/ মৌতৃষা কোঁৱৰ, ❖শাওন/যুথিকা ফুকন, ❖বিষাদৰ পণ/ৰীমা চুতীয়া, ❖এবুকু স্মৃতি/জয়শ্ৰী গগৈ, ❖সেউজী ৰংপুৰ/ৰাণী দাস, ❖বিচ্ছিন্ন মনৰ অবিচ্ছিন্ন আশা...../জুৰী বৰগোহাঁই, ❖মা/পাপৰি ঘৰফলীয়া, ❖ভালপোৱাৰ এটি অনুভৱ! এটি চুক্তি!!/পল্লৱী কপ্তাক, ❖সপোনৰ ৰং/বাগ্মিতা কাশ্যপ, ❖জীৱন যুঁজৰ পথাৰখন..../ৰশ্মিৰেখা বৰগোহাঁই, ❖আপোনালৈ শত-সহস্ৰবাৰ প্ৰণাম/চিমি কোঁৱৰ, ❖তোমাৰ বিয়াৰ দিনা /পৰিস্মৃতা চুতীয়া, ❖এটি জন্ম.....অৱশেষ মানৱতা/হিমাদ্ৰী ফুলকোঁৱৰ, ❖প্ৰত্যাশাৰ প্ৰতিশ্ৰুতি /সুস্মিতা দে, ❖যাত্ৰা/চিমিৰেখা দত্ত, ❖জোনাক সুখীনে তুমি..../চুম্পী ভৰলুৱা, ❖মানৱতাৰ প্ৰতীক ঃ বাপুজী / অনিন্দীতা কটকী, ❖ক'লা ৰঙৰ ফুল আৰু মই/যামিনী মহন্ত, ❖শাৰদী কোমল জোনাক.... /ব'দালি চেতিয়া, ❖শৰতৰ আগমনৰ লগে লগেই.... /টুলুমণি গগৈ, ❖বৰ্ষাৰ শেষত তাই আহে.../চিমি কোঁৱৰ, ❖শৰৎ/মৌতৃষা কোঁৱৰ


ঃঃ অনুভৱৰ দলিচা ঃঃ

❖ স্বাধীন দেশত স্বাধীনতাৰ সংজ্ঞা বিচাৰি..../পাপৰি শেনচোৱা/১০৫
❖ বিশ্বাসৰ তুলাচনীত সাৱধানতা /সুনীতা বৰগোহাঁই/১০৭
❖ জীৱনৰ অভিজ্ঞতা ঃ নিজৰ ভুলৰ বাবে..... /টুলুমণি গগৈ/১০৯
❖ শিৱসাগৰ ছোৱালী মহাবিদ্যালয় আৰু অলপ চিন্তা /চেতনা চক্ৰধৰা/১১০
❖ অভিজ্ঞতাৰ মাজেদি মোৰ অনুভৱ /ৰিমা বুঢ়াগোহাঁই/১১১
❖ সোঁৱৰণীৰ মুকুতা বুটলিবলৈ অতীত ৰোমন্থন /অলকা ৰাণী চেতিয়া/১১৩


ঃঃ ইংৰাজী শিতান ঃঃ

❖ HOW TO PROTECT YOUR LIBRARY AND ITS BOOKS/Abhijit Borpuzari/১১৬
❖ INSPIRING WORDS OF SOME GREAT SCIENTIST AND THEIR CONTRIBUTION TO THE SOCIETY /Madine Hazarika/১১৮
❖ "NOSTALGIA" THE MIST OF MEMORIES /Pronami Chetia/১২২
❖ CANCER, ITS TYPES, CAUSES & SYMPTOMS /Madhusmita Senchowa/১২৩
❖ SOCIAL NETWORKING SITES ITS 'PROS' & 'CONS' /Priyanka Dey/১২৪


ঃঃ ইংৰাজী কবিতা ঃঃ ১২৫-১২৬

❖"My Beloved one"- A few lines on My Hidden Feelings Bhagya /Lakhi Neog, ❖Amazing Fact /Miss Priya Gogoi, ❖Where this 'World' is free /Priyanka Dey
❖ সম্পাদিকাৰ প্ৰতিবেদন/১২৭-১৪৬



মাননীয় অধ্যক্ষ ড° হেমন্ত কুমাৰ ফুকন

এম এছ চি., এল এল বি, পি এইচ ডি, ডি এ এফ ই

# প্ৰবাহিনীৰ সম্পাদনা কক্ষত



ড° হেমন্ত কুমাৰ ফুকন
অধ্যক্ষ আৰু সভাপতি



ড° লীলা মহন্ত বৰচেতিয়া
উপাধ্যক্ষা আৰু উপ-সভাপতি



প্ৰণৱজ্যোতি ভৰালী
তত্বাৱধায়ক



বিদ্যুত বৰুৱা
তত্বাৱধায়ক



কিশোৰ কুমাৰ দেউৰী
শিক্ষক উপদেষ্টা



জাকিৰ হুছেইন
শিক্ষক উপদেষ্টা



উৎপলা দেৱী
শিক্ষক উপদেষ্টা



যামিনী মহন্ত
সম্পাদিকা



# চিন্তাৰ মেলাডুৰিত

প্ৰতিজনে ব্যক্তিৰ মনৰ অব্যক্ত ভাষাই যেতিয়া স্বাধীন হৈ নিগৰি আহে কলমৰ কাপেৰে উকা পৃষ্ঠাৰ বুকুলৈ ....... তেতিয়াই খলকনি তোলে চিন্তনৰ পৃথিৱীখনত ...... প্ৰবন্ধৰ দাপোণ খনত প্ৰত্যেক লেখকে সজাই তোলে নিজকে স্বকীয় ভাষাৰে .... নিজস্বে শৈলীৰে .........

# ৰাইজৰ শিল্পী খগেন মহন্তৰ কথাৰে...



অন্বেষা ৰাজকুমাৰী
স্নাতক প্ৰথম ষান্মাষিক

কোনোবাই কয় 'গণশিল্পী' আন কোনোবাই আখ্যা দিছে 'বিহু সম্ৰাট' বুলি। মাটিৰ গোন্ধ থকা গানৰ কথা ক'লেই থিতাতে মনলৈ আহে এগৰাকী শিল্পীৰ নাম। তেঁৱেই হ'ল লোকসংগীতৰ সম্ৰাট প্ৰয়াত খগেন মহন্ত। এইজনা প্ৰথিতযশা জনপ্ৰিয় সংগীত শিল্পীয়ে ওৰেটো জীৱন ৰাইজৰ বাবেই গীত গাই হৈ পৰিছিল ৰাইজৰ অতি জনপ্ৰিয়, অতি আপোন। অসমী আইৰ বুকুত সৃষ্টি হৈ তাতেই হেবাই যাব খোজা লোকগীত আৰু আধুনিক গীতৰ সুৱদি সুৰেৰে অসমীয়া ৰাইজক কৰিছিল আপ্লুত। নিৰহংকাৰ, সজ আচৰণৰ বাবেই খগেন মহন্ত বিশিষ্ট সুৰশিল্পী; অনাতাঁৰ কেন্দ্ৰৰ উচ্চ পদস্থ বিষয়া হৈও আজিৰ ৰাইজৰ শিল্পী, গণশিল্পী।

কিন্তু অতি দুভাৰ্গ্যজনক ভাৱে ২০১৪ চনৰ ১২ জুনৰ দিনটো আছিল প্ৰতিজন অসমীয়াৰ বাবে অতি শোকাৱহ, দুঃখজনক হৃদয়বিদাৰক চকুলো টুকাৰ দিন। উক্ত দিনটোতে আকস্মিক ভাৱে অতি সন্তৰ্পণে এইজনা মহান মনিষীয়ে মৃত্যুক সাৱতি লৈ বিদায় মাগিলে অনন্তধামলৈ। অগণন ৰাইজৰ উপস্থিতিত, ৰাইজৰ শেষ শ্ৰদ্ধা লৈ নিমিষতে নশ্বৰদেহ বিলীন হ'ল পঞ্চভূতত। চিৰদিনৰ বাবে হেৰাই গ'ল সকলোৰে মৰমৰ খগেন মহন্ত। মাথো ৰাখি গ'ল তেখেতৰ স্মৃতি, সুৰৰ লহৰ জনতাৰ হৃদয়ত।

সৰুতে ৰেডিঅ'ত সুৰৰ পানচৈ'ৰ দৰে সংগীতানুষ্ঠান সমূহত প্ৰচাৰ হোৱা তেখেতৰ মনোমোহা গীতে আন দহ জনৰ দৰে মোকো আপ্লুত কৰি তুলিছিল। সেই সময়ত তেখেতৰ বিষয়ে ভালকৈ জনা নাছিলো বা গানৰ সুৰ তাল সম্বন্ধীয় জ্ঞানো মোৰ নাছিল। তথাপিও তেখেতৰ গীতত ব্যৱহাৰ হোৱা থলুৱা বা ধেমেলীয়া সহজ অৰ্থ পূৰ্ণ শব্দ প্ৰয়োগে সেই সময়ত মোকো আনন্দ প্ৰদান কৰাৰ লগতে গীত সমূহ উপভোগ কৰাত আগ্ৰহী কৰি তুলিছিল।

কেঁচা মাটিৰ গোন্ধ সনা গীত গোৱা খগেন মহন্ত, ডাকোৱালৰ হৃদয়ৰ বতৰা বিলোৱা খগেন মহন্ত, অসমৰ হোজা ৰাইজৰ একান্ত আপোনজন খগেন মহন্তৰ জন্ম হৈছিল ৪২ৰ অসহযোগ আন্দোলনৰ প্ৰস্তুতিপৰ্বত। তেওঁৰ পিতৃ আছিল হৰেন্দ্ৰ নাথ মহন্ত আৰু মাতৃ লক্ষ্মীপ্ৰিয়া দেৱী।

স্বাভাৱিকভাৱেই ঘৰখনত সত্ৰৰ পৰিৱেশ আছিল। পিতৃ আছিল সত্ৰীয়া সংস্কৃতিৰ ওজাস্বৰূপ। মাতৃমুখত লাগি থাকিছিল ঘোষা-কীৰ্ত্তন, বৰগীত, বিয়ানাম আৰু আই নামৰ সুৰ। এঘাৰটা সন্তানৰ ভিতৰত অন্যতম আছিল খগেন মহন্ত। ১৯৬১ চনত প্ৰথমবাৰৰ বাবে গীত প্ৰচাৰ হয় খগেন মহন্তৰ আৰু ১৯৫৮ চনৰ মানৰ পৰাই তেখেতে বিভিন্ন স্থানত গীত পৰিৱেশন কৰিছিল। ১৯৫৯ চনটো খগেন মহন্তৰ বাবে স্মৰণীয় বছৰ। কাৰণ এই বছৰটোতেই দিল্লীত প্ৰতিস্থিত হৈছিল দূৰদৰ্শন কেন্দ্ৰ। গতিকে খগেন মহন্তৰ গান শুনি অভিভূত হৈ দূৰদৰ্শন কেন্দ্ৰৰ কৰ্মকৰ্তাই



একক অনুষ্ঠান কৰিবলৈ তেওঁক আমন্ত্ৰণ জনায়। এনেদৰেই দূৰদৰ্শন যোগে অনুষ্ঠান প্ৰচাৰৰ সুযোগ পোৱা প্ৰথমজন অসমীয়া হোৱাৰ গৌৰৱ অৰ্জন কৰে।

খগেন মহন্তৰ কথা মনলৈ আহিলেই প্ৰথমেই মনত পৰে তেখেতৰ মূৰৰ আকৰ্ষণীয় সেই নেপালী টুপীটোলৈ। এই নেপালী টুপী পৰিধান কৰাৰ লগতো এক ঘটনা জড়িত হৈ আছে— সেই সময়ত গুৱাহাটীৰ কলাকুঞ্জত আছিল বিখ্যাত শিল্পী সকলৰ সংঘ মিলন স্থল। এই কলা কুঞ্জৰেই অন্যতম সদস্য হিচাপে খগেন মহন্ত নেপাললৈ গৈছিল সাংস্কৃতিক বিনিময়ৰ কাৰ্যসূচী লৈ। নানা ঠাইত অনুষ্ঠান পৰিৱেশনৰ পিছত এদিন শিল্পীসকল কাঠমাণ্ডুৰ পৰা কিছু দূৰৰ এঠাইলৈ গ'ল— উদ্দেশ্য তাৰ পৰা স্পষ্টকৈ দেখা পোৱা কাঞ্চনজংঘা দৰ্শন। ৰাজধানী চহৰখনৰ পৰা ৩৫ কিঃমিঃ দূৰৈৰ ভক্তপুৰ নামৰ ঠাইত আছে প্ৰাচীন মন্দিৰ এটা। নেপালী সকলৰ বাবে আমাৰ কামাখ্যা মন্দিৰৰ দৰেই মহত্বপূৰ্ণ। মন্দিৰৰ উঠি যোৱা পথৰ দাঁতিতে চেমনীয়া ভিক্ষাৰী ল'ৰা দুটাই গান গাই আছিল। হাতত আছিল চেৰেঙা (এবিধ বাদ্যযন্ত্ৰ) এখন। সেইদিনা মন্দিৰলৈ নগৈ গোটেই দিনটো সেই গান শুনিলে। নেপাল ভ্ৰমণৰ শেষৰ দিনা নেপালৰ 'ৰয়েল হ'লত খগেন মহন্ত কণ্ঠত নতুনভাৱে বাজি উঠিল ভিক্ষাৰী ল'ৰা দুটিৰ কণ্ঠৰ সেইগান। 'মুৰলী, মুৰলী বাজে অ' বনমা... লাও কৃষ্ণ সমঝম মনমা।' আলোড়িত হৈ উঠিল নেপালী শিল্পী ৰসিকৰ হৃদয়। সেই সময়ত নেপাল ৰাজ মহেন্দ্ৰই অকুণ্ঠ অভিনন্দন জনালে। আটাইতকৈ বেছি অভিভূত হ'ল নেপালী লোক সংগীতৰ সম্ৰাট ধৰমৰাজ থাপা। মঞ্চলৈ উঠি আহি তেওঁৰ মূৰৰ টুপী খুলি পিন্ধাই দিলেহি লগতে স্বীকাৰ কৰিলে যে তেওঁ নেপালৰ নানা ঠাইৰ সুৰ তুলি আনি জনপ্ৰিয় হ'লেও সেই বিশেষ সুৰ তেওঁ তেতিয়াও পোৱা নাছিল। সেইবাবে ভাৰতীয় সংগীতৰ প্ৰতি এক সন্মান জনায় এক স্বীকৃতি হিচাপে জীৱনৰ শেষ মুহূৰ্তলৈকে খগেন মহন্তই ধাৰণ কৰি আছিল সেই বিশেষ টুপী। প্ৰসংগত, উল্লেখনীয় যে, পিছত সেই বিখ্যাত সুৰকে খগেন মহন্তই তেওঁৰ জনপ্ৰিয় অসমীয়া গতি 'যায় অ'কানু বাই বেনু দুৰণীয় মথুৰালৈ যায়' গীতটিত ব্যৱহাৰ কৰিছিল।

অসমীয়াৰ জনসাধাৰণৰ প্ৰতিটো সমস্যাত লগে ভাগে থকা খগেন মহন্তই বিশ্বাস কৰিছিল যে, মানুহক গীতৰ মাজেৰে মনোৰঞ্জন দিয়াৰ লগতে মানুহৰ মনৰ মাজলৈ সোমাই গৈ মানুহক ভবাই তোলাই শিল্পীৰ কাম। তেওঁ অসমীয়াৰ বৰ্তমানৰ বিপৰ্যয়ৰ, কৃষ্টিৰ বিপৰ্যয়, গোষ্ঠীগত সংঘৰ্ষ দিনক দিনে বৃদ্ধি পাইছে; এই কথা বাৰে বাৰে উপলব্ধি কৰিছিল। তেওঁ জীয়াই থকা প্ৰতিটো দিনতেই গীত, সুৰৰ মাজেৰে গোষ্ঠী সম্প্ৰদায়ৰ অপ্ৰীতিকৰ ঘটনা, সমস্যাসমূহৰ সমাধান কৰিব বিচাৰিছিল।

চিৰদিন জনতাৰ সুখে-দুখে, লগে লগে থকা খগেন মহন্ত অসমীয়াৰ সুখ দুখৰ খবৰ ল'বলৈ আৰু নাহে, নাগায় জনতাক মতলীয়া কৰা গান। সেয়েহে জনতাই জীয়াই ৰাখিব লাগিব তেখেতৰ অমূল্য গীতসমূহক। ইতিমধ্যে তেখেতৰ একমাত্ৰ পুত্ৰ অংগৰাগ পাপন মহন্তই পুৰণি গীতসমূহ নৱ প্ৰজন্মৰ আকৰ্ষণীয় হোৱাকৈ নতুন ৰূপ দি সকলোৰে আদৰণীয় আৰু জনপ্ৰিয় কৰি তুলিবলৈ চেষ্টা কৰিছে। অৱশ্যে এই ক্ষেত্ৰত তেখেত যথেষ্ট পৰিমাণে সফল হৈছে বুলিও ক'ব পাৰি আৰু বৰ্তমানে হয়তো কেৱল নৱ প্ৰজন্মৰে নহয় আন প্ৰজন্মৰ মাজতো তেওঁক চিনি নোপোৱা মানুহ হয়তো খুউব কমহে ওলাব। প্ৰকৃত পক্ষে অসমীয়া লোক সংগীতৰ বাবে ই এক শুভ লক্ষণ বুলিয়েই ক'ব পাৰি। কিন্তু কেৱল অংগৰাগকে নহয় তেখেতৰ পিতৃ তথা তেখেতৰ গুৰু আৰু সেই সমগ্ৰ লোক সংগীত আৰু আধুনিক গীতৰ প্ৰকৃত স্ৰষ্টা খগেন মহন্তক নৱ প্ৰজন্মই চিনি পালেহে নাইবা তেখেতৰ সৃষ্টিৰাজিকে ধৰি ৰাখিলেহে প্ৰকৃত পক্ষে তেখেতৰ কষ্ট সাৰ্থক হোৱাৰ লগতে তেখেতক প্ৰকৃত শ্ৰদ্ধাঞ্জলী জ্ঞাপন কৰা হ'ব।

**পলকতে খগেন মহন্ত**

| | |
|---|---|
| জন্ম | ঃ ১-১-১৯৪২ চন। |
| জন্ম ঠাই | ঃ নগাওঁ চহৰ। |
| পিতৃ-মাতৃ | ঃ হৰেন্দ্ৰ নাথ মহন্ত, লক্ষ্মীপ্ৰিয়া দেৱী। |
| শিক্ষা | ঃ স্নাতক (কলা) গুৱাহাটী বিশ্ববিদ্যালয়। |
| পেশাদাৰী শিক্ষা | ঃ আকাশবাণীৰ 'এ' গ্ৰেড |
| শিল্পী | ঃ অসমীয়া লোকগীত, আধুনিক গীত। |
| সুৰকাৰ | ঃ প্ৰথম গীত ১৯৫৭ চন (আমাৰ মৰাৰ সুঁতিৰ বুকুত উঠে বান...' ইয়ে কৃষ্ণ লীলা কৃষ্ণা নদীৰ পাৰ...') |

সংগীত পৰিচালনাঃ ১৯৬২ চনত (ৰাম কুমাৰ ভট্টাচাৰ্যৰ সামাজিক নাটক আৰু জ্যোতি প্ৰসাদৰ কাৰেঙৰ লিগিৰী'ত)

আকাশবাণীৰ নিয়মীয়া শিল্পীৰ স্বীকৃতি লাভ ঃ ১৯৬৫ চন।

| | |
|---|---|
| বিবাহ | ঃ ১৯৭৩ চন ২২ জানুৱাৰীত অৰ্চনা মহন্তৰ (দাস) সৈতে। |
| পৰিয়াল | ঃ পত্নী অৰ্চনা মহন্ত, পুত্ৰ অংগৰাগ মহন্ত আৰু কন্যা কিংকিনী মহন্ত। |

(সহায় ঃ পূৰ্বাচল)



# গৌতম বুদ্ধ - বৌদ্ধ ধৰ্ম আৰু ছয় ৰশ্মি বিশ্ব বৌদ্ধ পতাকা



নয়নিকা শ্যাম
স্নাতক প্ৰথম ষান্মাষিক

২৫৫৮ বছৰৰ পূৰ্বে গিৰি গুহাৰে বেষ্টিত প্ৰকৃতিৰ লীলা নিকেতন পূণ্যভূমি ভাৰতবৰ্ষৰ বুকুত অৱস্থিত নেপাল ৰাজ্যৰ অন্তৰ্গত কপিলাবস্ত নামৰ এখন সমৃদ্ধিশালী গণৰাজ্যৰ ৰজা আছিল শুদ্ধোধন নামৰ এজন ন্যায়পৰায়ণ ৰজা। ৰজাৰ মহামায়া দেৱী আৰু গৌতমী নামৰ দুগৰাকী ৰাণী আছিল। ৰাণী মহামায়াই সিদ্ধাৰ্থৰ জন্ম আগেয়ে এটা সপোন দেখিছিল, সপোনত তেওঁ ছটা ৰশ্মিৰে উজ্বলিত এটা তৰা আৰু ছটা দাতযুক্ত এটা বগা হাতী দেখিছিল। (সেই ৰশ্মি হ'ল — নীলা, হালধীয়া, ডাঠ ৰঙা, বগা, ডাঠ হালধীয়া আৰু সেই পাঁচটা ৰঙৰ সংযুক্ত ৰং)। ৰাতিপুৱা সাৰ পাই ৰাণীয়ে সপোনৰ কথা ৰজা শুদ্ধোধনক জনালে। সপোনৰ অৰ্থ উলিয়াবলৈ ৰজাই জ্যোতিষিসকলক মাতি পঠাইছিল। তেওঁলোকে ৰাজপ্ৰসাদত এজন মহাপুৰুষৰ জন্ম হ'ব বুলি ভৱিষ্যতবাণী কৰিলে। এদিন গৌতম জন্মৰ কিছুদিনৰ আগতে সোণৰ পাল্কীত উঠি মহামায়া পিতৃ গৃহলৈ বুলি যাত্ৰা কৰে। সেই যাত্ৰাৰ মাজ বাটতে লুম্বিনী বনত শাল বৃক্ষ এজোপাৰ শীতল ছায়াত সিদ্ধাৰ্থৰ জন্ম হয়।

তেওঁৰ জন্মৰ ৭ দিনৰ পিছত মহামায়া দেৱীৰ মৃত্যু হয়। মাহীমাক মহাপ্ৰজাপতি গৌতমীয়ে লালন পালন কৰিছিল বাবে তেওঁক গৌতম বোলা হৈছিল। ৰাজকুমাৰ গৌতমে অনিচ্ছা সত্বেও ১৯ বছৰ বয়সত কোলীয় ৰাজনন্দিনী শোড়শী যুৱতী, অপূৰ্ব্বা সুন্দৰী গোপা দেৱীৰ লগত বিবাহ পাশত আবদ্ধ হয়। তাৰ পাছত ৰাজকুমাৰ গৌতমৰ এটি সন্তান জন্ম হয়। পুত্ৰৰ নাম ৰাখিলে ৰাহুল। জীৱ জগতৰ স্তৰে স্তৰে ৰোগ, শোক, জৰা ব্যাধি আৰু মৰণৰ যি দুখ তাক তেওঁ সম্যকস্বপে দেখিবলৈ পালে। অপাৰ দুখৰ অনন্ত সোঁতে জগতৰ সকলো প্ৰাণীকে কন্দুৱাই অবিৰাম গতিত উটুৱাই নিব লাগিছে, কাৰো নিস্তাৰ নাই। সুখ কেৱল ক্ষন্তেকৰ কাৰণেহে। ই ক্ষণস্থায়ী কোন পথেদি গৈ দুখ মোচন হ'ব পাৰি সেই মুক্তিৰ পথ বিচাৰিবৰ কাৰণে ২৯ বছৰ বয়সত গৌতমে ৰাজসিংহাসন, প্ৰিয়তমা ভাৰ্য্যা, সদ্যোজাত সন্তান আৰু বিশাল ৰাজপুৰী এৰি থৈ ভৰ বাৰিষা শুভ আহাৰী পূৰ্ণিমাৰ মাজনিশা ৰাজপ্ৰসাদ ত্যাগ কৰি অৰণ্যাভিমুখে যাত্ৰা কৰিলে।

সত্যানুসন্ধানৰ পথ অতি কণ্টকাকীৰ্ণ। সেয়েহে সিদ্ধাৰ্থই



গ্ৰহণ কৰিলে অতি কঠোৰ ইন্দ্ৰিয় নিগ্ৰহৰ পথ। কঠোৰতম ব্ৰত, আত্ম সংযম, ইন্দ্ৰিয় নিগ্ৰহ আৰু কঠিন ধ্যানৰ মাজেৰে অমানুষিক সাধ্য সাধনাৰে ছটা বছৰ অতিক্ৰান্ত হ'ল। শৰীৰ অস্থি চৰ্ম্মৰ হৈ জীৱন্ত কংকালত পৰিণত হ'ল। আত্মনিষ্পেষণ যিমানেই বাঢ়িল, তেওঁৰ লক্ষ্যও সিমান দূৰলৈ গ'ল। তেওঁ কঠোৰ সাধনা ফলৱতী হৈ নুঠিল। অভিজ্ঞতাৰ মাজেৰে সিদ্ধাৰ্থই উপলব্ধি কৰিলে যে আত্মনিগ্ৰহ সত্যানুসন্ধানৰ প্ৰকৃত পথ নহয়। আত্ম শৰীৰ আৰু মন দুৰ্বল হোৱাৰ বাবে সত্য উপলব্ধি কৰাটো কঠিন হৈ পৰে।

অৱশেষত তেওঁ কঠোৰ সংযম আৰু শাৰীৰিক নিপীড়নৰ মাজতে এক মধ্যপন্থা আৱিষ্কাৰ কৰিলে। তেওঁ অনুভৱ কৰিলে যে কঠোৰ আত্মসংযমে মানুহৰ আধ্যাত্মিক বিকাশত বাধা জন্মায় আৰু শাৰীৰিক নিপীড়নে মানুহৰ জ্ঞান বুদ্ধি দুৰ্বল কৰে। গতিকে এই মধ্যপন্থাই হ'ল সত্যানুসন্ধানৰ প্ৰকৃত পথ। এই মধ্যম পথ অৱলম্বন কৰিয়েই অৱশেষত তেওঁৰ একুৰি পোন্ধৰ বছৰ বয়সত এদিন ৰাতিপুৱাই ধ্যানত বহি থাকোতেই কোনো অতি প্ৰাকৃতিক অৱস্থাৰ সন্মুখীন নোহোৱাকৈ তেওঁৰ মনৰ পৰা সকলো কলুষ কালিমা অন্তৰ্হিত হ'ল, পৰিশুদ্ধ অন্তৰেৰে তেওঁ সকলো বস্তুৰেই প্ৰকৃত ৰূপ দেখা পালে। সিদ্ধাৰ্থ গৌতমে বুদ্ধত্ব লাভ কৰিলে। বুদ্ধৰূপে জন্ম নহৈয়ো নিজৰ প্ৰচেষ্টাৰে তেওঁ বুদ্ধত্ব লাভ কৰিলে। বুদ্ধত্ব লাভ কৰাৰ পাছত বাকী জীৱন সৰ্বগুণেৰে বিভূষিত হৈ সকলো ধৰণৰ ব্যক্তিগত স্বাৰ্থৰ উৰ্দ্ধলৈ উঠি নিজৰ জীৱনৰ আদৰ্শেৰে তেওঁ মানৱতাৰ সেৱাত ব্ৰতী হ'ল।

সুদীৰ্ঘ দুকুৰী পাঁচ বছৰ মানুহৰ মাজত প্ৰেম আৰু অহিংসাৰ বাণী প্ৰচাৰ কৰি চাৰিকুৰি বছৰ বয়সত ভগৱান বুদ্ধই শিষ্যসকলক তেওঁৰ শিক্ষা আদৰ্শ অনুকৰণ কৰি মানৱ জীৱন সাৰ্থক কৰিবলৈ আহ্বান জনাই নশ্বৰ দেহ ত্যাগ কৰিলে।

বুদ্ধই মানুহ হিচাপে জন্ম লৈ অন্য সাধাৰণ মানুহৰ দৰেই মৃত্যু হ'ল যদিও তেওঁৰ কৰ্ম আৰু আদৰ্শৰ যোগেদি অসাধাৰণত্ব লাভ কৰিবলৈ সমৰ্থ হ'ল। তেওঁ তেওঁৰ শিক্ষা প্ৰমূল্যৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল কিন্তু কেতিয়াও নিজকে ঐশ্বৰিক গুণসম্পন্ন গুৰু হিচাপে প্ৰতিপন্ন কৰিব বিচৰা নাছিল। এই কথা সদায় মনত ৰাখিবলগীয়া যে ঐশ্বৰিকতা প্ৰতিপন্ন কৰি নিবিচাৰিলেও তেওঁৰ সমকক্ষ ঐশ্বৰিক ব্যক্তি অতি বিৰল।

*বুদ্ধই মানুহ হিচাপে জন্ম লৈ অন্য সাধাৰণ মানুহৰ দৰেই মৃত্যু হ'ল যদিও তেওঁৰ কৰ্ম আৰু আদৰ্শৰ যোগেদি অসাধাৰণত্ব লাভ কৰিবলৈ সমৰ্থ হ'ল। তেওঁ তেওঁৰ শিক্ষা প্ৰমূল্যৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল কিন্তু কেতিয়াও নিজকে ঐশ্বৰিক গুণসম্পন্ন গুৰু হিচাপে প্ৰতিপন্ন কৰিব বিচৰা নাছিল। এই কথা সদায় মনত ৰাখিবলগীয়া যে ঐশ্বৰিকতা প্ৰতিপন্ন কৰি নিবিচাৰিলেও তেওঁৰ সমকক্ষ ঐশ্বৰিক ব্যক্তি অতি বিৰল।*

বুদ্ধ হিন্দুসকলৰ ভগৱান বিষ্ণুৰ এক অৱতাৰ বুলি কোনো কোনোৱে কব বিচাৰিলেও তেওঁ অৱতাৰ নহয়। তেওঁ নিজৰ শক্তিৰ জৰিয়তে অন্যৰ ত্ৰাণকৰ্ত্তাও নহয়। তেওঁ শিষ্যসকলক পৰিষ্কাৰ ভাষাৰে বুজাই কৈছিল যে তথাগত সকল ত্ৰাণকৰ্ত্তা নহয়, তেওঁলোক শিক্ষাদাতাহে। বুদ্ধই পথহে দেখুৱাই গৈছে। সেই পথ অনুসৰণ কৰি আমি নিজ নিজ প্ৰচেষ্টাৰে পৰিশুদ্ধ হ'ব লাগিব। মুক্তিৰ বাবে আনক নিৰ্ভৰ কৰাটো নেতিবাচক প্ৰক্ৰিয়া। মানৱাত্মাৰ মুক্তিৰ বাবে প্ৰত্যেক মানৱ নিজৰ ওপৰতহে দায়বদ্ধ।

বুদ্ধৰ প্ৰতি অকুণ্ঠ শ্ৰদ্ধা আগবঢ়াই ড° সৰ্ব্বপল্লী ৰাধাকৃষ্ণনে কৈছে —

"In Gautam Buddha we have a mastermind from the East second to none so far as the influence on the thought and life of the human race is concerned, and sacred to all as the founder of a religious tradition whose hold is hardly less wide and deep than any other. He belongs to the history of the world's thought, to the general inheritance of all cultivated man, for judged by intellectual integrity, moral earnestness and spirtual insight, he is



undoubtedly one of the greatest figures in history."

The Three greatest Man in History নামৰ গ্ৰন্থত H.G. Wells এ কৈছে, — "আমি বুদ্ধৰ মাজত পৰিস্কাৰকৈ অবিৰত জ্যোতি সন্ধানী এজন অকলশৰীয়া সহজ সৰল মানৱক দেখা পাওঁ। তেওঁৰ শিক্ষাৰ আসক্তি ত্যাগ কৰি ক্ষুদ্ৰস্বাৰ্থ সম্পূৰ্ণৰূপে বিসৰ্জন দি শুদ্ধ হ'ব লাগিব। যীশুতকৈ পাঁচশ বছৰৰ আগতে বুদ্ধই মানুহক অহংভাৱ ত্যাগ কৰিবলৈ শিকাই গৈছে। তেওঁ ব্যক্তি প্ৰাধান্য আৰু সেৱাৰ বাণী যীশুতকৈ বহুত বেছি সৰল আৰু পৰিস্কাৰ। অতি সহজে ক'বলৈ হ'লে আমি বুদ্ধক যিমানেই জানিবলৈ চেষ্টা কৰো সিমানেই তেওঁৰ প্ৰতি আমাৰ প্ৰেম বাঢ়ে আৰু আমাৰ প্ৰেম যিমানেই বাঢ়ে সিমানেই তেওঁক জানিবলৈ বুজিবলৈ অনুৰাগ বাঢ়ে।

## বৌদ্ধ ধৰ্ম

৬ বছৰ কঠোৰ পৰিশ্ৰম আৰু ত্যাগৰ বলত দান-শীল, সমাধি আৰু প্ৰজ্ঞাৰ পৰম শিক্ষাত অৱতীৰ্ণ হৈ তথাগত বুদ্ধই অহিংসা, সাম্য মৈত্ৰী কৰুণাৰ বাণীৰে নৰচেতনাৰে প্ৰৱৰ্তন কৰিলে বৌদ্ধ ধৰ্ম। চৌদিশে মুখৰিত হৈ ভাৰতৰ চাৰিসীমা অতিক্ৰম কৰি বৌদ্ধ ধৰ্ম, সাৰ্বজনীন ধৰ্ম। কিন্তু এই ধৰ্ম সংকীৰ্ণ আনুষ্ঠানিক ধৰ্ম নহয়। এই ধৰ্ম বিশ্বপ্ৰেম, বিশ্বশান্তি আৰু বিশ্ব প্ৰগতিৰ ধৰ্ম।

## ছয় ৰশ্মি বিশ্ব বৌদ্ধ পতাকা

পূৰ্ণজ্ঞান লাভ কৰাৰ পিছত সম্যক সম্বদ্ধই ৭ সপ্তাহ কাল ধৰি বৃহৎ আকাৰৰ অজপাল নামৰ বোধিবৃক্ষ আহত জোপাৰ চাৰিও দিশত অৱস্থান কৰি মধ্যপন্থী বিপাশ্যনা সাধনাত ব্ৰতী হৈছিল। চতুৰ্থ সপ্তাহত 'অভিধৰ্ম' তাৎপৰ্য সম্পৰ্কে আৰু সপ্তম সপ্তাহত জ্যোতিম্ময় বিদৰ্শন জ্ঞানৰ সাধনাত বহি ধ্যান কৰি থকা অৱস্থাত প্ৰতিভাসিত হৈছিল ছয় ৰঙৰ ৰঙীণ আভা। বিস্ফোৰণ ঘটা ছয়টা সুশোভিত ৰঙ হ'ল — নীলা, হালধীয়া, বগা, ৰঙা, ডাঠ হালধীয়া আৰু সেই পাঁচটা ৰঙৰ মিহলি এটা সংযুক্ত ৰং।

ইং ১৯৫০ চনৰ মে' আৰু জুন মাহত শ্ৰীলংকাত অনুষ্ঠিত হোৱা বিশ্ব বৌদ্ধ ভাতৃত্ব সন্মিলনত বিশ্বৰ ২৯ খন ৰাষ্ট্ৰৰ গণ্যমান্য প্ৰতিনিধিসকল সমবেত হৈছিল। গৌতম বুদ্ধৰ জন্মৰ আগৰ পৰা বুদ্ধত্ব লাভ কৰা পৰ্য্যন্ত ঘটা ছয়টা সুশোভিত ৰঙৰ বিস্ফোৰণৰ আধাৰতে বিশ্ব বৌদ্ধ পতাকা গৃহীত হৈছিল। সেই গৃহীত পতাকাই ছয় ৰশ্মি বিশ্ব বৌদ্ধ পতাকা। আধুনিক জগতত এই ছয় ৰশ্মিৰ পতাকাই গোটেই পৃথিৱীৰ বৌদ্ধসকলৰ এটা গৌৰৱময় সম্পত্তি। এই পতাকাৰ ৰং বা ৰশ্মি হ'ল ধৰ্মৰশ্মি। এই ছয় ৰশ্মি ভগবান বুদ্ধৰ স্বয়ং গাৰ পৰা বিস্ফোৰণ হোৱা ৰশ্মি।

১) <u>নীলা</u> — নীলা আকাশৰ দৰে সীমাহীন মৈত্ৰীৰ চিন। সম্যক সমবুদ্ধৰ চুলি আৰু চকুদ্বয়ৰ পৰা আৱিৰ্ভাৱ হৈছিল। ইয়াক 'মেত্তা' পাৰমী বুলি কোৱা হয়।

২) <u>হালধীয়া</u> — এই ৰং ত্যাগ আৰু সাধুতাৰ চিন। সম্যক সমবুদ্ধৰ ত্ৰিচীবৰ সমূহৰ পৰা এই ৰংটো ওলাইছিল। ইয়াক 'নিকখম' (ত্যাগ) পাৰমী বুলি কয়।

৩) <u>ৰঙা</u> — এই ৰঙা চিনে ধৈৰ্য্য বা বীৰ্য্য গুণ দৰ্শাইছে। বুদ্ধত্ব লাভৰ নিমিত্তে তেওঁ নিজৰ তেজ, মাংস আদি কৰি সমস্ত দেহ পৰ্য্যন্ত ত্যাগ কৰিও বীৰ্য্যতা ৰক্ষা কৰিছিল। ইয়াক 'বীৰিয়' (বীৰ্য্য) পাৰমী বোলে।

৪) <u>বগা</u> — বগা ৰংটোৱে সত্যৰ চিন দৰ্শাইছে। সম্যক সমবুদ্ধৰ দাঁত, হাড় আৰু চকুদ্বয়ৰ পৰা বগা ৰংখিনি নিৰ্গত হৈছিল। ইয়াক 'সত্য' পাৰমী বোলে।

৫) <u>ডাঠ হালধীয়া</u> — এই ৰংটো হৈছে - সাম্য আৰু অহিংসাৰ চিন। ইয়াক 'অধিষ্ঠান' পাৰমী বোলা হয়।

৬) <u>প্ৰভাস সৰ</u> — ওপৰৰ পাচোটা সংযুক্ত ৰং পঠালিকৈ গঠিত হোৱা চিনটোৱে মহাপুৰুষ বুদ্ধৰ বত্ৰিছ প্ৰকাৰৰ লক্ষণ আৰু বৌদ্ধ ধৰ্মৰ মূল মন্ত্ৰক বুজাইছে।

এই পবিত্ৰ ছয় ৰশ্মি বৌদ্ধ পতাকাই মেত্তা, কৰুণা, মুদিতা আৰু উপেক্ষাৰ স্বাক্ষৰ বহন কৰিছে যাৰ দৃষ্টি স্ফুৰণও জনগণৰ হৃদয়ত ধৰ্ম প্ৰেৰণা জাগৃত হৈ আহিছে আৰু আহিব।



# পঞ্চম বেদ

দীপক দত্ত
শিৱসাগৰ

এৰিষ্টটোলে তেওঁৰ বিখ্যাত গ্ৰন্থ 'পয়েটিক্স'ত ক্ৰিয়াশীল ৰূপত ক্ৰিয়াশীলতাৰ অনুকৰণকে নাটক বুলিছে। নাটকৰ উৎপত্তিৰ বিষয়েও বহুতো তথ্য আছে। নাটকৰ ক্ষেত্ৰত আমাৰ ভাৰতবৰ্ষ পিচপৰি থকা নাই।

দেৱৰাজ ইন্দ্ৰই সৃষ্টিকৰ্তা ব্ৰহ্মাক এনে কিবা সৃষ্টি কৰিবলৈ ক'লে যে সেইয়া উপভোগ কৰি সকলো দুখ কষ্ট পাহৰি থাকিব পৰা যায়। সৃষ্টিকৰ্ত্তা ব্ৰহ্মাও সেয়েহে নিজৰ হাততে থকা চাৰিখনবেদ শাস্ত্ৰৰ পৰা কিছু কিছু সাৰৰ্মম আনি পুনৰ এখন বেদশাস্ত্ৰ প্ৰস্তুত কৰি উলিয়ালে। এই নতুন বেদেই হল 'নাটক' অৰ্থাৎ নাটকক সেয়েহে 'পঞ্চম বেদ' বুলিও জনা যায়। ব্ৰহ্মাদেৱতাই ঋক্ বেদৰ পৰা কাহিনী তথা সাহিত্য লৈছিল, অভিনয় লৈছিল যৰ্জু বেদৰ পৰা। (বৰ্ত্তমান ৰামদেৱে সমগ্ৰ বিশ্বতে যৰ্জু বেদৰ প্ৰসাৰ আৰু আছে), সংগীত লৈছিল সামবেদৰ পৰা আৰু শ্ৰুত অৰ্থাৎ ৰসস্বাদৰ উপকাৰিতা লৈছিল অঠৰ বেদৰ পৰা। অথৰ্ব বেদৰ উপকাৰিতাৰ বিষয়ে আমি জানো যে আয়ুবেদিক শাস্ত্ৰ অৰ্থাৎ অঠব বেদত উল্লেখিত বনৌষধি গ্ৰহণ কৰিলে আমাৰ শৰীৰৰ বাবে উপকাৰ হয়। যি দৰে এটি আমলখিৰ ৰসে আমাৰ জিভাত স্বাদ অনুভৱ দিয়ে অথচ্ আমাৰ পেটৰ বেমাৰ ভাল হয় আৰু চাল মশৃণ হৈ শৰীৰৰ উপকাৰ সাধন হয়, তেনেদৰে নাটক দৰ্শন কৰিলেও নৱৰসৰ অনুভূতিৰে সকলো মানসিক চিন্তা দূৰ হৈ শৰীৰৰ বাবে উপকাৰ সাধন হয়। এনেদৰে ব্ৰহ্মা দেৱতাই নাটক সৃষ্টি কৰি ইন্দ্ৰ দেৱতাক গটাই দি খুউব বুদ্ধি সম্পন্ন আৰু জ্ঞানী দেৱতাৰ হতুৱাই নাটক মঞ্চস্থ কৰিবলৈ পৰামৰ্শ দিলে। এনেদৰে স্বৰ্গত মঞ্চস্থ হয় 'ইন্দ্ৰধ্বজ' নামৰ নাটকখনি। কিন্তু ইন্দ্ৰ দেৱতাই ব্ৰহ্মা দেৱতাক নাটক ঘূৰাই দি ক'লে যে দেৱতাসকল জ্ঞানী আৰু বুদ্ধিমান, কিন্তু কষ্টসহিষ্ণু নহয়। সেইবাবে নাটক কৰাটো দেৱতাৰ বাবে সহজ নহয়। যিহেতু মানুহে কষ্ট কৰিব পাৰে আৰু ইয়াৰ বাবে ব্ৰহ্মা দেৱতাই মানুহক নাটক প্ৰদান কৰাৰ কথা চিন্তা কৰিলে আৰু 'ভৰত মুনিক' নাটক প্ৰদান কৰিলে। এনেদৰেই স্বৰ্গৰ পৰা নাটক পৃথিৱীলৈ আহিল। ভৰত মুনিয়ে নিজৰ এশপুত্ৰ আৰু ব্ৰহ্মাই নতুনকৈ সৃষ্টি কৰি দিয়া চৌবিশ গৰাকী অপ্সৰা লৈ কৈলাশত ভগৱান শিৱৰ জীৱন ভিত্তিক কাহিনীৰ আধাৰত ৰচিত নাটক। 'ত্ৰিপুৰা দহন' মঞ্চস্থ কৰে। এই নাটক মঞ্চস্থ কৰিবলৈ বিশ্বকৰ্মাই মঞ্চ নিৰ্মাৰণ কৰি দিয়ে। ভগৱান শিৱ পাবতী হ'ল এই নাটকৰ মূখ্য অতিথি। নাটকৰ সফল মঞ্চায়নৰ মধ্যভাগতে আনন্দিত হৈ সংগীতৰ তালে তালে পাৰ্বতী আয়ে তেওঁৰ নিজৰী নাচ পৰিবেশন কৰিলে যাৰ বাবে নাটকৰ গুণগত মানদণ্ড বহু উচ্চ হ'ল; নাটৰ সফল মঞ্চায়নৰ পাছত শিৱৰ নিৰ্দ্দেশ মৰ্মে তাণ্ডয়ে ভৰত মুনিৰ পুতেক সকলক সৃষ্টি নাচ (তাণ্ডৱ) শিকাই। শিৱৰ তাণ্ডৱ নৃত্য আৰু পাৰ্বতীৰ লাস্য নৃত্যৰ সংযোজনৰ এক নতুন নৃত্যৰ জন্ম হ'ল ভৰত নাট্যম।

আন এক সূত্ৰ মতে ভগৱান শিৱৰ তাণ্ডৱ নৃত্যৰ বিভিন্ন মুদ্ৰাৰ পৰাই অভিনয় সৃষ্টি বুলি ধৰা হয়। আনহাতে প্ৰস্তৰ যুগত মানুহে কথা কবলৈ নেজানিছিল। সেই যুগত আকাৰ ইংগিতেৰেহে ভাৱৰ আদান প্ৰদান হৈছিল। পুৰুষসকল চিকাৰ কৰিবলৈ যাওঁতে পত্নী, বৃদ্ধ আৰু শিশুসকল ঘৰতে থাকিছিল। পাচত পুৰুষ সকলে চিকাৰৰ বৰ্ণনা সমূহ অংগী-ভংগীৰে ঘৰত বৰ্ণনা কৰিছিলহি। এইক্ষেত্ৰত পুৰুষসকলে নিজকে বীৰ আৰু সাহসী বুজাবলৈ চিকাৰৰ কাহিনী বোৰ মনে সজা আৰু অতি ৰঞ্জিত কৰি অভিনয়ৰ যোগেৰে প্ৰকাশ কৰিবলৈ চেষ্টা কৰিছিল। এনেদৰে সৃষ্টি হৈছিল



মুকাভিনয়ৰ। মুকাভিনয়ক ভাষাৰ ব্যৱহাৰৰ পূৰ্ব্বেই জন্ম হোৱা বুলি পণ্ডিতসকলে ধাৰণা কৰিছে।

অভিনয়ক মূলত চাৰি ভাগত বিভক্ত কৰা হয়। আংগিক ঃ অংগ-প্ৰত্যংগেৰে কৰা অভিনয়ক আংগিক অভিনয় কোৱা হয়। শিৰ, হস্ত, পাদ, কটি, বক্ষ, পাৰ্শ্বক 'অংগত' ধৰা হয়। স্কন্ধদ্বয়, বাহুদ্বয়, জংঘা, উৰু, পৃষ্ঠ, উদৰক 'প্ৰত্যংগ' কোৱা হয়। চকু চেলাউৰি, ডিঙি, নাক, ওঁঠ, দাঁত, হনু, জিভা, মুখ আদিক 'উপাংগত' ধৰা হয়। আংগিক অভিনয়ৰ উদাহৰণ হ'ল - মূকাভিনয়।

ৱাচিক ঃ শব্দ প্ৰয়োগৰ দ্বাৰা কৰা অভিনয়কে ৱাচিক অভিনয় বোলা হয়। অনাতাঁৰত সম্প্ৰচাৰিত নাটক সমূহ হ'ল 'ৱাচিক' অভিনয়ৰ উদাহৰণ।

সাত্বিক ঃ সাত্বিকতাৰে মনৰ পৰা অকৃত্ৰিম ভাৱে যি অভিনয় কৰা হয়, তাকে সাত্বিক অভিনয় বোলে। অভিনয় শিল্পীৰ সাত্বিকতা যিমানেই বলিষ্ঠ হ'ব, আংগিক আৰু ৱাচিক অভিনয় সমূহো সিমানেই উন্নত আৰু প্ৰখৰ হ'ব। আহাৰ্য্য ঃ উপৰোক্ত আংগিক, ৱাচিক আৰু সাত্বিক অভিনয়ৰ ওপৰিও সাজ-সজ্জা, প্ৰসাধন, পোহৰ আদিৰ ব্যৱহাৰকে আহাৰ্য্য বোলে।

যিহেতু মঞ্চত অভিনয় দৰ্শন কৰোঁতে ভাৱৰ উদ্ৰেক হয়। ভাৱৰ পৰাই 'ৰস'ৰ সৃষ্টি হয়। উপনিষদৰ মতে ৰস হ'ল আধ্যাত্মিক সন্তুষ্টি। কোনো দৃশ্য বা ঘটনাৰ সাময়িক সৃষ্টিশীল অৱস্থাই ভাৱ আৰু সেই দৃশ্যৰ পৰা আহৰণ আনন্দই হ'ল ৰস। অভিনয়ত ন টা ৰস পোৱা যায় যাক কোৱা হয় 'নৱৰস' —

১) **শৃংগাৰ ঃ** এই ৰসৰ স্থায়ী ভাৱ হ'ল প্ৰেম।

২) **হাস্য ঃ** অ-সংগতিপূৰ্ণ অংগী-ভংগী আৰু আচাৰ ব্যৱহাৰৰ দ্বাৰা যেতিয়া কৌতুকৰ সৃষ্টি হয়, তেতিয়া হাস্য ৰসৰ উৎপত্তি হয়।

৩) **কৰুণ ঃ** শোক আৰু দুখত কৰুণ ৰসৰ উৎপত্তি হয়।

৪) **ৰৌদ্ৰ ঃ** মনত খংৰ উদয় হ'লে ৰৌদ্ৰৰসৰ উৎপত্তি হয়।

৫) **বীৰ ঃ** গৰ্ব, অহংকাৰ, শক্তি আদি ভাৱ প্ৰকাশ হ'লে বীৰ ৰস উৎপত্তি হয়।

৬) **ভয়ানক ঃ** আতংকগ্ৰস্ত হৈ ভয়খালে ভয়ানক ৰসৰ উৎপত্তি হয়।

৭) **বীভৎস ঃ** এই ৰসৰ স্থায়ীভাৱে হ'ল ঘৃণা। বধ, দুৰ্গন্ধ, অশ্লীন কাৰ্য্যৰ দৃশ্যত মনত উদয় হোৱা ৰসকে বীভৎস ৰস বোলা হয়।

৮) **অদ্ভূত ঃ** বিস্ময় আৰু আশ্চৰ্যৰ অভিব্যক্তিৰ ৰস হ'ল অদ্ভূত ৰস।

৯) **শান্ত ঃ** অন্য ৰসৰ অনুপস্থিতিত মনত যি সাম্যভাৱ, তাকে শান্ত ৰস বোলা হয়। সাধাৰণতে এই ৰস ভক্তিমূলক হয়। এই ৰসে শান্তি আৰু আনন্দ দিবলৈ সক্ষম হয়।

নাটক হ'ল দৃশ্য কাব্য। নাটক মঞ্চায়ন নোহোৱালৈকে নাটকৰ পাণ্ডুলিপি অৰ্থাৎ সাহিত্যই প্ৰাণ নেপায়। এখন নাটক মঞ্চস্থ কৰিবৰ বাবে মঞ্চৰ প্ৰয়োজন হয়। যিকোনো এটুকুৰা সমতল নাটকৰ বাবে মঞ্চ হ'ব পাৰে। কেৱল মাত্ৰ সেই স্থান অভিনয়ৰ বাবে উপযুক্ত হ'লেই হ'ল। ইউৰোপৰ প্ৰায়বোৰ দেশতে পূৰ্ব্বতে পথাৰ, ঘৰৰ চোতাল, পথ আদিত নাটক মঞ্চস্থ হৈছিল। নাটক মঞ্চস্থ কৰিবৰ বাবে আধুনিক বিজ্ঞান সন্মত চিন্তা চৰ্চ্চা প্ৰথমতে ইউৰোপত পৰিলক্ষিত হয়। খ্ৰীষ্টিয় দ্বিতীয় শতিকাত ৰচিত ভৰত মুনিৰ নাট্য শাস্ত্ৰত নাটকৰ প্ৰকাৰ, কাহিনী চৰিত্ৰ আদিৰ ওপৰিও অভিনয়, ৰঙ্গমঞ্চ, প্ৰেক্ষাগৃহ, নেপথ্য গৃহ আদিৰ বিষয়ে বহুল ভাবে বৰ্ণনা আছে। ভৰত মুনিৰ নাট্যশাস্ত্ৰ অনুসৰি প্ৰাচীন ভাৰতত তিনি প্ৰকাৰৰ ৰঙ্গমঞ্চ থকাৰ কথা উল্লেখ পোৱা যায় — আয়ত, তিনিচুকীয়া আৰু চাৰিচুকীয়া। এই তিনিবিধ ৰঙ্গমঞ্চক আকৌ — সৰু, মাধ্যম আৰু ডাঙৰ হিচাপে তিনিটা ভাগ কৰা হৈছিল। এই ভাগ সমূহক ৰঙ্গমণ্ডপ অৰ্থাৎ দৰ্শক বহা ঠাই, নেপথ্য গৃহ, ৰংগ শীৰ্ষ আৰু ৰংগপীঠ নামেৰে জনা হৈছিল। প্ৰকৃত অভিনয় হৈছিল ৰংগপীঠত।




ভৰত মুনিৰ বিকৃষ্ট ৰংগ শালা



প্ৰাচীন ভাৰতত প্ৰধানকৈ মন্দিৰৰ প্ৰাঙ্গণ আদিতে নাট মঞ্চস্থ হৈছিল। আলেক জেণ্ডাৰে ভাৰত আক্ৰমণ কৰাৰ পাছত তেওঁৰ লগত অহা কিছুমান নাট্য শিল্পী অথচ যোদ্ধা সৈন্যই গ্ৰীচৰ নাট্য চিন্তা ভাৰতলৈ কঢ়িয়াই আনিছিল। নাটকৰ পাণ্ডুলিপিৰ শেষত ব্যৱহৃত 'যৱনিকা' শব্দ গ্ৰীক শব্দ 'যৱনৰ' পৰা অহা। ইয়াৰ অৰ্থ মঞ্চৰ সন্মোধৰ আঁৰ কাপোৰ।

আধুনিক যুগত নাটকৰ মঞ্চ মূলত চাৰি প্ৰকাৰ ঃ

১) **থাষ্ট থিয়েটাৰ** ঃ এই মঞ্চৰ সন্মুখৰ মাজৰ কিছু অংশ দৰ্শকৰ ফালে আগবাঢ়ি থাকে। আজিকালি সাধাৰণতে সংগীত পৰিবেশন আৰু সাজ-পোচাকৰ প্ৰদৰ্শকৰ বাবে এনে মঞ্চ ব্যৱহাৰ কৰাটো পৰিলক্ষিত হয়।




থাষ্ট থিয়েটাৰ মঞ্চ

২) <u>এৰিনা থিয়েটাৰ মঞ্চ</u> ঃ এই মঞ্চ চাৰিকোণীয়া আৰু ইয়াৰ চাৰিওফালে নিৰ্দিষ্ট দূৰত্বত শৃংখলিত আসনৰ পৰা দৰ্শকে নাটক উপভোগ কৰে।




এৰিনা থিয়েটাৰ মঞ্চ

মণিপুৰত এই মঞ্চৰ গুৰুত্ব বেছি। শিৱসাগৰ নগৰত নৱনিৰ্মিত চাওলুং চ্যুকাফা ইন্দৰ ষ্টেডিয়ামকো এৰিনা থিয়েটাৰ মঞ্চৰূপে ব্যৱহাৰ কৰাৰ থল আছে। অৱশ্যে এইয়া আমাৰ নিজা অভিমতহে।

৩) <u>এভিনিউ থিয়েটাৰ মঞ্চ</u> ঃ এই থিয়েটাৰ মঞ্চৰ দুয়োকাষে দৰ্শক বহে। আমাৰ অসমৰ ভাওনা মঞ্চকে এভিনিউ থিয়েটাৰ মঞ্চ বুলিব পাৰি।




ভাওনা ঘৰ

৪) <u>প্ৰচিনিয়াম থিয়েটাৰ মঞ্চ</u> ঃ এইবিধ মঞ্চৰ ব্যৱহাৰ প্ৰায়বোৰ অঞ্চলতে দেখা পোৱা যায়। এইবিধ মঞ্চত নিৰ্দিষ্ট দূৰত্বৰ পৰা আৰু নিৰ্দিষ্ট আসনৰ পৰা দৰ্শকে কেৱল এটা দিশৰ পৰাই অভিনয় উপভোগ কৰে। শিৱসাগৰ নগৰৰ শিৱসাগৰ নাট্য সমাজৰ ভগৱতী প্ৰসাদ বৰুৱা ৰঙ্গমঞ্চ আৰু শিৱসাগৰ ছোৱালী কলেজৰ দুয়োটি মঞ্চই হ'ল এইবিধ মঞ্চৰ উদাহৰণ।

মঞ্চত অভিনয় কৰোতে অভিনয়ৰ সুবিধাৰ অৰ্থে মঞ্চখনক কাল্পনিক ৰেখাৰ দ্বাৰা মুঠ ন টা ভাগত ভাগ কৰি লোৱা হয়। অৱশ্যে ইয়াৰ কোনো বাধ্যবাধকতা নেথাকে। অভিনয় শিল্পীৰ দিশৰ পৰা তলত তাৰে এটি চিত্ৰ দিয়া হ'ল—

| | | |
|---|---|---|
| UR | UC | UL |
| RC | MC | LC |
| RD | DC | LD |

দৰ্শক

অৰ্থাৎ ওপৰৰ চিত্ৰৰ দৰে মঞ্চক কাল্পনিক ভাৱে ভাগ কৰি ললে অভিনয় কৰিবলৈ সুবিধা হোৱাৰ লগতে অভিনয় শিল্পী সকলৰ শৃংখলিত অৱস্থানে নাটকখন বোধগম্য হোৱাত সহায় কৰে। তদুপৰি পোহৰ আৰু দৃশ্যসজ্জাৰ অৱস্থানো যথাস্থানত স্থাপন কৰিবলৈ সুবিদা হয়। মঞ্চৰ এই ন টা ভাগৰ নাম হ'ল —

LD = Left Down, বাওঁ তল।

RD = Right Down, সোঁ তল।

DC = Down Centre, কেন্দ্ৰ তল।

LC = Left Centre, বাওঁ কেন্দ্ৰ।

RC = Right Centre, সোঁ কেন্দ্ৰ।

MC = Middle Centre, মধ্য কেন্দ্ৰ বা কেন্দ্ৰ।

LU = Left up, বাওঁ ওপৰ।

RU = Right up, সোঁ ওপৰ।

UC = Up Centre, ওপৰ কেন্দ্ৰ।

অন্যহাতে দৰ্শক আৰু পৰিচালকৰ দৃষ্টি কোণৰ পৰা উক্ত ভাগ সমূহৰ সোঁ অংশক বাওঁ আৰু বাওঁ অংশক সোঁ বুলি গণ্য কৰা হয়।




[illegible]

নাট্যবেদৰ পৰা ওলোৱা নাটকৰ উদ্দেশ্য ভৰত মুনিয়ে এইদৰে উল্লেখ কৰিছে।

'দুঃখাতানং শ্ৰমতানং শোকাতানং তপস্বিনায়।
বিশ্ৰাম জনমং লোকে নাটয় মেতদ ভৱিষ্যতি।'

এই পৃথিৱীত নাটকে দুঃখিত, ক্লান্ত, শোকাভিভূত আৰু অসহায় মানৱক শান্তি বাণী প্ৰদান কৰি আহিছে।

<u>ব্যক্তিগত ঃ</u>

২০১৪ বৰ্ষৰ ২১, ২২ আৰু ২৩ জানুৱাৰীত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অন্তৰ্গত আন্তঃ মহাবিদ্যালয়ৰ যুৱ মহোৎসৱত শিৱসাগৰ ছোৱালী কলেজে মুকাভিনয়ত দ্বিতীয় স্থান অধিকাৰ কৰিলে। এই মুকাভিনয়টিৰ পৰিচালনা আৰু কাহিনী আমাৰ আছিল আৰু সেয়েহে আমি আনন্দিত হ'লো। এইখিনি কৰিবলৈ যাওঁতে শিৱসাগৰ ছোৱালী কলেজৰ অধ্যক্ষ মহোদয় তথা শিক্ষাগুৰু সকল, সাধাৰণ সম্পাদিকা মেঘালী বৰুৱা, সাংস্কৃতিক সম্পাদিকা সুমিতা দে আলোচনী সম্পাদিকা যামিনী মহন্ত তথা কলেজ কৰ্তৃপক্ষই আমাক জনোৱা আদৰণি আৰু সন্মানত আমি অভিভূত হৈছো। মুকাভিনয়ৰ ছাত্ৰীসকল মধুস্মিতা, ৰিংকী, যামিনী, নিকুমণি, পূজা আৰু মেৰীয়ে আমাৰ কষ্টৰ সাৰ্থকতা কঢ়িয়াই আমাৰ লগতে কলেজৰ শিৱসাগৰৰ নামো উজ্জ্বল কৰিলে।



গামোছা নাই, সেই পৰিয়ালে নিজকে অসমীয়া বুলি পৰিচয় দিব নোৱাৰে। অসমীয়া সমাজ জীৱনত বিশেষ প্ৰাধান্য লাভ কৰিবলৈ সক্ষম হোৱা এই গামোচাখন কোন জনগোষ্ঠীৰ অৱদান, সেয়া নিশ্চিতকৈ কোৱা সহজ নহয়। কিন্তু এচাম সমালোচকৰ মতে আলপাইন সকলে ফুলাম গামোচাখন অসমীয়া সমাজত প্ৰচলন কৰা বুলি ক'ব খোজে। প্ৰকৃতাৰ্থত যি জনগোষ্ঠীৰেই অৱদান নহওক কিয়, গামোচা অসমীয়া সমাজৰ আপুৰুগীয়া সম্পদ হিচাপে পৰিগণিত হৈ আহিছে। অসমৰ বাহিৰতো অসমৰ গামোচাই সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে।

বিহুৰ বতৰত গামোচাখনৰ বিশেষ গুৰুত্ব আছে। বিহুৰ দিনাখন অসমীয়া মহিলাই বয়োজ্যেষ্ঠজনক হাতেৰে বোৱা এখন গামোচা দি সেৱা এটা কৰি আশীৰ্বাদ লোৱাৰ নিয়ম অসমীয়া সমাজত প্ৰচলিত। সেয়ে ব'হাগ বিহুৰ এমাহমান আগৰে পৰাই শিপিনীসকলৰ গাত তত নাইকীয়া হয়। তাঁতশালৰ শব্দত চৌদিশ মুখৰিত হয়। বসন্তৰ বাতৰি কুলি, কেতেকী চৰাইজাকে দিয়াৰ লগে লগে বিহুৱতী গাভৰুৰ মন চঞ্চল হৈ পৰে। কিয়নো অতিকৈ চেনেহৰ ৰঙালী বিহুটিত মনৰ মানুহজনক 'মৰমৰ দীঘেৰে চেনেহৰ বানি'ৰে নিজ হাতে বোৱা গামোচা এখন দিব লাগিব। গামোচাখনৰ দীঘ আৰু বানিত ভমকাফুলীয়া ফুলৰ মাজত শিপিনীৰ বেথা নিহিত হৈ থাকে। গাভৰু নাচনী বা সকলো যুৱতীয়েই মৰমৰ চেনাইক গামোচাখন উপহাৰ দি গৌৰৱবোধ কৰে। তদুপৰি পিতৃ-মাতৃ, ভাই-ককাই, আত্মীয়-স্বজনক ভক্তি ভাবেৰে প্ৰদান কৰাৰ বাবে মহিলা সকলে তৎপৰতাৰে গামোচা বৈ উলিয়ায়। অসমীয়া সমাজত বিহু উৎসৱৰ উপৰি সকলো সামাজিক উৎসৱতেই গামোচাৰ বহুল প্ৰচলন আছে। গামোচা এখন কপাহী, মুগা, পাট আদি বিভিন্ন সূতাৰে তৈয়াৰ কৰা হয়। টকা গামোচাখন মনোমোহা কৰি তুলিবলৈ বোৱনীয়ে বিভিন্ন আকৰ্ষণীয় ফুল তোলে। ইয়াৰ মাধ্যমেদি এগৰাকী মহিলা বা যুৱতীৰ বুদ্ধিমত্তাও সুন্দৰভাৱে প্ৰকাশ পায়। গামোচা ব'ব নজনা যুৱতী বা মহিলা অসমীয়া নহয় বুলি লাজ দিয়া হয়। লগতে এনে মহিলা যুৱতীক 'থুপৰী' বুলি কয়।

প্ৰয়োগৰ ফালৰ পৰা সাধাৰণতে গামোচা তিনিবিধ — ক) সাধাৰণ গামোচা (খ) ফুলাম গামোচা আৰু (গ) শুচিসূচক গামোচা বা বস্ত্ৰ ৰূপে ব্যৱহৃত গামোচা। দৈনন্দিন জীৱনত সাধাৰণ গামোচাই সকলোৱে ব্যৱহাৰ কৰে। এনে গামোচা যিকোনো কামতে ব্যৱহাৰ কৰা হয়। ফুলাম গামোচা সন্মানীয় ব্যক্তি, আলহী অতিথিক দিয়াৰ উপৰি বিহুত ফুলাম গামোচা ব্যৱহাৰ কৰা হয়। শুচিসূচক বা পৱিত্ৰ বস্ত্ৰৰূপ ব্যৱহৃত গামোচা নামঘৰৰ মণিকূটৰ থাপনা, কীৰ্তন, নামঘোষা, গীতা-ভাগৱত আদি ধৰ্মগ্ৰন্থ সমূহ ঢাকিবলৈ ব্যৱহাৰ কৰা হয়। এনে গামোচাত কীৰ্তনৰ পদ, ঘোষা অথবা ভাগৱতৰ শ্লোক শিল্প নৈপুন্যৰে বোৱা দেখা যায়। সময়ৰ সোঁতত গাঁৱলীয়া সমাজতো তাঁতশালৰ অস্তিত্ব নাই কিয়া হৈছে বুলি ক'লেও হয়তো ভুল নহ'ব। পূৰ্বৰ দৰে বৰ্তমান বিহুৰ সময়ত তাঁত শালৰ যি খট্ খট্ শব্দ, গাভৰু-মহিলা সকলে গামোচা বিহুৰ আগে আগে বৈ উলিওৱাৰ যি ব্যস্ততা সেয়া যেন বৰ্তমান কমি আহিছে।





# বিপন্ন বন্যপ্ৰাণী আৰু আমাৰ দায়বদ্ধতা

**জেবিন আখতাৰ ৰহমান**
**স্নাতক ষষ্ঠ যান্মাষিক**

প্ৰকৃতিৰ সৃষ্টি যে কিমান বিনন্দীয়া, মোহনীয়, নিখুঁত ক্ৰমবিৱৰ্তনৰ বিভিন্ন স্তৰত সৃষ্টি হোৱা গছ-লতা, তৰু-তৃণ, কীট-পতংগ, চৰাই-চিৰিকতি, বন্যজন্তু এই সকলোবোৰ এনে এক প্ৰাকৃতিক প্ৰক্ৰিয়াৰে নিয়ন্ত্ৰিত হৈ আছে যে ইহঁতৰ মাজত এক ভাৰসাম্য (Ecological balance) চিৰবিৰাজমান হৈ আছে। কোনো জীৱই-অনিয়ন্ত্ৰিত হাৰত বৃদ্ধি হোৱা সম্ভৱ নহয়।

বৰ্তমান পৃথিৱীত যিমানবিলাক উদ্ভিদ আৰু প্ৰাণী আছে সেইবোৰৰ সৃষ্টি একেদিনাই হোৱা নাই। বিভিন্ন কাৰণত কোনো এবিধ জীৱৰ দেহত হোৱা পৰিৱৰ্তনসমূহ বংশানুক্ৰমে গতি কৰি হাজাৰ হাজাৰ বছৰৰ পাছত এটা নতুন প্ৰজাতি অথবা নতুন প্ৰাণীৰ সৃষ্টি হয়। গতিকে আমাৰ সন্মুখত দেখি থকা জীৱবোৰ প্ৰকৃতিৰ বহুকোটি বছৰৰ পৰিশ্ৰমৰ সৃষ্টি। আধুনিক মানুহৰ সৃষ্টিৰ প্ৰক্ৰিয়াটো আৰম্ভ হৈছিল ২ কোটি ৫০ লাখ বছৰৰ আগতে গিবন নামৰ এক শ্ৰেণীৰ বান্দৰৰ প্ৰজাতিৰ পৰা। এনেদৰেই প্ৰত্যেক প্ৰজাতিৰ উদ্ভিদ আৰু প্ৰাণীৰ সৃষ্টি হওঁতে লক্ষ কোটি বছৰৰ প্ৰয়োজন হৈছিল।

কিন্তু আমাৰ মানৱ সমাজৰ প্ৰকৃতিৰ শৃংখলিত সৃষ্টি এই জীৱবোৰৰ প্ৰতি কিঞ্চিতো দায়বদ্ধতা নাই। নাই কোনো দয়া মায়া। মানৱ সমাজৰ নিষ্ঠুৰতা, স্বাৰ্থপৰতা আৰু অদূৰদৰ্শিতাৰ বলি হৈছে বন্য প্ৰাণীবোৰ। মানুহে গাঁৱে-ভুঞে বিস্তৃত হৈ থকা হাবি জংঘলসমূহ কাটি খাষ্টাং কৰাৰ লগতে তাত বাস কৰা বন্যপ্ৰাণীবোৰকে নিজৰ স্বাৰ্থ সিদ্ধিৰ বাবেই মাৰি শেষ কৰিছে। অসমৰ বিস্তীৰ্ণ অঞ্চলজুৰি থকা নদী, বিল, জলাশয়, পিতনি আদিত বিচৰণ কৰা জলচৰপক্ষী বাবে আজি বন্য প্ৰাণীসমূহৰ বহু নাম কেৱল কিতাপৰ শব্দত পৰিণত হৈছে।

সাম্প্ৰতিক কালত অসমৰ বন্যপ্ৰাণীৰ লগত জড়িত বিভিন্ন সমস্যাসমূহৰ ভিতৰত এক উল্লেখযোগ্য তথা প্ৰধান সমস্যা হৈছে গড়ঁ হত্যাৰ সমস্যা। অসমৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান, লাওখোৱা, ওৰাং অভয়াৰণ্য, পবিতৰা সংৰক্ষিত বনাঞ্চলৰ এশিঙিয়া গঁড় চোৰাং চিকাৰীৰ হাতত অতি কৌশলগত আৰু নিষ্ঠুৰভাৱে নিধন হৈছে। কাৰ্বাইন ৰাইফলৰ দৰে অস্ত্ৰ ব্যৱহাৰ কৰি গড়ঁ হত্যা কৰা হয়। কেতিয়াবা গড়ঁ অহা-যোৱা কৰা ৰাস্তাত বিদ্যুৎ প্ৰবাহিত



তাঁৰ পেলাই থৈ গড়ঁ মৰা হয়। নিমখত বিহ দি ই পানী খোৱা ঠাইত পেলাই থৈ গঁড় মৰা হয়। ইয়াৰ বাহিৰেও গঁড় অহা-যোৱা কৰা পথত এটা চাৰিচুকীয়া বৃহৎ গাঁত খান্দি থোৱা হয়। গঁড়টোৱে নিৰ্ভয়ে অহা-যোৱা কৰোঁতে ই খালত পৰে আৰু চোৰাং চিকাৰীয়ে তাৰ পৰা খড়গটো কাটি লৈ যায়। এই গঁড়ৰ খড়গ বিক্ৰী কৰি চোৰাং চিকাৰীয়ে লক্ষ্যধিক টকা সংগ্ৰহ কৰে। এক সমীক্ষা অনুসৰি কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানতে ১৯৯১ চনত ২৩টা, ১৯৯২ চনত ৮৪টা, ১৯৯৩ চনত ৩৯টা, ১৯৯৫ চনত ২৬টা আৰু বৰ্তমান সময়ত গঁড় হত্যাৰ সংখ্যা অৱধাৰিত ভাৱে বৃদ্ধি পাবলৈ ধৰিছে। ইয়াৰ ফলস্বৰূপে ৰাষ্ট্ৰীয় উদ্যান আৰু অভয়াৰণ্যসমূহত গড়ঁৰ সংখ্যা ক্ৰমান্বয়ে হ্ৰাস পাই আহিব ধৰিছে। কিন্তু বৃদ্ধিৰ হাৰ সেই অনুপাতে নিচেই কম। কিছুমান ৰাজনৈতিক আৰু সামাজিক প্ৰতিপতি থকা তথা কথিত ধনীলোকে শকত ধনৰ টোপোলা আগবঢ়াই এই চোৰাং চিকাৰীসকলক নিয়োগ কৰে। দুখৰ বিষয় যে ৰাষ্ট্ৰীয় উদ্যানৰ আশে-পাশে থকা গাঁৱৰ মানুহ কিছুমানো গড়ঁৰ খড়গ ব্যৱসায়ৰ লগত জড়িত। গতিকে তেওঁলোকে চোৰাং চিকাৰীক প্ৰশ্ৰয় দি উদ্যানলৈ সোমোৱা নিৰাপদ পথৰ সন্ধান দি গড়ঁৰ ওপৰত নিৰীক্ষণ কৰাত সহায় কৰে। প্ৰতিবছৰে বানপানীয়ে প্লাৱিত কৰা উদ্যানখনৰ পৰা গঁড় কেতিয়াবা দিশহাৰা হৈ কাষৰ গাওঁবোৰলৈ যায় আৰু মানুহৰ হাতত নিধন হয়।

গঁড়ৰ খড়গৰ প্ৰতি চোৰাং চিকাৰীৰ আকৰ্ষিত হোৱাৰ বহুতো কাৰণ দেখিবলৈ পোৱা যায়। একবিংশ শতিকাত ভৰি দিও মানুহে এতিয়াও অন্ধবিশ্বাসৰ গ্ৰাসৰ পৰা মুক্ত হ'ব পৰা নাই। মানুহৰ বিশ্বাস যে গঁড়ৰ মাংস খালে বা নিৰ্দিষ্ট পৰিমাণৰ খড়গ ধাৰণ কৰিলে মানুহ ৰোগমুক্ত হয় বা ৰোগ হ'লেও ইয়াৰ জৰিয়তে আৰোগ্য লাভ কৰিব পাৰে। অবৈজ্ঞানিক, ব্যৱসায়িক জ্যোতিষীসকলে এনেধৰণৰ বিধান দিয়া দেখিবলৈ পোৱা যায়। চীনা চিকিৎসাশাস্ত্ৰত খড়গৰ ব্যৱহাৰ ব্যাপক। বিভিন্ন বনৌষধিৰ লগত খড়গটো গুৰি কৰি মিহলাই বড়ি বনাই বজাৰত উচ্চ দামত বিক্ৰী কৰা হয়। এনেধৰণেৰে তৈয়াৰ কৰা ঔষধ হৃদপিণ্ড, ৰক্তচাপ, বিষক্ৰিয়া আদি প্ৰতিৰোধৰ বাবে আৰু টনিক হিচাপে ব্যৱহাৰ কৰা হয়। গঁড়ৰ ছালে ছালৰ ব্যাধি দূৰ কৰে বুলি মানুহে বিশ্বাস কৰে। চৌদি আৰৱত আকৌ ডেগাৰত খড়গৰ নাল লগোৱাটো এক অভিজাত্য। এনেবোৰ কাৰণবশতঃ গঁড়ৰ খড়গৰ ওপৰত চোৰাং চিকাৰীৰ কুদৃষ্টি পৰিলক্ষিত হয়। কিন্তু পৰীক্ষাগাৰত গঁড়ৰ খড়গ বা মাংসৰ কোনো ঔষধি গুণ নাই বুলি প্ৰমাণিত হৈছে।

গড়ঁৰ লগতে নাহৰফুটুকী বাঘ আৰু ঢেকীয়াপতীয়া বাঘৰ সংখ্যাও দিনক দিনে হ্ৰাস পাব ধৰিছে। ইয়াৰ মূলতে হ'ল মানুহৰ বিকৃত ৰুচি আৰু অৰ্থলোভৰ বাবেই। ইংৰাজসকল আমাৰ দেশ ভাৰতবৰ্ষত বাস কৰাৰ কালছোৱাত বাঘ চিকাৰ কৰাটো এক ধৰণৰ চখ আছিল। ইয়াৰ পাছত সমাজৰ আঢ্যৱন্ত বৰমূৰীয়াসকলে বাঘ চিকাৰ কৰিবলৈ আৰম্ভ কৰিলে কাৰণ বাঘ চিকাৰীজনক সমাজৰ সাহসী লোক হিচাপে গণ্য কৰা হয়। কিন্তু বছৰৰ আগলৈকে নৰ খাদক বাঘ মাৰিলে চৰকাৰৰ ফালৰ পৰা চিকাৰীক পুৰস্কৃত কৰা দেখা গৈছিল। শিৱভক্ত মুনি ঋষিসকলে আসন আৰু বসন হিচাপে ধাৰণ কৰিবলৈও বাঘৰ ছালখন ব্যৱহাৰ কৰে। ঊনৈশ শতিকালৈকে ভাৰতৰ প্ৰায় সকলো ঠাইতে চিতাবাঘ দেখিবলৈ পোৱা গৈছিল। কিন্তু এই চিতাবাঘ মানুহে এনে ধৰণেৰে নিধন কৰিবলৈ ধৰিলে যে এতিয়া এই চিতাবাঘ ভাৰতৰ কোনো ঠাইতে দেখিবলৈ পোৱা নাযায়। ই এক লুপ্তপ্ৰায় প্ৰাণী হৈ পৰিল।

চীনা চিকিৎসাশাস্ত্ৰত বাঘৰ প্ৰায় প্ৰতিটো অংগই-ঔষধত ব্যৱহৃত হয়। বাঘৰ হাড় গুৰি কৰি অন্যান্য বনৌষধৰ লগত মিহলাই গাৰ বিষ, জ্বৰ, হাঁড় সবল কৰিবলৈ ব্যৱহাৰ কৰা হয়। ইয়াত বাঘৰ হাঁড় বড়িৰ বাকচ, বিস্কুট জাতীয় খাদ্য আৰু মুৰা প্ৰস্তুত কৰিবলৈ ব্যাপকভাৱে ব্যৱহাৰ কৰা হয়। আমাৰ দেশ ভাৰততো লোকবিশ্বাস আছে যে বাঘৰ তেলেৰে গা মালিচ কৰিলে গাৰ বিষ কমে, বাত বিষ ভাল হয়। বাঘৰ গোফ, নখ, দাঁত আদিৰে লকেট বনাই গাত ধাৰণ কৰি ৰোগ নিৰাময়ৰ চেষ্টা কৰে। এনেবোৰ কাৰণতে বাঘৰ ব্যৱসায় বৰ লাভজনক আৰু চোৰাং ব্যৱসায়ীসকলে ইয়াৰ বিভিন্ন অংশ বিদেশলৈ চালান দি বৃহৎ পৰিমাণৰ ধন সংগ্ৰহ কৰে।

গঁড়, বাঘ আদিৰ লগতে হাতীও চোৰাং চিকাৰীৰ কবলত পৰি বিলুপ্তিৰ পথত অগ্ৰসৰ হোৱা দেখিবলৈ পোৱা গৈছে। হাতীৰ দাঁতেৰে বিভিন্ন সামগ্ৰী, আ-অলংকাৰ আদি বনোৱা হয়। গতিকে চোৰাং ব্যৱসায়ীসকলে হাতী চিকাৰ কৰি সিহঁতৰ দাঁত আমাৰ দেশ বা বিদেশত বিক্ৰী কৰে। ইউৰোপৰ দেশবোৰে বৃহৎ পৰিমাণৰ হাতীদাঁত আফ্ৰিকা আৰু এছিয়াৰ দেশবোৰৰ পৰা আমদানি কৰে। ১৮৮০ চনৰ আগৰ আৰু পাছৰ বছৰ কেইটাত ইউৰোপলৈ চালান দিবলৈ আফ্ৰিকা আৰু এছিয়াৰ বনাঞ্চলসমূহ ৬০-৭০ হাজাৰ হাতী মৰা হৈছিল। বনাঞ্চলসমূহত খাদ্যভাৰৰ বাবে কাষৰ গাওঁবোৰলৈ হাতীৰ আগমন ঘটাৰ ফলতো হাতীবিলাক মৃত্যুমুখত



পৰিছিল।

একমাত্ৰ জলজ স্তন্যপায়ী শিহু বা ডলফিনবোৰ গংগা, সিন্ধু, ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈসমূহত প্ৰচুৰ পৰিমাণে দেখা পোৱা গৈছিল। অসমীয়া লোক সংস্কৃতিৰ লগতো শিহু জড়িত। মাছৰ টোপৰ বাবে বিশেষকৈ তেলৰ বাবে এই শিহু ব্যাপকভাৱে মৰা হয়। গতিকে বৰ্তমান ব্ৰহ্মপুত্ৰত সীমিত সংখ্যক শিহুহে দেখিবলৈ পোৱা গৈছে।

যোৱা চাৰিটা দশকতে কেৱল যুক্তৰাষ্ট্ৰলৈকে গৱেষণাৰ বাবে দুই নিযুত বান্দৰ ৰপ্তানি কৰা হৈছে। খাদ্যৰ বাবেও বহু বান্দৰ নগালোকসকলে মাৰে। মানাহৰ সোণালী বান্দৰ বড়ো উগ্ৰপন্থীৰ অভয়াৰণ্য ঘাটিৰ বাবে অভয়াৰণ্য এৰি বহু সংখ্যক হিমালয়ৰ ফালে গুচি গৈছে।

বিভিন্ন প্ৰজাতিৰ কাছৰ কণী সংগ্ৰহ কৰি খোৱাৰ বাবে, মাংস হিচাপে ব্যৱহাৰ কৰাৰ বাবে কাছৰ বহু প্ৰজাতি বিপদজনক ভাৱে সংখ্যাত কমি আহিছে। বেলেগ বেলেগ ঋতুত কাছৰ বিচৰণ বেলেগ হয়। জেঠ মাহত কাছই কণী পাৰি কোবাল সোঁত থকা নৈত নামে নৈৰ কোবাল সোঁতৰ বিপৰীতে সাঁতুৰি ইহঁতে পানীৰ তলে তলে উজায়। উশাহ লবলৈ ডিঙিলৈকে মুখখন উলিয়াই যায়। এনে সময়তে অসমৰ কিছুমান ঠাইত দলগত ভাৱে কৌশল কৰি কাছ ধৰে। Indian rooted turtleক বন্যপ্ৰাণী নিৰাপত্তা সূচীৰ ১ ম অনুসূচীত ধৰা হৈছে।

সাপৰ সংখ্যাও হাবিসমূহত কমি আহিব ধৰিছে। সাপক মানুহে পৰম শত্ৰুৰূপে জ্ঞান কৰে। সাপ এটা ক'ৰবাত দেখিলেই তাক মাৰি পেলোৱা হয়। সাপৰ খেল দেখুৱাবৰ বাবেও হাবিৰ পৰা সাপসমূহ ধৰি অনা হয় আৰু পাছত সাপ বিলাক মাৰি পেলোৱা হয়। সাপৰ বিষৰ পৰা আকৌ বহু ঔষধ প্ৰস্তুত কৰা হয়। সৰ্প দংশনৰ ঔষধো এই বিষৰ পৰাই তৈয়াৰ কৰা হয়। সাপৰ ছালখনৰ পৰাও বিভিন্ন ধৰণৰ বেগ আদি প্ৰস্তুত কৰা হয়। গতিকে সাপবোৰ দেখা মাত্ৰেই মাৰি পেলোৱা উচিত নহয়।

শীলকালত নদী, বিল, জলাশয়, পিতনি আদি দেওঁ হাঁহকে ধৰি প্ৰায় ৩৬ বিধ হাঁহ, নানা ধৰণৰ বগলী আদিৰে ভৰি পৰেহি। দেওঁহাঁহ পৰিভ্ৰমী চৰাই। সুদূৰ ছাই বেৰিয়াৰ পৰা প্ৰায় ৬,৪০০ কিঃমিঃ পথ অতিক্ৰম কৰি আহে, বাৰিষা তাৰ অটব্য অৰণ্যবিলাকত থাকে। শৰালি হাঁহ, পানীহাঁহ, পানীকাউৰী আদি স্থায়ী চৰাই। মানুহে চিকাৰ কৰি এই চৰাইবোৰ মৰাৰ ফলত এইবোৰ চৰাইৰ লগতে বৰটোকোলা, হাড়গিলা আদি চৰাইৰ সংখ্যাও ক্ৰমান্বয়ে হ্ৰাস পাই আহিছে। ইয়াৰ উপৰিও মাংসভোজী চৰাই চিলনী, শগুণ আদি বৰ্তমান প্ৰায় বিলুপ্তিৰ পথত। জাতিংগা পক্ষী অভয়াৰণ্যৰ পৰিভ্ৰমী চৰাইবোৰ ও মানুহৰ নিষ্ঠুৰতাৰ বলি হ'বলগীয়া হৈছে। এইদৰেই চৰাইৰ ধ্বংস যজ্ঞ চলি থাকিলে মৰিচাচৰ 'দ' দ', আমেৰিকাৰ 'পেচেঞ্জাৰ পাৰ', আটলাণ্টিক মহাসাগৰৰ দ্বীপ সমূহৰ 'অক' চৰাইৰ দৰে এদিন আমাৰ দেশৰ বহুতো চৰাইৰ প্ৰজাতি সম্পূৰ্ণৰূপে বিলুপ্তি ঘটাৰ সম্ভাৱনা নুই কৰিব নোৱাৰি।

মানুহক পৃথিৱীৰ জীৱশ্ৰেষ্ঠ প্ৰাণী হিচাপে অভিহিত কৰা হয়। কিন্তু এই জীৱশ্ৰেষ্ঠ মানুহৰ হাততেই দেশৰ আপুৰুগীয়া বন্যপ্ৰাণী সমূহ বিলুপ্তিৰ গৰাহত পৰিবলগীয়া হৈছে। স্বয়ং মানৱ সমাজেই এই বন্য প্ৰাণীসমূহৰ শত্ৰু হৈ পৰিছে। কিন্তু এই নিৰীহ প্ৰাণীসমূহক নিঃশেষ কৰি নিজৰ স্বাৰ্থ পৰিপূৰণ কৰি আনন্দ লাভ কৰাৰ অধিকাৰ আমাৰ নাই। এই প্ৰাণীবোৰে প্ৰত্যক্ষ বা পৰোক্ষ বাবে প্ৰাণীবোৰক সংৰক্ষণ কৰা অতীৱ প্ৰয়োজন। ভাৰত তথা অসমত চৰকাৰী ভাৱে বন্যপ্ৰাণী সংৰক্ষণৰ বাবে কেইবাখনো আইন প্ৰণয়ন কৰা হৈছে। ৰাষ্ট্ৰীয় উদ্যান, অভয়াৰণ্য ব্যাঘ্ৰ প্ৰকল্প আৰু বহুতো সংৰক্ষিত বনাঞ্চল গঠন কৰি প্ৰাণীসমূহ সংৰক্ষণ কৰাৰ চেষ্টা কৰা হৈছে যদিও আইনৰ সুৰুঙা অসৎ বিষয়া তথা ৰাজনৈতিক নেতাৰ কু-প্ৰভাৱ, চোৰাং চিকাৰীৰ প্ৰভাৱৰ বাবে বহুতো গঁড়, হাতী, বাঘ আদি মৃত্যু মুখত পৰিছে। সংৰক্ষিত বনাঞ্চলবোৰৰ আইন কানুন কিছু শিথিল হোৱাৰ বাবে মানুহে বনাঞ্চলৰ হাবি বন কাটি স্থায়ীভাৱে থাকিবলৈ লয়। এনে কাৰণতে গোলাঘাট আৰু কাৰ্বি-আংলং জিলাত ৩৭ নং ৰাষ্ট্ৰীয় পথত থকা নামবৰ সংৰক্ষিত বনাঞ্চলৰ পৰা হাতীবোৰ ওলাই আহি বাছ ট্ৰাক বা সৰু গাড়ীবোৰ পথালি দি ৰখাই লৈ কাষৰ অঞ্চলসমূহত সুমাই কল, কুঁহিয়াৰ আদি খাই অনিষ্ট সাধন কৰা ঘটনা পৰিলক্ষিত হোৱা দেখা যায়। গতিকে চৰকাৰে বনাঞ্চলৰ ভিতৰত বাস কৰা দুখীয়া লোকসকলক উপযুক্ত সংস্থাপন দি বনাঞ্চলবোৰ উপযুক্তভাৱে সংৰক্ষণ কৰিলে খাদ্যৰ অভাৱত বন্যপ্ৰাণী বাহিৰলৈ ওলাই আহিবলগীয়া নহ'ব।

বনাঞ্চলসমূহ তথা ইয়াত বাস কৰা বন্যপ্ৰাণীসমূহ সংৰক্ষণৰ বাবে আটাইতকৈ প্ৰয়োজনীয় পদক্ষেপ হৈছে জনসাধাৰণ তথা স্বেচ্ছাসেৱী সংগঠনসমূহৰ গুৰুত্বপূৰ্ণ ভূমিকা। অসমৰ বহু ঠাইত গঠন হোৱা 'অৰণ্য' 'নেচাৰ্চ বেকন' আদিৰ দৰে স্বেচ্ছাসেৱী



সংগঠন অসমৰ ভিতৰুৱা অঞ্চলবোৰত গঢ়ি তুলি জনাসাধাৰণক সংৰক্ষণৰ প্ৰয়োজনীয়তা সম্পৰ্কত সম্যক জ্ঞান দিলে ভাল হয়। ইয়াৰ বাবে অশিক্ষিত তথা অৰ্ধশিক্ষিতৰ জনবসতি থকা গাওঁসমূহত সভা-সমিতি, পষ্টাৰিং, কৰ্মশালা, প্ৰদৰ্শনী আদি অনুষ্ঠিত কৰি সংৰক্ষণৰ বৈজ্ঞানিক ব্যাখ্যা দাঙি ধৰিব পৰা যায়। কাৰণ গাওঁ অঞ্চলৰ অধিকাংশ লোকেই বন্যপ্ৰাণী সমূহৰ প্ৰয়োজনীয়তা সম্পৰ্কে অৱগত নহয়। ইয়াৰ উপৰিও অন্ধবিশ্বাসৰ বাবেও বন্যপ্ৰাণীসমূহ হত্যা কৰি সিহঁতৰ অংগৰ পৰা বিভিন্ন ধৰণৰ ঔষধ আদি তৈয়াৰ কৰে। সেয়েহে এই অন্ধবিশ্বাসসমূহ আঁতৰ কৰিবৰ বাবে অসম বিজ্ঞান সমিতিৰ বহু শাখা গাঁৱে ভূঞে গঠিত হৈছে। গতিকে ইয়াৰ বিষয়ববীয়া আৰু সদস্যসকলে নিজৰ নিজৰ এলেকাত জনসাধাৰণৰ সহযোগত বন্যপ্ৰাণী সংৰক্ষণৰ প্ৰচেষ্টা চলোৱাটো এক দীৰ্ঘস্থায়ী পদক্ষেপ হ'ব বুলি ভাবিব পাৰি। অসমৰ বিভিন্ন ঠাইৰ কলেজত বিজ্ঞান শাখাৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকসকলে বন্যপ্ৰাণী সংৰক্ষণত গুৰুত্ব দিব লাগে বুলি বহুজনে মত প্ৰকাশ কৰে।

ডেকা গৱেষকসকলৰ বন্য প্ৰাণীৰ ওপৰত কৰা গৱেষণা কিছু ফলপ্ৰসূ হ'ব। এইক্ষেত্ৰত গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাণীবিদ্যা বিভাগৰ মুৰব্বী অধ্যাপক ডঃ পৰিমল ভট্টাচাৰ্যৰ তত্বাৱধনাত এদল ডেকা বিজ্ঞানীয়ে দিপৰ বিলৰ ওপৰত কৰা গৱেষণা আৰু ক্ৰমে হ্ৰাস পাই অহা বৰ টোকোলাসমূহৰ বংশ বৃদ্ধি কৰিবলৈ চেষ্টা কৰা কাৰ্যত ফলৱতী হোৱাটো অতি অনুকৰণীয় আৰু আদৰণীয়। ইয়াৰ দ্বাৰা ডঃ ভট্টাচাৰ্যই নতুন প্ৰজন্মক সংৰক্ষণৰ জ্ঞানও প্ৰদান কৰিছে। ভাৰতীয় বন্যপ্ৰাণী সংৰক্ষণৰ বিষয়ববীয়া তথা বিজ্ঞানী ডঃ লালমোহনে অলুনীয়া পানীত বাস কৰা শিহুৰ ওপৰত যোৱা ১০ বছৰে গৱেষণা কৰি আছে। ব্ৰহ্মপুত্ৰ নদীৰ শিহু বিলাক তেখেতৰ প্ৰজেক্টৰ অন্যতম গৱেষণা। ডঃ লালমোহনৰ মতে অসমত প্ৰতিবছৰে বিশেষকৈ তেলৰ বাবে ৬০-৭০টা শিহু মৃত্যু মুখত পৰে। গতিকে শিহুসমূহ সংখ্যাত কমি অহালৈ লক্ষ্য ৰাখি ইয়াক Wild life Protection Act ১৯৫২ৰ অন্তভুৰ্ক্ত কৰা হৈছে। ব্ৰহ্মপুত্ৰ নদীত বাস কৰা শিহুসমূহক ৰক্ষা কৰিবৰ বাবে ডঃ লালমোহনৰ প্ৰচেষ্টাত ব্ৰহ্মপুত্ৰ উপত্যকাত Dolphin Protection Committee গঠন কৰা হৈছে। ইয়াৰ বিষয়ববীয়াসকল গুৱাহাটী, যোৰহাট, শিৱসাগৰ আৰু ডিব্ৰুগড় জিলাৰ। ডঃ লালমোহনে ব্ৰহ্মপুত্ৰৰ উপনৈ কুলচীত শিহুৰ সংখ্যা বেছিলৈ চাই এই নদীক Dolphin Sanctury হিচাপে স্বীকৃতি দিবলৈ পৰামৰ্শ দাঙি ধৰিছে।

আন্তৰ্জাতিক খ্যাতসম্পন্ন প্ৰকৃতিবিদ ডঃ ৰবীন বেনাৰ্জীয়ে বন্যপ্ৰাণীৰ প্ৰতি মানুহৰ অন্তৰত স্নেহ জগাবলৈ সমৰ্থ হৈছে। তেখেত বন্যপ্ৰাণী সংৰক্ষণৰ বাবে বিভিন্ন পদক্ষেপ হাতত লৈছে। তেওঁ গোলাঘাটৰ নিজা বাসস্থানতে সৰু সৰু ছাত্ৰ-ছাত্ৰীক বন্য জন্তু আৰু ক্ৰমবিৱৰ্তনৰ ওপৰত কৰা তথ্যচিত্ৰ, বোলছবি প্ৰদৰ্শন কৰি নতুন প্ৰজন্মক বন্যপ্ৰাণীৰ প্ৰতি আকৰ্ষিত কৰিবলৈ যত্ন কৰিছে। তেখেতৰ প্ৰচেষ্টাতে যোৰহাট আঞ্চলিক গৱেষণাগাৰৰ চৌহদৰ ভিতৰত প্ৰাকৃতিক পৰিৱেশ ৰক্ষা কৰি জলচৰ পক্ষীৰ সংখ্যা বঢ়াবলৈ যত্ন কৰা হৈছে।

টি.ভি. কম্পিউটাৰ সংস্কৃতিয়ে গ্ৰাস কৰা আমাৰ নৱ প্ৰজন্মক প্ৰকৃতিৰ অনুপম সৃষ্টিৰ প্ৰতি মোহিত কৰিবলৈ চেষ্টা কৰা অভিভাৱকসকলৰ কৰ্তব্য হোৱা উচিত। বজাৰ সমাৰ, ৰাস্তাঘাট আদিত জন্তুৰ খেলা দেখুওৱা, চাৰ্কাচত জন্তুৰ খেল দেখুৱাবলৈ জন্তুসমূহক বিভিন্ন ধৰণৰ শাৰীৰিক অত্যাচাৰ বন্ধ কৰা আদিৰ প্ৰতি ব্যৱস্থা গ্ৰহণ কৰিব লাগে। বিভিন্ন উৎসৱ আদিত ধৰ্মীয় কাৰণত জীৱ-জন্তুৰ বলি দি দেৱ-দেৱীক সন্তুষ্ট কৰাৰ পাৰ্শৰিক অভিলাষৰ সংস্কাৰ সাধন কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰ উচিত।

ইতিমধ্যে পৃথিৱীৰ পৰা মানুহৰ অত্যাচাৰৰ বলি হৈ বহুতো জন্তু তথা চৰাই চিৰিকতি বিলুপ্ত হৈছে। ইয়াৰ উপৰিও বৰ্তমান বনাঞ্চলসমূহত বাস কৰা হাতী, গঁড়, বাঘ আদি সদ্যলব্ধ প্ৰাণীসমূহো সংখ্যাত কমি আহিব ধৰিছে। বিশেষকৈ অসমৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত পোৱা পৃথিৱী বিখ্যাত এশিঙীয়া গঁড়ৰ দৈনিক সংঘটিত হোৱা মৃত্যুৰ ঘটনাই অসমলৈ এক ভাবুকি কঢ়িয়াই আনিছে। যদিহে এইদৰেই মানৱ সমাজে নিজৰ স্বাৰ্থ সিদ্ধিৰ বাবে এই অপুৰুগীয়া প্ৰাণীসমূহক ধ্বংস কৰি গৈ থাকে তেন্তে অতি সোনকালেই এই আপুৰুগীয়া জীৱ-জন্তুসমূহ লুপ্ত প্ৰায় প্ৰাণী হিচাপে অভিহিত হ'ব। যদিহে এনে হয় তেন্তে ভৱিষ্যৎ প্ৰজন্মই আমাক কোনোদিনেই ক্ষমা নকৰিব। কাৰণ এই সুন্দৰ পৃথিৱীখন আমি উপৰি পুৰুষৰ পৰা উত্তৰাধিকাৰী সূত্ৰে পোৱা নাই। পাইছোঁ পাছৰ প্ৰজন্মৰ পৰা ধাৰলৈহে। গতিকে বন্যজীৱ সমূহৰ প্ৰতি নিষ্ঠুৰতা বন্ধ কৰি এই জীৱ তথা প্ৰাণীসমূহৰ উপযুক্ত সংৰক্ষণৰ বাবে সংঘবদ্ধ চেষ্টা কৰা উচিত।





# বন্ধুত্ব ঃ বিশ্বাসৰ এক পৱিত্ৰ বন্ধন

প্ৰিন্সী মহন্ত
স্নাতক দ্বিতীয় ষান্মাষিক

আৱেগ অনুভূতি, ভালপোৱা, যত্ন, সহানুভূতি, কাজিয়া, বুজা-বুজি, বিশ্বাস আৰু জীৱনৰ সংমিশ্ৰণৰ নাম মাত্ৰ এটাই আৰু সেয়া হৈছে 'বন্ধুত্ব'। বন্ধুত্বই নামানে বয়স, সম্প্ৰদায়। জীৱনৰ যিকোনো সময়ত, যিকোনো বয়সত দুজন ব্যক্তিৰ মাজত বন্ধুত্ব গঢ়ি উঠে। 'বন্ধুত্ব' হৈছে তেজ মঙহ বা ধৰ্মৰ নামত শপত নোখোৱা এটা বন্ধন, যিটো বন্ধন সদায় পৱিত্ৰ আৰু স্থায়ী। য'ত বিচ্ছেদৰ ভয় নাথাকে। 'বন্ধুত্ব' এনে এক সম্বন্ধ যি সুখ-দুখৰ সমভাগী, বিপদৰ সাহস।

সাধাৰণতে গভীৰ বন্ধুত্ব সেইজনৰ লগতহে সম্ভৱ যিজনে সুখৰ সময়ত একেলগে হাঁহে আৰু দুখৰ সময়ত সমভাগী হয়। সেয়াহে প্ৰকৃত বন্ধু। বন্ধুত্বৰ পৰিধি সাগৰৰ দৰে পাৰ পাৰহীন। সৰুতে 'বন্ধুত্ব' শব্দটোৰ অৰ্থ কি মই ঠিক ভালদৰে বুজাই নাছিলো। কিন্তু ডাঙৰ হৈ অহাৰ লগে লগে মই 'বন্ধুত্ব' প্ৰকৃত অৰ্থ কি তাক ভালদৰেই বুজি উঠিছো। বন্ধুত্বৰ অবিহনে জীৱনটো তৰাহীন এখন আকাশৰ দৰে।

ইংৰাজীত এষাৰ কথা আছে — "A Friend in need is a friend indeed" এই প্ৰবচনটিয়ে এজন প্ৰকৃত বন্ধুৰ কথা কৈছে। জীৱনত ভাল বন্ধু নিৰ্বাচন কৰাৰ সময়ত খুব সাৱধান হোৱা উচিত। বেয়া সংগই সহজে মানুহক বিপথে পৰিচালিত কৰে। কিন্তু এজন প্ৰকৃত বন্ধুৱে জীৱনৰ সংকটময় কালত সাহস দিয়ে, উৎসাহ দিয়ে আৰু বিপদকালত ভাগি পৰা মনটোক তেওঁৰ উমাল পৰশেৰে জীপাল কৰি তুলে। অৱশ্যে, জীৱনত প্ৰকৃত বন্ধু লাভৰ বাবে নিজেও কাৰোবাৰ বাবে প্ৰকৃত বন্ধু হ'ব পাৰিব লাগিব।



*বন্ধুৰ অবিহনে মানৱ জীৱন অসম্পূৰ্ণ। বন্ধুত্ব হৈছে জীৱনৰ এক গভীৰ আস্থা। বন্ধুৰ মাজৰ মৰম-চেনেহবোৰ যুগ যুগ ধৰি বৰ্তি ৰাখিবৰ বাবে আগষ্ট মাহৰ প্ৰথমটো দেওবাৰ 'বন্ধুত্বৰ দিন' (Friendship Day) হিচাপে পালন কৰা হৈছে। জীৱনত বন্ধুৰ সংখ্যা বহুত কিন্তু প্ৰকৃত বন্ধুৰ সংখ্যা তেনেকৈ নগণ্য।*

---

বন্ধুত্বই নামানে ধনী দুখীয়াৰ প্ৰভেদ। উদাহৰণস্বৰূপে, দ্বাৰকাধিপতি শ্ৰীকৃষ্ণ আৰু তেওঁৰ বাল্যবন্ধু প্ৰিয় দামোদৰ। দিনটো ঘৰে ঘৰে ভিক্ষা মাগি ফুৰা বিপ্ৰ দামোদৰে যেতিয়া ভোকৰ তাৰণাত চট্‌ফটাই থকা পুতেকহঁতৰ সেমেকা মুখকেইখন চাই থাকিব নোৱাৰিছিল তেতিয়া তেঁও সহায়ৰ বাবে লাজে লাজে দ্বাৰকালৈ গৈছিল। তেওঁ ভাবিছিল যে তেওঁৰ দুখৰ কথাবোৰ বন্ধুক কেনেকৈ ক'ব? যিজন দ্বাৰকাৰ অধিপতি, জগত ঈশ্বৰ কিন্তু বিপ্ৰ দামোদৰ হৈছে দুখীয়া সাধাৰণ লোক। যেতিয়া বিপ্ৰ দামোদৰ গৈ শ্ৰীকৃষ্ণৰ লগত সাক্ষাৎ হয় তেতিয়া শ্ৰীকৃষ্ণই বহুতদিনৰ পাছত তেওঁৰ বন্ধুত্ব দেখি সাবটি ধৰিলে আৰু বিপ্ৰ দামোদৰে তেওঁলৈ বুলি ভিক্ষা কৰি নিয়া চাউল কেইটাকে পৰম সন্তোষেৰে খায়। ভাগৱতৰ এই উদাহৰণটোৰ পৰা আমি প্ৰকৃত বন্ধুত্বৰ সোৱাদ কি তাক ভালদৰে জানিব পাৰো। কাৰোবালৈ সঁচা বন্ধুত্বৰ মৰম থাকিলে তাক ভাল উপহাৰ বা দামী বস্তুৰ লগত তুলনা কৰিব নালাগে। লাগে মাথো অলপমান সচাঁ মৰম আৰু বিশ্বাস।

শৈশৱৰ পৰা আৰম্ভ কৰি কলেজীয়া জীৱন আৰম্ভ কৰালৈকে ময়ো জীৱনত বহুতো বন্ধু-বান্ধৱী লগ পাইছো বা ভৱিষ্যতেও পাই থাকিম। সেই বন্ধু-বান্ধৱীবোৰৰ পৰাই মই শিকিলো 'বন্ধুত্ব' কি আৰু কোন ভাল, কোন বেয়া? হাইস্কুলীয়া শিক্ষা অন্ত পেলাই মই দুচকুত অযুত স্বপ্ন লৈ খোজ পেলাইছিলো 'শিৱসাগৰ জুনিয়ৰ কলেজ'ত, লগ পাইছিলো এচাম নতুন বন্ধু-বান্ধৱীক। প্ৰাক্ -প্ৰাথমিকৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষালৈকে যিসকল বন্ধু-বান্ধৱীক লগ পালো তেওঁলোকৰ লগত সহজে 'বন্ধুত্ব' গঢ়ি উঠাটো স্বাভাৱিক কথা। 'শিৱসাগৰ জুনিয়ৰ কলেজ' য'ত মই দুই বছৰো ভালকৈ নাপালো। কিন্তু খুব কম সময়ৰ বাবে তাত অলপমান বন্ধু-বান্ধৱীক লগ পালো যাৰ ঠাই ভৱিষ্যতে হয়তো কোনেও পূৰাবলৈ সক্ষম নহ'ব। সেইসকলৰ বন্ধুত্বৰে চহকী হ'বলৈ পাই মই ধন্য।

বন্ধুৰ অবিহনে মানৱ জীৱন অসম্পূৰ্ণ। বন্ধুত্ব হৈছে জীৱনৰ এক গভীৰ আস্থা। বন্ধুৰ মাজৰ মৰম-চেনেহবোৰ যুগ যুগ ধৰি বৰ্তি ৰাখিবৰ বাবে আগষ্ট মাহৰ প্ৰথমটো দেওবাৰ 'বন্ধুত্বৰ দিন' (Friendship Day) হিচাপে পালন কৰা হৈছে। জীৱনত বন্ধুৰ সংখ্যা বহুত কিন্তু প্ৰকৃত বন্ধুৰ সংখ্যা তেনেকৈ নগণ্য। শেষত এই মৰমৰ এনাজৰীডালৰ কথা এনেদৰেই ক'ব পাৰি যে — "Friends are connected heart to heart, Distance and time can't break them apart."

*বৰ্তমান সমাজখন এখন ভগ্নপ্ৰায়, শিথিল, দিশলৈহে ধাৱিত হৈছে। অহিংসাই পৰম ধৰ্ম, প্ৰেম আৰু ক্ষমাই জগতত বা সমাজৰ শান্তি স্থাপনৰ মূল বুলি মহাপুৰুষ আৰু মহান মনীষীসকলে জলন্ত আদৰ্শ দেখুৱাই থৈ গৈছে কিন্তু সমাজৰ কিমানলোকে তেওঁলোকৰ এই মহান আদৰ্শ অনুকৰণ কৰিছে হয়তো এপাচি শাকত এটা জালুকৰ দৰে। সমাজ ব্যৱস্থাটো কিছু সংখ্যক লোকে কলুষিত কৰিছে কিন্তু তাৰ ফল তেওঁলোকে ভোগ নকৰি আমি সৰ্বসাধাৰণ লোকে ভোগ কৰিছো।*

# আমি সামাজিক হৈও কিয় অসামাজিক ??

**দিম্পী সোণোৱাল**
**স্নাতক প্ৰথম ষাণ্মাষিক**

মানুহ সামাজিক আৰু সমাজপ্ৰিয় প্ৰাণী। সমাজ বাদ দি কোনো সভ্য মানুহেই আজিৰ জগতত বাছি থকাৰ কল্পনাই কৰিব নোৱাৰি। প্ৰত্যেক সমাজৰ প্ৰতিজন ব্যক্তিয়েই সেই সমাজৰ আদৰ্শ, ৰীতি-নীতি, আচাৰ-আচৰণ, ভাষা-সংস্কৃতি আদিৰ দ্বাৰা প্ৰভাৱিত আৰু পৰিচালিত। সমাজতেই সমাজৰ একোজন সদস্য হিচাপে ভিন ভিন অভিজ্ঞতা আৰু গুণ যেনে — দয়া, ক্ষমা, প্ৰেম, প্ৰীতি, সাধুতা, নম্ৰতা, ধৰ্মনিষ্ঠা, সত্যবাদিতা, আনুগত্য, সহযোগিতা, সমাজ চেতনা আদি মানৱীয় আৰু সজগুণসমূহ আয়ত্ব কৰি বিকাশ লাভ কৰিব পাৰে।

সামাজিক পৰিবৰ্তন সমাজৰ এক বিশ্বজনীন পৰিৱৰ্তন। যিহেতু বিশ্বৰ কোনো সমাজেই স্থবিৰ নহয় সেয়ে সময়ৰ লগে লগে মানৱ সমাজতো পৰিবৰ্তনৰ সূত্ৰপাত হয়। পৰিৱৰ্তনৰ ফলতহে মানৱ সমাজে আজিৰ অৱস্থা পাইছেহি।

ভগবানে জীৱকুলৰ ভিতৰত মানুহকেই শ্ৰেষ্ঠ জীৱ বুলি শ্ৰেষ্ঠত্বৰ মুকুট পৰিধান কৰাইছে। সামাজিক প্ৰাণী হিচাপে সমাজপাতি বসবাস কৰাইছে। কিন্তু আমি সমাজৰ পৰিধি ভাঙি হিংসা, কুকাৰ্য, হত্যা, ধৰ্ষণ লুণ্ঠন, ঠগ-প্ৰৱঞ্চক, সাম্প্ৰদায়িক সংঘৰ্ষ, পৰিবেশ প্ৰদূষণ আদি কামবোৰ বাছি লৈ মানৱীয় প্ৰমূল্যৰ অৱক্ষয় ঘটাইছো। প্ৰত্যেকদিনাই হাজাৰ হাজাৰ মানুহ এই হত্যা হিংসা, বিস্ফোৰণ আদিত প্ৰাণত্যাগ দিবলগীয়া হৈছে। লাহে লাহে যেন বৰ্তমান দেখি থকা এই সমাজখন এখন নৰকলৈহে ৰূপান্তৰ ঘটিছে। সময়ৰ তাগিদাত পৰি কেতিয়াবা আমি পাহৰি যাও যে আমি এখন সমাজত বসবাস কৰো। উচ্চ শিক্ষাৰে শিক্ষিত হৈ নিজৰ সন্মান, খ্যাতি অৰ্জনৰ পিছে পিছে দৌৰোতে আমি পাহৰি গৈছো আমাৰ নিজৰ স্থিতি। আত্মকেন্দ্ৰিক মনোভাৱৰ বাবে নিজৰ স্বাৰ্থ পূৰণ কৰিবলৈ গৈ আনক অপকাৰ কৰাৰ লগতে সামাজিক কামৰ সলনি অসামাজিক কামবোৰত লিপ্ত হোৱা দেখা যায়। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ দ্ৰুত গতিত আগবঢ়াত আজিৰ সমাজত দেখা যায় টকা নহ'লে একোৱেই নহয়। যাৰ টকা আছে তাৰে বল আছে কিন্তু আমি কিমানদিন অন্যায়, উৎপীড়নৰ বলি হৈ থাকিম। যিটো নেকি পূৰ্বতে নৰহত্যা মহাপাপ বুলি স্বীকাৰ কৰি আহিছে, আজিৰ মানুহে



নৰহত্যা পাপ নহয় পূণ্য বুলিহে ভাৱে। তেওঁলোকে যেন এই নৰহত্যা কৰি ভাল পায়, এয়া তেওঁলোকৰ বাবে প্ৰিয় খেল...। আইনী ব্যৱস্থাটোও যেন ধনী ব্যক্তি সকলৰ হাতত মুঠিত। সত্যটো অসত্য আৰু অসত্যটো সত্য কৰি দিব পৰা ক্ষমতা তেওঁলোকৰ আছে। ধনৰ বলত বা বিদ্যাৰ বলত মানুহে অনেক ক্ষমতা পায়। ক্ষমতাৰ কাৰণে তেওঁলোকক মানুহে ভয় কৰে সচাঁ কিন্তু শ্ৰদ্ধা নকৰে। বহু সময়ত ৰাজনীতিৰ মেৰপাকত পৰি একশ্ৰেণী লোকে সুবিধাবাদীৰ হাতৰ পুতলাহে নিজৰ পবিত্ৰ দায়িত্ব পালন কৰাত অসমৰ্থ হৈ পৰে আৰু তেতিয়াই মানৱ সমাজ অৱহেলিত হৈ পৰে। শোষণৰ অবাধ ৰাজত্বই মানৱ সমাজ দুখ-জৰ্জৰ কৰি তোলে। নিৰীহ, মুক, মৌন লাখ লাখ মানুহে তেতিয়া সমাজত ন্যায় প্ৰতিষ্ঠাৰ কাৰণে স্ৰষ্টাৰ ওচৰত নীৰৱে চকুলো টুকি প্ৰাৰ্থনা কৰাৰ বাহিৰে গত্যন্তৰ নাথাকে। এনেদৰেই সমাজৰ ভিতৰতে চলিছে পাৰস্পৰিক অনাচাৰ, অসৌজন্যৰ প্ৰতিক্ৰিয়া। মানুহক অপমান আৰু মানুহৰ আত্মাক নিৰ্যাতন কৰাটোৱেই বোধ হয় বৰ্তমান মানুহৰ নিৰ্ভুল বৈশিষ্ট্য। দুৰ্বাক্য, দুব্যৱহাৰ আৰু দুমুৰ্খতাৰ বোধ হয় উচ্চতৰ শ্ৰেণীলৈ আৰোহণৰ একমাত্ৰ খট্‌খটী। কিশোৰ যুৱক-যুৱতী, সংগঠনৰ পৰা চৰকাৰী বিষয়া পৰ্যন্ত প্ৰত্যেকে যেন সুবিধা অনুযায়ী ভোগ বিলাস, অৰ্থলিপ্সাত লিপ্ত হৈ পৰিছে। ভ্ৰষ্টাচাৰ, ষড়যন্ত্ৰ, দেশদ্ৰোহিতা যেন আজিৰ সমাজৰ প্ৰত্যাহিক কাৰ্যসূচী। কিয় বা কৰে দোষত জীৱনৰ বা সমাজৰ মূল্যবোধ, সাংস্কৃতি, চেতনা আদিৰ এনে ভয়াবহ অৱক্ষয় হ'ল — কোনে সুদত্তৰ দিব... ? শিক্ষাই যিমান অগ্ৰগতি লাভ কৰিছে কিন্তু মানুহৰ মন কুসংস্কাৰ আৰু অন্ধবিশ্বাসৰ পৰা এতিয়াও মুক্ত হ'ব পৰা নাই।

বৰ্তমান সমাজখন এখন ভগ্নপ্ৰায়, শিথিল, দিশলৈহে ধাৱিত হৈছে। অহিংসাই পৰম ধৰ্ম, প্ৰেম আৰু ক্ষমাই জগতত বা সমাজৰ শান্তি স্থাপনৰ মূল বুলি মহাপুৰুষ আৰু মহান মনীষীসকলে জলন্ত আদৰ্শ দেখুৱাই থৈ গৈছে কিন্তু সমাজৰ কিমানলোকে তেওঁলোকৰ এই মহান আদৰ্শ অনুকৰণ কৰিছে হয়তো এপাচি শাকত এটা জালুকৰ দৰে। সমাজ ব্যৱস্থাটো কিছু সংখ্যক লোকে কলুষিত কৰিছে কিন্তু তাৰ ফল তেওঁলোকে ভোগ নকৰি আমি সৰ্বসাধাৰণ লোকে ভোগ কৰিছো। আমাৰ চকুৰ আগত প্ৰতিদিনে প্ৰতিঘণ্টাতে দেখা বা কৰি থকা এই অসামাজিক কুকাৰ্যবোৰ কেৱল কেইজনমান লোকে সমাধান কৰিব নোৱাৰে। সমাজৰ সৰু বৰ সকলো মানুহেই লাগতিয়াল। তুঁহ, পতান বুলি কাকো পেলনি যাবলৈ দিব নোৱাৰি। সমাজৰ প্ৰাণী হিচাপে আমি সকলোৱে আত্মকেন্দ্ৰিকতা, কুকাৰ্য আদি পাহৰি, সমতা, ভ্ৰাতৃত্ববোধ আদি আকোঁৱালি লৈ সমাধান কৰাৰ মানসেৰে সমন্বয়ৰ সেতু গঢ়িবলৈ আগবাঢ়ি আহিলেহে আমাৰ এই নিস্বাৰ্থ প্ৰেমৰ যোগসূত্ৰডাল টনকিয়াল কৰিব পাৰিম নহ'লে আমি চিৰদিন সামাজিক হৈও অসামাজিক হৈ থাকিব লাগিব ...।



# পৃথিৱীৰ বৃহত্তম সংগ্ৰহালয়

জ্যোৎস্না গগৈ
স্নাতক দ্বিতীয় ষাণ্মাষিক

পৃথিৱীৰ আটাইতকৈ ডাঙৰ সংগ্ৰাহলয়টো ফ্ৰান্সৰ ৰাজধানী পেৰিছত অৱস্থিত। সংগ্ৰহালয়টোৰ নাম লুভ্।

১২০০ চনত ৰজা ফিলিপে এই প্ৰাসাদটো নিৰ্মাণ কৰে। তেতিয়া ই এটা দুৰ্গ আছিল। পেৰিছ চহৰক পহৰা দিবৰ বাবেই শ্বেন নদীৰ পাৰত এই প্ৰাসাদটো নিৰ্মাণ কৰা হৈছিল।

লুভ্ নামৰ এই প্ৰাসাদটো দুৰ্গ হিচাপে পৰিচিত লাভ কৰিলেও ৰজা প্ৰথম ফ্ৰাঁচোৱাই ১৫২৭ চনত নিজৰ বাসস্থান হিচাপে এই প্ৰাসাদাটোক মনোনীত কৰে। তেওঁ প্ৰাসাদটোৰ বহু দেৱাল ভাঙি পেলায়। প্ৰাসাদ চৌহদত সুন্দৰ বাগিচা তৈয়াৰ কৰে।

ৰাণী কাটৰিন দ্য মেডিচিয়ে লুভৰ পৰা পাঁচশ গজ দুৰৈত নিৰ্মাণ কৰিলে টুইলেৰি প্ৰাসাদ। প্ৰাসাদৰ চৌদিশত বিশাল বাগিচা গঢ়ালে। ফলত লুভ্ প্ৰাসাদ তাৰ আগৰ সীমাতে আবদ্ধ নাথাকিল। সি টুইলেৰি প্ৰাসাদ আৰু টুইলেৰি বাগিচাকো সামৰি ল'লে। সেয়ে পৰ্যটকসকল ইয়াৰ বিশাল পৰিধি দেখি আচৰিত হৈ যায়।

মানৱ মানৱ সভ্যতাৰ প্ৰায় সকলো বস্তুৱেই এই সংগ্ৰহালয়ত দেখিবলৈ পোৱা যায়। সভ্যতাৰ প্ৰতিটো পৰ্যায় তাত নিয়াৰিকৈ সজাই থোৱা আছে। তাত যেন একোৰে অভাৱ নাই।

বৰ্তমান সময়ত মানুহৰ ওচৰত বিস্ময়ৰ বস্তু লুভ্ সংগ্ৰাহলয় এদিনতে বৰ্তমানৰ ৰূপ পোৱা নাই। বিভিন্ন ব্যক্তিৰ ইচ্ছা আৰু ঐকান্তিক প্ৰচেষ্টাৰ ফলত অলপ অলপকৈ পৰ্যায়ক্ৰমে ই আজিৰ অৱস্থাত উপনীত হৈছেহি।

লুভ সংগ্ৰহালয়ক আজিৰ অৱস্থালৈ অনাৰ ক্ষেত্ৰত যিসকলৰ অৱদান আটাইতকৈ বেছি তেওঁলোকৰ ভিতৰত ফান্সৰ ৰজা চতুৰ্দশ লুই, মহামন্ত্ৰী কাৰ্ডিনাল ৰিচলু, সম্ৰাট নেপোলিয়ন, ষোড়শ লুই অন্যতম।

সম্ৰাট নেপোলিয়নে 'যুদ্ধজয়ৰ পিছত উপঢৌকন হিচাপে পৰাজিত দেশৰ পৰা শিল্প-কৰ্ম বিচাৰিছিল। সেইবোৰ উপঢৌকন লুভ্ সংগ্ৰহালয়লৈ গৈছিল।

ফৰাচী বিপ্লৱৰ চাৰি বছৰ পিছত ১৭৯৩ চনৰ ১০ আগষ্টৰ দিনা লুভ্ সংগ্ৰহালয়ৰ উন্নয়নৰ কাম সম্পূৰ্ণ হয়। তেতিয়াৰে পৰাই লুভ্ সংগ্ৰহালয় এটা দৰ্শনীয় ঠাইৰ মৰ্যাদা লাভ কৰে।

পৃথিৱীৰ বিভিন্ন ঠাইৰ পৰা আকৰ্ষণীয় মূল্যবান বস্তু বাহানি সংগ্ৰহ কৰি লুভক সজোৱা হয়। ইয়াত প্ৰায় চাৰি লাখ সামগ্ৰী আছে! অৱশ্যে সকলো বস্তু সকলো দৰ্শকৰ বাবে মুকলি নহয়। তাত পৌৰাণিক সম্পদসমৃদ্ধ বিশেষ বিশেষ কোঠালিত আছে। তাত মাথোন পণ্ডিতসকলেহে গৱেষণা কৰিবলৈ প্ৰৱেশ কৰাৰ অনুমতি লাভ কৰে।

তৎসত্বেও সকলো শ্ৰেণীৰ দৰ্শকৰ বাবে লুভৰ যিবোৰ সামগ্ৰী মুকলি কৰি দিয়া হৈছে, সেইখিনি চাই শেষ কৰিবলৈ কেইবাদিনো লাগি যায়।

এই সংগ্ৰহালয়ত সকলো বিষয়ৰ বস্তু সন্নিৱিষ্ট কৰা হৈছে। তাত আধুনিক সভ্যতাৰ নিদৰ্শনৰ লগতে আছিৰীয়া, ৰোমান, মিচৰীয়া, গ্ৰীক, পাৰস্যৰ আদি যুগৰ নিদৰ্শনসমূহ মধ্যযুগৰ শিলালিপি, শিল্পবস্তু আৰু দলিল দস্তাবেজ সংগৃহীত হৈছে। লিওনাৰ্ডো ডা-ভিঞ্চিৰ লগতে পৃথিৱীৰ বহু বিখ্যাত শিল্পীৰ চিত্ৰশিল্প তাত সংগ্ৰহ কৰা হৈছে।

লুভ্ সংগ্ৰহালয়টো অত্যন্ত পৰিকল্পিত ভাৱে সজোৱা হৈছে। প্ৰতিটো সভ্যতাৰ সামগ্ৰীক পৃথকে পৃথকে প্ৰণালীবদ্ধভাৱে সজাই থোৱা হৈছে।

এই সংগ্ৰহালয়টো দেখিলে এনে লাগে যেন ইতিহাসৰ বাটেৰে ভ্ৰমণহে কৰি থকা হৈছে। ইয়াৰ তত্বাৱধান আৰু শ্ৰীবৃদ্ধিৰ বাবে ফৰাচী চৰকাৰে বছৰি কেইবা কোটি টকা খৰচ কৰিব লগা হয়। ইয়ালৈ নিতৌ হেজাৰ হেজাৰ মানুহৰ সমাগম ঘটো তাৰ ফলত ৰাজভৰালৈ শকত পৰিমাণৰ ৰাজহ জমা হয়।



# জৈৱ বৈচিত্ৰ্য আৰু ইয়াৰ সংৰক্ষণ

**দীপশিখা শৰ্মা**
**স্নাতক দ্বিতীয় ষান্মাষিক**

প্ৰকৃতি জগতখন হৈছে ভগৱানৰ এক ৰহস্যময় সৃষ্টি। প্ৰকৃতিৰ এই জগতখনৰ ক্ষুদ্ৰাদি ক্ষুদ্ৰ অনুজীৱৰ পৰা বৃহৎ আকাৰৰ জীৱ, বিভিন্ন আকৃতি প্ৰকৃতিৰ উদ্ভিদ সকলোৰে এক ভাৰসাম্য ৰক্ষা কৰি বৰ্তী আছে। উল্লেখযোগ্য যে ইয়াৰ প্ৰত্যেকটো অঞ্চলৰ উদ্ভিদ বা প্ৰাণীৰ লগত অন্য এটা অঞ্চলৰ উদ্ভিদ বা প্ৰাণীৰ লগত অন্য এটা অঞ্চলৰ উদ্ভিদ বা প্ৰাণীৰ কিছুমান চাৰিত্ৰিক বা জৈনীয় ভিন্নতা দেখিবলৈ পোৱা যায়। এনেদৰে ভৌগোলিক পৰিৱেশৰ ওপৰত ভিত্তি কৰি কোনো কোনো অঞ্চলত এক বিশেষ প্ৰজাতিৰ প্ৰাণী বা উদ্ভিদ পোৱা যায়, যাক অন্য এটা অঞ্চলত পোৱা নাযায়। এনেধৰণৰ বিচিত্ৰতাই হ'ল জৈৱ বিচিত্ৰতা। অৰ্থাৎ পৰিস্থিতি তন্ত্ৰ এটাৰ ভিতৰত বসবাস আৰু বিচৰণ কৰা জীৱসমূহৰ মুঠ প্ৰজাতিসংখ্যাই তন্ত্ৰটোৰ জৈৱ বৈচিত্ৰ। 'জৈৱ বৈচিত্ৰ' শব্দটো পোন প্ৰথমবাৰৰ বাবে E.O. Wilson য়ে ব্যৱহাৰ কৰিছিল। Convention of Biological Diversity (1972) ত দিয়া বিচিত্ৰতাৰ সংজ্ঞাটো হ'ল —

"Bio diversity has been defined as the variability among the living organisms from all sources including inter alia, terrestrial marine and other aquatic ecosystem and the ecological complexes of which they are a part."

মানৱ জীৱনত জৈৱ বিচিত্ৰতাৰ গুৰুত্ব অপৰিসীম। আমাৰ দৈনন্দিন জীৱনত প্ৰায় সকলোবিলাক কাৰ্যই প্ৰত্যক্ষ আৰু পৰোক্ষ ভাৱে জৈৱ বৈচিত্ৰ্যৰ ওপৰত নিৰ্ভৰশীল। জৈৱ বৈচিত্ৰ্যৰ পৰা মানুহে মৌলিক প্ৰয়োজন (খাদ্য, বস্ত্ৰ, বাসস্থান) কেইটাৰ উপৰিও ইন্ধন, ঔষধ, বিভিন্ন কেচামাল আদি সংগ্ৰহ কৰি আহিছে। মুঠতে উদ্ভিদজগতখনে আমাক প্ৰদুষণমুক্ত আৰু এক সুস্থিৰ বাতাবৰণৰ যোগান ধৰিছে আৰু পৰিবেশ সংৰক্ষণতো এক গুৰুত্বপূৰ্ণ ভুমিকা পালন কৰি আহিছে। সাম্প্ৰতিক কালত পৃথিৱী পৃষ্ঠৰ বিভিন্ন দিশৰ উপলব্ধি বিচিত্ৰতাৰ ওপৰত ভিত্তি কৰি অৰ্থনৈতিক স্বাৰ্থৰ হেতুকে পৰিৱেশীয় পৰ্যটন (Eco-tourism) নামৰ এটা নতুন বিষয়বস্তুৰ জন্ম হৈছে। মানুহৰ আৰ্থ সামাজিক কাম-কাজবোৰ বৰ্তমান জৈৱ বৈচিত্ৰ্যৰ ওপৰত সুদূৰ প্ৰসাৰী প্ৰভাৱ সৃষ্টি কৰিছে। বিশেষকৈ মানুহৰ কৰ্মকাণ্ডৰ ওপৰত জীৱৰ জিনীয় প্ৰজাতিগত আৰু পৰিস্থিতিক বৈচিত্ৰ্যসমূহ বহু পৰিমাণে নিৰ্ভৰশীল হৈ পৰিছে। বিজ্ঞান-প্ৰযুক্তিৰ অগ্ৰগতি আৰু জীৱবিজ্ঞানৰ আধুনিক গৱেষণাৰ বলত মানুহে কৃত্ৰিম প্ৰজাতিৰ সৃষ্টি কৰিবলৈও সক্ষম হৈছে। দৈনন্দিন জীৱনৰ প্ৰত্যেকটো ক্ষেত্ৰতেই মানুহ প্ৰকৃতিৰ ওপৰত নিৰ্ভৰশীল হ'বলগীয়া হোৱাৰ স্বত্বেও মানুহৰ বিভিন্ন অপকৰ্মৰ ফলস্বৰূপে সম্প্ৰতি জৈৱ বিচিত্ৰতাত এক ভাবুকিৰ সৃষ্টি হৈছে। বিশেষকৈ জনসংখ্যা বৃদ্ধিৰ ফলত হোৱা বাসস্থানৰ নাটনি, চোৰাং চিকাৰ আৰু বৰ্তমানৰ মানুহ আৰু বন্যজন্তুৰ সংঘাতৰ ফলতে বৰ্তমান বিশ্বৰ প্ৰায় ১৬০০০ প্ৰাণী আৰু উদ্ভিদ বিলুপ্তিৰ পথলৈ ধাবিত হৈছে। এই সন্দৰ্ভত বিশ্ব সংৰক্ষণ সংস্থা (IUCN) নামৰ সংগঠনটোৱে চলোৱা শেহতীয়া জৰীপ মতে ৩২ টা প্ৰজাতিৰ উভচৰ প্ৰাণী ২৩ টা প্ৰজাতিৰ স্তন্যপায়ী প্ৰাণী, ৪০ টা প্ৰজাতিৰ ঘৰিয়াল, কুম্ভীৰৰ লগতে ৪০০০ প্ৰজাতিৰ উদ্ভিদ বিলুপ্ত হোৱাৰ তথ্য পোহৰলৈ আহিছে।

গতিকে মানৱ জীৱনত জৈৱ বৈচিত্ৰ্যতাৰ গুৰুত্ব আৰু বৰ্তমান মানুহৰ অপকৰ্মৰ ফলত জৈৱ বৈচিত্ৰতাত দেখা দিয়া বিভিন্ন ভাবুকি এই সকলোবোৰৰ প্ৰতি লক্ষ্য ৰাখি জৈৱ্য বৈচিত্ৰ্য সংৰক্ষণৰ ব্যৱস্থা কৰা হৈছে। প্ৰধানকৈ যি পদ্ধতিৰ দ্বাৰা পৃথিৱীৰ জৈৱ বৈচিত্ৰতাক বৈজ্ঞানিক ব্যৱহাৰ ৰক্ষণাবেক্ষণ তথা পৰিচালনা ব্যৱস্থা সৃষ্টৰূপে সম্পাদিত হয় আৰু সেই বিচিত্ৰতাক ক্ষতিকাৰক প্ৰভাৱ, অপব্যৱহাৰৰ পৰা ৰক্ষা কৰা হয় তাকে জৈৱ বিচিত্ৰতাৰ সংৰক্ষণ বোলা হয়।

এনে সংৰক্ষণৰ মূল উদ্দেশ্য হ'ল —



১) জীৱনধাৰণৰ বাবে পৰিৱেশত থকা আৱশ্যকীয় পদাৰ্থৰ সংৰক্ষণ।

২) পৃথিৱীত পোৱা বিভিন্ন প্ৰাণী আৰু উদ্ভিদসমূহৰ বিভিন্নতা বজাই ৰখা আৰু অবলুপ্তিৰ পৰা ৰক্ষা কৰা।

৩) উদ্যোগৰ বাবে প্ৰয়োজনীয় উদ্ভিদ আৰু প্ৰাণীসমূহৰ যোগান অব্যাহত ৰখা।

৪) পৰ্যাপ্ত পৰিমাণে থাকিলেও প্ৰাকৃতিক সম্পদসমূহৰ যোগ্য আৰু বিজ্ঞানভিত্তিক ব্যৱহাৰ নিশ্চিত কৰা।

৫) মানৱ সমাজৰ নিৰ্মল আনন্দ বৰ্ধনৰ ব্যৱস্থা কৰা।

সম্প্ৰতি বিশ্ব সংৰক্ষণ সংস্থা নামৰ সংস্থাটোৱে জৈৱ বৈচিত্ৰ্যৰ সংৰক্ষণৰ দুটা ভাগত ভাগ কৰিছে —

১) স্থানিক সংৰক্ষণ ২) বৰ্হিস্থানিক সংৰক্ষণ।

**স্থানিক সংৰক্ষণ ঃ** স্থানিক সংৰক্ষণ হৈছে সংৰক্ষণ ব্যৱস্থাৰ এক অতি উত্তম পদ্ধতি। ইয়াৰ জৰিয়তে কোনো এটা অঞ্চললৈ এটা সুস্থিৰ বাতাবৰণ কঢ়িয়াই অনাৰ উপৰিও প্ৰাণীক সুৰক্ষিত চৰণীয়া ভূমি যোগান ধৰিবলৈ সক্ষম হৈছে।

সংৰক্ষণৰ বিভিন্ন প্ৰয়োজনীয়তালৈ লক্ষ্য কৰি আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত ১৯৪৮ চনত প্ৰাকৃতিক সম্পদ সংৰক্ষণৰ আন্তৰ্জাতিক সংস্থা এটা গঠন কৰা হৈছে। ইয়াৰ উপৰিও ১৯৬১ চনত বন্যপ্ৰাণী সংৰক্ষণৰ অৰ্থ সংস্থানৰ বাবে বিশ্ব বন্যপ্ৰাণী তহবিল (World Wildlife fund) গঠিত হৈছে। ভাৰততো ১৯৫২ চনত ভাৰতীয় বন্যপ্ৰাণী পৰিষদ গঠন হয় আৰু লুপ্তপ্ৰায় প্ৰাণীসমূহৰ বেপাৰ আৰু নিধন ৰোধ কৰিবলৈ ১৯৭২ চনত বন্যপ্ৰাণী সংৰক্ষণ আইন প্ৰণয়ন কৰা হয়।

স্থানিক পদ্ধতি অনুসৰি জৈৱ বিচিত্ৰ্যতাৰ সংৰক্ষণ বাবে বিভিন্ন সংৰক্ষিত অঞ্চল গঠন কৰা হয়। সেইবোৰ হ'ল—

**জৈৱমণ্ডল সংৰক্ষিত অঞ্চল ঃ** মানুহ আৰু জৈৱ মণ্ডল (MAB) আঁচনিৰ অন্তৰ্গত আচনি হিচাপে 1971 চনত UNESCO য়ে জৈৱমণ্ডল সংৰক্ষণ আচনি আৰম্ভ কৰিছিল। সেই আচনিৰ ভিত্তিতেই 1985 চনত পৃথিৱীৰ প্ৰায় 65 খন দেশৰ 243 খন ঠাইত জৈৱ ভূমণ্ডল সংৰক্ষিত অঞ্চল হিচাপে ঘোষণা কৰিছিল। ভাৰতবৰ্ষতো 1986 চনত নীলগিৰি প্ৰথম জৈৱ সংৰক্ষিত অঞ্চল হিচাপে ঘোষণা কৰিছিল।

**অভয়াৰণ্য ঃ** অভয়াৰণ্য হ'ল চৰকাৰী জাননীযোগে প্ৰাণী তথা উদ্ভিদ ৰক্ষণাবেক্ষণ বাবে সৃষ্টি কৰা কিছুমান সংৰক্ষিত বনাঞ্চল। ভাৰতবৰ্ষত 421 খন অভয়াৰণ্য আছে।

**ৰাষ্ট্ৰীয় উদ্যান ঃ** কিছুমান অঞ্চলৰ বনজ সম্পদসমূহ আইনৰ দ্বাৰা সংৰক্ষিত কৰা হৈছে। সেই অঞ্চলসমূহকে ৰাষ্ট্ৰীয় উদ্যান বুলি কোৱা হয়। ভাৰতবৰ্ষত 92 খন ৰাষ্ট্ৰীয় উদ্যান আছে।

এইবোৰৰ উপৰিও প্ৰাধানকৈ প্ৰাণীসমূহৰ সংৰক্ষণ বাবে কিছুমান সুকীয়া আচনি হাতত লোৱা হৈছে। যেনে- ভাৰতৰ বিভিন্ন অঞ্চলত পোৱা বাঘসমূহ সংৰক্ষণৰ বাবে 1973 চনত 'ব্যাঘ্ৰ প্ৰকল্প', গুজৰাটৰ গিৰ অৰণ্যৰ এছিয় সিংহ সংৰক্ষণৰ বাবে 1972 চনত গুজৰাট চৰকাৰে গিৰ সিংহ প্ৰকল্প 1987 চনত অসমৰ গড় সংৰক্ষণ আৰু 1992 চনত হাতী প্ৰকল্প আদি উল্লেখযোগ্য।

**বহিস্থানিক সংৰক্ষণ (Ex-Situ Conservation) ঃ** যিবোৰ প্ৰাণীৰ বা উদ্ভিদৰ বিচিত্ৰতা স্থানীয়ভাৱে সংৰক্ষণ কৰাতো সম্ভৱ নহয়, তেনে জৈৱ-বৈচিত্ৰতা সংৰক্ষণৰ বাবে বহিস্থানিক সংৰক্ষণৰ আচনি লোৱা হয়। বিভিন্ন প্ৰজাতিৰ প্ৰাণী আৰু উদ্ভিদৰ বিভিন্নতা সংৰক্ষণ কৰাই হৈছে বহিস্থানিক সংৰক্ষণ ব্যৱস্থাৰ মুখ্য উদ্দেশ্য। বহিস্থানিক সংৰক্ষণত বিৰল প্ৰাণী বা উদ্ভিদক নিজৰ প্ৰাকৃতিক বাসভূমিৰ পৰা আতৰাই নি কিছুমান বিশেষ ব্যৱস্থাৰে সংৰক্ষণ কৰা হয়। উদাহৰণস্বৰূপে চিৰিয়াখানা, উদ্ভিদ, উদ্যান, আদিত ভৱিষ্যতে বৃদ্ধি আৰু বিকাশৰ কাৰ্যত খটুৱাৰ উদ্দেশ্য স্থানীয় উদ্ভিদ বা প্ৰাণী সমূহৰ সকলো বংশগতি বা জিনীয় বিভিন্নতাৰ সংৰক্ষণ কৰা হয়। এনেধৰণৰ বংশগতিৰ বিভিন্নতাৰ সংৰক্ষণক জিন বেংক বুলি কোৱা হয়। এনেদৰে বিভিন্ন সংৰক্ষণৰ ব্যৱস্থা লোৱা হৈছে।

গতিকে আমি ক'ব পাৰো যে পৃথিৱীপৃষ্ঠৰ প্ৰত্যেকটো অঞ্চলেই একো একোটা জৈৱ-বৈচিত্ৰ্যৰে পৰিপূৰ্ণ। ইয়াৰ বিভিন্ন প্ৰজাতিৰ উদ্ভিদে পৰিস্থিতি তন্ত্ৰ একোটাৰ প্ৰত্যেক জীৱকে বিভিন্ন প্ৰকাৰে খাদ্য-সম্ভাৰৰ যোগান ধৰে। বিশেষকৈ মানৱ সমাজৰ ক্ষেত্ৰত মৌলিক প্ৰয়োজন কেইটাৰ পৰা আৰম্ভ কৰি অৰ্থনৈতিক দিশলৈকে সকলো ক্ষেত্ৰতে প্ৰত্যেক্ষ বা পৰোক্ষভাৱে জৈৱ বৈচিত্ৰ্যৰ ওপৰত নিৰ্ভৰশীল হ'বলগীয়া হয়। এনেদৰে পৰিস্থিতি তন্ত্ৰ এটাত বসবাস কৰা প্ৰতিটো জীৱই এটা আনটোৰ লগত নিবিড় ভাৱে জড়িত হৈ আছে। জৈৱ বৈচিত্ৰ্যৰ প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখিয়েই ইয়াৰ সংৰক্ষণৰ বাবে চৰকাৰে বিভিন্ন সংৰক্ষণমূলক আঁচনি কাৰ্যকৰী কৰিছে যদিও বৰ্তমান সকলোবোৰ ফলদায়ক হৈ উঠা নাই। এই ক্ষেত্ৰত প্ৰধানকৈ মানুহ আৰু বন্যপ্ৰাণীৰ মাজত বৃদ্ধি পোৱা সংঘাত আৰু চোৰাং চিকাৰী সকলেই জৈৱ বৈচিত্ৰ্য সংৰক্ষণৰ ক্ষেত্ৰত প্ৰধান হেঙাৰ হিচাপে ধৰা হয় যদিও এই বাধাসমূহ আতৰাৰ পাৰিলেই অদূৰ ভৱিষ্যতে পৃথিৱীপৃষ্ঠখন জৈৱ-বৈচিত্ৰ্যৰে পৰিপূৰ্ণ এখন সমৃদ্ধিশালী ক্ষেত্ৰ হিচাপে গঢ়ি তোলা কাৰ্যত সফল হ'ব পৰা যাব।



# শিক্ষাৰ বৃত্তিমুখীকৰণ আৰু শিল্প কেন্দ্ৰিক প্ৰশিক্ষণ

জোনালী গগৈ
স্নাতক চতুৰ্থ যান্মাষিক

**শিক্ষাৰ বৃত্তিমুখীকৰণ ঃ**

আধুনিক সভ্যতা আগবাঢ়ি যোৱাৰ লগে লগে মানুহে জীৱন-নিৰ্বাহ কৰিবৰ বাবে সংঘাতৰ সন্মুখীন হ'ব লগা হৈছে। ভাৰতৰ কোটি কোটি মানুহে জীয়াই থাকিবৰ বাবে সংগ্ৰাম কৰিব লগা হৈছে। স্বাধীনতাৰ পাছত শিক্ষাই প্ৰসাৰ লাভ কৰাৰ পাছত প্ৰতি বছৰে লাখ লাখ শিক্ষিত যুবক-যুৱতী, স্কুল, কলেজ, বিশ্ববিদ্যালয় আদিৰ পৰা বাহিৰ হৈছে। কিন্তু চাকৰিত নিযুক্তি পাইছে সামান্য এটা অংশইহে; ফলত লাখ লাখ নিবনুৱা হৈ গৈ আছে। শিক্ষিত যুৱক-যুৱতীসকল কৃষক, শ্ৰমিক, শিল্পী একো হ'ব নোৱাৰে; কাৰণ সেইবোৰ বিষয়ৰ শিক্ষা তেওঁলোকৰ নাই। বৰ্তমান শিক্ষাই পুথিগত শিক্ষাৰে শিক্ষিত একশ্ৰেণীৰ শিক্ষিত নিবনুৱাৰহে সৃষ্টি কৰিছে; কিন্তু কাৰিকৰ গঢ়িব পৰা নাই। গতিকে বৰ্তমান যুগত কোনো ব্যক্তিয়ে জীৱন নিৰ্বাহৰ বাবে শিক্ষাৰ মাধ্যমেৰে কোনো বৃত্তিত দক্ষতা আৰু নিপুণতা লাভ কৰা অতিশয় প্ৰয়োজন হৈ পৰে। গণতান্ত্ৰিক দেশৰ মানৱ সম্পদক সম্পূৰ্ণভাৱে ব্যৱহাৰ কৰিবলৈ শিক্ষাৰ মাধ্যমেৰে কোনো কামত পাৰদৰ্শিতা বঢ়াব লাগে। যাতে প্ৰত্যেক ব্যক্তিয়ে নিজৰ অৰিহণাৰ যোগেৰে দেশৰ উৎপাদনশীলতা বঢ়াব পাৰে। গণতান্ত্ৰিক দেশত প্ৰত্যেক ব্যক্তিয়ে নিজৰ ভৰিত থিয় হ'বলৈ উপাৰ্জন কৰাৰ ক্ষমতা লাভ কৰিব লাগিব আৰু তাৰ বাবে বৃত্তি কৰাৰ ক্ষমতা লাভ কৰিব লাগিব আৰু তাৰবাবে বৃত্তি শিক্ষাৰ অতি প্ৰয়োজন হৈ পৰিছে। সেয়েহে আমি ক'ব পাৰো যে শিক্ষা ব্যৱস্থা বৃত্তিকেন্দ্ৰিক হোৱাটোৱেই শিক্ষাৰ বৃত্তিমুখীকৰণ।

প্ৰাচীন ভাৰতত মানুহে কাম ভাগ কৰি লৈছিল। অভিৰুচি আৰু যোগ্যতা অনুসৰি মানুহে বৃত্তি গ্ৰহণ কৰিছিল। সেই অনুক্ৰমে ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য, শূদ্ৰ আদি চাৰিবৰ্ণৰ সৃষ্টি হৈছিল। প্ৰত্যেকেই নিজ নিজ বৃত্তি আন্তৰিকতাৰে সম্পাদন কৰিছিল। অৱশ্যে ই জাতিভেদ প্ৰথাৰো সৃষ্টি নকৰাকৈ থকা নাছিল।

শিক্ষাৰ বৃত্তিমুকীকৰণৰ সম্পৰ্কে বিভিন্ন আয়োগে বিভিন্ন পৰামৰ্শ আগবঢ়াইছিল। তাৰ ভিতৰত উডৰ ঘোষণা পত্ৰত মন্তব্য আগবঢ়োৱা হৈছে যে কেৱল সাহিত্য আৰু দৰ্শনৰ শিক্ষাৰ মাজতে সীমাবদ্ধ নহৈ বৃত্তিমূলক শিক্ষাৰ প্ৰসাৰো হোৱা উচিত। আইন, চিকিৎসা, ইঞ্জিনিয়াৰিং আৰু অন্যান্য শিল্পবিদ্যাৰ জড়িয়তে ভাৰতীয়সকলক গঢ়ি তোলাৰ ওপৰত ডেচপাচে গুৰুত্ব দিয়ে। বৃত্তিমূলক শিক্ষানুষ্ঠান যিবোৰ অঞ্চলত নাই তাত চৰকাৰে নিজে তেনে শিক্ষাকেন্দ্ৰ স্থাপন কৰাটো আৱশ্যক বুলি ডেচপাচে মন্তব্য কৰে।

উদ এবট ৰিপৰ্ট কমিটিয়ে বৃত্তি শিক্ষাৰ বিষয়ে কয় যে ইয়াৰ মূল উদ্দেশ্য হ'ল উদ্যোগসমূহৰ কাৰণে উত্তম প্ৰশিক্ষণ প্ৰাপ্ত লোকৰ যোগান ধৰা। ইয়াৰ দ্বাৰা উদ্যোগসমূহে নিজৰ পৰিসৰ বৃদ্ধি তথা অধিক সুচাৰুৰূপে কাম কৰিব পাৰিব।

এই কমিটিৰ পিছত মহাত্মা গান্ধীয়েও বুনিয়াদী শিক্ষাত বৃত্তিৰ মাধ্যমেৰে কাৰ্যকৰী শিক্ষা লাভৰ এখন আঁচনি প্ৰস্তুত কৰিছিল। আন কেইখনমান বৃত্তিমূলক আঁচনি হ'ল ৰাষ্ট্ৰীয় শিক্ষাৰ অৰ্থনীতি মুডালিয়াৰ আয়োগ, হাণ্টাৰ আয়োগৰ পৰামৰ্শ আদি।

**বৃত্তি শিক্ষাৰ কাৰ্যাৱলী ঃ**

১) অষ্টম মানৰ পৰা ওপৰৰ শিক্ষাৰ্থীক ৰাজ্যিক বৃত্তি বিভাগে পৰীক্ষামূলকভাৱে বৃত্তি শিক্ষা দিয়াৰ ব্যৱস্থা কৰিব লাগে।

২) ৰাষ্ট্ৰীয় শিক্ষা আৰু গৱেষণা পৰিষদে দিয়া নিৰ্দেশনা মতে দশমমানৰ ওপৰৰ শিক্ষাৰ্থীক বৃত্তি শিক্ষা, ৰাজ্যিক শিক্ষা আৰু প্ৰশিক্ষণ পৰিষদে বা ৰাজ্যিক বৃত্তি শিক্ষা অনুষ্ঠানে দিব



লাগে।

৩) এই স্তৰত বৃত্তি শিক্ষাত ইঞ্জিনিয়াৰিং আৰু কাৰিকৰী উদ্যোগত অধিক গুৰুত্ব দিব লাগে।

৪) প্ৰায় শতকৰা ৭০ ভাগক জলপানী দিয়াৰ ব্যৱস্থা কৰিব লাগে।

৫) আত্ম সংস্থাপনৰ দক্ষতা বৃত্তিমূলক শিক্ষাৰ মাজেৰে বঢ়াব লাগে।

৬) মহিলা, জনজাতি আৰু জনগোষ্ঠী, বাধাগ্ৰস্ত শিক্ষাৰ বাবে বিশেষ বৃত্তি শিক্ষাৰ ব্যৱস্থা কৰিব লাগে।

৭) সকলো বৃত্তি শিক্ষা অনুষ্ঠানত আনুষ্ঠানিক শিক্ষা দিয়াৰ ব্যৱস্থা কৰিব লাগে।

৮) ছোৱালীৰ কাৰণে চাৰ্টিফিকেট আৰু ডিপ্লোমাৰ বাবে বিশেষ পাঠ্যক্ৰম পলিটেকনিকত খুলিব লাগে।

৯) শিল্প উদ্যোগত কাম কৰি অভিজ্ঞতা লাভ কৰি কৰা কাৰিকৰক উচ্চ শিক্ষাৰ ব্যৱস্থা কৰিব লাগে।

১০) একাদশ আৰু দ্বাদশ শ্ৰেণীৰ উচ্চতৰ মাধ্যমিক স্কুল বাণিজ্য, বৈজ্ঞানিক, কাৰিকৰী, ব্যৱসায় আৰু আন আন আকৰ্ষণীয় বিশেষ পাঠ্যক্ৰম খুলিব লাগে।

**শিক্ষাৰ বৃত্তিমুখীকৰণৰ প্ৰয়োজনীয়া ঃ**

ভাৰতৰ দৰে দুখীয়া আৰু জনবহুল দেশ এখনৰ দ্ৰুত উন্নয়নৰ বাবে, শিল্প উদ্যোগৰ প্ৰয়োজন প্ৰশ্নাতীত। শিল্প উদ্যোগ পৰিচালনাৰ কাৰণে দক্ষ কাৰিকৰৰ একান্ত প্ৰয়োজন। কামৰ গুৰুত্ব অনুযায়ী প্ৰত্যেকৰে প্ৰয়োজন অপৰিহাৰ্য। কাৰিকৰসকলক দক্ষ কৰি তুলিবৰ কাৰণে শিক্ষা আৰু প্ৰশিক্ষণৰ প্ৰয়োজন। তাৰ উপৰি সকলো মানসিকভাৱে একে বুদ্ধিমত্তাৰ নহয় বা সকলোৱে উচ্চ শিক্ষা গ্ৰহণ কৰিব নিবিচাৰে। যদি শিক্ষা ব্যৱস্থা বৃত্তিমুখীকৰণ কৰা হয় তেন্তে তেওঁলোকে এটা নিৰ্দিষ্ট শিক্ষা লাভ কৰাৰ পাছত কৰ্মত নিজকে নিয়োগ কৰিব পাৰিব। আমেৰিকাৰ দৰে উন্নত দেশ বিলাকত মাধ্যমিক শিক্ষাৰ স্তৰত যথেষ্ট পৰিমাণৰ বৃত্তিমুখী শিক্ষাৰ বিষয় অন্তৰ্ভুক্ত কৰা হৈছে। এই দেশবিলাকত ছাত্ৰৰ প্ৰতিভা পৰীক্ষা কৰি চাই বিষয় নিৰ্বাচনৰ ব্যৱস্থা আছে।

শিক্ষাৰ বৃত্তিমুখীকৰণৰ আন এটা গুণ হ'ল এনে ব্যৱস্থাৰ জড়িয়তে এজন মানুহে চাকৰি নকৰাকৈয়ো নিজ বৃত্তিৰ সহায়ত জীৱিকা অৰ্জন কৰিবলৈ সক্ষম হয়। সেয়েহে যিসকলৰ উচ্চশিক্ষা লাভ কৰিব পৰা দক্ষতা নাই, অথচ কাৰিকৰী শিক্ষাৰ প্ৰতি পৰা দক্ষতা নাই। অথচ কাৰিকৰী শিক্ষাৰ প্ৰতি উৎসাহী তেওঁলোকক বৃত্তিমূলক শিক্ষা ল'বৰ বাবে উৎসাহ যোগাৰ লাগে। তেনে কৰিলে আত্ম প্ৰতিষ্ঠিত হোৱাৰ লগতে নিবনুৱা সমস্যা যথেষ্ট পৰিমাণে লাঘৱ হ'ব আৰু অৰ্থনৈতিক সমৃদ্ধিও বাঢ়িব। জাতিৰ সুখ আৰু সমৃদ্ধি ৰচনা কৰিব পাৰি বৃত্তিমূলক শিক্ষাইহে। দেশৰ প্ৰতিজন নাগৰিকেই যেতিয়া কিবা নহয় কিবা এটা বৃত্তিৰ অধিকাৰী হ'ব, তেতিয়া অৰ্থনৈতিক সংকট দূৰ হ'ব, দৰিদ্ৰতা গুচিব।

**শিক্ষাৰ বৃত্তিমুখীকৰণ বাধাসমূহ ঃ**

শিক্ষাৰ বৃত্তিমুখীকৰণৰ কিছুমান বাধা আছে। সেইবিলাক হ'ল —

১) বৃত্তিমূলক শিক্ষাক বহুতেই সাধাৰণ শিক্ষাতকৈ নিম্ন স্তৰৰ বুলি গণ্য কৰে; ফলত বহুতেই এনে শিক্ষা ল'বলৈ আগবাঢ়ি আহিব নোখোজে।

২) দেশৰ উৎপাদনশীলতাৰ লগত ইয়াৰ বাস্তৱ যোগাযোগ নাই। পাঠ্যক্ৰম তথ্যপূৰ্ণ আৰু পুথিগত হোৱাত আৰ্জিত জ্ঞান বাস্তৱত প্ৰয়োগ কৰাৰ সুবিধা কম।

৩) তলৰ স্তৰৰ পৰা শিক্ষাৰ্থীৰ বৃত্তিৰ প্ৰতি মনোভাৱ গঢ়ি তুলিবলৈ স্কুলত উপযুক্ত নিৰ্দেশনাৰ অভাৱ।

৪) উচ্চতৰ মাধ্যমিক স্তৰত শিক্ষাক বৃত্তিমুখীকৰণ কৰা হোৱা নাই।

৫) বৃত্তিমূলক শিক্ষাৰ লগত উদ্যোগ বা কৰ্ম সংস্থানক প্ৰতিষ্ঠানবোৰৰ লগত সম্বন্ধ নাই। শিক্ষাৰ্থীয়ে উদ্যোগ বা কল-কাৰখানাত ব্যৱহাৰিক জ্ঞান লোৱাৰ সুবিধা নাপায়।

৬) বৃত্তিমূলক শিক্ষানুষ্ঠান সমূহৰ আধুনিকীকৰণৰ বাবে যথেষ্ট বন বা সম্পদৰ অভাৱ পৰিলক্ষিত হয়।

৭) বৃত্তিমূলক শিক্ষানুষ্ঠানসমূহত যথেষ্ট পৰিমাণৰ প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষকৰ প্ৰয়োজন হয়; কিন্তু সাধাৰণতে এনে শিক্ষকৰ অভাৱ পৰিলক্ষিত হয়।

**মাধ্যমিক বিদ্যালয় শিল্পকেন্দ্ৰিক প্ৰশিক্ষণ ঃ**

মাধ্যমিক বিদ্যালয়ত শিক্ষাকেন্দ্ৰিক প্ৰশিক্ষণ সম্পৰ্কে আলোচনা কৰাৰ প্ৰয়োজন আছে।

মাধ্যমিক স্তৰটো বৃত্তিমুখী হোৱাটো অত্যন্ত দৰকাৰী। কিয়নো মাধ্যমিক স্তৰৰ পাছতেই ছাত্ৰ-ছাত্ৰীয়ে পঢ়া-শুনা চলাই নগ'লেও কোনো বৃত্তিত নিজকে আত্মনিয়োগত সুবিধা হ'ল।



মাধ্যমিক শিক্ষা বহুমুখী হোৱা উচিত। মাধ্যমিক শিক্ষাৰ জড়িয়তে শিক্ষাৰ্থীৰ মনত কামৰ প্ৰতি শ্ৰদ্ধাৰ ভাব জগাই তোলা কৰ্মজগতৰ মূল্যৰ মোল বুজা, কাৰিকৰী কৌশলৰ উৎকৰ্ষ সাধন আদিৰ মনোভাৱ জগাই তুলিব লাগে। মাধ্যমিক শিক্ষাৰ বৃত্তিমুখীকৰণৰ বাবে বিভিন্ন সময়ত বিভিন্ন আয়োগে আগবঢ়োৱা পৰামৰ্শসমূহ উল্লেখযোগ্য অৱদান। ১৯৫২-৫৩ চনৰ মাধ্যমিক শিক্ষা আয়োগে মাধ্যমিক স্তৰত হস্তশিল্প আৰু উৎপাদনমূলক ক্ৰিয়াৰ ওপৰত জোৰ দিয়াৰ গুৰুত্ব দিছে।

মাধ্যমিক স্তৰত ভিন ভিন শিক্ষাৰ্থীৰ উপযোগীকৈ বিভাজিত পাঠ্যক্ৰমৰ জড়িয়তে শিক্ষাদানৰ ব্যৱস্থা কৰিব লাগে। পাঠ্যক্ৰমত কৃষি, বাণিজ্য, কাৰিকৰী শিক্ষা আৰু অন্যান্য কাৰ্যকৰী বিষয়বোৰ অন্তৰ্ভুক্ত কৰিব লাগে। মাধ্যমিক শিক্ষাৰ স্তৰত শিল্পকেন্দ্ৰিক প্ৰশিক্ষণৰ ব্যৱস্থা কৰিব লাগে। ইয়াৰ যোগেদি শিক্ষাৰ্থীসকলে মাধ্যমিক শিক্ষাৰ শেষত বৃত্তি গ্ৰহণ কৰিব পাৰে বা পৰৱৰ্তী প্ৰশিক্ষণৰ বাবে কাৰিকৰী শিক্ষানুষ্ঠানত যোগদান কৰিব পাৰো। মাধ্যমিক শিক্ষা আয়োগে বৌদ্ধিক শিক্ষাৰ লগত বাস্তৱ ক্ষেত্ৰত প্ৰযোজ্য ব্যৱহাৰিক শিক্ষাদান কৰিবলৈ মাধ্যমিক স্তৰৰ পাঠ্যক্ৰমত তলৰ শিল্পসমূহৰ প্ৰশিক্ষণত গুৰুত্ব দিছে। বোৱা কটা, কাঠৰ কাম, ধাতুৰ কাম, কৃৰ্ষি, দৰ্জীৰ কাম, ছপাশালৰ কাম, কাৰখানাৰ কাম, ফুল তোলা আৰু উল গোঁথা, মাটিৰ বা কাঠৰ বস্তু প্ৰস্তুত কৰা। সেই সময়ত নতুনকৈ সংগঠতি মাধ্যমিক স্কুলসমূহত এই শিল্পসমূহ কিছুমান শিকোৱা হৈছিল যদিও প্ৰকৃত উদ্দেশ্য বহুতে নজনাৰ কাৰণে, প্ৰশিক্ষণ প্ৰাপ্ত শিক্ষক নথকাৰ বাবে আৰু শিক্ষাৰ্থী উদাসীন হোৱাৰ বাবে এই বৃত্তিসমূহ সফলভাৱে শিকাব পৰা নগৈছিল।

কোঠাৰী বা শিক্ষা আয়োগেও মাধ্যমিক স্তৰত শিল্পকেন্দ্ৰিক শিক্ষাৰ ওপৰত গুৰুত্ব দিছে। শিল্পকেন্দ্ৰিক বিষয়বোৰ অন্তৰ্ভুক্ত কৰিছে —

**নিম্ন মাধ্যমিক স্তৰ ঃ**

কাঠৰ কাম, পিতলৰ সাধাৰণ কাম, বাস্কেটৰ কাম, চামৰাৰ কাম, কেৰামিকা, চাবোন তৈয়াৰ, চামৰা শুকোৱা, তাঁত বোৱা, বন্ধাবঢ়া কৰা, মূৰ্তি সজা, কাৰ্পেট কৰা, কিতাপ বন্ধা, ফেব্ৰিক প্ৰিণ্টিং, কাপোৰ চিলাই কৰা, পুতলা কৰা, কাঠৰ খোদাই কৰা, ফাৰ্মত সাধাৰণ কাৰিকৰ কাম, জন্তুৰ যত্ন লোৱা, ফাৰ্মৰ যত্ন লোৱা, কৰ্মশালাৰ কাম ইত্যাদি।

**উচ্চতৰ মাধ্যমিক স্তৰ ঃ**

উচ্চতৰ মাধ্যমিক স্তৰৰ ওপৰৰ পাঠ্যক্ৰমত সকলোবোৰ বিষয় শিকাব লাগে; কিন্তু কৰ্মশালা, শিল্প উদ্যোগ, ফাৰ্ম, খেতিত প্ৰকৃত কাম কৰি উৎপাদন কৰাৰ ওপৰত আৰু বিভিন্ন কামত দক্ষতা লাভ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰিব লাগে।

মহাত্মা গান্ধীৰ বুনিয়াদী শিক্ষাৰ আঁচনিতো শিল্পৰ প্ৰশিক্ষণৰ ওপৰত যথেষ্ট গুৰুত্ব আৰোপ কৰিছে। তেওঁ বুনিয়াদী শিক্ষাৰ পাঠ্যক্ৰমত সূতাকটা, বয়ন, চামৰাৰক কাম, কাঠৰ কাম, কৃষি, স্থানীয় অন্যান্য শিক্ষা অন্তৰ্ভুক্ত কৰি ছাত্ৰ-ছাত্ৰীৰ প্ৰশিক্ষণ দিয়াৰ ওপৰত যথেষ্ট গুৰুত্ব আৰোপ কৰিছে। বিভিন্ন সময়ত বিভিন্ন আয়োগসমূহে মাধ্যমিক শিক্ষা বৃত্তিমুখীকৰণৰ বাবে পৰামৰ্শ আগবঢ়াই আহিছে যদিও আজিকোপতি ই সম্ভৱ হৈ উঠা নাই। ফলস্বৰূপে সাধাৰণ শিক্ষা লাভ কৰাৰ পাছত ছাত্ৰ-ছাত্ৰী,সকল সংস্থাপিত হ'ব নোৱাৰি নিৰনুৱা হৈ থাকিব লগা হৈছে। ইয়াৰ ফলস্বৰূপে সমাজত উচ্ছৃংখলতাৰ সৃষ্টি নোহোৱাকৈও থকা নাই। সেয়েহে মাধ্যমিক স্তৰত শিল্পকেন্দ্ৰিক প্ৰশিক্ষণৰ যোগেদি ছাত্ৰ-ছাত্ৰীসকলক আত্ম সংস্থাপনৰ বাট মুকলি হ'বলৈ যৎপৰোনাস্তি চেষ্টা কৰাটো এখন কল্যাণকামী ৰাষ্ট্ৰৰ মুখ্য লক্ষ্য হোৱা উচিত।

মাধ্যমিক শিক্ষা বৃত্তিমুখী হোৱাটো অতি দৰকাৰী। কিয়নো এই স্তৰৰ পাছতেই ছাত্ৰ-ছাত্ৰীয়ে পঢ়া-শুনা চলাই নগ'লেও কোনো বৃত্তিত নিজকে নিয়োগ কৰিব পাৰে।



# হাঁহিৰ ৰহস্য

শোভালক্ষ্মী দিহিঙ্গীয়া
স্নাতক তৃতীয় ষান্মাষিক



'কৰ্মই উপাসনা, হাঁহিয়েই জীৱন' জীৱন যুঁজত হাঁহিৰ গুৰুত্বতা উপলব্ধি কৰি এগৰাকী মহান ব্যক্তিয়ে এই কথাষাৰি ব্যক্ত কৰিছিল। জীৱন মানেই সুখ-দুখ, হাঁহি-কান্দোনৰ সমষ্টি। জীৱনৰ পটত হাঁহি আৰু কান্দোনৰ এক সুকীয়া মহত্ব আছে। জীৱনৰ অৰ্থ হৈছে আউল লগা সংসাৰ। গতিকে এই সকলোবোৰৰ পৰা মুক্ত হ'বলৈ প্ৰয়োজন হয় একমাত্ৰ হাঁহিৰ। মহা- মহাপুৰুষসকলৰ মহান কৰ্মৰাজি আৰু সংঘৰ্ষপূৰ্ণ জীৱনৰ সফলতাৰ গুৰিতে আছে সদা হাস্যমুখৰ জীৱন।

এই হাঁহি শব্দটো মূলতে উৎপত্তি হৈছে গ্ৰীক শব্দ 'জেলোছ'ৰ পৰা। ইয়াৰ অৰ্থ হৈছে হাঁহি। 'প্লাছ ৱান' জাৰ্নেলৰ মতে এটি সন্তান মাতৃৰ দেহত গৰ্ভধাৰণ কৰাৰ ৩০ সপ্তাহৰ পিচতে মুখমণ্ডলত হাঁহিৰ উপাদান পৰিস্ফুট হয়। অৰ্থাৎ হাঁহি আমাৰ আজীৱনৰ লগৰী।

গৱেষণাৰ পৰা জানিব পৰা গৈছে যে মানুহৰ নিচিনাকৈ কুকুৰ, গৰিলা, বান্দৰ, চিম্পাঞ্জী, এন্দুৰ আদি জীৱ জন্তুৱেও হাঁহিৰ নিচিনা অভিব্যক্তি প্ৰকাশ কৰে। মনোবৈজ্ঞানিক সকলেও হাঁহিৰ মহত্বতা উল্লেখ কৰিছে। ভয়, খং, চিন্তা, ঈৰ্ষা, দ্বেষ আদিৰ বিপৰীতে হাঁহিয়ে শান্ত সৰল মন এটাৰ সৃষ্টি কৰে। ইয়াৰ লগে লগে শৰীৰক ই সৰু সুৰা বেমাৰৰ পৰা ৰক্ষা কৰে। হাঁহিৰ সম্পৰ্কত বহু ব্যক্তিয়ে বহু ধৰণে মন্তব্য কৰি আহিছে। তাৰ সেইবোৰৰ ভিতৰত মহাত্মা গান্ধীৰ ভাষাত, "হাঁহিয়ে মনৰ গাঁঠি সৰলতাৰে খুলি দিয়ে।" জৰ্জ বানাৰ্ড শ্বৰে কৈছে — 'হাঁহিৰ প্ৰতিটো কোঁহে যৌৱনৰ সৃষ্টি কৰে'। বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰৰ মতে 'মই যেতিয়া হাঁহো মোৰ মনৰ সকলো গধুৰ বোজাই আঁতৰি যায়। ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাই 'হাঁহি অমূল্য সম্পদ বুলি উল্লেখ কৰিছো। দাৰ্শনিক কাৰ্লাইলৰ



মতেও 'বস্তুতঃ হাঁহি হ'ল এজন চহৰ কৃষক যিয়ে মানৱ জীৱনৰ প্ৰগতিৰ পথত থকা সকলো কাঁইট, কাঁইটীয়া হাবি উভালি এক সেন্দুৰীয়া পথৰ সৃষ্টি কৰে আৰু সদগুণৰ দ্বাৰা সুৰভিত নতুন বৃক্ষৰ জন্ম দিয়ে, যাৰ দ্বাৰা আমাৰ জীৱন যাত্ৰাই উৎসৱ মুখৰ হৈ পৰে।' বিশ্ব স্বাস্থ্য সংস্থাই দিয়া তথ্যমতে স্বাস্থ্য মানে সম্পূৰ্ণ শাৰীৰিক, মানসিক আৰু সামাজিক সুস্থতা।

এই হাঁহিৰ কেইবিধমান ৰূপ হ'ল অট্টহাস্য, স্মিত হাঁহি, মিচিকিয়া হাঁহি, প্ৰেমৰ হাঁহি, লাজুকী হাঁহি, বেকা হাঁহি, খিলখিলিয়া হাঁহি, নিলৰ্জ্জ হাঁহি, অৰ্থপূৰ্ণ হাঁহি, অনৰ্থক হাঁহি, কৰ্কশ হাঁহি, শুকান হাঁহি, মৰম লগা হাঁহি, অন্তৰ খোলা হাঁহি, টুটুকীয়া হাঁহি, চেপা হাঁহি, মোছৰ তলৰ হাঁহি চিপচিপিয়া হাঁহি আদি অনেক বিধৰ। মানৱ জীৱনত হাঁহিৰ কিছুমান উল্লেখনীয় প্ৰভাৱ আছে। হাঁহিয়ে শৰীৰ পাতল কৰে, মন ভাল কৰে। হাঁহিয়ে শৰীৰত গ্লুক'জৰ মাত্ৰা কম কৰে। ই প্ৰধানতঃ মধুমেহ ৰোগীৰ বাবে সহায়ক হয়। 'লাফটাৰ থেৰাপি'য়ে কৰ্কট ৰোগ নিৰাময়তো সহায়ক হোৱাৰ তথ্য লাভ কৰিছে বিজ্ঞানীসকলে। হাঁহিয়ে ষ্ট্ৰেছ হৰম'নৰ মাত্ৰা কমায়। ফলত শৰীৰৰ অৱসাদ দূৰ হয় আৰু বাত বিষ কমায়। হাঁহিৰ দ্বাৰা শ্বাসনলী, তলপেট, মুখ, পিঠি আদিৰ মাংসপেশীৰ উপযুক্ত ব্যায়াম হয় বাবে শৰীৰৰ সুস্থতা অটুট ৰখাত সহায় কৰে। ইয়াৰোপৰি হাঁহিৰ বাবে ৰক্ত প্ৰবাহ বৃদ্ধি হয় বাবে হৃৎপিণ্ড সুস্থ ৰাখে।

যদিও সাম্প্ৰতিক সময়তো পুৰণিকালৰ দৰে বহুলোকে কয় 'হাঁহিব নাপায়'। হাঁহি থকা মানুহবোৰ চঞ্চল। বৰকৈ ইঁহা মানুহৰ গাত হেনো কথা নালাগে। হাঁহিলে মানুহে কথা পাহৰে। অৰ্থাৎ সকলোবোৰ অৰ্থন্তৰৰ মূল 'হাঁহি'। কিন্তু এইটো স্পষ্টৰূপত প্ৰতীয়মান হয় যে হাঁহিব পৰাটো এক ডাঙৰ ক্ষমতা। হাঁহি এক অমূল্য সম্পদ। ই হৈছে পাৰ্শ্ব প্ৰতিক্ৰিয়াহীন বিনামূলীয়া মহৌষধ, যাক ক্ৰয় কৰিব নোৱাৰি। এই অপূৰ্ব হাঁহিৰ বাবেই লিঅনাৰ্ডদা ভিঞ্চিৰ মনালিছা আজিও জীৱন্ত হৈ আছে। অৱশ্যে গৱেষক সকলৰ মতে নাৰীৰ হাঁহিৰ এক অদ্ভূত আকৰ্ষণ আছে।

মূলত ঃ মানৱ জীৱনত হাঁহিৰ ভূমিকা অপৰিসীম। ইয়াৰ জৰিয়তে ব্যক্তিয়ে কৰ্মৰাজিৰ কাৰণে প্ৰেৰণা পায়, ইজনে আনজনৰ লগত সম্ভাৱৰ বিনিময় কৰিব পাৰে। অন্যহাতে চিন্তাশীল, খঙাল ব্যক্তি এজনৰ বিপৰীতে হাঁহি মুখৰ মানুহবোৰ সমাজত আদৰণীয়। কিয়নো সুখ দুখ সকলো সময়তে হাঁহি মুখে সততা-নিষ্ঠা সাহসিকতাৰে আগুৱাই যোৱা ব্যক্তি সকলৰ জীৱন কৰ্মৰ চাকৰিও কাচিৎ হে বিপথে পৰিচালিত হয়।

শেষত লক্ষ্যধৰ চৌধুৰীৰ চিন্তাৰে সামৰিছোঁ - "পৃথিৱীত মানুহৰ স্থায়িত্ব কিমান দিনৰ? এই ক্ষণস্থায়ী জীৱনত নাহাঁহি কন্দাৰ কি অৰ্থ আছে? সেয়েহে মই হাঁহি থাকিব বিচাৰোঁ। উঠি অহা চামকো কওঁ — 'হাঁহি থাকা, হাঁহি-হাঁহি জীৱন মধুৰ কৰি তুলিবা।' হাঁহিলেহে পৃথিৱীৰ সোৱাদ পাবা। জীৱনৰ অৰ্থ বুজিবা।"

# সোঁৱৰণিৰ ফাকেঁৰে...
# বন্ধুত্ব আৰু অট'গ্ৰাফ

**নীলাক্ষী বৰগোহাঁই**
**স্নাতক তৃতীয় ষাম্মাষিক**

মেম'ৰি আৰু অট'গ্ৰাফ' Slambook... এই শব্দকেইটা বিদায়ৰ ক্ষণত বৰকৈ সমাজৰ লাভ কৰে। প্ৰথমতে, যেতিয়া এক দীঘলীয়া সময় একেলগে শিক্ষা গ্ৰহণ কৰাৰ পাছত হাইস্কুল শিক্ষান্ত পৰীক্ষা দিব লগা হয়, তেতিয়া দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলে বছৰটোৰ শেষত স্মৃতিবোৰ সজীৱ কৰিবলৈ Slambook আৰু ডায়েৰী বা অট'ত স্বাক্ষৰ প্ৰদান কৰে। কাৰণ এই সময়ৰ পাছত সকলোৰে লক্ষ্যৰ সন্ধানত আতঁৰি যায় ইজনে সিজনৰ পৰা... শেষ হয় স্কুলীয়া জীৱনৰ আৰু অট'গ্ৰাফত দি যায় নাপাহৰাৰ প্ৰতিশ্ৰুতি।

জীৱন নদীৰ দুৰ্বাৰ গতিয়ে সুঁতি সলায়। আজিবোৰ কালি হয়। এইক্ষেত্ৰত অট'গ্ৰাফ স্মৃতি ধৰি ৰখাৰ এক মাধ্যম ৰূপে ভূমিকা লয়। দ্বিতীয়তে, নতুন কৈশোৰজাকে পুনঃ আৰম্ভ কৰে জীৱনৰ প্ৰকৃত যাত্ৰাৰ খোজ, HSSLC নাইবা অন্য বিত্তীমুখী শিক্ষা গ্ৰহণ কৰে। বহুতে আকৌ আশ্ৰয় লয় হোষ্টেলীয়া জীৱনৰ। হোষ্টেল যেন মানৱ জীৱনৰ প্ৰকৃত আনন্দৰ স্বাদ লোৱাৰ ঠাই। ইয়াত সমাহাৰ ঘটে ভিন্ন সংস্কৃতিৰ ভিন্ন নিয়ম কানুনৰ। তেজ মঙহৰ সম্পৰ্ক নাথাকিলেও আবাসীসকলৰ মাজত আত্মাৰ সম্পৰ্ক গঢ়ি উঠে। কিন্তু মানুহ সময়ৰ দাস। সময়ে কাকো বেছিদিন লগত থাকিব নিদিয়ে। এদিন হোষ্টেল এৰি গুচি যায়, নতুন জীৱনৰ পম খেদি...।

পুনৰ আৰম্ভ হয় অট'গ্ৰাফ পৰ্বৰ। অট'গ্ৰাফ Slambook সুসজ্জিত হয় শুভেচ্ছামূলক কবিতা কবিতা লগা শব্দ আৰু বিদায়ী বন্ধুৰ স্বাক্ষৰেৰে...

খুলি থব খুজিছিলো শূণ্যতাৰ পুৰণি পোছাক
বিজুলী ফুলেৰে ঢাকি ৰখা মোৰ শিলাময় বুকু
দেখুৱাব খুজিছিলো তোমাক
তুমি হ'লা মেঘ আৰু পানীত উৰি ফুৰা এটা চৰাই
সন্ধিয়াৰ বতাহে কলে মোক
কাৰোবাৰ বুকুত কাণ পাতিবলৈ, তোমাৰ হেনো সময় নাই।

বন্ধুত্ব অবিহনে জীৱন কল্পনা কৰিব নোৱাৰি। বিভিন্ন সময় বন্ধুৰ প্ৰয়োজন হয়। কিন্তু এই বন্ধুসকলক এটা নিৰ্দিষ্ট সময়লৈকেহে অতি ঘনিষ্ঠভাৱে পাব পাৰি, বিচ্ছেদৰ পাছত সম্পৰ্কবোৰ শিথিল হৈ পৰে। উচ্চ শিক্ষা গ্ৰহণৰ বাবে মানুহ (আমি) যিমান আগবাঢ়ি যাব, সিমানেই বাঢ়ি যাব বন্ধুৰ সংখ্যা। কিন্তু বন্ধুত্ব গঢ়াৰ আগত বন্ধুজনৰ প্ৰকৃতি ভালদৰে জানি লব লাগে।

এৰি অহা সময়ৰ স্মৃতিবোৰ সামৰি থোৱা হয় Slambook, autographৰ পাতত। কিন্তু বৰ্তমান প্ৰযুক্তিৰ যুগ। ইন্টাৰনেটত সহজলভ্য সকলোবোৰ। গতিকে দ্ৰুত গোলকীকৰণে এইবোৰৰ মাদকতা হ্ৰাস কৰিছে যেন অনুভৱ হয়। বিদায়ৰ মুহূৰ্তত আমি স্বাক্ষৰ বিচাৰো বা স্বাক্ষৰ দিও। কিন্তু কিমানে পাছত সেই মেম'ৰিখন লুটিয়াই ৰোমন্থন কৰে অতীতক? সময়ৰ গৰাহত মেম'ৰিখন পৰি ৰয় কোনোবা এচুকত.... সেইখন চাবলৈ সময় নায়। প্ৰযুক্তিয়ে জীৱন ইমানেই সহজ কৰি দিছে যে পুৰণি বন্ধুৰ পৰশ থকা অট'খনতকৈ Social networking siteৰ জনপ্ৰিয়তা তথা গুৰুত্ব হাজাৰ গুণ বৃদ্ধি পাইছে। ব্যস্ত সকলো facebook, tweeterত চিনাকি অচিনাকি বন্ধু বিচৰাত facebook, Wastsappত Chating কৰাত।

সময়ৰ গৰাহত আত্মীক সম্পৰ্কবোৰ শিথিল হৈ যায়। জীৱন ডায়েৰিৰ অদৃশ্য পৃষ্ঠাত আমি সংগোপনে হিচাপ কৰো পোৱা নোপোৱা, হৰ্ষ-বিষাদৰ জটিল অংকৰ...। প্ৰশ্ন জাগে Social networking site ৰ নিগনি দৌৰত আমাৰ স্বাক্ষৰ খুদিত অট' শ্লেমবোক বোৰ এদিন হেৰাই যাব নেকি??



# প্ৰকৃতি-তীৰ্থ আৰু বিশ্ব পৰ্যটন কেন্দ্ৰৰূপে শিৱসাগৰ

জুমি ভূঞা
স্নাতক ষষ্ঠ যান্মাষিক

প্ৰকৃতিৰ কিযে সুন্দৰ ৰূপ। চাৰিওফালে থকা বিৰিখবোৰে সেউজীয়া আৱৰণ তুলি মানুহৰ মনত প্ৰকৃতি প্ৰেমৰ ভাব জাগ্ৰত কৰি তুলিছে। প্ৰতিটো ঋতুতে প্ৰকৃতিৰ যি ৰূপ সেই ৰূপেৰে সজ্জীত হৈ প্ৰকৃতিয়ে ধৰাৰ বুকুত জাকতে জিলিকা হৈ দেখা দিয়ে। যেনেদৰে ক'ব পাৰি বসন্ত ঋতুত চৌদিশে থকা গছবোৰত নতুন কুঁহিপাত ওলাই ফলে ফুলে জাতিষ্কাৰ হৈ পৰে। বৰষাৰ বৰষুণে প্ৰকৃতিক জীপাল কৰি তুলে ফলত প্ৰকৃতি সেউজ বুলীয়া হৈ পৰে। শৰৎৰ ডাৱৰহীন শুদ্ধ আকাশ, টোপ টোপ কৈ সৰি পৰা নিয়ৰৰ টোপাল বোৰ, কহুৱা ফুলবোৰ ফুলি থকা দৃশ্যই, শেৱালী ফুলৰ সুবাসে মন-প্ৰাণত আনন্দ দান কৰে। আমাৰ মৰমৰ আশ্ৰয়দাতা ধৰিত্ৰীৰ বুকুত প্ৰাকৃতিক শোভাৰে পৰিপূৰ্ণ হৈ আছে।

**শিৱসাগৰৰ থকা বিভিন্ন তীৰ্থ স্থান সমূহৰ সাধাৰণ পৰিচয় ঃ**

ছশবছৰীয়া আহোম ৰাজত্বৰ আটাইতকৈ গৌৰৱোজ্জ্বল ঠাইখন আছিল শিৱসাগৰ। এই ঐতিহ্যমণ্ডিত শিৱসাগৰত বিভিন্ন তীৰ্থ স্থানেৰে ভৰপুৰ হৈ আছে, যি সমূহে পৰ্যটকক আকৰ্ষণ কৰিব পাৰে। অসমত পৰ্যটকৰ বাবে আকৰ্ষণীয় কেন্দ্ৰ হ'ল শিৱসাগৰ নগৰ। আহোম যুগৰ অনেক স্মৃতি সগৌৰৱে এই ঠাইত থিয় হৈ আছে। মূল শিৱসাগৰ নগৰতে আছে শিৱসাগৰ পুখুৰী। পুখুৰীটো খন্দোৱাইছিল শিৱসিংহৰ ৰাণী অম্বিকাই। এই পুখুৰীটোৰ পূৰ্ব পাৰত তিনিটা দ'ল আছে। সেয়া হ'ল ক্ৰমে শিৱদ'ল, বিষ্ণুদ'ল আৰু দেৱীদ'ল। এই দ'ল তিনিটাকো সজাইছিল ৰাণী অম্বিকাই। ইয়াৰ ভিতৰত শিৱদ'লটোৱেই আটাইতকৈ ওখ। ইয়াৰ শিখৰত এটা সোণৰ কলচী আছে। শিৱদ'লত শিৱৰাত্ৰিৰ লগত সংগতি ৰাখি ভক্ত-প্ৰাণ ৰাইজে পূজা অৰ্চনা কৰে লগতে এখন ডাঙৰ মেলা অনুষ্ঠিত হয়। মেলাখনিলৈ বহু দেশী-বিদেশীলোক আহে আৰু বিভিন্ন সামগ্ৰীৰ ক্ৰয় বিক্ৰয় হয়। শিৱদ'লৰ পূবে বিষ্ণুদ'ল আছে। এই দ'লৰ ঘাই উৎসৱ ৰথ যাত্ৰা। শিৱদ'লৰ পশ্চিমে দেৱীদ'ল আছে। এই দ'লটিত দুৰ্গাপূজা পতা হয়। জানিব পৰা মতে অতীতৰ পৰা বৰ্তমান সময়লৈকে এই দ'ল কেইটাত পূজা পাৰ্বন চলি আহিছে।

সতী জয়মতীৰ পৱিত্ৰ স্মৃতি ৰক্ষাৰ উদ্দেশ্যে ৰুদ্ৰসিংহ স্বৰ্গদেৱে জয়সাগৰ পুখুৰী খন্দোৱাইছিল আৰু এই পুখুৰীৰ পাৰতে 'পঞ্চদেৱতাৰ' পাঁচোটা মন্দিৰ ১৭৯৮ চনত নিৰ্মাণ কৰে। তাৰে ভিতৰত আটাইতকৈ ডাঙৰ হ'ল 'জয়দ'ল'। জয়দ'লৰ গড়ৰ ভিতৰতে পূবপিনে দুটা মন্দিৰ আছে ইয়াৰে এটা শ্ৰী সূৰ্য মন্দিৰ আৰু আনটো শ্ৰী গণেশ মন্দিৰ। জয়দ'লৰ পৰা পশ্চিমে থকা আন এটা দ'ল হ'ল বৈদ্যনাথ শিৱদ'ল। জয়সাগৰ পুখুৰীৰ উত্তৰ পশ্চিম চুকত থকা দ'লটো হ'ল দেৱীদ'ল আৰু এই জয়সাগৰতে থকা আন এটা দ'ল হ'ল নাতি গোসাঁইৰ দ'ল।

শিৱসাগৰ নগৰৰ পৰা কিছু নিলগত তথা পশ্চিমে ৰংপুৰত ৰজাই পূজা সেৱা কৰা এটি গোসাঁইঘৰ আছিল। এই গোসাঁই ঘৰটো তলাতল ঘৰৰ লগ লগা আৰু ইয়াক স্বৰ্গদেউ ৰাজেশ্বৰ সিংহৰ দিনত তৈয়াৰ কৰা হৈছিল। ৰংপুৰ নগৰ আৰু জয়সাগৰ মাজত চাৰিটা মন্দিৰ আছে। ৰংপুৰ নগৰৰ পৰা দক্ষিণ বৰদুৱাৰেদি ওলাই আহিলে সোঁহাতে এটা দ'ল পায়। তাৰে নাম ৰংগনাথ দ'ল। এইটোও শিৱদ'ল। ৰংগনাথ দ'লৰ দক্ষিণে ফাকুৱা দ'ল। এই দ'লটি স্বৰ্গদেউ ৰুদ্ৰসিংহৰ দিনতে সজোৱা হয়। ৰংগনাথ দ'লৰ পশ্চিমে আৰু এটা দ'ল আছে সেইয়া হ'ল গৌৰী দেৱালয়। ৰংগনাথ শিৱদ'লৰ পূৰ্বে পথাৰৰ মাজত এটা সৰু দ'ল আছে। ইয়াৰ নাম হ'ল গৌৰী বল্লভ দ'ল।

চৰাইদেউত একালত যদিও বহুতো মঠ-মন্দিৰ আছিল এতিয়া মাথোন দুটা মন্দিৰহে ভংগাৱশেষ দেখা যায় বুলি জনা যায়। তাৰে এটা দেওশালৰ মন্দিৰ আনটো লাংকুৰি দ'ল। কালুগাঁৱত এটা বৰপাত্ৰ দ'ল আছে আৰু কেন্দুগুৰিতো এটা বৰপাত্ৰ দ'ল আছে। গৌৰীসাগৰ পুখুৰীৰ উত্তৰ পাৰত তিনিটা দ'ল আছে। পূবৰটো দেৱীদ'ল, মাজৰটো শিৱদ'ল আৰু পশ্চিমৰটো বিষ্ণুদ'ল। শিৱদ'লটো তিনিওটাৰে ভিতৰত ডাঙৰ আৰু ওখ। শিৱসাগৰ নগৰ পৰা প্ৰায় ৮ মাইল দক্ষিণে আছে নামতি নামে ঠাই। এই ঠাইত দুটা দ'ল আছে শিৱদ'ল আৰু



বিষ্ণুদ'ল। মানুহে ইয়াকে নামতি দ'ল বোলে।

শিৱসাগৰৰ পৰা ডিব্ৰুগড়লৈ যোৱা বাটত পোৱা বৰবৰুৱা আলিৰ নামে ঠাইত বাওঁহাতে থাওৱা পুখুৰীৰ পাৰতে থাওৱা দ'লটি অৱস্থিত। এই দ'লটি স্বৰ্গদেও গদাধৰ সিংহৰ ৰাজত্বকালত আলন বুঢ়া দিহিঙ্গীয়া বৰবৰুৱাই নিৰ্মাণ কৰাইছিল। শিৱসাগৰৰ পৰা প্ৰায় ২৫ মাইলমান পুবৰ নাফুক নৈৰ পাৰত এটা সৰু দ'ল আছে বুলি জনা যায়। ৰুদ্ৰসাগৰ বা ন'পুখুৰীৰ উত্তৰপাৰত ৰুদ্ৰসাগৰ দ'ল অৱস্থিত। এইটো শিৱদ'ল। ৰংপুৰ নগৰৰ পৰা প্ৰায় তিনি মাইল মান পূৰ্বে বগীদ'ল নামে ঠাইত এটা ডাঙৰ পুখুৰী আছে। সেই পুখুৰীটোৰ উত্তৰ পাৰে এটা দ'ল আছিল দ'লটো শিৱদ'ল। লক্ষ্মীসিংহৰ মাকৰ নাম আছিল বগী ৰাজমাও আৰু তেওঁৰ নামেই এই দ'লৰ নাম পিছলৈ বগীদ'ল হয়।

বামখা পীঠ নামে এটা মন্দিৰ শিৱসাগৰৰ দিখৌমুখত আছিল। এতিয়া সম্পূৰ্ণ মন্দিৰটো নাই যদিও কিন্তু তাত পূজা সেৱা চলি আছে বুলি জনা যায়। ম'হখুটি থান বকতা মৌজাৰ ম'হখুটি চাহ বাগিছাৰসীমা ৰনঙলা মৰাত অৱস্থিত। এই থানত চাহ বনুৱা সকলে জেঠ আহাৰ মাহত মনসা পূজা উলহ-মালহে পালন কৰে। কালীথান নামে আন এখন থান বকতা মৌজাৰ অন্তৰ্গত পতীয়া গাঁৱত অৱস্থিত। চাহ জন-জনগোষ্ঠীৰ লোকে এই থানত কালীপূজা কৰে বা পাতে। শিৱসাগৰ নগৰৰ পুব অঞ্চলত এটা হনুমান মন্দিৰ আছে। ইয়াত সদায় পূজা অৰ্চনা কৰা হয়।

ঔগুৰি সত্ৰ দিহিং দিচাঙৰ মাজৰ ব্ৰহ্মপুত্ৰৰ পাৰৰ শামুক জানত অৱস্থিত। উলুতলি সত্ৰখন নাজিৰা মৌজাৰ নিৰ্মলীয়া গাওঁত অৱস্থিত। এলেঙি ফুলবাৰী সত্ৰ বকতা মৌজাৰ অভয় পুৰীয়াটিং গাঁৱত, কাটনী নমাটি সত্ৰ শিলাকুটি মৌজাৰ নঙলামৰা ভকত গাঁৱত, কাটিনীপাৰ সত্ৰ বেতবাৰী মৌজাৰ নঙলা মৰা গাঁৱত, কাৰৈমাৰি সত্ৰ বকতা মৌজাৰ দ গোহাঁই গাঁৱত, কোৰেখনা গজলা সত্ৰ বেতবাৰী মৌজাৰ মাউতগাঁৱত, কোৱামৰা সত্ৰ বেতবাৰী মৌজাৰ দিচাংকোষত, হাঁহচৰা মৌজাত এখন খাতপাৰ সত্ৰ, কোঁৱৰপুৰ মৌজাতো এখনি খাতপাৰ সত্ৰ আছে, নামতিদ'লৰ ওচৰত বেলিমুখীয়াত বগা চুপহা সত্ৰ, কোঁৱৰপুৰত ৰঙা চুপহা সত্ৰ, চেকেৰাতলি সত্ৰ বকতা মৌজাৰ কুকুৰাছোৱা গাঁৱত, জকাই সত্ৰ ম'ৰা বজাৰ মৌজাত, জৰাবাৰী সত্ৰ আমগুৰিত, টকোবাৰী সত্ৰ ম'ৰাবজাৰ মৌজাত, ঠকৰিয়াল সত্ৰ শলগুৰি মৌজাৰ কালুগাঁৱত, তেলপানী সত্ৰ বকতা মৌজাৰ কোঁৱৰ গাঁৱত, দহঘৰীয়া সত্ৰ নাজিৰাত, শলগুৰি সত্ৰ শলগুৰি মৌজাত অৱস্থিত। নিত্যানন্দ গোসাঁইৰ থান শিৱসাগৰ কাঠপাৰ অঞ্চলত অৱস্থিত। শিৱসাগৰত বিভিন্ন ঠাইত বহু নামঘৰ মচজিদ আছে।

১৮৪৩ চনত অসমীয়া ভাষাক দাঙি ধৰিবলৈ ডক্টৰ নাথান ব্ৰাউনে সুদূৰ আমেৰিকাৰ পৰা আহি শিৱসাগৰত থিতাপি লয়হি। তেওঁ শিৱসাগৰৰ বৰ পুখুৰীৰ পাৰতে এটি শিবিৰ পাতি আছিল আৰু তাতে এটা গীৰ্জা সাজিছিল। উক্ত গীৰ্জাটো এতিয়া বেপ্তিষ্ট গীৰ্জা নাম দি দক্ষিণ পুব কোণত পকীকৈ সজা হৈছে।

খোন্দকাৰ পীৰৰ দৰগাহ শিৱসাগৰ চহৰৰ পৰা প্ৰায় চাৰি পাঁচ মাইল দূৰত দিলিহি নৈৰ কাণত অৱস্থিত। আজান পীৰৰ দৰগাহ শিৱসাগৰৰ সৰাগুৰি চাপৰিত, চাৱাল পীৰৰ দৰগাহ শিৱসাগৰ জিলাৰে অন্তৰ্গত বিৰিয়া গাঁওৰ দিচাং নৈৰ দাঁতিত আছে বুলি জনা যায়।

এই তীৰ্থ স্থান সমূহত বিভিন্ন পূজা অৰ্চনা চলি থাকে। বৰ্তমান বহু মঠ-মন্দিৰ গঢ়ি উঠিছে তথা তীৰ্থ স্থান গঢ়ি উঠিছে। উক্ত তীৰ্থ স্থান সমূহলৈ দেশী-বিদেশী বহু পৰ্যটকে ভিৰ কৰাহি দেখা যায়।

**পৰ্যটকৰ সমস্যা আৰু সম্ভাৱনীয়তা ঃ**

শিৱসাগৰে বহন কৰিছে আহোম ৰাজত্বৰ ছশবছৰীয়া কাৰ্যকালৰ অলেখ কীৰ্তি আৰু কৃতকাৰ্যতাৰ স্বাক্ষৰ। এই শিৱসাগৰ পৰ্যটনৰ বাবে সমস্যাৰ লগতে সম্ভাৱনীয়তাও আছে বুলি ভাবিবৰ থল আছে। শিৱসাগৰৰ আৰ্থিক উন্নতি সাধনৰ ক্ষেত্ৰত পৰ্যটন উদ্যোগেও দায়িত্ব পালন কৰিব পাৰে। কিন্তু এই অঞ্চলটোত থকা পৰ্যটনৰ সুবিধা সমূহৰ এতিয়াও পূৰ্ণ ব্যৱহাৰ হোৱা নাই বুলি ক'ব পাৰি। প্ৰাকৃতিক শোভাৰাজিৰে পৰিপূৰ্ণ আৰু উপভোগ্য জলবায়ুৰে শিৱসাগৰ জিলাখনে অৱসৰ বিনোদনৰ বাবে উৎকৃষ্ট ঠাই। তদুপৰি প্ৰকৃতিপ্ৰেমী, আৱিষ্কাৰক, উদ্ভিদবিজ্ঞানী, নৃতত্ব বিজ্ঞানী, সমাজ বিজ্ঞানী আদিৰ বাবেও অতি আকৰ্ষণীয় ঠাই। বহুতো ভ্ৰমণকাৰী শিৱসাগৰৰ পৰিৱেশ পৰ্যটনৰ প্ৰতিও আকৰ্ষিত হোৱা দেখা যায়।

ভাৰতবৰ্ষৰ উত্তৰ পূৰ্বাঞ্চলৰ অন্তৰ্গত অসমৰ শিৱসাগৰ জিলাখনো অপূৰ্ব সম্ভাৱনীয়তাৰে ভৰা। শিৱসাগৰবাসীৰ মাজত নানান কৃষ্টি সংস্কৃতিৰো প্ৰচলন আছে। ধৰ্ম, বিশ্বাস, সংগীত, নৃত্য, উৎসৱ-অনুষ্ঠান, ঘৰ-দুৱাৰ, কলা, খাদ্য, সাজ-পোছাক সমন্বিতে ৰং বিৰঙৰ সংস্কৃতিৰে বিশ্বৰ প্ৰতিজন পৰ্যটকক আকৰ্ষণ কৰে। এই সংক্ৰান্তত চাহ জনগোষ্ঠী সম্প্ৰদায়ৰ কলা-সংস্কৃতিও মন কৰিবলগীয়া। নিজস্ব বৈশিষ্ট্যৰে বিশিষ্ট তেওঁলোকৰ ভাষা আৰু সংস্কৃতিয়ে স্বদেশী, বিদেশী উভয়কে আকৰ্ষণ কৰি



আহিছে।

আন্তঃ ৰাষ্ট্ৰীয় আৰু ৰাষ্ট্ৰীয় পৰ্যায়ত পৰ্যটনৰ বিকাশৰ প্ৰতি বিশেষ মনোযোগ নিদিলে, শিৱসাগৰত পৰ্যটনৰ বিকাশ সম্ভৱ নহয়। অৱশ্যে আন্তঃৰাষ্ট্ৰীয় বা ৰাষ্ট্ৰীয় পৰ্যায়ত দৃষ্টি আকৰ্ষণ কৰিবলৈ অঞ্চলটোৰ সকলো লোকৰে প্ৰচেষ্টা লাগিব। পৰ্যটন উদ্যোগে আশানুৰূপে ভাৱে এই অঞ্চলত গা কৰি উঠা নাই। উল্লেখনীয় যে অঞ্চলটোৰ সামগ্ৰিক দৰিদ্ৰতা, বৰ্দ্ধিত নিৱনুৱা সমস্যা আৰু পৰিৱেশৰ দ্ৰুত অৱনতি আদি সমস্যাবোৰৰ সমাধানৰ খাতিৰত পৰ্যটনৰ প্ৰতি নতুন দৃষ্টিভংগী লোৱাৰ প্ৰয়োজন হৈ পৰিছে। সেয়েহে সামূহিক আৰু ব্যক্তিগত উভয় খণ্ডতে শিৱসাগৰত পৰ্যটন উদ্যোগ গঢ়ি উঠাৰ প্ৰতি বিশেষ আয়োজন কৰাৰ আৱশ্যকতা আছে। এই ক্ষেত্ৰত পৰ্যটনৰ উজ্জ্বল সম্ভাৱনা থকা দিশবোৰ প্ৰথমেই বাছি উলিওৱা প্ৰয়োজন আৰু সেইবোৰক পৰ্যটনৰ উৎস হিচাপে গঢ়ি তুলিবলৈ উপযুক্ত পাৰিপাৰ্শ্বিকতা সৃষ্টি কৰি ল'ব লাগিব। অঞ্চলটোৰ লোক সকলৰ মনতো প্ৰাকৃতিক সম্পদৰাজি আৰু ঐতিহাসিক স্মৃতি চিহ্ন সমূহ ৰক্ষণা বেক্ষণ দিয়াৰ মানসিকতা গঢ়ি তুলিব লাগিব তদুপৰি বাতৰি কাকত, আলোচনী, টেলিভিচন, ৰেডিঅ' আদি প্ৰচাৰ মাধ্যম সমূহেও ৰাষ্ট্ৰীয়, আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত পৰ্যটনৰ দিশবোৰ প্ৰচাৰ কৰি পৰ্যটক সকলৰ দৃষ্টি আকৰ্ষণ কৰিব লাগিব।

পৰ্যটন কেন্দ্ৰ গঢ়ি তুলিবলৈ আৰু পৰ্যটনৰ উৎসসমূহ সংৰক্ষণ কৰিবলৈ প্ৰতিজন নাগৰিকেই কিছুমান বিষয়ৰ ওপৰত লক্ষ্য ৰাখিব লাগিব। যেনে- ঠাইখনৰ জৈৱ উৎস সমূহক ৰক্ষণা বেক্ষণ দিয়া আৰু এইবোৰৰ বিচিত্ৰতাক বাহাল ৰখা, প্ৰত্যেক জাতিৰ লোক সকলৰ কলা সংস্কৃতিৰ প্ৰমূল্য সমূহ উপলব্ধি কৰা আৰু এইবোৰক ৰক্ষা কৰা, পৰ্যটন এলেকাৰ উৎপাদন সামগ্ৰী বৃদ্ধিৰ বাবে বিনিয়োগ কৰা দৰকাৰ।

দেশ বিদেশৰ পৰ্যটক সকলক আকৰ্ষণ কৰি সৰ্বোচ্চ পৰিমাণৰ আয় কৰিবলৈ হ'লে, ইয়াৰ সম্পদৰাজিক উপযুক্ত ভাৱে পোহৰলৈ আনিব লাগিব আৰু সেইবোৰৰ প্ৰমূল্য সমূহৰ বিস্তৃত প্ৰচাৰ কৰিব লাগিব। এই অঞ্চলৰ সামগ্ৰীক উন্নয়নৰ বাবে পৰ্যটন বিভাগৰ আঁচনি আৰু ইয়াৰ বিকাশৰ গুৰুত্ব আছে। পৰ্যটনৰ লগত পৰিৱেশ, অৰ্থনৈতিক আৰু সামাজিক অৱস্থা এই সকলোবোৰ জড়িত। স্বাভাৱিকতে পৰ্যটন উদ্যোগৰ বিকাশ সাধনত এই অৱস্থাবোৰে গুৰুত্ব লাভ কৰিব লাগে আৰু এই সম্পৰ্কীয় নীতি নিৰ্ধাৰিণত এনেবোৰ দিশে বিবেচনা লাভ কৰিব লাগে। কিছুমান স্থানীয় অনুষ্ঠান তথা সংগঠন থাকিব লাগে যিবোৰে পৰ্যটনৰ পৰিকল্পনা আৰু স্থানীয় লোক সকলৰ মাজত সম্পৰ্ক সৃষ্টি কৰাতো সহায় কৰিব পাৰে।

পৰ্যটনৰ ঠাই সমূহলৈ যাব পৰাকৈ যাতায়তৰ সু-ব্যৱস্থা থাকিব লাগে। পৰ্যটকৰ প্ৰয়োজন পূৰাব পৰাকৈ স্থানীয় ভাৱে কৌশলী আৰু উৎসাহী এক শ্ৰেণীৰ লোকৰ প্ৰয়োজন। এই উদ্যোগৰ লগত জড়িত সংস্থা আৰু ব্যক্তি সকলক উপযুক্ত প্ৰশিক্ষণ দি উপযুক্ত কৰি তোলাতো প্ৰয়োজন। উন্নত পৰ্যায়ৰ প্ৰচাৰ পত্ৰিকা বা পুস্তিকা আদি উলিয়াব লাগে। সৃষ্টিমূলক আৰু প্ৰভাৱ পেলাব পৰা বিজ্ঞাপনৰ জৰিয়তে শিৱসাগৰৰ পৰ্যটনৰ সম্পৰ্কে প্ৰচাৰ কৰা প্ৰয়োজন।

কেন্দ্ৰীয় আৰ্থিক সাহাৰ্য্য আঁচনিৰ ভিত্তিত কেন্দ্ৰীয় পৰ্যটন মন্ত্ৰণালয়ে পৰ্যটনৰ জিৰণি ঘৰ, থকা মেলাৰ সুবিধা, ৰাস্তা-ঘাট উন্নত কৰা আদিৰ বাবে বিত্তীয় সাহায্য প্ৰেৰণ কৰে বুলি জনা যায়। এনে বিত্তীয় সাহায্যৰ সৎ তথা পূৰ্ণ ব্যৱহাৰেৰে পৰ্যটকৰ দাবী সমূহ পুৰণ কৰিবলৈ পৰ্যটন বিভাগে চেষ্টা কৰিব লাগে। পৰ্যটক সকলে পৰিষ্কাৰ পৰিচ্ছন্নতা আৰু সুবিধাজনক ভাৱে থকা মেলাৰ ব্যৱস্থা বিচাৰে। চহৰৰ লগতে পৰ্যটন কেন্দ্ৰ সমূহৰ ওচৰত আৰু চিহ্নিত ভ্ৰমণ চক্ৰ সমূহত সুন্দৰ 'টয়লেট' ব্যৱস্থাৰ প্ৰয়োজন। শিৱসাগৰৰ গ্ৰাম্য অঞ্চলবোৰলৈ যাবলৈ সু-ব্যৱস্থা থাকিলে বিদেশী পৰ্যটকৰ বাবে এক বিৰল অভিজ্ঞতা হ'ব।

শিৱসাগৰত পৰ্যটনৰ সম্ভাৱনাৰ অন্য দিশ হ'ল— অসংখ্য জলাশয়, বিশাল অৰণ্যভূমি, বৰ্ণময় জনজাতীয় জীৱন আৰু পৰম্পৰা, অপৰূপা প্ৰকৃতিৰ বিচিত্ৰ ৰূপ আদি।

পৰ্যটনৰ বাবে প্ৰয়োজনীয় তথ্য প্ৰদানৰ অৰ্থে সামূহিক তথ্য কেন্দ্ৰ স্থাপন কৰিব লাগে। বনবিভাগ, পৰিৱেশ বিভাগ, সাংস্কৃতিক আৰু আৰক্ষী বিভাগৰ সহযোগত পৰ্যটনৰ এক যুটীয়া কাৰ্য্যসূচী গ্ৰহণ কৰিব পাৰে। পৰ্যটন সম্পৰ্কীয় কামৰ বাবে নতুন প্ৰজন্মকো প্ৰশিক্ষিত কৰি তোলাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

গতিকে শেষত ক'ব পাৰি যে শিৱসাগৰৰ প্ৰকৃতিৰ মনোৰম সৌন্দৰ্যৰ লগতে বিভিন্ন তীৰ্থ স্থানেৰে ভৰপুৰ। পৰ্যটনৰ বহু সম্ভাৱনীয়তা থকা সচাঁই শিৱসাগৰ দেশী-বিদেশী পৰ্যটকৰ বাবে আকৰ্ষণীয় কেন্দ্ৰবিন্দু।



# বিলুপ্তপ্ৰায় প্ৰাণী হলৌৰ বৰ্ণময় পৃথিৱীত এভুমুকি

পল্লৱী শইকীয়া
স্নাতক দ্বিতীয় ষান্মাষিক

যি নামেৰেই নামাতো কিয় হলৌ, হুলক তথা ৰেষ্টাৰ্ণ হুলক গিবন, প্ৰাণী এটাই। এযোৰ বগা চেলাউৰিৰে সুন্দৰ এই প্ৰাণীটো কোনো কোনো স্থানীয় লোকৰ ভাষাত 'হাবিত থকা ক্ষুদ্ৰ মানৰ' বা 'গভীৰ অৰণ্যৰ কলা মানৰ'। প্ৰজাতিটোৰ এক প্ৰধান বিস্তাৰ ক্ষেত্ৰ অসমত ই 'হলৌ' নামেৰেই সৰ্বাধিক পৰিচিত। অন্যান্য বনৰীয়া জীৱ-জন্তুৰ নিচিনাকৈ ৰেষ্টাৰ্ণ হুলক গিবনৰো অঞ্চল ভেদে ভিন ভিন নাম আছে। মানুহ আৰু হলৌৰ যুগ যুগৰ আত্মীয়তাৰ বাবেই আমি জনগোষ্ঠীসমূহৰ মাজত এই বিভিন্ন নামবোৰ বিচাৰি পাওঁ। সাধাৰণতে গাৰ ৰং বা প্ৰাণীটোৰ আচৰণৰ ওপৰত ভিত্তি কৰিয়ে এই নামবোৰ ৰখা দেখা যায়।

ৰেষ্টাৰ্ণ হুলক গিবনৰ বৈজ্ঞানিক নাম হৈছে হুলক হুলক। ইয়াতত প্ৰথম হুলকটোৱে জাতিৰ নাম আৰু দ্বিতীয়টোৰ প্ৰজাতিৰ নাম সূচায়। শেহতীয়াকৈ ২০০5 চনত হলৌৰ জাতিৰ নামটো বুন পিথেকাচৰ পৰিবৰ্তে হুলক কৰা হৈছে। আকৌ ২০০5 চনৰ শেষলৈ ৰেষ্টাৰ্ণ হুলক গিবনক, হুলক গিবনৰ এটা উপ-প্ৰজাতি হিচাপেহে গণ্য কৰা হৈছিল। কিন্তু ২০০5 চনত হুলক গিবনৰ দুয়োটা উপ-প্ৰজাতি অৰ্থাৎ ৰেষ্টাৰ্ণ হুলক গিবন আৰু ইষ্টান হুলক গিবনক দুয়া সুকীয়া প্ৰজাতিৰ মৰ্যাদা দিয়া হয়।

সমগ্ৰ বিশ্বৰ ভিতৰত হলৌ বান্দৰ অৰ্থাৎ ৰেষ্টাৰ্ণ হুলক গিবনৰ ভৌগোলিক বিস্তাৰৰ পৰিধি দক্ষিণ-পূৱ এতিয়াতে সীমাবদ্ধ। আকৌ হলৌ হৈছে দক্ষিণ এচিয়াত পোৱা দুবিধ বন মানুহৰে এবিধ, আনটো প্ৰজাতি হৈছে ইষ্টাৰ্ণ হুলক গিবন। ১৬ টা প্ৰজাতি গিবনৰ ভিতৰত কেৱল এই দুটা প্ৰজাতিৰ বিস্তাৰ ক্ৰান্তীয় অঞ্চলৰ সীমাৰ বাহিৰত। হলৌ বান্দৰ বাংলাদেশ, ভাৰতবৰ্ষৰ উত্তৰ পূৰ্বাঞ্চলৰ সাতখন ৰাজ্য যথাক্ৰমে — অসম, মেঘালয়, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড, অৰুণাচল প্ৰদেশত ব্ৰহ্মপুত্ৰ দিবং নদীৰ দক্ষিণ পূৱ দিশত, ম্যানমাৰৰ পূৱে চেলডুইন নদী পৰ্যন্ত আৰু চীন দেশত উত্তৰে য়ুনান প্ৰদেশীত পোৱা যায়। প্ৰকৃততে ব্ৰহ্মপুত্ৰ দিবং নদীতন্ত্ৰই হৈছে উত্তৰ, উত্তৰ-পূৱ আৰু উত্তৰ-পশ্চিম দিশত প্ৰজাতিটোৰ বিস্তাৰৰ শেষ সীমা।

সেউজ অৰণ্যৰ বাসিন্দা, এযুৰি আকৰ্ষণীয় চেলাউৰি আৰু দুখন দীঘল প্ৰহস্তৰে স'তে নেজহীন হলৌক অতি সহজে আন বান্দৰ প্ৰজাতিৰ পৰা পৃথক বুলি চিনাক্ত কৰিব পাৰি। প্ৰাইমেট প্ৰজাতি সমূহৰ ভিতৰত হলৌ বান্দৰ আৰু ইষ্টাৰ্ণ হুলক গিবন হৈছে এনে দুটা ব্যতিক্ৰম প্ৰজাতি যাৰ প্ৰাপ্তবয়স্ক মতা আৰু মাইকী, ইটোৰ পৰা সিটো দেখিবলৈ সম্পূৰ্ণ পৃথক।

হুকু হুকু ... কৈ হলৌৱে গোৱা গান অৰণ্যৰ লগত সম্পৰ্ক থকা বেছিভাগ লোকেই হলৌৰ এই গানৰ সতে বাৰুকৈয়ে পৰিচিত। প্ৰায় ১ কিঃমিঃ নিলগৰ পৰাই সিহঁতৰ গানৰ ধ্বনি শুনিবলৈ পোৱা যায়। অনেক সময়ত প্ৰাণীটো নেদেখা কৈয়ে কেৱল গানৰ আধাৰতে একোটা অঞ্চলত সিহঁতৰ অস্তিত্বৰ উমান পাব পাৰি। হলৌৰ নিচিনাকৈ গিবনৰ অইন প্ৰজাতি বোৰেও গান গায়। স্পষ্টকৈ ক'বলৈ গ'লে গান গোৱাটো গিবনৰ স্বকীয় বৈশিষ্টবোৰৰ ভিতৰতে এটা অন্যতম বৈশিষ্ট।

কিন্তু অতিশয় দুখৰ বিষয় এই সুন্দৰ প্ৰাণীবিধ লুপ্ত প্ৰায় অৱস্থাত। বৰ্তমান হলৌৰ যি দুখ লগা স্থিতি তাৰ বাবে প্ৰধানকৈ দায়ী আমি মানুহেই। মানুহৰ ধ্বংসাত্মক ক্ৰিয়া কলাপ বৰ্তমানৰ হাৰত চলি থাকিলে নিকট ভৱিষ্যতে হয়তো হলৌৰ কণ্ঠ চিৰকালৰ কাৰণে ৰুদ্ধ হ'ব। কিন্তু হলৌৰ দৰে সুন্দৰ প্ৰজাতি এটাক আমি বাৰু সচাঁকৈয়ে চিৰদিনৰ কাৰণে হেৰুৱাব খোজোঁনে? হলৌহীন অৰ্থাৎ সেউজ পৰিৱেশহীন ভৱিষ্যৎ এটা আমাৰ কাম্যনে? যিহেতু হলৌৰ বৰ্তমান স্থিতিৰ বাবে আমিয়ে দায়ী গতিকে সিহঁতক ৰক্ষণাবেক্ষণ দি সিহঁতৰ ভৱিষ্যৎ সুৰক্ষিত কৰাৰ দায়িত্বও আমাৰ। আমি এটা কথা সদায় মনত ৰখা উচিত যে এই সুন্দৰ ধৰাখনি কেৱল মানুহৰ বাবে নহয়, মানুহ এই লক্ষ লক্ষ জীৱৰ ভিতৰৰে মাথো এটা। সেয়ে সবাতোকৈ জ্ঞানী জীৱ হিচাপে জীৱ-জগতৰ এই সুন্দৰ সৃষ্টিখন জীপাল কৰি ৰখাটোহে মানুহৰ কৰ্তব্য।

*সহায়ক গ্ৰন্থ ঃ গিবন কনজাৰভেশ্যন চেণ্টাৰৰ পৰা প্ৰকাশিত ঃ আমাৰ হলৌ, লেখক - ৰেখা ছেত্ৰী, দিলীপ ছেত্ৰী, পৰিমাল ভট্টাচাৰ্য*





# আহোমৰ দিনত অসমীয়া সাহিত্য

টুলুমণি গগৈ
স্নাতক চতুৰ্থ যান্মাষিক

অসমত থকা বিভিন্ন ভাষা পৰিয়ালসমূহৰ ভিতৰত অন্যতম এটা হৈছে তিবৰত চীনীয় ভাষা পৰিয়াল। এই পৰিয়ালৰ অন্তৰ্গত থাইচীন শাখাৰ এটা অন্যতম ভাষা হৈছে আহোম ভাষা। অসমলৈ প্ৰবজন কৰা টাই অৰ্থাৎ থাইচীন সকলৰ ভিতৰত আহোমসকলেই আটাইতকৈ পুৰণি বুলি জনা যায়। আহোম ভাষাটো হৈছে টাই ভাষাৰ এটা ৰূপ। টাই জনগোষ্ঠৰ অন্তৰ্গত আহোমসকলে ত্ৰয়োদশ শতিকাৰ তৃতীয় দশকত অসমৰ উত্তৰপূব চুকেদি পাটকাই পাৰ হৈ অসমলৈ আহিছিল। আহোমসকলে অসমত ৬০০ বছৰ ৰাজত্ব কৰিছিল।

আহোমসকলে অসমত ৰাজত্ব কৰাৰ পূৰ্বে অসমৰ ৰজাসকলে ৰজাঘৰীয়া বিষয়ত সংস্কৃত ভাষা ব্যৱহাৰ কৰিছিল। ইয়াৰ উৎকৃষ্ট নিদৰ্শন অসমৰ পুৰণি শিলালিপি আৰু তামৰফলিসমূহ। আহোমসকলৰ দিনতহে অসমীয়া ভাষা ৰাজকাৰ্যত ব্যৱহাৰ কৰা হয়। আহোমসকলৰ লগত অসমীয়া লোকসকলৰ বিভিন্ন সম্বন্ধ স্থাপন হোৱাত আহোমসকলে অসমীয়া ৰীতি নীতি গ্ৰহণ কৰিলে আৰু অসমীয়া ভাষাত আহোম ভাষাৰ বিভিন্ন শব্দ সোমাল। আহোমৰ মানসিক চিন্তাধাৰাই অসমীয়া সাহিত্যৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিলে। আহোমসকলৰ আত্মনিৰ্ভৰশীলতা, বীৰত্ব, নিৰ্ভীকতা, দুঃসাহসিক জীৱনৰ কল্পনা আদিয়ে অসমীয়া সাহিত্যত প্ৰভাৱ বিস্তাৰ কৰিলে।

আহোম ৰজাসকলে অসমৰ উন্নতি সাধনত বিশেষভাৱে সহায় কৰিছিল। যুদ্ধ বিগ্ৰহ কৰি বিদেশীৰ পৰা অসমক ৰক্ষা কৰাৰ লগতে অসমৰ জাতীয়তাৰ বান্ধোন দৃঢ় কৰিছিল। আহোমসকলে দেশত শাক্ত, শৈৱ, বৈষ্ণৱ সৰ্ব সম্প্ৰদায়ৰ ধৰ্মৰ লগত জড়িত দেৱ-দেৱীৰ মন্দিৰ আদি সজাইছিল যিবোৰ অসমীয়া জাতিৰ সাংস্কৃতিক মিলনক্ষেত্ৰত পৰিণত হৈছিল। এইবোৰত সংস্কৃত আৰু অসমীয়া শাস্ত্ৰৰ পঠন-পাঠন, কাব্য গীতৰ চৰ্চা হোৱাত অসমীয়া সাহিত্যৰ প্ৰচাৰ বাঢ়িছিল। অসমত সংগীত শিল্প, আৰু বিবিধ সুকুমাৰ কলাৰো উন্নতিসাধন হৈছিল। সেইসময়ত বিভিন্ন বুৰঞ্জীমূলক গীতৰো উদ্ভৱ হৈছিল। আহোম যুগটো আছিল বহুমুখী কৰ্মপ্ৰেৰণাৰ যুগ। আহোমসকল কাৰ্যক্ষম আৰু বস্তুধৰ্মী মনোবৃত্তিৰ আছিল।

আহোমসকল কালক্ৰমত হিন্দু ধৰ্মত দীক্ষিত হৈছিল যদিও প্ৰথম অৱস্থাত তেওঁলোক সকলো ধৰ্মৰ প্ৰতি উদাৰ আছিল।



অৱশ্যে কোনো কোনো আহোম বিষয়াই শাক্ত ধৰ্ম গ্ৰহণ কৰিছিল। শিৱ সিংহ ৰজাই শাক্ত গুৰুত শৰণ লৈ শাক্ত সম্প্ৰদায়ক অধিক ৰাজসন্মান আৰু প্ৰাধান্য দিয়াত বৈষ্ণৱসকল বিদ্ৰোহী হৈছিল। শিৱসিংহৰ পত্নী ফুলেশ্বৰী কুৰঁৰীয়ে দেৱীপূজা পাতি তালৈ বৈষ্ণৱসকলৰ মোৱামৰীয়া নামৰ সম্প্ৰদায়ক নিমন্ত্ৰণ কৰি অপমান কৰাত বৈষ্ণৱসকলে আহোম ৰজাৰ বিপক্ষে বিদ্ৰোহ কৰিছিল। যি ধৰ্ম বিদ্ৰোহ আহোম ৰাজ্য ধ্বংসৰ এটা প্ৰধান কাৰণ আছিল।

আহোম যুগৰ সাহিত্য বহুমুখী আৰু উদাৰ আছিল। সেইসময়ত কবিসকলে শাক্ত শাস্ত্ৰয়ো অনুবাদ কৰিছিল আৰু শাক্ত সম্বন্ধীয় ভালে মান গীত ৰচনা কৰিছিল। দুই চাৰিজন আহোম ৰজায়ো শাক্ত গীত পদ ৰচনা কৰাৰ পৰিচয় পোৱা গৈছে। আহোমসকল শিক্ষা সংস্কৃতিৰ উন্নতিতো উৎসাহী আছিল ৰাজ পৰিয়ালৰ আৰু বিষয়াসকলৰ পুত্ৰক বাৰানসী আদি শিক্ষাকেন্দ্ৰত বিবিধ শাস্ত্ৰ অধ্যয়ন কৰিবলৈ পঠোৱা হৈছিল। প্ৰত্যেক সম্ভ্ৰান্ত পৰিয়ালৰ ল'ৰা-ছোৱালীক পঢ়োৱাৰ ব্যৱস্থা আছিল। ৰজা আৰু ৰাজবিষয়াসকলে কবি আৰু শিল্পীসকলক মাটি বাৰী দি সহায় কৰিছিল। সংস্কৃত শাস্ত্ৰৰ অনুবাদ আৰু মৌলিক কাব্য ৰচনাত কবি সকলক ৰজা আৰু ৰাজবিষয়াই কি দৰে সহায় কৰিছিল সেই কথা এই যুগৰ কবিসকলে তেওঁলোকৰ কাব্যৰ ভনিতাত উল্লেখ কৰি গৈছে। আহোম ৰাজ দৰবাৰ জাকে জমক আৰু ধনৰত্নেৰে শোভিত হৈ আছিল। এই

*আহোম স্বৰ্গদেউসকলে সাহিত্যিকৰ পৃষ্ঠপোষকতা কৰাৰ উপৰিও নিজেও সাহিত্য সেৱা কৰিছিল। ৰুদ্ৰসিংহ আৰু শিৱসিংহৰ ভনিতা থকা ভালেমান গীত বৰ্তমানে সংগ্ৰহীত হৈ আছে। আহোম ৰজাসকলৰ ৰাজ সভাৰ অন্যতম কবি আছিল কবিৰাজ চক্ৰৱৰ্তী। তেওঁ 'শংখচুৰ বধ' কাব্য আৰু 'গীত গোবিন্দ'ৰ অসমীয়া অনুবাদ কৰিছিল। ৰাণী প্ৰমথেশ্বৰী আৰু ৰজা শিৱসিংহৰ আদেশত অনন্ত আচাৰ্য্য নামে অন্য এজন কবিয়ে 'আনন্দ লহৰী' নামে শাক্ত কাব্য ৰচনা কৰিছিল। ৰুদ্ৰসিংহৰ অনুগ্ৰহত ৰুচিনাথ কন্দলিয়ে মাৰ্কণ্ডেয় চণ্ডী আৰু কল্কি পুৰাণ নামে দুখন কাব্য ৰচনা কৰিছিল। ৰাজেশ্বৰ সিংহ স্বৰ্গদেৱৰ পুতেক চাৰু সিংহ আৰু কোৱঁৰিয়েক প্ৰেমদাৰ আজ্ঞা অনুসাৰে বিদ্যাচন্দ্ৰ কবিশেখৰে হৰিবংশৰ অসমীয়া পদ কৰিছিল। আহোম তিৰোতাসকলেও সেই সময়ত সাহিত্যত পৃষ্ঠপোষকতা কৰিছিল।*

পাৰিপাৰ্শ্বিক অৱস্থাই কবিৰ পৰিকল্পনাৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিছিল ৰাজ দৰবাৰ আছিল প্ৰেম আৰু ৰোমাঞ্চৰ কেন্দ্ৰ। সেইসময়ত কবিসকলেও প্ৰেমৰ আখ্যান লৈ কাব্য ৰচনা কৰাৰ লগতে ধৰ্ম আখ্যান সমূহকো প্ৰেম আখ্যানলৈ ৰূপান্তৰিত কৰিছিল। পুৰান সমূহত অসমীয়াত অনুবাদ কৰিবলৈ কবি সকলক সহায় আৰু উদ্‌গনি দিছিল।

আহোম যুগত সাহিত্যৰ বিষয়বস্তু আছিল 'মানুহ'। যাৰ বাবে কোনো কোনো ক্ষেত্ৰত দেৱদেৱীৰ চৰিত্ৰ চিত্ৰনত মানুহৰ জীৱনেই প্ৰকাশ পাইছে। মানুহৰ জীৱনৰ লগত জড়িত লৌকিক অলৌকিক কাহিনী লৈ কাব্য ৰচনা কৰিছিল। এই সকলোবোৰৰ ভিতৰত আহোম সকলৰ অসমীয়া সাহিত্যলৈ সৰ্বশ্ৰেষ্ঠ দান হৈছে বুৰঞ্জী সাহিত্য। অসমীয়া সাহিত্যক বুৰঞ্জীবাজিয়ে অপূৰ্বভাৱে মহীয়ান আৰু গৌৰৱান্বিত কৰি ৰাখিছে। আহোম ৰজাসকলৰ পৃষ্ঠপোষকতাত বুৰঞ্জীসমূহ প্ৰায় ষোড়শ শতিকাৰ পৰা ঊনবিংশ শতিকালৈ ৰচনা কৰা হৈছিল। আহোমসকলৰ আগতে অসমীয়া ভাষাত বুৰঞ্জী লিখা প্ৰথা আৰম্ভ হোৱা নাছিল। আহোম ৰজা স্বৰ্গদেউ চুকাফাই অসমলৈ আহোঁতে বাটত ঘটা তাৎপৰ্যমূলক



ঘটনাৱলী সমূহ লিখি ৰাখিবলৈ লগত অহা তিনি পণ্ডিত চিৰিঙ, মহুংলাওত, বাইলুঙ্ পণ্ডিতক নিৰ্দেশ দিছিল।

বুৰঞ্জীসমূহত প্ৰধানকৈ আহোম ৰজাসকলৰ ৰাজনৈতিক জীৱন বুৰঞ্জী লিপিৱদ্ধ কৰা হৈছিল। বুৰঞ্জীসমূহ গদ্য আৰু পদ্য দুয়োটা মাধ্যমতে ৰচনা কৰা হৈছিল। গদ্য বুৰঞ্জীতকৈ পদ্য বুৰঞ্জীৰ সংখ্যা তাকৰ আৰু পদ্য বুৰঞ্জীতকৈ গদ্য বুৰঞ্জীৰ বিষয়বস্তু স্পষ্ট। পদ্য বুৰঞ্জীসমূহত ছন্দৰ মেৰপাক আৰু কাব্যিক ৰহনে সততে ক্ৰিয়া কৰি থকা দেখা যায়। পদ্য বুৰঞ্জীসমূহৰ বিষয়বস্তুত আধ্যাত্মিক ভাবৰ সমাহাৰ দেখা যায়।

বুৰঞ্জীসমূহত আহোম ৰাজচ'ৰাৰ প্ৰশাসনীয় কাম কাজ যুদ্ধ বিগ্ৰহ, সন্ধি আদি বৰ্ণনাৰ উপৰিও মধ্যযুগৰ অসমৰ সামাজিক, সাংস্কৃতিক, অৰ্থনৈতিক, ধৰ্মীয় আদি দিশৰ একোখন ছবি পৰিস্ফুট হৈ উঠে। তদুপৰি এই বুৰঞ্জীসমূহত আহোম ৰাজ চ'ৰাৰ মাত কথা আৰু সাধাৰণ প্ৰজাৰ মাত কথাৰ চানেকিও পোৱা যায়। বুৰঞ্জীৰ সন্নিৱিষ্ট গদ্য সমসাময়িক কথ্যভাষাৰ আধাৰত সৃষ্ট গদ্য। বুৰঞ্জী ৰচনাৰ মাজেদি অসমীয়াৰ ঐতিহাসিক চেতনা আৰু বিচাৰশীল মনৰ উন্মেষ হয়। বুৰঞ্জীসমূহত অলেখ প্ৰৱচন আৰু মনোৰম প্ৰজ্ঞা বাণীও আছে। বুৰঞ্জীৰ গদ্য মধ্যযুগীয় অসমীয়া গদ্যৰ সাৰ্থক নিদৰ্শন। বুৰঞ্জী গদ্যৰ ভাষা সহজ সৰল আৰু পোনপটীয়া। বুৰঞ্জীৰ গদ্য ভাষাত তৎসম, তদ্ভৱ, শব্দৰ উপৰিও মাজে মাজে দেশজ শব্দ, আহোম ভাষাৰ শব্দ, হিন্দী, আৰবী, ফাৰ্চী আদি শব্দৰ প্ৰয়োগ মন কৰিবলগীয়া। বুৰঞ্জীৰ গদ্যভাষাত বিভিন্ন ভাষাৰ শব্দৰ সংমিশ্ৰিত ৰূপ এটা পোৱা যায়।

বুৰঞ্জীৰ গদ্য ভাষা বৈয়াকৰণিক সূত্ৰৰ পৰা কিছু আঁতৰত আৰু শব্দ প্ৰয়োগৰ ক্ষেত্ৰত স্বাধীন। বুৰঞ্জীৰ গদ্য হৃদয়স্পৰ্শী। যাৰবাবে বুৰঞ্জীৰ গদ্যই আধুনিক গদ্যক স্পষ্টভাৱে চুব পাৰিছে। বিৰিঞ্চি কুমাৰ বৰুৱাই বুৰঞ্জীৰ মাজেদিয়েই অসমীয়া গদ্যই আধুনিক ৰূপ পাইছে বুলি উল্লেখ কৰিছে।

আহোমৰ দিনত ৰজাঘৰীয়া চিঠিপত্ৰ, ভূমিদান পত্ৰ, মামলা মোৰ্কদ্দমাৰ সিদ্ধান্ত পত্ৰত অসমীয়া ভাষাৰ প্ৰচলন আছিল। সেই সময়ছোৱাত আহোম ৰজাসকলৰ পৃষ্ঠপোষকতাত নানা বিষয়ৰ ব্যৱহাৰিক জ্ঞানৰ পুথি অসমীয়ালৈ অনুদিত হৈছিল। ইয়াৰ ভিতৰত আয়ুৰ্বেদশাস্ত্ৰ, নিদান, জ্যোতিষ, অংকৰ আৰ্য্যা, নৃত্যগীতৰ পুথি, গৃহ নিৰ্মাণ আদি বিষয়ৰ পুথি প্ৰধান। মহাৰাজ শিৱসিংহ আৰু তেওঁৰ কুঁৱৰী অম্বিকাদেৱীৰ নিৰ্দেশত ১৭৩৪ খৃষ্টাব্দত সুকুমাৰ বৰকাঠ দ্বাৰা 'হস্তী বিদ্যাৰ্ণৱ' পুথিখনি যুগুত কৰা হৈছিল। এই পুথিখনৰ চিত্ৰ সমূহ দিলবৰ আৰু দোচাই নামৰ দুজন শিল্পীয়ে অংকন কৰিছিল।

আহোম স্বৰ্গদেউসকলে সাহিত্যিকৰ পৃষ্ঠপোষকতা কৰাৰ উপৰিও নিজেও সাহিত্য সেৱা কৰিছিল। ৰুদ্ৰসিংহ আৰু শিৱসিংহৰ ভনিতা থকা ভালেমান গীত বৰ্তমানে সংগৃহীত হৈ আছে। আহোম ৰজাসকলৰ ৰাজ সভাৰ অন্যতম কবি আছিল কবিৰাজ চক্ৰৱৰ্তী। তেওঁ 'শংখচুৰ বধ' কাব্য আৰু 'গীত গোবিন্দ'ৰ অসমীয়া অনুবাদ কৰিছিল। ৰাণী প্ৰমথেশ্বৰী আৰু ৰজা শিৱসিংহৰ আদেশত অনন্ত আচাৰ্য্য নামে অন্য এজন কবিয়ে 'আনন্দ লহৰী' নামে শাক্ত কাব্য ৰচনা কৰিছিল। ৰুদ্ৰসিংহৰ অনুগ্ৰহত ৰুচিনাথ কন্দলিয়ে মাৰ্কণ্ডেয় চণ্ডী আৰু কল্কি পুৰাণ নামে দুখন কাব্য ৰচনা কৰিছিল। ৰাজেশ্বৰ সিংহ স্বৰ্গদেৱৰ পুতেক চাৰু সিংহ আৰু কোঁৱৰিয়েক প্ৰেমদাৰ আজ্ঞা অনুসাৰে বিদ্যাচন্দ্ৰ কবিশেখৰে হৰিবংশৰ অসমীয়া পদ কৰিছিল। আহোম তিৰোতাসকলেও সেইসময়ত সাহিত্যত পৃষ্ঠপোষকতা কৰিছিল।

আহোম যুগত 'হিতোপদেশ' আৰু পঞ্চতন্ত্ৰৰ সাধু কথা সমূহ অসমীয়ালৈ অনুবাদ হোৱাৰ লগতে মৃগাৱতী চৰিত নামৰ মনোহৰ কাব্য এখনো আহোম যুগতে অসমীয়াত অনুদিত হৈছিল। আহোম ৰজাসকলে পুৰাণ সমূহো অসমীয়াত অনুবাদ কৰিবলৈ কবিসকলক সহায় কৰিছিল। স্বৰ্গদেউ শিৱসিংহ আৰু অম্বিকাদেৱীৰ নিৰ্দেশত কবিচন্দ্ৰদ্বিজে ধৰ্মপুৰাণ অসমীয়ালৈ অনুবাদ কৰিছিল। কবিৰাজ চক্ৰৱৰ্তীয়েও ব্ৰহ্মবৈৱৰ্ত্ত পুৰাণ অসমীয়ালৈ অনুবাদ কৰিছিল। ঘনশ্যাম খাৰঘৰীয়া ফুকনে উনৈশ শতিকাত কল্কি পুৰাণৰ কিছু অংশ অনুবাদ কৰিছিল।

আহোমসকলৰ দিনতে মহাভাৰতৰো কেবাটাও পৰ্ব অসমীয়ালৈ অনুবাদ হৈছিল। আহোম ৰজা ৰুদ্ৰসিংহৰ অনুগ্ৰহত লক্ষ্মীনাথ দ্বিজে শান্তিপৰ্বৰ পদভাঙনি কৰিছিল। শুভনাথ দ্বিজে অশ্বমেধ পৰ্বৰ আখ্যান লৈ 'ধৰ্ম সংবাদ' নামৰ কাব্য ৰচনা কৰিছিল। আহোমসকলৰ দিনতে ভালেমান সন্ত-মহন্তৰ চৰিত আৰু সত্ৰসমূহৰ বিৱৰণ সংকলিত হৈছিল।

আহোমৰ ছশ বছৰীয়া ৰাজত্বকালত অসমীয়া সাহিত্যই গদ্য পদ্য উভয়দিশতে লাভ কৰা বিকাশে অসমীয়া ভাষা সাহিত্যক স্বকীয় মৰ্য্যাদা প্ৰদান কৰাত সহায় কৰিছিল। বিশেষকৈ বুৰঞ্জী সাহিত্যই এই যুগত বিকাশ লাভ কৰি অসমীয়া গদ্য সাহিত্যৰ ক্ৰমবিকাশত সহায় কৰিছিল।



# অসম বুৰঞ্জীত বিশ্বনাথ ক্ষেত্ৰৰ গুৰুত্ব

মুকুতা দাস বৰকাকতি
অধ্যাপিকা, বুৰঞ্জী বিভাগ

ব্ৰহ্মপুত্ৰৰ উত্তৰকূলত অৱস্থিত অতীতৰ সলা বা বিশ্বনাথ আৰু বৰ্তমানৰ বিশ্বনাথ চাৰিআলি, শোণিতপুৰ জিলাৰ বিশ্বনাথ মহকুমাৰ সদৰ। এই ঠাই তেজপুৰৰ পৰা ৭৫ কিঃ মিঃ নিলগত অৱস্থিত। ২০১১ চনৰ লোকপিয়ল অনুযায়ী ইয়াৰ জনসংখ্যা ১৯,১৪৫ জন। মঠ মন্দিৰেৰে ভৰা প্ৰচীন কালৰ গুপ্তকাশী আৰু বৰ্তমানৰ বিশ্বনাথ চাৰিআলি পৰ্যটকৰ বাবে এখন আকৰ্ষণীয় স্থান। বিশ্বনাথ চাৰিআলিৰ মনাবাৰী চাহ বাগিছা এছিয়াৰ ভিতৰতে বৃহৎতম চাহ বাগিছা।

আজি কিছু বছৰ আগতে মই আৰু মোৰ স্বামী বিশ্বনাথ চাৰিআলি লৈ গৈছিলো। উদ্দেশ্য আছিল বিশ্বনাথ কৃষি মহাবিদ্যালয় খন চোৱা আৰু বহু বছৰৰ মূৰত এটি বন্ধু পৰিয়ালক দেখা সাক্ষাৎ কৰা। ঠাইখনৰ প্ৰতি মোৰ দুৰ্বলতা থকাৰ আন এটা কাৰণো আছিল। অসম বুৰঞ্জীৰ পাতত প্ৰায়ে বিশ্বনাথ ঠাই ডোখৰৰ নাম পাঁও। গতিকে এই অঞ্চলৰ প্ৰতি মোৰ এটা স্বাভাৱিক কৌতুহল আছিল। তাত থকা শিৱমন্দিৰ বিশ্বনাথৰ পৰাই এই অঞ্চলৰ নাম বিশ্বনাথ আৰু বৰ্তমান বিশ্বনাথ চাৰিআলি হৈছে। মধ্য যুগৰ বুৰঞ্জীত এই বিশ্বনাথ শব্দটো প্ৰায়ে উল্লেখ হোৱাৰ পৰা অনুমান কৰিব পাৰি যে স্বৰ্গদেউসকলৰ বাবে এই অঞ্চল এটা সময়ত যথেষ্ট গুৰুত্বপূৰ্ণ আছিল। কেৱল দেৱ-দেৱালয়ৰ বাবেই নহয়, নিৰাপত্তাৰ দিশৰ পৰাওঁ বিশ্বনাথ ক্ষেত্ৰ আহোম ৰজাসকলৰ বাবে এক গুৰুত্বপূৰ্ণ স্থান হিচাবে বিবেচিত হৈছিল। সেই যুগত এই অঞ্চলৰ নাম আছিল ‘সনা’। পাচলৈ অৱশ্যে বিশ্বনাথ মন্দিৰৰ নাম অনুসৰি সেই নাম বিশ্বনাথলৈ পৰিবৰ্তিত হয়। বিশ্বনাথত উদ্ধাৰ হোৱা প্ৰাস্তৰ যুগৰ সমল সমূহৰ পৰা এটা কথা জানিব পাৰি যে প্ৰাচীন কালৰ পৰাই এই অঞ্চলত জনবসতি আছিল। অষ্ট্ৰিকসকল আৰু পাচলৈ বিভিন্ন সময়ত তিৰ্ব্বতৰ পৰা প্ৰবজন হোৱা লোকে ইয়াত বসতি স্থাপন কৰিছিলহি। যিহেতু প্ৰাচীন আৰু মধ্যযুগত ব্ৰহ্মপুত্ৰৰ উত্তৰকূলৰ গুৰুত্ব যথেষ্ট আছিল সেয়েহে আহোম স্বৰ্গদেউ সকলে এই অঞ্চলত ৰাজ্য বিস্তাৰ কৰাৰ আগতেও বিভিন্ন সময়ত ইয়াৰ অসমৰ প্ৰাচীন ৰাজবংশবোৰ- বৰ্মন, শালস্তম্ভ, পালবংশ, চুতীয়া আৰু ইয়াৰ এটা অংশ কিছু দিনৰ বাবে কোচ ৰাজ্যৰো অৰ্ন্তভূক্ত হয়। তেওঁলোকৰ ৰাজত্ব কালৰ কিছু কিছু স্মৃতিচিহ্ন বিশ্বনাথৰ অ'ত ত'ত সিঁচৰিত হৈ আছে। খনন কাৰ্য্য চলালে হয়তো আৰু বহুতো প্ৰত্নতাত্ত্বিক সমল উদ্ধাৰ হ'ব। সাৰনাথত প্ৰাপ্ত অশোকৰ দিনৰ চতুঃসিংহৰ প্ৰতিমূৰ্ত্তি সদৃশ এক মূৰ্ত্তি বিশ্বনাথত থকালৈ চাই অনুমান কৰা হয় যে, এই স্থানলৈকে হয়তো এটা সময়ত বৌদ্ধ ধৰ্মৰ প্ৰসাৰ ঘটিছিল। অৱশ্যে এই মূৰ্ত্তিৰ শিল্পকলা সাৰনাথৰ শিল্পকলাতকৈ নিম্ন পৰ্য্যায়ৰ আৰু ই বিশ্বনাথত ‘ভালুক গোসাই’ নামেৰেহে পৰিচিত।

স্বৰ্গদেউ ৰাজেশ্বৰ সিংহৰ শাসনকালত তেওঁ বিশ্বনাথত ১৮টা দেৱালয় দৰ্শন কৰা বুলি বুৰঞ্জীত উল্লেখ পোৱা যায়। ইংৰাজী কমিচনাৰ ফ্ৰান্সিচ্ জেনকিন্সেও বিশ্বনাথৰ ২৭টা দেৱালয়ৰ



কথা উল্লেখ কৰিছে। বৰ্তমান এই সকলো দেৱালয় এই অঞ্চলত নাই যদিও বিভিন্ন তামৰফলি আৰু ভগ্নাৱশেষৰ পৰা অনুমান কৰা যায় যে আহোম যুগত অন্তত ১১টা মন্দিৰ স্বৰ্গদেউসকলে নিৰ্মান কৰিছিল। ব্ৰহ্মপুত্ৰ নৈখন যিহেতু বিশ্বনাথ ক্ষেত্ৰৰ গাতে লাগি আছে, কালক্ৰমত এই নৈয়ে গতি সলোৱাৰ বাবেও হয়তো কিছু কিছু মন্দিৰ নৈৰ বুকুত জাহ যায়। আমি সেই স্থান ভ্ৰমণ কৰোতে কেইবাটাও মন্দিৰ ব্ৰহ্মপুত্ৰ নৈৰ পাৰতে থকা দেখিছিলো। তাত মোৰ এটা আচৰিত অভিজ্ঞতাও হৈছিল। সাধু সন্তৰ নিচিনা এজন ব্যক্তিয়ে আমাক দেখি আগবাঢ়ি আহি মন্দিৰবোৰৰ বৰ্ণনা দি গৈছিল। সেই সময়ত মোৰ মনত এটা ভাবে খেলাইছিল যে সেই ব্যক্তিজনে হয়তো মন্দিৰবোৰৰ লগত আমাৰ পৰিচয় কৰাই দি আমাৰ পৰা দুপইচা বিচাৰিব। কিন্তু কি আচৰিত, যি সময়ত মোৰ মনলৈ সেই ভাব আহিছিল সেই সময়তে তেওঁ মোলৈ চাই কৈছিল যে- তেওঁ কোনো পইচাৰ বাবে আমাক ঠাই বোৰ দেখুৱাবলৈ অহা নাই। মোৰ মনত মানুহজনৰ প্ৰতি এনে ভাব হোৱাত নিজৰে মনটো বেয়া লাগি গ'ল। তেওঁ কেনেকৈ মোৰ মনৰ ভাব পঢ়িলে ভাবি মোৰ আজিও আচৰিত লাগে।



বুৰঞ্জীত উল্লেখ থকা অনুসৰি ঢাকাৰ জমিদাৰৰ পুত্ৰ-পাণ্ডুৰ থানাদাৰ আৰু মোগল সেনাপতি সত্ৰাজিতে ১৬১৫ চনত বঙ্গৰ মোগল শাসনকৰ্তাৰ নিৰ্দেশত এই অঞ্চল আক্ৰমণ কৰি মন্দিৰৰ সোণ ৰূপকে আদি কৰি দুগৰাকী দেৱদাসীও ধৰি লৈ যায়। স্বৰ্গদেউ জয়ধ্বজ সিংহই ১৬৫৭ চনত বিশ্বনাথ যজ্ঞপাতি, দান-দক্ষিণা কৰাৰ উপৰিও বিশ্বনাথ গোসাইৰ উদেশ্যে এটা হাতীও উচৰ্গা কৰিছিল। চক্ৰধ্বজ সিংহয়ো বিশ্বনাথলৈ আহি যজ্ঞ অনুষ্ঠিত কৰাৰ কথা জানিব পাৰি। গদাধৰ সিংহই এই মন্দিৰৰ পূজাৰীক ৮০ পুৰা ব্ৰহ্মোত্তৰ মাটিদান কৰাৰ লগতে তিনিজন গড়িয়া (মুছলমান) মানুহ, এজন কৈৱৰ্ত আৰু ভেৰভেৰি নামৰ বিল এখন দান কৰিছিল। মন্দিৰৰ দেৱলীয়া পাইক হিচাবে ভিন্ন ধৰ্মৰ আৰু জাতৰ লোকক নিয়োগ কৰি গদাধৰ সিংহই নিজৰ বহল মনৰ পৰিচয় দিছিল। কিন্তু সেই একেজন ব্যক্তিয়ে আকৌ ৰাজনৈতিক কাৰণৰ বশৰ্বৰ্ত্তী হৈ সত্ৰৰ বৈষ্ণৱ গোসাই ভকত সকলৰ ওপৰত নিৰ্য্যাতন চলাবলগীয়া হৈছিল। আন এজন আহোম ৰজা ৰুদ্ৰসিংহই ১৭০৮ চনত এক বিৰাট ৰাজদৰবাৰ পাতি বন্দী কৰি অনা কছাৰী আৰু জয়ন্তীয়া ৰজাক সাক্ষাৎ কৰিছিল এই বিশ্বনাথতেই। জয়ন্তীয়া ৰজা ৰামসিংহ আৰু কছাৰী ৰজা তাম্ৰধ্বজক ব্ৰহ্মপুত্ৰ নদী পাৰ কৰি বিশ্বনাথ দৰবাৰত দুটা বেলেগ বেলেগ দিনত ৰুদ্ৰসিংহৰ সন্মুখত হাজিৰ কৰোৱা হয়। কছাৰী ৰজা তাম্ৰধ্বজে হাতত তিল-কুশ লৈ বিশ্বনাথ ক্ষেত্ৰত পানীত হাত জুবুৰিয়াই স্বৰ্গদেউৰ কৰতলীয়া হৈ থাকিবলৈ অংগীকাৰ কৰি কৈছিল- 'লাও তল যাব, শিল ওপঙিব, কোৰা বগা হব, বগ ক'লা হব আৰু ব্ৰহ্মপুত্ৰ উভতি গতি কৰিব তেবে কি মোৰ কবুল চাৰিবে।' আনহাতে জয়ন্তীয়া ৰজা ৰামসিংহই গ্ৰহণী ৰোগত পৰি তাতেই মৃত্যু বৰণ কৰিলে। গতিকে ৰাজনৈতিক দিশৰ পৰা আহোম স্বৰ্গদেউসকলৰ বাবে এই স্থান নিঃসন্দেহে অতি গুৰুত্বপূৰ্ণ আছিল। উত্তৰ গুৱাহাটীৰ নিচিনাকৈ বিশ্বনাথত থকা গড় আৰু খাৱৈবোৰৰ পৰা এই অঞ্চলৰ সামৰিক গুৰুত্বও নুই কৰিব নোৱাৰি। ইয়াৰ প্ৰায়বোৰ গড় স্বৰ্গদেউ চুহমুঙৰ পৰা জয়ধ্বজ সিংহৰ শাসনকালৰ ভিতৰত নিৰ্মান কৰা হৈছিল। কিয়নো এই সময়ছোৱাত বহুবাৰ মোগলে অসম আক্ৰমণ কৰিছিল।



বিশ্বনাথ চহৰৰ দ্বিতীয়টো অংশ হৈছে বৰ্তমান ব্ৰহ্মপুত্ৰৰ বুকুত থকা উমাটুমনি কোঠ। উমাটুমনি বুঢ়ীগাং আৰু ব্ৰহ্মপুত্ৰৰ সংগম স্থলত বিশ্বনাথ চাৰিআলিৰ পৰা ১০ কিঃ মিঃ দূৰত্বত অৱস্থিত। স্বৰ্গদেউ চুলুংমুঙে, কনচেং বৰপাত্ৰ গোহাইৰ নেতৃত্বত ১৫৩১ চনত মুছলমানৰ (মোগল) আক্ৰমণ প্ৰতিহত কৰিবলৈ এই কোঠ বন্ধাইছিল। ইয়াতেই ১৫৩২ চনত মুছলমান সৈন্যই একেৰাহে তিনিদিন তিনিৰাতি অসমীয়া সৈন্যক বেৰি ধৰি আক্ৰমণ কৰিছিল। উল্লেখ আছে যে সাহসী অসমীয়া সৈন্যই পানী আনিব নোৱাৰি ভাত নোখোৱাকৈয়ে প্ৰাণটাকি যুঁজি শত্ৰুৰ আক্ৰমণ ওফৰাই তেওঁলোকক খেদি পঠিয়াবলৈ সমৰ্থ হৈছিল। ইয়াত ১৫৩৩ চনতো বঙ্গৰে চুলতানৰ সেনাপতি তুৰ্ব্বকৰ লগত অসমীয়া সৈন্যৰ যুদ্ধ হৈছিল। ব্ৰহ্মপুত্ৰৰ বুকুত অৱস্থিত বাবে, পশ্চিমৰ পৰা ব্ৰহ্মপুত্ৰ নৈৰে উজাই অহা শত্ৰুক নিৰীক্ষণ কৰিবলৈ সুবিধা বাবে ইয়তো স্বৰ্গদেউ সকলে উমাটুমনিক সামৰিক ঘাটি হিচাবে নিৰ্বাচিত কৰি তাত কেইবাটাও গড় আৰু খাৰৈ নিৰ্মান কৰি শত্ৰুক ভেটিবলৈ ব্যৱস্থা কৰি লৈছিল। বৰ্তমানো এই উমাটুমনিৰ গুৰুত্ব কমা নাই। কিয়নো ইয়াৰ অৱস্থিতিয়ে বিশ্বনাথ অঞ্চলক বানপানী বা গৰাখহনীয়াৰ পৰা সদায়ে ৰক্ষা কৰি আহিছে।

অতীতৰ সলা আৰু বৰ্তমানৰ বিশ্বনাথ চহৰৰ গড় আৰু খাৰৈবোৰ লক্ষ্য কৰিলে দেখা যায় যে ইয়াৰ দক্ষিণ, পশ্চিম আৰু উত্তৰ, তিনিওটা দিশতে গড় মাৰি সুৰক্ষিত কৰা হৈছিল কিন্তু পূৰ্বফালে বুঢ়ীগাং নৈৰ ফালে কিছু অংশ উন্মুক্ত কৰি ৰখা হৈছিল। যিদৰে আহোম ৰাজ্যৰ ৰাজধানী ৰংপুৰৰ পৰা দিখৌ নৈৰে শত্ৰুৰ আক্ৰমণৰ সময়ত প্ৰয়োজন সাপেক্ষে পলায়ন কৰিবলৈ এটা সুৰঙ্গ আছিল, সেইদৰে সম্ভৱত উজনিৰ ৰাজধানী ফালৰ পৰা ইয়াত নাৱেৰে প্ৰৱেশ কিম্বা পৰিস্থিতি অনুযায়ী প্ৰস্থান কৰিবলৈ সুবিধা ৰাখিয়েই এনেদৰে এটা দিশ উন্মুক্ত ৰখা হৈছিল। এই অঞ্চলত থকা আন এটা গুৰুত্বপূৰ্ণ গড় হৈছে প্ৰতাপগড়। স্বৰ্গদেউ প্ৰতাপসিংহৰ ৰাজত্বকালত নিৰ্মিত এই গড়টো চাহ বাগিছাৰ মাজেৰে গৈ হিমালয়ৰ পাদদেশ পৰ্য্যন্ত বিস্তৃত। গড়টোৰ দৈৰ্ঘ অনুমানিক ৩৩ কিঃমিঃ। মূল গড়টো ৰক্ষণাবেক্ষণ দিবৰ বাবে পাশ্বৱৰ্তী অঞ্চলত কেইবাটাও সৰু সৰু গড় নিৰ্মাণ কৰা হৈছিল। মূল গড় অতিক্ৰম কৰা শত্ৰুক বিপাঙত পেলাবলৈ হয়টো কেইবাটাও গড় ওচৰা-ওচৰিকৈ নিৰ্মাণ কৰা হৈছিল। এইবোৰ দেখি আহোম স্বৰ্গদেউ আৰু মন্ত্ৰী বিষয়াসকলৰ কাৰিকৰী দক্ষতাত শ্ৰদ্ধাৰে মূৰ দো খাই পৰে। বিশাল ব্ৰহ্মপুত্ৰৰ পাৰতে অৱস্থিত এই অঞ্চলৰ প্ৰাকৃতিক সৌন্দৰ্য্যই নিঃসন্দেহে পৰ্যটকক আকৰ্ষিত কৰিব পাৰে। পৰ্যটন থলী হিচাবে অসম চৰকাৰে তাত বিশেষ কোনো যোজনা হাতত লোৱা পৰিলক্ষিত নহল। ব্ৰহ্মপুত্ৰৰ বুকুত থকা উমাটুমনিলৈ যাব পৰাকৈ সাকো এখন থকাহেঁতেন নিশ্চয় তাত থকা গড়-প্ৰাঞ্চীবোৰ নোচোৱাকৈ নাহিলোহেঁতেন। সময়ৰ অভাৱত নাৱেৰে সেই ঠাইলৈ যাব নোৱাৰাৰ দুখ এটা মনত থাকি গ'ল। এসময়ত চহৰী উত্তৰকুল, বৰ্তমান ব্ৰহ্মপুত্ৰৰ দক্ষিণকূলতকৈ পাছ পৰা যেন অনুমান হ'ল। অসম চৰকাৰে সুপৰিকল্পিত আন্তঃগাঠনিৰে কাজিৰঙাৰ লগত এই অঞ্চলক সংলগ্ন কৰি আন এখন দলং নিৰ্মান কৰিলে, নিশ্চয় পৰিভ্ৰমী চৰাই, প্ৰাকৃতিক সৌন্দৰ্য্যৰে ভৰা এই বিশ্বনাথ অঞ্চল বিশ্বপৰ্যটন থলীৰ এটা অংশ হ'ব পাৰিব। তাৰ বাবে লাগিব সেই অঞ্চলৰ সহজ সৰল মানুহৰ নিৰলস প্ৰচেষ্টা আৰু অসম চৰকাৰৰ সদিচ্ছা।



# গেংটক চাই আহিলো

অদিতি গগৈ
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ, বিজ্ঞান শাখা

সৰুৰে পৰা উত্তৰ-পূৰ্বাঞ্চলৰ আন ৰাজ্যকেইখনৰ বিষয়ে জনাৰ হেপাহ আছিল। এদিন কাৰোবাৰ মুখত শুনিছিলো যে ছিকিমৰ গেংটক নামৰ ঠাইখন বৰ মনোমোহা। তেতিয়াৰে পৰা ঠাইখন এবাৰ নয়ন ভৰি চোৱাৰ আশা মনত পুহি ৰাখিছিলো। মোৰ সেই আশা পূৰণ হ'ল মহাবিদ্যালয়ৰ বিজ্ঞান শাখাৰ দ্বাৰা আয়োজন কৰা শিক্ষামূলক ভ্ৰমণৰ বাবে।

অক্টোবৰ মাহৰ এদিন গম পালো যে স্নাতক পঞ্চম যান্মাষিকৰ বা কেইগৰাকীমানে গেংটকলৈ যাবলৈ ঠিক কৰিছে। কথাটো গম পায়েই উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ দহগৰাকী ছাত্ৰী যাবলৈ সাজু হ'লো। আমাৰ লগত গণিত বিভাগৰ অধ্যাপক ৰঞ্জন দাস ছাৰ যাবলৈ ওলাল।

অৱশেষত সেই দিনটো অৰ্থাৎ বহু অপেক্ষাৰত ৩ জানুৱাৰী দিনটো আহি পালে। আমি মুঠ যোল্ল গৰাকী ছাত্ৰী ৰাতিপুৱা ৭-৩০ বজাত শিমলুগুৰি ৰেল ষ্টেচন অভিমুখে যাত্ৰা আৰম্ভ কৰিলো।

আমি গ্ৰুপটোত আছিলো মই, মৌচুমী, সংকল্পপ্ৰিয়া, বন্দিতা, ছিমি, সুস্মিতা, শিখামণি, চয়নিকা, বিদিশা, প্ৰিয়ংকা, বৰ্ণালী বা, এঞ্জেলা বা, সংগীতা বা, তছলীমা বা, অনুসূয়া বা আৰু দিক্ষিতা।

আমি ৰাতিপুৱা ৮-৩০ বজাত 'কামাখ্যা এক্সপ্ৰেছ'এৰে যাত্ৰা আৰম্ভ কৰিলো। উল্লেখ্য যে এই যাত্ৰাটোৱেই আমাৰ বহুতৰ বাবে প্ৰথম দীঘলীয়া ৰেল যাত্ৰা। আমি গুৱাহাটীলৈকে কথা পাতি, লগত নিয়া বিস্কুত-চানা খাই যাত্ৰা কৰিলো।

অৱশেষত ৫-৩০ বজাত গুৱাহাটী ৰেল ষ্টেচনত নামিলো। আমি পৰৱৰ্তী ৰেলখনৰ বাবে চাৰে চাৰি ঘণ্টা প্লেটফৰ্ম' নংত অপেক্ষা কৰিবলগীয়া হৈছিল। ইমান সময় প্লেটফৰ্মত বহি থকাৰ অভিজ্ঞতা আমি প্ৰাণ ভৰি উপভোগ কৰিছিলো। সকলোৰে বেগবোৰ একেলগে গোটাই আমি তাৰ ওপৰত বহি আছিলো চোৰ হোৱাৰ ভয়ত..........।

৪ জানুৱাৰীৰ ৰাতিপুৱা ৫.০০ বজাত শুই উঠি চাহ খাই খিৰিকিৰে বাহিৰলৈ চাই গ'লো। ঠাইবিলাক চাই এনে লাগিছিল যেন আমি এতিয়াও অসমত। পশ্চিম বংগৰ গাঁও অঞ্চলসমূহৰ অসমৰ লগত বহুত সাদৃশ্য আছে। ৯.০০ বজাত নিউ জলপাইগুৰি পালোগৈ। ষ্টেচনৰ ওচৰত হোটেলত ৰাতিপুৱাৰ আহাৰ খাই গেংটক অভিমুখে ৰাওনা হ'লো। আমাৰ গাড়ীখনৰ ড্ৰাইভাৰজন নেপালী সম্প্ৰদায়ৰ আছিল। যাত্ৰা পথত বহুত হাঁহি উঠা ঘটনা ঘটিছিল। বাটত ড্ৰাইভাৰজনে আমাক সুধিলে, "পানী হৈ?" যিহেতু আমি নেপালী ভাষা





নাজানো গতিকে একো বুজি নাপাই ইজনীয়ে সিজনীৰ মুখলৈ চাইছিলো। মৌচুমীয়ে বুজি পাই তেওঁলৈ পানী এবটল আগবঢ়াই দিলে। পাছতহে বুজি পালো যে তেওঁ পানী খুজিছিল। বাটত প্ৰিয়ংকাই টোপনি গৈছিল, সাৰ পাই তাই কৈছিল, "মই ইয়াত বৰফ পৰিব বুলিহে ভাবিছিল, ইয়াত বালিহে পৰিছে দেখোন।" আমি বাটত কিমান কল গছ আছে তাৰো হিচাপ কৰিছিলো। বাটত আমি নৈখনৰ ফটো তুলিছিলো। নীলা পানীৰে নৈখন বৰ ধুনীয়া লাগিছিল।

আবেলি ৩.৩০ বজাত আমি গেংটক পালোগৈ। আমি হোটেল 'Lhonerk Leisure' অত আছিলো। আমি চাৰিজনীকৈ এটা ৰুমত আছিলো। সন্ধিয়া ৬.০০ বজাত ওচৰৰ 'M.G. Mary' নামৰ ঠাই এডোখৰলৈ গ'লো য'ত বিভিন্ন ধৰণৰ দোকান আছিল। একো নিকিনিলেও আমি দোকানবোৰৰ সামগ্ৰীসমূহত চকু ফুৰাই গ'লো। ৯.০০ বজাত ভাত খাই ৰুমলৈ গ'লো। আমাৰ ৰুমত মই, বিদিশা, শিখামণি আৰু চয়নিকা আছিলো। আমি কথা পাতি পাতি বহুত ৰাতিলৈকে সাৰ পাই আছিলো।



৫ জানুৱাৰীৰ ৰাতিপুৱা উঠি সকলোৰে হুলস্থুল। কাৰণ হ'ল গা ধুবলৈ বাথৰুমত গৰম পানীৰ অভাৱ। অৱশেষত যেনিবা পানীৰ যোগাৰ হ'ল। সকলোৱে ৯.০০ বজাত টাউনখনৰ কিছুমান উল্লেখযোগ্য ঠাই চাবলৈ ওলালো। প্ৰথমে হনুমান টকলৈ গ'লো য'ত এটি হনুমান মন্দিৰ আছে। মন্দিৰ দৰ্শন কৰি আমি গণেশ টকলৈ গ'লো। তাত আমি গণেশ মন্দিৰ দৰ্শন কৰাৰ লগতে পৰম্পৰাগত সাজ-পোছাক পিন্ধি ফটো তুলিলো। সেই পোছাকত সকলোকে তাৰ স্থানীয় লোকৰ দৰে লাগিছিল। তাৰ পাছত আমি 'বাক্থাং জলপ্ৰপাত চাবলৈ গ'লো। এই জলপ্ৰপাত চাই আমি বৌদ্ধ বিহাৰ এখন দৰ্শন কৰিলো। বৌদ্ধ বিহাৰখনত সোমায়েই মনটো বৰ পাতল পাতল লাগিছিল। আমি আবেলি আহাৰ খাবলৈ হোটেললৈ উভতি আহিলো।

তাৰ পাছত 'বনঝক্ৰি জলপ্ৰপাত' চাবলৈ গ'লো। জলপ্ৰপাতটোৰ চাৰিওফালে এখন অতি সুন্দৰ পাৰ্ক আছে। অৱশেষত দিনটোৰ বাবে ঠাই পৰিদৰ্শন সামৰি হোটেললৈ উভতি গ'লো। সেইদিনাও সন্ধিয়া আমি 'M.G. Marg' অলৈ গ'লো। তাতে ঘৰলৈ বুলি কিবা-কিবি কিনিলো। ৰুমলৈ উভতি আহি আমি তাত আমোদজনক খেল খেলিবলৈ আৰম্ভ কৰিলো। ইটো ৰুমে সিটো ৰুমলৈ ফোন কৰি বহু ৰাতিলৈকে কথা পাতিলো।

৬ জানুৱাৰীৰ ৰাতিপুৱা ৯.০০ বজাত আমি দিনটোৰ বাবে ওলাই গ'লো। যিহেতু তাত বহুত ঠাণ্ডা পৰিছিল, সেইবাবে বহুতৰ পানী লগা জ্বৰ, কাহঁ আদি হৈছিল। সেইদিনা আমি সাগৰ পৃষ্ঠৰ পৰা ১৪,০০০ ফুট ওপৰত অৱস্থিত 'বাবা মন্দিৰ' আৰু 'ছাংগো লেক' চাবলৈ গ'লো।

বাবা মন্দিৰলৈ যোৱা পথটো বৰ বিপদ সংকুল আছিল।



চাৰিওফালে বৰফাবৃত পাহাৰ আৰু তাৰ মাজৰ এটা সৰু পথেৰে আমি যাত্ৰা কৰিছিলো। যিমানেই ওপৰলৈ গৈ আছিলো সিমানেই ডাৱৰ দেখিবলৈ পাইছিলো।

'বাবা মন্দিৰ' আচলতে কোনো দেৱতাৰ মন্দিৰ নহয়। ই সৰবজন সিংহ নামৰ ২৩ পঞ্জাব ৰেজিমেন্টৰ এজন আৰ্মি বিষয়াৰ স্মৃতিত নিৰ্মিত স্মৃতিসৌদ্ধহে। তেওঁৰ এটি দুৰ্ঘটনাত মৃত্যু হৈছিল। ১৯৬৮ চনৰ ৪ অক্টোবৰত। মানুহে কোৱা মতে মৃত্যুৰ পাছত বিষয়া গৰাকীয়ে সহকৰ্মী সকলক সপোনত দেখা দি এই মন্দিৰ নিৰ্মান কৰিবলৈ অনুৰোধ কৰিছিল।

বিশ্বাস মতে এই মন্দিৰলৈ ৰুগীয়া মানুহৰ নামত পানী আনি মন্দিৰত ৰাখি যোৱাৰ সময়ত লৈ গৈ ৰুগীক খোৱালে ৰোগ ভাল হয়। এই পানী ৰুগীয়ে ২১ দিন খাব লাগে আৰু এই সময়ত ৰুগীৰ পৰিয়াল বৰ্গই নিৰামিষ আহাৰ গ্ৰহণ কৰিব লাগে।

আবেলি আমি হোটেললৈ উভতি আহিলো। ভাবি বেয়া লাগিছিল যে সেইদিনা গেংটকত আমাৰ শেষ দিন। তাৰ মানুহে পৰ্যটকক ভগৱানৰ দৰে জ্ঞান কৰে। এনে এখন ঠাই ইমান সোনকালে এৰি আহিবলৈ পাই বৰ দুখ লাগিছিল। তিনি দিনতে ঠাইডোখৰ বহুত আগৰ চিনাকী যেন লাগি গৈছিল। ৰুমলৈ আহি সকোলোৱে কাপোৰ পেকিং কৰাত লাগিলো।

৭ জানুৱাৰীৰ ৰাতিপুৱা ৮.০০ বজাত আমি ৰুমৰ পৰা বেগ লৈ ওলাই আহিলো। ৯.০০ বজাত বাছত উঠি নিউ জলপাইগুৰি অমিমুখে যাত্ৰা আৰম্ভ কৰিলো। আহিবৰ সময়ত সকলোৰে বেয়া লাগিছিল। সকলোৰে গেংটকতে থাকি যোৱাৰ মন আছিল। দুখ লাগিছিল যদিও আমি বাছত খুব ফুৰ্তি কৰিলো। এনেকোৱা লাগিছিল যেন এই আনন্দৰ মুহূৰ্তবোৰ কেতিয়াও শেষ নহওক। অৱশেষত আমি ৩.০০ বজাত নিউ জলপাইগুৰি ৰেল ষ্টেচন পালোহি। তাৰ পাছত আমি চিলিগুৰিৰ বজাৰত সোমালো। সন্ধিয়া ৭.৩০ বজাত গুৱাহাটী অভিমুখি 'কাঞ্চনজংঘা এক্সপ্ৰেছত' উঠিলো।

৮ জানুৱাৰীৰ দিনা ৪.৩০ বজাত ৰঙিয়াত নামিলো। ৬.০০ বজাত ডিব্ৰুগড় অভিমুখি 'ৰঙিয়া এক্সপ্ৰেছ'ত উঠি সন্ধিয়া ৫.৩০ বজাত শিৱসাগৰ পালোহি।

৯ জানুৱাৰীৰ পৰা পুনৰ ব্যস্ততাপূৰ্ণ জীৱনত সোমাই পৰিলো যদিও এই ভ্ৰমণটোৰ স্মৃতিয়ে মাজে মাজে আমনি কৰে। কেতিয়াবা হঠাৎ মনটো গেংটকলৈ উৰা মাৰে। প্ৰকৃতিৰ ইমান সুন্দৰ সৃষ্টি আগতে মই কেতিয়াও দেখা নাছিলো। গেংটকত কটোৱা প্ৰতিটো মুহূৰ্ত মোৰ বাবে চিৰস্মৰণীয় হৈ ৰ'ব।



# নীলাখামৰ চিঠিৰ ভাঁজে ভাঁজে



বুকুৰ নীলা, ক'লা বা ৰঙা
চিয়াহীৰ আখৰবোৰে এখন
চোতালৰ পৰা কঢ়িয়াই আনে
আৱেগৰ ঢৌবোৰ, অথবা
লাজুকীয়া শিহঁৰণবোৰ আন
এখন বুকুৰ চোতাললৈ। নীলা
খামৰ চিঠিৰ ভাঁজে ভাঁজে,
ডাকোৱালৰ চাইকেলৰ টিলিঙাৰ
পৰিচিত শব্দৰে নিজৰ পদূলি
মুখৰিত হোৱাটো প্ৰতিখন ৰঙীণ
হৃদয়ৰ জীপাল অভিলাষ....

# মৰমৰ বান্ধৱী 'লিজা',

গীতিমণি বৰুৱা
স্নাতক পঞ্চম ষাণ্মাষিক, অসমীয়া বিভাগ

প্ৰথমে তোমালৈ মোৰ আন্তৰিক শুভেচ্ছা জনালো। শীতৰ সেমেকা কোমল সন্ধিয়াটোত তোমালৈ চিঠিৰ জৰিয়তে একলম লিখি আমাৰ কলেজৰ বাৰ্ষিক কলেজ সপ্তাহৰ বিষয়ে জনাম বুলি ভাবিছো। বৰ্তমান ভগৱানৰ আৰ্শীবাদত মোৰ ভাল। আশাকৰো তোমাৰো ভাল। মা-দেউতাক মোৰ সেৱা জনালো।

যোৱা সোমবাৰৰ পৰা আমাৰ কলেজত বাৰ্ষিক কলেজ সপ্তাহ আৰম্ভ হৈছে। মই সকলো প্ৰতিযোগিতাতে অংশগ্ৰহণ কৰা নাই, কিন্তু প্ৰথম আৰম্ভণিৰ দিনা মাৰ্চ পাচ প্ৰতিযোগিতাত অসমীয়া বিভাগৰ হৈ অংশগ্ৰহণ কৰিলো। আমাৰ ছোৱালীবোৰক দেখিবলৈ যে কিমান ধুনীয়া লাগিছিল, তুমি নেদেখিলে বুজিব নোৱাৰা, বগা টুপী, বগা চেলোৱাৰ, চুলিত বগা ফিটা, বগা জোতা আৰু সেউজীয়া দোপাট্টাৰে দেখিবলৈ বৰ সুন্দৰ লাগিছিল। তাৰ লগে আন আন বিভাগৰ ছাত্ৰীসকলকো দেখিবলৈ বৰ ভাল লাগিছিল। ইয়াৰ পিছতে আমাৰ কলেজত আন আন বিভাগৰ সাংস্কৃতিক, সাহিত্য আৰু খেলবোৰ অনুষ্ঠিত হৈছিল। আমি বিয়া-নামো পৰিবেশন কৰিলো। তাৰ পিছত দিহানাম, কোৰাছ, কুইজ, কবিতা আবৃত্তি আদি প্ৰতিযোগিতাবোৰ অনুষ্ঠিত হ'ল। মই সকলোতে অংশগ্ৰহণ কৰিলো। শেষৰ দিনা কলেজ সপ্তাহৰ আটাইতকৈ আকৰ্ষণীয় প্ৰতিযোগিতা আৰু অনুষ্ঠান সাংস্কৃতিক শোভাযাত্ৰাতো মই অসমীয়া বিভাগৰ হৈ অংশগ্ৰহণ কৰিলো। তাত আমাৰ বিভাগৰ পৰা বৃহত্তৰ অসমীয়া সংস্কৃতিৰ ভিতৰৰে শংকৰী সংস্কৃতিৰ প্ৰতীকবোৰ দেখুৱাবলৈ যত্ন কৰিছিলো। তাৰ ভিতৰত গায়ন-বায়ন, নগা-নাগিনী, মিছিং বোৱাৰী, জাকৈয়া ছোৱালী, মুগা চুমনীয়া, ধান দোৱা তিৰোতা আদি দেখুৱাবলৈ যত্ন কৰিছিলো। তাত মই গায়ন-বায়নৰ তাল বজোৱাত অংশ লৈছিলো। আমাৰ কলেজৰ সকলোবোৰ ছাত্ৰীয়ে প্ৰতিযোগিতাবোৰত অংশ লৈছিল। মই দলীয় প্ৰতিযোগিতাৰ উপৰি একক প্ৰতিযোগিতাবোৰতো অংশগ্ৰহণ কৰিলো। তাৰ ভিতৰত থলীতে লিখা কবিতা, বান্ধৱীলৈ লিখা চিঠি আৰু গল্প প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিলো। ইয়াৰ বিষয়বোৰ সাম্প্ৰতিক সময়ৰ পৰিবেশৰ লগত খাপ খুৱাকৈ দিয়া হৈছিল। কবিতাৰ বিষয় আছিল শাৰদীয় কবিতা, গল্পৰ বিষয় আছিল নাৰী নিৰ্যাতন আৰু চিঠি আছিল বান্ধৱীলৈ লিখা চিঠি। নাৰী নিৰ্যাতনৰ বিষয়টোৰে যেতিয়া গল্প এটা লিখিছিলো তেতিয়া মনত পৰিছিল ভাৰতবৰ্ষৰ লগতে অসমৰ বিভিন্ন ঠাইৰ নিৰ্যাতিতা দুৰ্ভগীয়া মহিলা সকললৈ।

মোৰ কথাবোৰ লিখোতে লিখোতে, তোমাৰ কথা সুধিবলৈ পাহৰিয়ে গৈছিলো। তোমাৰ কলেজৰ কলেজ সপ্তাহ কেতিয়া হ'ব জনাবাচোন। আৰু আজিৰ যান্ত্ৰিকতাৰ যুগত নীলা খামৰ চিঠিৰ কথা আমি পাহৰিয়ে গৈছো অ'। হ'লেও তোমাৰ কবৰবোৰ জনাই মৌলৈও এখন চিঠি লিখিবাচোন দেই। মই আশাৰে বাট চাম। শেষত পুনৰ মৰমেৰে আজিলৈ সামৰিছোঁ।

ইতি
তোমাৰ বান্ধৱী
গীতিমণি বৰুৱা
ডিমৌ



# পত্ৰ

তাং- ৩০।১০।২০১৩
শিৱসাগৰ

মৰমৰ মৃন্ময়ী,

পোনপ্ৰথমে দূৰণিবটীয়া বান্ধৱীৰ হৃদয়ভৰা মৰম আৰু শুভকামনাবোৰ হেঁপাহেৰে গ্ৰহণ কৰিবা। কেনে আছা তুমি? ভগৱানৰ আৰ্শীবাদত নিশ্চয় কুশলে আছা।

বহুদিন হ'ল তোমাৰ খবৰ নোপোৱা। যোৱাবাৰ তুমি দিয়া চিঠিখনৰ উত্তৰেই দিয়া নহ'ল। আচলতে কি জানা? দিনে দিনে আমি বৰ যান্ত্ৰিক হৈ পৰিছো। হাতত একেবাৰে সময় নাই। তাতে এতিয়া যুগৰ সৈতে খাপ খাবলৈ গৈ আমিতো ক্ৰমে যন্ত্ৰ এটালৈহে ৰূপান্তৰিত হৈ গৈছো। এফালে আকৌ শিক্ষামন্ত্ৰী ডাঙৰীয়াই কলেজসমূহত স্নাতক পৰ্যায়ত চেমিষ্টাৰ পদ্ধতিৰ প্ৰচলন কৰাৰ পৰা আমাৰ খাবলৈ-শুবলৈ সময় নোহোৱাৰ দৰে হৈছে। পিছে মই এতিয়া তোমালৈ বেলেগ এটা কাৰণেহে চিঠিখন লিখিছো, মানে এইকেইদিন অকণমান পঢ়া-শুনাৰ বোজাৰ পৰা মুক্ত হৈ আমাৰ ভাল লগা কামবোৰ কৰিবলৈ সুবিধা এটা পাইছো। জানা, বহুদিনৰ মূৰত মনটো কিবা মুকলি যেন লাগিছে। এইকেইদিন আমাৰ কলেজত বাৰ্ষিক কলেজ সপ্তাহ চলি আছে। কিন্তু অহা বিশ নৱেম্বৰৰ পৰা আমাৰ তৃতীয় ষান্মসিকৰ পৰীক্ষাও আছে। সেইবাবে কলেজ সপ্তাহত প্ৰথমে যোগদান কৰিবলৈ মনলৈ সংকোচ ভাৱ এটা আহিছিল যদিও কেইদিনমান পঢ়া-শুনাৰ বোজাৰ পৰা মুক্ত হৈ ভাল লগা কিবা এটা কৰিবলৈ উচতনি দি থকা মনটোক মই বান্ধি ৰাখিব নোৱাৰিলো আৰু কলেজ সপ্তাহত যোগদান কৰি মই যে ভাল কামেই কৰিলো সেয়া মই পলমকৈ হ'লেও বুজিলো। আমাৰ কলেজ সপ্তাহ ২৮ নৱেম্বৰৰ পৰাই হোৱা কথা আছিল যদিও সেইদিনা অসম বন্ধ হোৱাৰ বাবে কাৰ্যসূচীসমূহ পাছদিনাৰ পৰাহে অনুষ্ঠিত হ'ল। প্ৰথমতে শিৱসাগৰৰ দৰবাৰ ফিল্ডত পেৰেড প্ৰতিযোগিতাত আমি আমাৰ ৰাজনীতি বিজ্ঞান বিভাগৰ হৈ যোগদান কৰিলো। ইয়াৰ পাছত কবিতা আবৃত্তি প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিলো। আবৃত্তিৰ বাবে দিয়া নিৰ্বাচিত কবিতাটো আছিল কবি ৰাম গগৈদেৱৰ 'পথাৰ'। এটা কথা কি জানা মৃন্ময়ী? কবিতা আবৃত্তি কৰি থাকোঁতে মোৰ ঘৃপকৈ তোমালৈ মনত পৰি গৈছিল। এদিন যে তুমি মোক কৈছিলা পথাৰ তোমাৰ প্ৰিয় বুলি। সেয়ে বোধহয় মোৰ তোমাৰ কথা মনত পৰি গৈছিল। কবিতা আবৃত্তিৰ পাছত প্ৰাচীৰ পত্ৰিকা সমূহৰ প্ৰতিযোগিতা অনুষ্ঠিত হৈছিল। আমিও এই প্ৰতিযোগিতাত ভাগ লৈছিলো। আমাৰ ৰাজনীতি বিজ্ঞান বিভাগৰ প্ৰাচীৰ পত্ৰিকাখনৰ নাম স্ৰোতস্ৰিনী। এই প্ৰচীৰ পত্ৰিকাখন মইয়ে সম্পাদনা কৰিলো জানানে মৃন্ময়ী? এই প্ৰচীৰ পত্ৰিকাখন প্ৰস্তুত কৰিবৰ বাবে আমি কেইবাদিনো কষ্ট কৰিছো। লেখাবোৰ মিলাবলগীয়া হৈছে, বানান কিছুমানো শুদ্ধ কৰিবলগীয়া হৈছে। মুঠতে আমি প্ৰচীৰ পত্ৰিকাখনৰ বাবে আমি বহুত কষ্ট স্বীকাৰ কৰিবলগীয়া হ'ল। পঞ্চম ষান্মসিকৰ বাইদেউহঁতেও আমাক যথেষ্ট সহায় কৰিলে। প্ৰাচীৰ পত্ৰিকাখনৰ কাম কৰোতে তেওঁলোকৰ স'তে আমি কটোৱা সময়বোৰ, ৰসাল আভাবোৰ কোনোবাদিনো পাহৰিব পাৰিব জানো? আমাৰ মনৰ মাজত সেইবোৰ সদায় স্মৃতি হৈ থাকিব। এতিয়াও কেইবাটাও প্ৰতিযোগিতা হ'বলৈ বাকী আছে মৃন্ময়ী। মই সেইবোৰতো যোগদান কৰিম বুলি ভাৰি থৈছো। বাৰু এতিয়া সেইবোৰ কথা বাদ দিয়া। আমাৰ ইয়াত খুউব ঠাণ্ডা পৰিছে জানা। মইতো এতিয়াও গাত উলৰ চুয়েটাৰ এটা পিন্ধি আছো। তোমালোকৰ তাত ঠাণ্ডা কেনে পৰিছে? আৰু এটা কথা মৃন্ময়ী, তোমালোকৰ কলেজ সপ্তাহ হ'লে মোক জনাবাচোন দেই। তুমি কিহত যোগদান কৰিলা সেইয়া জানি মোৰ ভাল লাগিব।

এতিয়া আৰু বিশেষ নিলিখো। মা-দেউতাক মোৰ মৰম দিবা। তোমালোকৰ জুলুকো মোৰ মৰম দিবা দেই। সি ছাগে এতিয়া বহুত ডাঙৰ হ'ল। তোমালৈ পুনৰ মৰম আৰু শুভেচ্ছাৰে আজিলৈ সামৰিছো।

ইতি

তোমাৰ মৰমৰ বান্ধৱী
চিমি কোঁৱৰ

ডাকটিকট

প্ৰতি,

মৃন্ময়ী মহন্ত
যোৰহাট মেডিকেল কলেজ
যোৰহাট- ৭৮৫০০১





## বৰ্ণময় আলাপৰ বিশেষ এপৃষ্ঠা (সাক্ষাৎকাৰ)

কথাশিল্পী তথা কবি-সাহিত্যিক শ্ৰীযুতা তুলিকা চেতিয়া ইয়েনৰ সান্নিধ্যৰে এটি হেঁপাহৰ আবেলি আৰু তেখেতৰ সৃষ্টিৰাজি...।

# এটা বৰ্ণময় আবেলি... কবি, লোক সংস্কৃতিৰ গৱেষিকা তুলিকা চেতিয়া য়েইনৰ সৈতে

## সাক্ষাৎ গ্ৰহণ ঃ যামিনী মহন্ত

*শৰতৰ নিৰ্যাস সনা এটা বৰ্ণময় আবেলিত কবি অনুভৱৰ গদ্য লেখিকা, লোক সংস্কৃতিৰ গৱেষিকা তুলিকা চেতিয়া য়েইনৰ কাষত উপস্থিত হ'লো। আগতীয়া সাক্ষাতৰ অনুমতি লোৱা হেতুকে আমাৰ অপেক্ষাত তেওঁ তেওঁৰ প্ৰিয় ফুলনীখনত বৈ থাকিল। কিন্তু তন্ময় হৈ আছিল এক চিন্তাত। তেওঁৰ চিন্তাৰ জগতত অনাধিকাৰ প্ৰৱেশৰ ইচ্ছা নাছিল যদিও, মই তেওঁৰ চিন্তাভংগ কৰি মাত দিলো। মোৰ পৰিচয় দিয়াৰ লগে লগে মোক ক'লে আহাঁ আহাঁ তোমালোকৰ অপেক্ষাতেই বৈ আছিলো মই*

*তেওঁৰ কথাৰ পৰা বুজিছিলো কফি তেওঁৰ অত্যন্ত প্ৰিয় পানীয়। আমাৰ বাবে একোকাপ কফি আগবঢ়াই তেওঁ উত্তৰ দি গ'ল মোৰ প্ৰতিটো প্ৰশ্নৰ। কোনো জটিলতা তেওঁৰ নাছিল। এক শিশুৰ সৰলতাৰে উত্তৰ দিছিল তেওঁ।*

**যামিনী মহন্ত ঃ** জীৱনত লিখিবলে কেতিয়াৰ পৰা আৰম্ভ কৰিছিল। এই লিখাৰ বিশেষ উদ্দেশ্য আছিল নেকি?

**তুলিকা চেতিয়া য়েইন ঃ** কেতিয়াৰে পৰা বুলি ক'লে, সঠিক সময় মনত নাই। আমাৰ দিনত প্ৰাথমিক বিদ্যালয়ৰ পৰ্য্যায়তে ঠাইত কবিতা, গল্প লিখা প্ৰতিযোগিতা, বছৰেকীয়া খেল-ধেমালিৰ সময়ত অনুষ্ঠিত হৈছিল। মই দেউতাৰ বিদ্যালয়তে পঢ়িছিলো। দেউতা আছিল প্ৰধান শিক্ষক। প্ৰধান শিক্ষকৰ জীয়েক, গতিকে অংশ গ্ৰহণ বাধ্যতামূলক আছিল। এই প্ৰতিযোগিতা সমূহত মই পুৰস্কাৰ পাইছিলো, সেয়ে শৈশৱতেই আন্তঃজিলা আন্তঃ মণ্ডল থলিতেই লিখা কবিতা, গল্প ৰচনা প্ৰতিযোগিতাত অংশগ্ৰহণৰ বাবে নিৰ্বাচিত হৈছিলো। এই প্ৰতিযোগিতাৰ থলিতেই আচলতে মোৰ মনত ৰূপিত হৈছিল। লেখা-মেলা কৰাৰ অংকুৰ- সেয়াই আৰম্ভণি।

মোৰ এজন সপোন কোঁৱৰ আছিল। একেখন চহৰতে আমি আছিলো যদিও তেওঁ আৰু মই নিসংগতাৰ একোটা দ্বীপ আছিলো। মই মোৰ মনৰ ক্ষোভ, যন্ত্ৰণা, বিদ্ৰোহ তেওঁক মোক লেখনিৰ জৰিয়তে জনাব বিচাৰিছিলো। কিন্তু এতিয়া মই উশাহ লৈ থাকিবৰ বাবে লিখোঁ। কলমটোৱেই মোৰ জীৱন।

**যামিনী মহন্ত ঃ** অসমীয়া প্ৰতিদিনৰ দেওবৰীয়া আলোচনী সম্ভাৰত প্ৰকাশিত আপোনাৰ "স্বপ্ন স্বদেশ অৰুণাচল"এ বিপুল জয়প্ৰিয়তা লাভ কৰিছিল। আপোনাৰ মনত আত্মজীৱনী এখন লিখাৰ ভাবটো কিয় উদয় হৈছিল?

**তুলিকা চে.য়েঃ** এইয়া মাথো এদিনৰ যাত্ৰা। সেই যাত্ৰা পথত বহু দিনৰ মূৰত জন্মভূমিত থিয় হৈ যি এক সহৃদয়তা অনুভৱ হৈছিল। সেয়া লিখিছো। মোৰ শৈশৱৰ বিশেষকৈ হঠাৎ মোৰ জীৱনটো অৰ্থহীন হৈ পৰিছিল। কোনো লক্ষ্য নাই, প্ৰেম নাই। বিষাদ নাই, বিদ্ৰোহ নাই। ভয়াবহ অৰ্থহীনতাৰ মাজত শৈশৱৰ এই স্মৃতিৰাজিৰ মাজত মই জীয়াই থকাৰ অৰ্থ বিচাৰি পাইছিলো। প্ৰতিটো খণ্ডই জয়প্ৰিয়তা লাভ কৰিছিল। সম্ভাৰৰ সম্পাদকে অনুৰোধ আৰু দাবী কৰিছিল আৰু মই লিখি গৈছিলো।

**যামিনী মহন্ত ঃ** আত্মজীৱনীখনৰ জনপ্ৰিয়তাত আপোনাৰ কেনে ভাৱ হৈছিল?

**তুলিকা চেঃ য়েঃ ঃ** অভিভূত হৈছিলো নিশ্চয়েই। কিন্তু এক প্ৰকাৰৰ দায়িত্ববোধ বাঢ়িছিল, পাঠকৰ বাবে, সমাজৰ বাবে, স্বদেশৰ বাবে।

**যামিনী মহন্ত ঃ** কবি, প্ৰবন্ধকাৰ তুলিকা চেতিয়া য়েইনক জানিবৰ বাবে 'স্বপ্নৰ স্বদেশ অৰুণাচল' যথেষ্ট নে?

**তুলিকা চেঃ য়েঃ ঃ** যথেষ্ট নহয়। এইয়া যাত্ৰা মোৰ শৈশৱ ।কৈশোৰৰ এখিলা পাত। য'ত মোৰ স্বাধীন শৈশৱআৰু কৈশোৰৰ কিছু ৰেঙণি



পৰিছে।

**যামিনী মহন্ত ঃ** আপোনাৰ প্ৰকাশিত গ্ৰন্থ সমূহ।

**তুলিকা চেঃ য়েঃ** অৱশ্যেই কেইখনো পুস্তিকা প্ৰকাশিত হৈছে। মই নামকেইটা তোমাক জনাওঁ বাৰু

১। যৌনতাৰ আত্মপাঠ (কবিতাপুথি- ২০১০ চন)

২। হাঁহিৰ আকাশ, প্ৰেমৰ আকাশ (গদ্য সংকলন)

৩। স্বপ্নৰ স্বদেশ মোৰ অৰুণাচল (আত্মজীৱনী)

৪। তুলিকা চেতিয়া য়েইনৰ নিৰ্বাচিত কবিতা (বাঁহৰ ঢকুৱাতে প্ৰস্তুত কৰা বিশেষ খণ্ড)

৫। আকাশ নথকা ৰাতি (কবিতা পুথি)

৬। ঠেংযুং (- দনা গ্ৰন্থ)

**যামিনী ঃ** নিসংগ, একাকীত্ব আপোনাৰ কবিতাৰ মূল উপজীব্য। আনহাতে, দুৰ্দ্দান্ত প্ৰেম। দেশৰ প্ৰতি ভালপোৱা। সমাজ সচেতনতা আপোনাৰ কবিতাত মূৰ্ত হৈ থাকে। আপুনি সমাজৰ পৰা বিচ্ছিন্ন হৈ একাকীত্বত বুৰ যায়নে?

**তুলিকা ঃ** কবিতা, গদ্য লিখাৰ সময়ত মই একাকীত্বত বুৰ যাওঁ। মোৰ চৌপাশৰ পৃথিৱী, এই আমাৰ সকলোৰে পৰা বিচ্ছিন্ন হৈ পৰো সেই মূহুৰ্ত্তত। স্বাৰ্থপৰতা আৰু মুখা পিন্ধা মানুহবোৰৰ পৰা আতঁৰাত থাকো। নিঃসঙ্গ হৈ থাকি ভালপাওঁ। এই নিঃসঙ্গতাই মোৰ সাহিত্য কৰ্ম্মৰাজিৰ একমাত্ৰ স্ফুলিংগ। মই যেতিয়া এটা কবিতা লিখো, মই কাৰো কথা নাভাবো। মোৰ হৃদয়ৰ হৃদয়ত যি সূক্ষ্মতম সূক্ষ্ম অনুভূতিৰ সৃষ্টি হৈছে, সেয়া মই লিখি যাওঁ। সেই সময়ত তেজৰ চিয়াহী হৈ ৰূপান্তৰিত কৰোঁ, সেয়ে একাকীত্বৰ মাজত থাকি ভালপাওঁ, ভালপোৱাও ঠিক নহয়, ই অৱধাৰিত।

**যামিনী ঃ** 'আকাশ নথকা ৰাতি' এই কবিতাটোৰে নেপথ্যৰ কথা ক'ব নেকি?

**তুলিকা ঃ** আকাশৰ সতে মোৰ এক নিবিড় সম্পৰ্ক আছে। বহু সময়ত এনে হৈছে মোৰ সুখ। মোৰ দুখ, মোৰ আশা, মোৰ সপোন সকলোবোৰ আকাশৰ সৈতে Sha কৰিছোঁ। আকাশ খনেই মোৰ সুখ,দুখ, নিঃসঙ্গ বিষাদৰ একমাত্ৰ সহচৰ। কেতিয়াবা এনে লাগে। মই লেলিহানে জুইৰ জাকত জাহ গৈছো। সাগৰীয় ধুমুহাৰ মাজত দিক-বিদিক হেৰুৱাইছো। বুকুৰ ভিতৰত নাম নথকা বিষটোৱে মোক অক্টোপাচৰ দৰে আলিংগন কৰিছে, হৃদয়ত হাঁহাকাৰ। বিশ্বাস ভংগতা যুক্তিত থবক-বৰক মোৰ স্থিতি, মোৰ প্ৰেম। সেই সময়ত নিঃসঙ্গ এক দ্বীপত অৱগাহন কৰি মই লিখিছিলো, মাত্ৰ এটা শাৰী "আকাশ নথকা ৰাতি" বিষাদৰ সেই দীঘল ৰাতিটোত মই মোক, মোৰ পৰা কাঢ়ি লৈ গৈছিলো। কবিতাটোত বাস্তৱতা, সমাজ আৰু মোৰ একাকীত্বই ঠাই পাইছে। কিন্তু কল্পনাৰ বেশ তিলমানো কবিতাটোত নাই। প্ৰেমিকৰ দুচকুত ভৰ দি উৰি ফুৰা কৈশোৰৰ metaphor ওৰোটো জীৱন কঢ়িয়াই লৈ ফুৰাৰ পাছত যি যান্ত্ৰিকতা। এইবোৰেই বহুযান্ত্ৰিক ৰূপত সমাহাৰ ঘটিছে কবিতাটোও। কবিতাটো সম্পূৰ্ণ হৈ উঠোতে প্ৰায় ছমাহ লাগিছিল। তথাপিও মই সন্তুষ্ট হ'ব পৰা নাই।

**যামিনী ঃ** অসমীয়া সাহিত্যৰ কোনোজন অগ্ৰজৰ লেখাই আপোনাক মোহিত কাৰ? আপোনাৰ প্ৰিয় উপন্যাস?

**তুলিকা ঃ** যদি কবিৰ কথা কোৱা, মই হীৰেণ ভট্টাচাৰ্যৰ কবিতাত ডুব মাৰি ভালপাওঁ।

মোৰ প্ৰিয় উপন্যাস দুখন- এখন অসীমত যাৰ হেৰাল সীমা আৰু আনখন অনুৰাধাৰ দেশ। উপন্যাসিক দুজনৰ নাম তুমি জানানে?

**যামিনী ঃ** হয় জানো, কাঞ্চন বৰুৱা আৰু ফণীন্দ্ৰ কুমাৰ দেৱচৌধুৰী। বাইদেউ, নিয়মীয়া বাৰ্তাত প্ৰকাশিত যাযাবৰী দিনলিপিয়ে ইতিমধ্যে পাঠকৰ মাজত জনপ্ৰিয়তা লাভ কৰিছে। আপোনাৰ এই যাত্ৰাৰ বিষয়ে ক'বনে?

**তুলিকা ঃ** মই এক যাযাবৰেই। দৌৰি ফুৰো নদীৰ তীৰে তীৰে, পাহাৰৰ মাজে মাজে। মোৰ এই যাযাবৰী জীৱনটোৰ কথা উমান পাই বাঁহীৰ সম্পাদক মোহন কাকতি ডাঙৰীয়াই নিয়মীয়াকৈ এটা কলম লিখাৰ প্ৰস্তাৱ দিলে। মই এটা থ্ৰীল অনুভৱ কৰিলো। আৰু এইয়া বাঁহীৰ পাতত মোৰ এক অন্য যাত্ৰা। পাঠকৰ সতে গৈ থাকিবলৈ পালে মই সুখী হওঁ।

**যামিনী ঃ** নতুন প্ৰকল্পৰ বিষয়ে কিবা ক'বনে?

**তুলিকা ঃ** নতুন প্ৰজন্মক লৈ মই আশাবাদী। তেওঁলোকে প্ৰতিটো কথা যুক্তিৰে ভাৱে। আমি আৱেগেৰে ভাৱো বাবে উজুটি খাওঁ। নতুন প্ৰকল্পৰ সেই উজুটি খোৱাৰ সম্ভাৱনা নাই। কিন্তু তেওঁলোকে শিপা খামুচি থকাটো মই বিচাৰোঁ।

**যামিনী ঃ** ধন্যবাদ বাইদেউ, শেষত মাত্ৰ এটা প্ৰশ্ন, আপুনি সদায়েই "সপোনৰ" কথা কয়। কবিতা, গদ্য, সকলোতে সপোন শব্দটোৱে আপোনাৰ লগ নেৰে কিয়?

**তুলিকা ঃ** আচলতে, মই সপোন বিলাসী। প্ৰতিদিনেই মোৰ সপোনবোৰ বাস্তৱত ৰূপায়িত কৰিবৰ বাবে মনটো মই প্ৰতিযোগী মুখৰ কৰি দিওঁ। এই প্ৰতিযোগিতাই মোক জীয়াই থকাৰ - প্ৰেৰণা যোগায়।

**যামিনী ঃ** পুনৰবাৰ আপোনাক ধন্যবাদ জনাইছোঁৰ।

**তুলিকা ঃ** তোমাৰ জীৱন ফুল তৰা পখিলাৰ সুমধুৰ গীতেৰে উপচি পৰক যামিনী। ধন্যবাদ।





# গল্পৰ চানেকী

কল্পনা আৰু ৰুগ্ন বাস্তৱৰ সংমিশ্ৰণেৰে ৰসাল হৈ পৰে গল্পৰ
পৃষ্ঠাবোৰ। লেখকৰ অনুভৱেৰে প্ৰতিটো চৰিত্ৰই হাঁহে,
কান্দে আৰু কথা কয় নিজস্ব ভংগীমাৰে।
লেখকৰ দুখত দুখী আৰু সুখত সুখী হোৱা পাঠক সমাজৰ
সমভাগী হৃদয়বোৰে আব্দাৰ কৰি
উঠে কাহিনীৰ পম খেদি..

# আপোনাৰ বিয়াখন ঠিক হৈ আছে নেকি?

প্ৰাঞ্জল প্ৰতিম বড়া
সহকাৰী অধ্যাপক ইংৰাজী বিভাগ
জাঁজী হেমনাথ শৰ্মা কলেজ

অমিতাভ বৰুৱাই আকৌ এবাৰ এবাৰ ঘূৰি চালে। হয় সেইজনী ছোৱালীয়েই। চূৰ্ণীখনেৰে মূৰৰ চুলিখিনি এতিয়াও ঢাকি ৰাখিছে। অমিতাভ বৰুৱাই মনত পেলালে- ক'ৰবাত কেতিয়াবা বাৰু ছোৱালীজনীক আগত দেখিছিল নেকি?

এয়াৰপৰ্টত ছোৱালীজনীক দেখিছিল। বগা ৰঙৰ চুৰিদাৰযোৰেৰে তাইক বৰ ধুনীয়াজনী লাগিছিল। কান্ধত ওলমাই লৈছিল জনগোষ্ঠীয় চানেকী দাঙি ধৰা এটা হেণ্ডলোম বেগ। চকুযোৰ ঢাকি ৰাখিছিল গাগলচ এযোৰে। এয়াৰপৰ্টৰ পৰা ওলাই আহোঁতেই অমিতাভ বৰুৱাৰ চকুত পৰিছিল ছোৱালীজনী। বগা ৰং তেওঁৰ বৰ প্ৰিয়। সেইবাবেই কিজানি প্ৰথম নজৰতে বগা চুৰিদাৰেৰে ছোৱালীজনীক ভাল লাগিছিল। কিঞ্চিত ওখ আৰু লাহী ছোৱালীজনী সাজ-পোছাক আৰু খোজ-কাটলে অমিতাভৰ সন্মুখত ছোৱালীজনীৰ এখন সম্ৰান্ত ছবি দাঙি ধৰিছিল। "ছোৱলীজনী আধুনিক কিন্তু -। হয়তো নিজৰ জাতীয় কৃষ্টি পৰম্পৰাৰ প্ৰতি দায়িত্বশীল" অমিতাভ বৰুৱাই মনতে ছোৱলীজনীক এখন চাৰ্টিফিকেট দি পেলাইছিল।

এয়াৰপৰ্টত যদি সেই মুহূৰ্তত এখনেই টেক্সি থাকিলে হয়। সেই ছোৱালীজনী আৰু অমিতাভে একেখন টেক্সিৰে চেয়াৰ কৰিব লগা হোৱা হ'লে। এয়াৰপৰ্টৰ পৰা ওলাই টেক্সিখনত উঠোতে অমিতাভে ভাবিছিল। কথাবোৰ-ঘটনাবোৰ এনেকুৱাহ'লে কিমান যে মজা হ'লহেঁতেন। টেক্সিখনে এয়াৰপৰ্ট এৰালৈকে তেওঁ ছোৱালীজনীলৈ চাই থাকিল। এয়াৰপৰ্ট এৰাৰ লগে লগে বিষ এটাই বুকুত কামোৰা যেন অনুভৱ কৰিছিল তেওঁ। এয়াৰপৰ্টৰ পৰা আন্তঃৰাজ্যিক বাছ আস্থানটৌলৈ আহি থাকোঁতে অমিতাভ বৰুৱাই গোটেই বাটটো ছোৱালীজনীৰ কথাকেই ভাবি আহিল। অমিতাভ বৰুৱাই আগতেই এনেদৰে ভ্ৰমণ কৰিছে। মহানগৰ মাজেদি আহিলে অমিতাভ বৰুৱাই সাধাৰণতে মহানগৰীৰ যান্ত্ৰিক জগতখনৰ কথা ভাবে। ইমান ট্ৰেফিক জাম। ইমান ধূলি, ইমান আৱৰ্জনা। আধুনিক মানুহবোৰ যেন সাজ-পোছাকবোৰহে আধুনিক হৈছে। ডিগ্ৰী-ডিপ্লমাৰহে যেন আধুনিক হৈছে। মহানগৰ এখনত মানি চলিব লগা নীতি-নিয়ম একোৱেই যেন মানিব নোখোজে আধুনিক নগৰীয়া মানুহবোৰে। এম্বুলেন্সখনকো বাট এৰি নিদি বৰমানুহ অহংকাৰেৰে যেন অহংকাৰী মানুহবোৰ। নিজৰ ঘৰখন পৰিপাটীকৈ ৰাখিবলৈ মানুহবোৰ আটাইয়ে সচেতন। ঘৰৰ ভিতৰত ধূলিকণা এটাও প্ৰৱেশ কৰিবলৈ নিদিয়ে। নিজৰ ঘৰখন সবাংগ-সুন্দৰ পৰিপাটীকৈ ৰখা মানুহবোৰেই আকৌ ঘৰৰ আবৰ্জনাবোৰ ৰাস্তাত অথবা ৰাস্তা কাষৰ নলাটোত পেলাইহে মহাশান্তি পায়। পানী বাগৰা নলাটোত আবৰ্জনা পেলাই কাম কৰি কৃত্ৰিম বানপানী সৃষ্টি কৰে। একেখিনি মানুহেই আকৌ কৃত্ৰিম বানপানী হ'লে ধৰ্ণা-আন্দোলন কৰে। পথ অৱৰোধ কৰে। এনে পথ অৱৰোধত বন্দী হোৱাৰ অভিজ্ঞতাও হৈছে অমিতাভ বৰুৱাৰ। এনে পথ অৱৰোধত আৱদ্ধ হৈ পৰা চিকিৎসালয়লৈ নিয়া সন্তান সম্ভাৱনা মহিলাৰ চিৎকাৰো এবাৰ নিজ চকুৰে তেওঁ দেখিছিল। দেশৰ উত্তৰ পূবৰ মূল মহানগৰখনৰ এনে অৱস্থাই অমিতাভ বৰুৱাক মাজে সময়ে চিন্তাত পেলায়। ভ্ৰমণৰ সময়ত কেতিয়াবা কবিতা, গল্প কিবা এটা পঢ়িবলৈ ল'লেও গল্প-কবিতাৰ বিষয়বস্তুত সামাজিক সমস্যাই স্থান পালে সেই সমস্যাক লৈ চিন্তাগ্ৰস্ত হয় অমিতাভ বৰুৱা। যাত্ৰাকালতো এনে চিন্তাবোৰক সাৰটি লয় তেওঁ। বন্ধু মনজিতে অমিতাভক কয়-

"ইমান চিন্তা কৰ কিয় দোস্ত? চিন্তাবোৰক মগজুত ঘৰ বান্ধিবলৈ দিয় বাবেই আজিলৈকে তোৰ শৰীৰত মঙহে ঘৰ নাবান্ধিলে।"

এয়াৰপৰ্টৰ পৰা বাছ আস্থানলৈ টেক্সিখনত যাত্ৰা কাৰোতে কিন্তু অমিতাভ বৰুৱাৰ মাগজুত কোনো সামাজিক সমস্যাই ভুমুকি মৰাৰ সুবিধা নাপালে। বগা চুৰিদাৰযোৰৰ সৈতে সেই ছোৱালীজনীৰ মুখখনহে তেওঁৰ চকুৰ আগত ওমলি থাকিল।

২

"আপুনি কোনফালে যাব?"- যাত্ৰী এজনে অমিতাভ



বৰুৱাৰ গাতে গা লগাই চকীখনত বহি প্ৰশ্ন কৰিলে।

অমিতাভ বৰুৱাই মানুহজনৰ মুখখনলৈ চালে। অচিনাকী মানুহক জানো সঠিক উত্তৰ দিয়া উচিত হ'ব? আজিকালি যিবোৰহে ঘটনা ঘটিবলৈ ধৰিছে, অচিনাকী মানুহক সঁচা উত্তৰ দিবলৈ অসুবিধা। অমিতাভ বৰুৱাই মনতে কথাবোৰ জুকিয়াই চালে।

'আপুনি যোৰহাটলৈ যাব নেকি?'- অমিতাভলৈ লক্ষ্য কৰি মানুহজনৰ দ্বিতীয়টো প্ৰশ্ন।

'নহয় শিৱসাগৰলৈ যাম আপুনি?'- অমিতাভৰ পোনপতীয়া মিছা উত্তৰ।

'এ নক'ব আৰু' ডেৰ ঘন্টা ধৰি বাছ আস্থানটোত অপেক্ষা কৰিছো। ছোৱালীজনী দিল্লীৰ পৰা এয়াৰত আহিছে।' মানুহজনে একে উশাহতে কথাবোৰ কৈ গ'ল।

সেইজনী ছোৱালীয়েই বাৰু এইজনী ছোৱালী হ'ব পাৰে নেকি, যাৰ দেউতাকে অমিতাভ বৰুৱাৰ গাতে গা লগাই বহি এয়া বাৰ্তালাপ কৰিছে। অমিতাভ বৰুৱাৰ মনটো কিবা এটা ভাল লাগি গ'ল। মানুহজনৰ সৰ্বশৰীৰত তেওঁ চকু ফুৰালে। হ'ব পাৰে জানো এইজন সেইজনী ছোৱালীৰ দেউতাক। ছোৱালীজনীক দেখিলেই চোন সম্ভ্ৰান্ত ঘৰৰ ছোৱালী যেন লাগিছিল। মানুহজনকটো মুঠেই এনেকুৱা লগা নাই। মুখত তামোল - লৈ অমিতাভ বৰুৱাৰ স'তে বাৰ্তালাপ কৰা মানুহজনে মজিয়াতে এবাৰ পিক পেলোৱা প্ৰত্যক্ষ কৰিলে। বাছ আস্থানটোৰ যাত্ৰী জিৰণি কোঠাৰ মাৰ্বল পাথৰৰ ধুনীয়া মজিয়াখনতে এনেকৈ পিক পেলোৱা বাবে মানুহজনক কিবা এটা ক'ব বুলি ভাবিছিল যদিও অমিতাভ বৰুৱাই একো নক'লে। এনেকুৱা কথাত মাত মাতিবলৈ গ'লে বিহৰাহ সন্মান হানি হয়। অমিতাভ বৰুৱাৰ এবাৰ এনেকুৱা এটা ঘটনাৰ অভিজ্ঞতা হৈ গৈছে। শাৰীৰিক ভাৱে অপদস্থ হোৱাৰ পৰা কথমপিহে বাচিছিল। যোৰহাটৰ আন্তঃৰাজ্যিক বাছ আস্থানটো মুকলি কৰা মাঁথো এসপ্তাহ মানৰ পিছৰ ঘটনা। গুৱাহাটীলৈ যাবলৈ বাছলৈ অপেক্ষা কৰিছিল অমিতাভ বৰুৱাই। যুৱক এজনে তামোলখন খাই ধুনীয়া বেৰখনতে চূণখিনি সানিছিল।

'তুমি চূণখিনি বেৰখনত কিয় সানিলা? চোৱাচোন, বেৰখন লেতেৰা হৈ গ'ল।' অমিতাভ বৰুৱাই সৰলতা ভাৱে যুৱকজনক সচেতন কৰিব খুজিছিল।

'সানিলো যেনিবা। আপোনাৰ পিছে কি হ'ল? আপোনাৰ ঘৰৰ বেৰটো নহয়।'

যুৱকজনৰ তাৎক্ষণিক উত্তৰত সিদিনা সচকিত হৈছিল অমিতাভ বৰুৱা। মৌন হৈ ৰৈছিল তেওঁ। কি ঠিকনা- কোন মূহূৰ্তত দেশৰ নতুন প্ৰজন্মৰ হাতত অপদস্থ হ'ব লগা হয়।

'আপুনি জাননে মই কোন? বেৰত চূণ সানো বা নাসানো আপুনি কোন মোক ক'বলৈ।'

অমিতাভ বৰুৱাক লক্ষ্য কৰি যুৱকজন পুনৰ গুৰজি উঠিছিল সেইদিনা।

'আপুনি কোন নাজানো। অনুগ্ৰহ কৰি কওকচোন।' অমিতাভ বৰুৱাই সুধিম বুলি ভাবিছিল এনেকৈ। পিছে নোসোধিলে। যুৱকজন হয়তো কোনো দল-সংগঠনৰ নেতা হ'ব পাৰে। কথাটো অনুমান কৰি অমিতাভ বৰুৱাই আৰু কথা নবঢ়ালে। কিছুমান কথা ক'লে অনাহকত কথা বাঢ়েহে।

'বেয়া নাপায় যদি আপোনাৰ ফ'নটো অকনমান দিব নেকি?'

ছোৱালীজনীৰ বাবে অপেক্ষা কৰি থকা মানুহজনে কৰা প্ৰশ্নটোতহে সম্বিত ঘূৰি আহিল অমিতাভ বৰুৱাৰ।

'আপোনাৰ ফ'নটো কি হ'ল?'

মানুহজনৰ চাৰ্টৰ ওপৰ পকেটত থকা ম'বাইলটোলৈ চকু ৰাখি অমিতাভ বৰুৱাই সুধিলে।

'এ নকব আৰু মোৰ ম'বাইলটোত পইচা নাই। ইয়াত মোৰ ফ'নটো নালাগেওচোন।' অলপ লাজ লাজকৈ উত্তৰ দিলে মানুহজনে।

'কালৈ ফোন কৰে? নম্বৰটো কওক মই লগাই দিও। ক'লে অমিতাভ বৰুৱাই।

'ছোৱালীজনীলৈ ইমান পৰে আহি পোৱা নাই। চিন্তাই লাগিছে। ৯৭০৭৭৩১...' মানুহজনে কৈ গ'ল। অমিতাভে কী পেডত আঙুলি বুলাই গ'ল।

"হেল্ল। হেল্ল। হেল্ল...।" ফ'নটো কাণত লৈ মানুহজন চকীখনৰ পৰা উঠি গ'ল।

মানুহজন ঠগ-প্ৰৱঞ্চক নহয়তো? ফ'নটো লৈ উধাও হ'ল নেকি? দিল্লীত থাকোতেই বন্ধু মনজিতে কথা প্ৰসংগত এবাৰ অমিতাভ বৰুৱাক কৈছিল- "আজিকালি অসম মুলুকত সৰ্বাধিক চুৰি হোৱা সামগ্ৰী দুবিধ হ'ল- গাড়ী আৰু ম'বাইল হেণ্ডচেট।" মনজিতৰ কথাষাৰলৈ ঘপহকৰে মনত পৰি গ'ল অমিতাভ বৰুৱাৰ।

'ধন্যবাদ এইটো লওক আপোনাৰ ফ'নটো।

মানুহজনে লৰালৰিকৈ অমিতাভক ফ'নটো ঘূৰাই দি খৰখোজেৰে বাহিৰলৈ ওলাই গ'ল। অমিতাভ বৰুৱাৰ বুকুখন চিৰিংকৈ গ'ল। কি হ'ল মানুহজনৰ। এনেকৈ একো নোকোৱাকৈয়ে



যে গুচি গ'ল। মানুহজন সঁচাকৈয়ে সেই ছোৱালীজনীৰ দেউতাক হয়তো? তেওঁৰ ফ'নটোৰে যে ফ'নটো কৰিলে এবাকৈ ছোৱালীজনীলৈ কৰিলে জানো? মানুহজন প্ৰৱঞ্চক নহয়তো? উগ্ৰপন্থী নহয়তো? তেওঁৰ ফ'নটোৰে কাৰ লগত বা মানুহজনে কথা পাতিলে? কি কথা বা পাতিলে?

প্ৰশ্ন এসোপা পাহাৰ এখন হৈ অমিতাভ বৰুৱাৰ মগজুত হে'চকি মাৰি ধৰিলে। ম'বাইলটো হাতত লৈ মানুহজনে ডায়েল কৰা নম্বৰটোলৈ চালে তেওঁ। কিহৰনো টেনচন হ'ব লাগে। নম্বৰটোত ৰিং কৰি চালেই হ'ল। যদি ছোৱালীৰ কণ্ঠস্বৰ শুনে, কথা পাতি চিনাকী হ'লেই হ'ল। কথা পাতিলেই গ'ম পাব এইজনী ছোৱালী সেইজনী ছোৱালী হয় নে নহয়। এইজন মানুহ সেইজনী ছোৱালীৰ দেউতাক হয় নে নহয়।

অমিতাভ বৰুৱাই কথাবোৰ জুকিয়াই চালে। এয়াৰপৰ্টত দেখা সেই ছোৱালীজনীয়েই যদি মানুহজনৰ ছোৱালীজনী হয়, তেনে ভালেই কথা। অন্ততঃ চিনাকী হ'ব পাৰিব। কথা পাতি ভাল লাগিছে কথাবোৰ আগবঢ়াব পাৰিব। অৱশ্যে অচিনাকী মানুহৰ স'তে ম'বাইলত কথা পতা কথাটো ভাবিলে নিজকে - বুলি গৰ্ব কৰা অমিতাভ বৰুৱা নামৰ মানুহটোকো ভয় এটাই খেদি আহে। ম'বাইললৈ অসমীয়া - প্ৰদূষণ সৃষ্টি কৰাৰ বাতৰি মাজে সময়ে তেওঁ অসমৰ বাতৰি-কাকতত পঢ়িবলৈ পায়। ইন্টাৰনেটতে তেওঁ নিয়মীয়া কাকত-আলোচনীবোৰ পঢ়ে। তামিল, বঙালী, মাৰাঠী ইত্যাদি আঞ্চলিক ভাষাৰ বাতৰি কাকত দিল্লীত পোৱা যায়। পোৱা নাযায় অসমীয়া কাকত আলোচনী, বিষয়টো কেতিয়াবা চিন্তা জোকাৰ তুলি লয় অমিতাভ বৰুৱাই। কালিও তেনে কিবা বাতৰি চকুত পৰিছিল অমিতাভৰ। সন্দেহযুক্ত বাংলাদেশী মানুহ এজনে গাওঁবুঢ়া এজনৰ নাতিনীয়েকক পলুৱাই নিলে। অপৰাধীক কাৰায়ত্ত কৰাৰ দাবীৰে ৰাইজে উপাযুক্তৰ কাৰ্যালয়ত ধৰ্ণা দিছে। পথ অৱৰোধ কৰিছে। প্ৰাথমিক অনুসন্ধানত আৰক্ষীয়ে সন্দেহ কৰিছে- ম'বাইল প্ৰেমৰ পৰিণতি এই ঘটনা।

বাছখন বৰ ধুনীয়া। নতুন বাছ। বাছখনত উঠি অনুভৱ কৰিলে অমিতাভ বৰুৱাই। আৰামী ছীটটোত আৰামেৰে গাটো এৰি দি 'বসুন্ধৰা' আলোচনীখনৰ পাঠ লুটিয়ালে।

'এক্সকিউজ মি'।

অচিনাকী কণ্ঠস্বৰৰ অনুসৰণ কৰি অমিতাভ বৰুৱাই আলোচনীখনৰ পৰা চকুহাল দাঙি আনিলে।

আৰে। এয়া কি? সেই ছোৱালীজনী...?

অমিতাভ বৰুৱা আচৰিত হ'ল। মুখৰ মাত সৰিল। এয়াৰপৰ্টত দেখা সেই ছোৱালীজনী চোন।

'এইটো পাঁচ নম্বৰ ছীট নহয় জানো?' ছোৱালীজনীয়ে প্ৰশ্ন কৰিলে।

'হয় ছাগে, মোৰ নম্বৰ ছয়।' অমিতাভ বৰুৱাই আনন্দ মনেৰে উত্তৰ দিলে। অৱশ্যে আনন্দৰ বাহ্যিক প্ৰকাশ নকৰিলে।

বহোঁ নবাহোঁকৈ ছোৱালীজনী ছীটটোত বহিল।

অমিতাভ বৰুৱাই ঘন উশাহ এটা টানি বতাহত এৰি দিলে। এয়াৰত, বাছত, ট্ৰেইনত বহুবাৰ তেওঁ ভ্ৰমণ কৰিছে। কোনোদিনে কাষৰ ছীটত মহিলা যাত্ৰী পোৱা নাছিল। প্ৰথমবাৰৰ বাবে ছোৱালী এজনী তেওঁৰ কাষত বহিছে। প্ৰথম দৃষ্টিতেই যিজনী ছোৱালীক তেওঁৰ ভাল লাগিছিল, যিজনী ছোৱালীক এয়াৰপৰ্টত এৰি আহোতে বিষ এটাই বুকুত কামোৰা যেন অনুভৱ কৰিছিল সেইজনী ছোৱালীয়েই এতিয়া তেওঁৰ সৈতে ছয় ঘন্টা যাত্ৰাৰ সংগী হ'ব। কথাটো ভাবি কিবা এটা ভাল লাগিল অমিতাভ বৰুৱাৰ

'আপুনি যোৰহাটলৈ যাব?' -ছোৱালীজনীয়ে প্ৰশ্ন কৰিলে।

'হয়। আপুনি?'

'যোৰহাট।'

'ঘৰ যোৰহাটত?'

'হয়।'

ছোৱালীজনীৰ চমু উত্তৰ। অমিতাভ বৰুৱাৰ ভাল নালাগিল চমু উত্তৰটো। ভাল পালে যদি ছোৱালীজনীয়ে তেওঁক তেওঁৰ ঘৰৰ কথাও সুধিলে হয়। পিছে নোসোধিলে।

অমিতাভ বৰুৱাই বসুন্ধৰাৰ গল্পটো পঢ়িবলৈ পাঠ লুটিয়ালে। পিছে পঢ়াত মন নবহিল। তেওঁ লক্ষ্য কৰিলে- ছোৱালীজনীয়েও সাতসৰী আলোচনীখন বেগৰ পৰা উলিয়াই পাত লুটিয়াইছে। জনগোষ্ঠীয় চানেকী দাঙি ধৰা হেণ্ডলুম বেগটোত এবাৰ তেওঁ চকু থ'লে। বেগটো ছোৱালীজনীৰ দৰেই ধুনীয়া।

বাছখনে ইতিমধ্যে নিজৰ বাটত গতি লৈছিল।

ছোৱালীজনী অসমৰ বাহিৰত অধ্যয়ন কৰি আছে? জব কৰে? কথাটো সুধিব নেকি? অমিতাভ বৰুৱাই একো ঠিৰাং কৰিব নোৱাৰিলে। অথচ বৰকৈ মন গৈছে তেওঁৰ ছোৱালীজনীৰ স'তে চিনাকী হ'বলৈ।

"আপোনাৰ বিয়াখন ঠিক হৈ আছে নেকি?'

পোনপটীকৈ সুধি পেলাব নেকি কথাটো?

ধেৎ, এনেকৈ আৰু সুধেনে? ছোৱালীজনীয়ে বাৰু তেওঁক কি বুলি ভাবিব। অমিতাভ বৰুৱাই মনতে ভাবিলে।



'আপুনি পঢ়ি ভাল পায়? কিতাপ-আলোচনী যাত্ৰাত আপোনাৰ সংগী হয়?' সুধিম বুলি প্ৰস্তুত হ'ল অমিতাভ বৰুৱা।

মুঠতে এটা সুযোগ লাগে অমিতাভ বৰুৱাক। কথা পাতিবলৈ। চিনাকী হ'বলৈ। বিয়াখন ঠিক হৈ আছে নে নাই জানিবলৈ।

'আপুনি গল্প পঢ়ি ভাল পায়? কবিতা ভাল নাপায়?' সুধিবলৈ লৈ মুখখন আধা মেলি জপাই থ'লে অমিতাভ বৰুৱাই।

এইবোৰ বাৰু প্ৰশ্ন হ'লনে? পঢ়ি ভাল পায়- আলোচনীখন মেলি লৈছে। কথাটো চিন্তা কৰি নিজেই নিজৰ ওচৰত লাজ পোৱা যেন লাগিল অমিতাভ বৰুৱা।

'নামটো আপোনাৰ?' সাহস এটা গোটাই সুধিলে তেওঁ।

'অনুলেখা।' চমু উত্তৰ ছোৱালীজনীৰ।

উত্তৰটোত সন্তুষ্ট নহ'ল অমিতাভ বৰুৱা। উপাধিটো বাৰু কিয় নক'লে? নিজৰ নামটো কওঁতে উপাধিটো নোকোৱাটোও হেনো এতিয়া ফেশ্যন। অমিতাভ বৰুৱাৰ মুঠেই ভাল নালাগে নিজৰ শিপা হেৰুৱা এনেকুৱা ফেশ্যন।

'উপাধিটো?' ওঁঠৰ ফাঁকত বেঁকা হাঁহি এটা মাৰি তেওঁ সুধিলে।

'ভূঞা। অনুলেখা ভূঞা'। আকৌ চমু উত্তৰ ছোৱালীজনী।

অমিতাভ বৰুৱাই লাজেই পালে। তেওঁৰ নামটো ছোৱালীজনীয়ে সোধাৰ আগ্ৰহ প্ৰকাশ নকৰিলে।

কিয় জানো ছোৱালীজনীক তেওঁৰ ভাল লাগিছে। ভাল লাগিছে মানে খুবেইচোন ভাল লাগিছে। কথাবোৰ আপোনাকৈ নাপাতিলেও তাইক আপোন যেন লাগিছে। খিৰিকিখনৰে তেওঁ বাহিৰলৈ চালে। অজস্ৰ জুপুৰি ঘৰ। অ'ত এটা ত'ত এটা। অনুমান কৰিলে তেওঁ -কাজিৰঙা পাইছোহি। এই ঘৰবোৰৰ কথা বাতৰি কাকতত পঢ়িবলৈ পাইছিল অমিতাভ বৰুৱাই। দিল্লীৰ অসমীয়া মানুহখিনি উৰুকাৰ ভোজ খাওঁতে ভাতৰ পাততে বিষয়টো উত্থাপন কৰিছিল বন্ধু মনজিতে। কথাবোৰ মনত পৰিল অমিতাভ বৰুৱাৰ। ভাবিলে তেওঁ- এইবোৰ বাৰু সঁচাকৈয়ে কাৰ ঘৰ? খিলঞ্জীয়া লোকৰ? নে অবৈধ আৰু সন্দেহযুক্ত নাগৰিকৰ?

'এক্সকিউজ মি। খিৰিকিৰে এবাৰ বাহিৰলৈ চাওক চোন।' -অকস্মাত ছোৱালীজনীক উদ্দেশ্যে অমিতাভ বৰুৱাই ক'লে।

'কিয়?'

'কাজিৰঙা পালো।'

'গড় ওলাইছে নেকি? ক'তা?' ছোৱালীজনীয়ে বাহিৰলৈ লক্ষ্য কৰিলে।

ক'তনো গড় দেখিব? কাজিৰঙাত কেইটানো গড় আছেগৈ। চোৰাং চিকাৰীয়ে গড় মাৰি শেষ কৰিলে। অসমৰ দল-সংগঠন, অসমীয়া মানুহ আটাইয়ে ঘৰিয়ালৰ চকুপানী টোকোটেই গ'ল।

উশাহ নসলোৱাকৈ কৈ গ'ল অমিতাভ বৰুৱাই।

'এই জুপুৰি ঘৰবোৰ দেখিছেনে?'- অমিতাভ বৰুৱাই ক'লে।

'দেখিছো' এইদৰে বাহুত আহোঁতে সদায় দেখিছো। আজিকালি নোচোৱা হ'লো। অস্তিত্বৰ সংকটত আমি। এইবোৰ দেখা লগে লগে বিষ এটাই কামোৰে সেয়ে, নোচোৱা হ'লো।

ছোৱালীজনীয়ে কৈ যোৱা কথাবোৰ একান্ত মনে শুনি গ'ল অমিতাভ বৰুৱাই।

"বিষটোৱে কামোৰা ভয়ত কাজিৰঙা পালেই মই শুবলৈ চেষ্টা কৰো। দিল্লীৰ বন্ধু-বান্ধৱীহঁতে কাজিৰঙা চাবলৈ অসমলৈ আহিম বুলি ক'লে মোৰ চিন্তা দুগুণে বাঢ়ে। কওকচোন গড় দেখিব নে জীৱ-জন্তুৰ বাবে সংৰক্ষিত বনাঞ্চলত স্থাপিত এই জুপুৰী ঘৰবোৰ দেখিব? বন্ধুহঁত আহিলে এইবোৰ দেখিলে অসমৰ বাহিৰত কাজিৰঙাক লৈ গৌৰৱ কৰা আমাৰ খিলঞ্জীয়া মানুহবোৰৰ মুখাখন খোল খাই নাযাবনে?"

ছোৱালীজনীয়ে কথাবোৰ কৈ হুমুনিয়াহ কাঢ়িলে।

ছোৱালীজনী চিন্তাশীল সচেতন। ঠিক অমিতাভ বৰুৱাৰ দৰেই। অমিতাভ বৰুৱাৰ কথাটো ভাবি ভাল লাগিল। তেওঁৰ পিছে বেছি ভাল লাগিল ছোৱালীজনীৰ মুখত দিল্লী শব্দটো শুনি।

'আপুনি মানে দিল্লীত থাকে? দিল্লীৰ ক'ত? পঢ়ি আছে?' সুবিধা পাই উপযুপৰি প্ৰশ্ন কৰিলে অমিতাভ বৰুৱাই।

"হয়।" পুনৰ অতি চমু উত্তৰ ছোৱালীজনীৰ

'মই আপোনাক বিৰক্ত কৰিছো নেকি? -অমিতাভ বৰুৱাৰ পোনপতীয়া প্ৰশ্ন।

'নাই কৰা।'

'এই যে মই আপোনাৰ ঘৰ ক'ত সুধিছো দিল্লীত ক'ত থাকে সুধিছো, আপুনি বিৰক্ত হৈছে নিশ্চয়।'

'কিয় মই চোন ক'লো আপোনাক মোৰ ঘৰ যোৰহাটত।'

'নহয় মানে দিল্লীৰ কথা নক'লে।'

'অচিনাকী মানুহ এজনক জানো সকলো কথা কৈ দিয়া



উচিত?'

ছোৱালীজনীৰ উত্তৰটোত অমিতাভ বৰুৱাই আৰু একো ক'বলৈ বা সুধিবলৈ সাহস গোটাব নোৱাৰিলে।

বাছখন নিজৰ বাটত গৈ থাকিল....

'আপুনি মোক বেয়া পালে?' -ছোৱালীজনীৰ আকস্মিক প্ৰশ্নত উচপ খাই উঠিল অমিতাভ বৰুৱা।

'কিয় বেয়া পোৱাৰ কথা সুধিলে?' -সুধিলে অমিতাভ বৰুৱাই।

'এই যে আপোনাক অচিনাকী যাত্ৰী বুলি ক'লো। এই যে আপোনাক নক'লো মোৰ দিল্লীৰ পৰিচয়।'

'ক'ব যদি খোজে কওক। মই শুনিবলৈ আগ্ৰহী।' -দাৰ্শনিক এজনৰ দৰেই ক'লে অমিতাভ বৰুৱাই।

'বাদ দিয়ক দিল্লীৰ কথা' -কওঁ নকওঁকে তাই ক'লে।

'ঠিক আছে। বাদ দিলো দিল্লীৰ কথা। কিন্তু কওক কি কথা বাদ নিদিম।' -বেকা হাঁহিটো ওঁঠত ওলমাই তেওঁ ক'লে।

'কাজিৰঙাৰ কথা। গড়বোৰৰ কথা। জুপুৰি ঘৰবোৰৰ কথা।'

ছোৱালীজনীয়ে কৈ গ'ল। অমিতাভ বৰুৱাই ছোৱালীজনীৰ মুখখনলৈ চালে। চকুহাললৈ চালে। বগা চুৰ্ণীখনেৰে মূৰৰ চুলিবোৰ ঢাকি ৰাখিছিল ছোৱালীজনীয়ে।

'আপুনি কথা এটা চিন্তা কৰেনে?' -ছোৱালীজনীৰ পোনপতীয়া প্ৰশ্ন।

'কি চিন্তা?'

"এই যে গড়বোৰ নিধন হৈছে। এই যে অসমখনত অবৈধ নাগৰিক গোপনে পুহিছে। বাতৰি-কাকতত - দি, নিউজ চেনেলত চিন্তাৰ - মতপ্ৰকাশ কৰি, ধৰ্ণা-আন্দোলন ৰাষ্ট্ৰীয় ঘাইপথ অৱৰোধ কৰিয়েই আনি বৰ অসমীয়াই দায়িত্ব সামৰিছে কিয়?"

চিন্তা একো একোটা হৈ ছোৱালীজনীৰ মুখৰ পৰা উফৰি আহিল কথাবোৰ।

'অসমেই দেশৰ একমাত্ৰ ৰাজ্য য'ত সৰ্বাধিক সংখ্যক জাতীয়-দল সংগঠন আছে। অসমৰ মাটিত প্ৰবল প্ৰতাপী সকলে। কিয় সীমাৰ সিপাৰে প্ৰতিবাদ সাব্যস্ত কৰিব নোৱাঁৰো?' -ছোৱালীজনীৰ কথাবোৰত সংযোজন কৰি অমিতাভ বৰুৱাই কথাযাৰ ক'লে। নিজকে মাইক্ৰফ'নৰ সন্মুখত বক্তৃতা দিয়া বুদ্ধিজীৱিৰ দৰে লাগিল তেওঁৰ।

'লাচিত-মূলাগাভৰু দেশৰ আমি নতুন প্ৰজন্ম কেতিয়াৰ পৰা দুৰ্বলী হ'লো? আমি দিল্লীত থকা-পঢ়া শুনা কৰা অসমীয়াও বাৰু কিয় একো কৰিব নোৱাৰো?'

অনুতপ্ত হোৱাৰ সুৰত ছোৱালীজনীয়ে কথাবোৰ কৈ গ'ল।

'আপুনি দিল্লীত থাকে? পঢ়ি আছে?'

ছোৱালীজনীৰ মুখত দিল্লী শব্দটো আকৌ এবাৰ শুনি চল বুজি প্ৰশ্ন কৰিলে অমিতাভ বৰুৱাই।

'দিল্লীৰ কথা পিছলৈ থাকক। অসমত এতিয়া আছো যেতিয়া এতিয়া অসমৰ কথাকে পাতো।' -ছোৱালীজনীয়ে কৌশলী উত্তৰ দিলে।

যুদ্ধত পৰাজিত সৈনিক এজনৰ দৰেই মনটোক পিছুৱাই আনিবলৈ বাধ্য হ'ল অমিতাভ বৰুৱা। ছোৱালীজনীৰ উত্তৰটোৰে অসমৰ কথা-ঘটনা আলোচনা কৰাৰ পৰিবেশো নাইকিয়া কৰিলে যেন অনুভৱ কৰিলে তেওঁ। খিৰিকিখনৰে বাহিৰলৈ চালে। ৰাস্তাৰ কাষৰ গছবোৰ-ঘৰবোৰ চেকুঁৰি পলোৱা যেন লাগিল অমিতাভৰ অমিতাভ বৰুৱাই ভাবিলে- গছ-ঘৰবোৰৰ দৰে ছোৱালীজনী বাৰু কিয় পলাইছে তেওঁ সোধা প্ৰশ্নৰ পৰা। দিল্লীৰ কথা সুধিলেই কিয় তাই প্ৰসংগ সলনি কৰে। আন প্ৰশ্নৰ উত্তৰ দিয়ক বা নিদিয়ক, অমিতাভ বৰুৱাক যেন অন্ততঃ এটা প্ৰশ্নৰ তাই সঁচা উত্তৰ দিয়ে। তেওঁ আলেঙে-আলেঙে ছোৱালীজনীলৈ চালে আৰু নিজক প্ৰশ্ন কৰিলে- কেতিয়া সুধিব তাইক সুধিম বুলি ভবা কথাটো? ছোৱালীজনীৰ বিয়াখন বাৰু ঠিক হৈ আছে নেকি?

হে প্ৰভু! ঠিক হৈ নাথাকিলেই হ'ল- চেইক্সপীয়েৰৰ হেমলেট চৰিত্ৰটোৰ দৰেই নিজেই নিজৰ ওচৰত কথা পতা যেন লাগিল অমিতাভ বৰুৱাৰ।

বাছখন ইতিমধ্যে যোৰহাটৰ বাইপাছ পালে।

অমিতাভ বৰুৱা অস্থিৰ হ'ল। যোৰহাট পালেহিয়েই। কথাটো সোধা নহ'লেই। কথাটো সুধিব পৰা হ'লে। কথাবোৰ যদি তেওঁ ভবাৰ মতেই হয়, তেনে তেওঁ উপযাচিয়েই ছোৱালীজনীক নিজৰ বিতং পৰিচয় দিব। তেওঁৰো যে দিল্লীত থাকে কথাটো ক'ব। ছোৱালীজনীৰ ফোন নম্বৰটো ল'ব। পিছত ফোনতেই প্ৰস্তাৱটো দিব। তেওঁ ভবা মতেই আগবাঢ়িলে এই বহাগতে বিয়াখন পাতিব। মাকে যে কিমান আশা পালি আছে বিয়াখনক লৈ।

ধেৎ। প্ৰয়োজনতকৈ বেছিয়েই ভাবি পেলালে নেকি- অমিতাভ বৰুৱাই কথাটো ভাবি নিজেই নিজৰ ওচৰত লাজ পোৱা যেন লাগিল।

'আপোনাৰ বিয়াখন ঠিক হৈ আছে নেকি?'



সুধিম বুলি ৰৈ গ'ল অমিতাভ বৰুৱা। এনেকৈ জানো পোনপতীয়াকৈ সুধিব। সুধিলেই যেনিবা, ছোৱালীজনীয়ে জানো সঁচা উত্তৰ দিব।

বাছখন আস্থান পালেহি। আকস্মিক ব্ৰেক এটা মাৰি ৰৈ গ'ল বাছখন। আলোচনীখন কোলাতে মেলি বোকাখাটতে শুই পৰা ছোৱালীজনী সাৰ পাই গ'ল। তাই খৰখেদা কৰিলে ছীটটোৰ পৰা উঠিবলৈ।

'লগ পাম কেতিয়াবা। বাই।'- ছোৱালীজনীয়ে আকস্মিকভাৱে ক'লে।

'পৰিচয়টো নিদিয়াকৈয়ে গুচি যায়নে? দিল্লীৰ ক'ত থাকে কৈ থৈ যাওঁক। বেয়া যদি নাপায়। মইও দিল্লীতেই থাকো।'

একেটা উশাহতে কথাবোৰ ক'লে অমিতাভ বৰুৱাই।

'দিল্লীত আছিলো। দিল্লীতেই পঢ়িছিলো। এতিয়া ঘৰৰ মানুহ ঘৰলৈ আহিলো।'

ছীটটোৰ পৰা গাটো দাঙি ছোৱালীজনীয়ে উত্তৰ দিলে।

'একেবাৰে দিল্লী এৰি আহিছে?' -প্ৰশ্নটো সোধোতেই বেজাৰ অনুভৱ কৰিলে অমিতাভ বৰুৱাই।'

'দিল্লী এৰা এবছৰেই হ'বৰ হ'ল। এতিয়া - এখন এন্টন কৰিবলৈহে দিল্লীলৈ গৈছিলো।'

কথাৰ মুখনি মৰাৰ দৰে ছোৱালীজনীয়ে উত্তৰ দিলে। বেগটো কান্ধত লৈ বাছখনৰ পৰা নামিবলৈ সাজু হ'ল। অমিতাভ বৰুৱাই কিবা এটা কোৱাৰ আৰু সুবিধা নাপালে।

ছোৱালীজনীৰ পিছে পিছে তেওঁৰো খোজ ল'লে, বেগটো কান্ধত ওলমাই লৈ বাছখনৰ পৰা নামিবলৈ। মনতে ভাবিলে তেওঁ- সুধিম বুলি ভাবি থকা কথাটো তেওঁ সুধিবই। বাছখনৰ পৰা নামিয়েই কথাটো সুধিব।

'আপোনাৰ বিয়াখন ঠিক হৈ আছে নেকি?'

পোনপতীয়াকৈ সুধি পেলাব কথাটো। বাছখনৰ পৰা নামিবলৈ লৈ বুকু ডাঠ কৰিলে অমিতাভ বৰুৱাই। যুদ্ধলৈ ওলোৱা সৈনিক এজনৰ দৰেই নিজক সাহসী কৰিলে অমিতাভ বৰুৱাই।

'এক্সকিউজ মি।' পিছফালৰ পৰা মাত লগালে অমিতাভ বৰুৱাই।

'এক্সকিউজ মি।' আকৌ এবাৰ মাতিলে তেওঁ।

ছোৱালীজনীয়ে শুনা নাই নে নুশুনাৰ ভাও ধৰিছে? কি হ'ল? অমিতাভ বৰুৱাই একো উৱাদিহ নাপালে। ছোৱালীজনী যোৱাৰ দিশে খোজ ল'লে অমিতাভ বৰুৱাই। জীৱনত পোন প্ৰথমবাৰ এজনী ছোৱালীৰ পিছলৈছে সি। ভয় লাগিছে। তথাপি নিজকে তেওঁ সাহসী কৰিছে।

অমিতাভ বৰুৱাই মন কৰিলে ছোৱালীজনী বগা ৰঙৰ চেভ্ৰলেট অভিঅ' গাড়ীখনৰ পিনে খৰজোৰেৰে খোজ লৈছে। তেওঁৰো খোজৰ গতি বঢ়াই দিলে। যিয়েই নহওক লাগে যিয়েই নঘটক লাগে সুধিম বুলি ভবা কথাটো ছোৱালীজনীক সুধিবই।

'মা'। চিঞৰ এটা কাণত পৰিল অমিতাভ বৰুৱা। তেওঁ থমকি ৰ'ল।

গাড়ীখনৰ পিনে দৃষ্টি দিলে অমিতাভ বৰুৱাই। গাড়ীখনৰ কাষত এজন সুদৰ্শন পুৰুষ। কোলাত এটি শিশু। শিশুটিক কোলাৰ পৰা নমাই দিছে। শিশুটি চেকুৰিছে ছোৱালীজনীৰ ওচৰলৈ।

বজ্ৰপাত পৰাৰ দৰে একেঠাইতে থৰ হৈ ৰ'ল অমিতাভ বৰুৱা।

'হৌৰি। পালেহি?' পিছফালৰ পৰা কোনোবাই মতা শুনি চক্ খাই উঠিল অমিতাভ বৰুৱা। ঘূৰি চালে তেওঁ। গুৱাহাটীৰ বাছ আস্থানত লগ পোৱা অমিতাভ বৰুৱাৰ ম'বাইলটোৰে কথা পতা সেই মানুহজন দেখুন।

'পালেহি?'- মানুহজনে আকৌ মাত লগালে।

অমিতাভ বৰুৱাই একো উত্তৰ নিদিলে।

'আপুনি জে বি চাৰি আলিলৈকে আমাৰ গাড়ীতে যাব পাৰিব। উঠক।'

অমিতাভ বৰুৱাৰ কাষত ভুত এটাৰ দৰেই আকস্মিক ভাৱে হাজিৰ হোৱা গাড়ীখনৰ ভিতৰৰ পৰা খিৰিকিখন কিঞ্চিত নমাই ছোৱালীজনীয়ে অমিতাভ বৰুৱালৈ প্ৰস্তাৱ আগবঢ়ালে।

'থেংক ইউ। নালাগে দিয়ক। মোক নিবলৈ এয়া খুড়া আহিছে।'

- কাষত উদ্দেশ্যহীন ভাৱে থকা পালিনেতা এজনৰ দৰেই অমিতাভ বৰুৱাৰ কাষত থিয় হৈ থকা সেই মানুহজনক দেখুৱাই কওঁ নে নকওঁকৈ মিছা কথাটো ক'লে অমিতাভ বৰুৱাই। কথাষাৰ কওঁতে তেওঁ এবাৰ ছোৱালীজনীৰ মুখখনত চকু থ'লে। ছোৱালীজনীৰ চুলিখিনিৰ ওপৰত বগা চূৰ্ণীখন নাই। কোলাৰ শিশুটিয়ে সেইখন টানি মূৰৰ পৰা খহাই পেলাইছে। অমিতাভ বৰুৱাৰ চকু পৰিল ধুনীয়া দীঘল চুলিখিনিৰ মাজত নৈ বৈ থকা সেওতাত। ৰঙা ৰং এটাই সেওতাৰ মাজৰ পৰা অমিতাভ বৰুৱাৰ চকুহাললৈ চকু টিপ এটা মাৰি দিয়া যেন লাগিল অমিতাভ বৰুৱাৰ।



# প্ৰতিজ্ঞা- জীৱন এনেকৈয়ে

নিকুমণি দিহিঙীয়া

স্মৃতিৰ কবৰ খান্দি খান্দি ভাগৰি পৰিছে শ্ৰুতি। কিমান আৰু দুখৰ আলোৱানেৰে নগ্ন দেহা ঢাকিব তাই। সকলো হেৰুৱাই পেলাইছে তাই। আশ-ভৰষা-হেঁপাহ-সপোন.......... তাৰ লগত সুখ আনন্দেৰে এখন সপোনৰ ঘৰ সাজিম বুলি ভবাৰ আশা। আস্, চিন্তা কৰিবলৈ মন যোৱা নাই শ্ৰুতিৰ। সদায়েইতো তাই এই সময়খিনি মনে নিবিচাৰিলেও উপভোগ কৰে।

অনুভৱ ফুকন-- এজন অভিযন্তা। কিমান হেঁপাহৰ আছিল সেই দিনবোৰ। তাইৰ পাণি গ্ৰহণ কৰাৰ পাছৰ দিনবোৰঙ্গ অনুভৱ আৰু শ্ৰুতি বহুত সুখী আছিল। অনুভৱে তাইৰ দেহত আনকি দুখৰ ছাঁটোও পৰিবলৈ দিয়া নাছিল। কিন্তু এতিয়া? তাইৰ সমগ্ৰ সত্বাত মাথো এতিয়া দুখৰ পোছাক। দিন বাগৰাৰ লগে লগে যেন সকলো শেষ হৈ গ'ল। কাল ধুমুহাই গিলিবলৈ ধৰিছে লাহে লাহে.... হৈ পৰিল দুখ কোলাৰ কেঁচুৱা। তাইতো ভবা নাছিল কোনোকালে এনেকুৱা হ'ব বুলিঙ্গ জুৰোডত অনুভৱৰ আকস্মিক মৃত্যু হোৱাৰ দিনটো তাইৰ এতিয়াও মনত আছে। অফিচৰ পৰা ঘৰলৈ বুলি আহি থাকোঁতে ট্ৰাকত খুন্দা মৰাৰ বাবে গাড়ী দুৰ্ঘটনাত পতিত হৈ মৃত্যু হৈছিল অনুভৱৰ। মচি দিয়া হৈছিল শ্ৰুতিৰ শিৰৰ সেন্দুৰৰ চিহ্ন। সকলো থিকেই আছিল কিছুদিনলৈকে। তিনিমহীয়া প্ৰীতমক লৈ তাই তেতিয়াও সপোন দেখিছিল আশাৰ। কিন্তু দুখবোৰ যে কিয়নো একেলগে আহেঙ্গ লাহে লাহে সময় বাগৰাৰ লগেলগে তাইৰ ওপৰত বাঢ়ি গ'ল শাহু আৰু বৰজনাকৰ যৌন অত্যাচাৰ। "তই মোৰ ল'ৰাক মাৰিলি, তই কুলক্ষিণী, তই মৰি থকাই ভাল......." কিমান আৰু সহ্য কৰিব তাই? বহুত সহ্য কৰি, একমাত্ৰ প্ৰীতমক লৈয়েই তাই বহুত আশা কৰিছিল। দৈনন্দিন শাহু আইৰ বকনি, অত্যাচাৰ তাই সহ্য কৰিব লগা হয়। নিৰ্বলীৰ আগত দুৰ্বলীয়ে কৰিবনো কি? তাতে বৰজনাকৰ অত্যাচাৰো তাই মৌন নিথৰ ভাৱে সহ্য কৰি গৈছিল আৰু ডাক্তৰে যেতিয়া তাইক কৈছিল- Positive বুলি......... মূৰৰ ওপৰত সৰি পৰিছিল আশ্ৰয়ৰ নামত থকা বেৰাখন। শাহুক এই কথা ব্যক্ত কৰাত তাইক শাহুৱেকে ককৰ্থনা কৰিছিল। ডাঙৰ পুতেকক বদনাম দিয়াৰ বাবে চুলিত আজুৰি গতিয়াই দিছিল ভিতৰৰ পৰা। 'বেশ্যা'ৰ দৰে উপনাম দিছিল। নিজৰ সন্মান ৰক্ষা কৰিবলৈ চেষ্টা কৰা বৰজনাকে তাইৰ গাত মাৰি পঠিয়াইছিল অনুভৱৰ ফটো। তাইৰ অনুভৱৰ একমাত্ৰ সম্বল প্ৰীতমকে আঁজুৰি লৈছিল তাইৰ পৰা। ইমানকৈ চিঞৰি-চিঞৰি কান্দি-কাটি বাউলী হৈ পৰা তাইক দেখি তেতিয়া কোনো আগবাঢ়ি অহা নাছিল।সেই নিশা দুপৰখনতো তাই বহুত সময় তেনেকৈয়ে পৰি থাকিল ঠাণ্ডাত কেঁকাই-কেঁকাই। কিন্তু কোনো নাহিল। ওচৰ-চুবুৰীয়া সকলৰো উৎসুকতাৰ চিহ্ন স্বৰূপে জ্বলি উঠা ঘৰৰ লাইটবোৰো লাহে লাহে নুমাই গৈছিল। একাদিক্ৰমে...। অসহায়ভাৱে তাই বহি আছিল। ইমানকৈ কাবৌ-কাকুতি কৰা সত্বেও তাইক আদৰি নল'লে শাহুৱেক-বৰজনাকে। একমাত্ৰ আশা-ভৰষাৰ স্থল প্ৰীতমক কাঢ়ি লৈ গ'ল.......। অৱশেষত উপায়ন্তৰ হৈ উভতি আহিছিল তাই ঘৰলৈ। সমস্ত দুখ বুকুত সাঁচি.....। কিমান সহ্য কৰিবলগীয়া হৈছিল তাই, চুবুৰীয়াৰ ককৰ্থনা...।

এইবোৰ এবছৰৰ আগৰ কথা। 'মানৱীয়তা' শব্দটো তাইৰ ভাল নালাগে। তাইৰ অসহায় মুহূৰ্ত্তত যেতিয়া তাইৰ প্ৰয়োজন হৈছিল এষাৰি সান্তনাৰ মাতৰ। মূল্যহীন হৈ পৰিছিল তাইৰ ওচৰত মৰম-চেনেহ নামৰ শব্দবোৰৰ। এই এবছৰ ধৰি তাই সদায়েই দুখবোৰৰ ৰোমন্থন কৰি আহিছে। কিমান দিন তাই শুনিবলৈ পোৱা নাই। 'মা' নামৰ স্বৰ্গীয় মাতাষাৰ.... কেতিয়াবা খুব মনত পৰে প্ৰীতমক এবাৰ চাবলৈ কিন্তু নিৰুপায় তাই ভগ্ন সম্পৰ্ক কেতিয়া পুনৰ লগ হ'ব তাইতো নাজানে? দুৰ্বল মনক সবল কৰি এতিয়া যুঁজিবলৈ সাজু হৈছে। নাৰী শোষণৰ বিৰুদ্ধে। সেয়েহে শ্ৰুতিয়ে নতুনকৈ 'নাৰী নিৰ্যাতন'ৰ বিৰুদ্ধে এটা সংগঠন খোলাৰ পৰিকল্পনা কৰিছে। মাঁথো বিচাৰিছে অনুভৱৰ একাঁজলি আশীষ। তাই আগুৱাই যাব লাগিব। মাঁথো অনুভৱ, প্ৰীতম আৰু তাইৰ নিচিনা হাজাৰ গৰাকীৰ বাবে.... এয়াই তাইৰ প্ৰতিজ্ঞা।



# বিষন্ন পৃথিৱীৰ উচুপনি...

চিমি কোঁৱৰ
স্নাতক তৃতীয় যান্মাষিক, ৰাজনীতি বিজ্ঞান বিভাগ

এই জীৱনে আমুৰাইছে আৰু সুস্মিতাক। কিমান দিন, এৰা কিমান দিন আৰু তাই এই বন্দীত্বৰ জীৱন কটাৰ? কোনে মুক্ত কৰি তাইক এই কাৰাগাৰৰ পৰা চিৰ দিনৰ বাবে উলিয়াই লৈ যাব? ভাবি ভাবি ভাবৰ সমুদ্ৰত হেৰাই যায় সুস্মিতা নামৰ বাইশ বছৰীয়া বোৱাৰীজনী। আগততো এনে নাছিল কোনোদিন! এনে নাছিল কোনোদিনে! মাক-দেউতাকৰ আলাসত তাই স্বাধীনতাভাৱে ডাঙৰ হৈছিল। ক্লাচত সদায় প্ৰথম হৈছিল। মেট্ৰিকত ষ্টাৰ নম্বৰ সহ পাচ কৰিছিল। একেদৰে পাছৰ পৰীক্ষণ সমূহ...! কিহত কম আছিলনো তাই? সকলো দিশতে তাইৰ পাৰদৰ্শিতা!

ঃ ডাঙৰ হৈলে কি হ'ম বুলিনো ভাবিছা তুমি?

এদিন দেউতাকে সুস্মিতাক সুধিছিল।

ঃ জানো!

সুস্মিতাৰ মুখেৰে ওলাই আহিছিল।

ঃ তুমি একো চিন্তা কৰিব নালাগে সুস্মি। আমি তোমাৰ লগত আছো। য'তে নপঢ়া, য'তে নাথাকে তুমি আমাক এৰি যাব নালাগে আমি মা-পাপা দুয়ো কাষতে থাকিমগৈ।

দেউতাকৰ কথা মনত পৰি সুস্মিতাৰ চকুৰে দুটোপাল তপত চকুলো বাগৰি আহিল। ভুল কাৰ হৈছিল? সকলো তাইৰ নিজৰ ভুল! মৰমৰ মাক-পাপাকক এৰি টেনিজিং বৰুৱাৰ সৈতে বিয়াত তাই বহিছিল। মাক-দেউতাকে তাইক বাধ্য কৰোৱা নাছিল। সুস্মিতাৰ ওঁঠেৰে এটা কৰুণ হুমুনিয়াহ বাগৰি আহিল।

ঃ কি হ'ল? সিদ্ধান্ত লোৱা হ'লনে তোমাৰ?

টেনজিং বৰুৱাই সুস্মিতাক সুধিলে।

ঃ কিহৰ সিদ্ধান্ত?

সুস্মিতাই ওলোটাই প্ৰশ্ন সুধিলে। প্ৰাঞ্জলে খঙত চিঞঁৰি উঠিল।

ঃ এতিয়া নজনাৰ ভাও নধৰিবা সুস্মিতা। যোৱা কালি মই তোমাক কোৱা নাছিলো দেউতাৰাক খুজি টকা ডেৰলাখ আনিবলৈ। কিয়? কিয় তুমি দেউতাৰাক টকা খুজিব নোৱাৰা?

ঃ কাৰণ, তোমাৰ সৈতে মোৰ বিয়া মা-দেউতাৰ ইচ্ছাত হোৱা নাছিল। মোৰ মা-দেউতাক টকা বিচাৰিবলৈ তোমাৰ অলপো চৰম নালাগিলনে টেনজিং? তাতকৈ নোকোৱা কিয় মোক চাকৰি কৰিবলৈ যাবলৈ? এটা চাকৰি কৰিবৰ জোখাৰে প্ৰয়োজনীয় যোগ্যতা মোৰ নিশ্চয় আছে টেনজিং।

টেনজিং য়ে খিৰিকীৰ কাষত ৰৈ থকা সুস্মিতাৰ চুলিত ধৰি চোঁচৰাই আনিলে।

ঃ চাকৰি কৰ হাঁ এই? চাকৰি লাগে তোক? কিয় লাগে?

ঃ উসঙ্গ এৰি দিয়া, মোক এৰি দিয়া টেনজিং।

ঃ নেৰোঁ তোক আজি। মোৰ পত্নী হয় তই। তোক যি ইচ্ছা মই তাকে কৰিব পাৰোঁ।

ঃ প্লিজ টেনজিং, এৰি দিয়া মোক! এৰি দিয়া

ৰাতিপুৱা সুস্মিতাই নিজকে বিচনাৰ কাষত আউজি থকা অৱস্থাত আৱিষ্কাৰ কৰিলে। উস! যোৱা ৰাতি এই শৰীৰৰ ওপৰত টেনজিংয়ে কিমান অত্যাচাৰ কৰিলে তাই উমান নাপায়! কিমান আমাৰে নিজৰ প্ৰেমক বাস্তৱ ৰূপ দিবলৈ ভৱিষ্যতৰ আশা আকাংক্ষাক জলাঞ্জলি দি টেনজিংৰ সৈতে বিয়াত বহিছিল সেয়া টেনজিংয়ে পাহৰি গৈছে! সুস্মিতাৰ চকুহাল সেমেকি উঠিল। সদায় আৰু তাই কিমান টেনজিংৰ এই নিৰ্যাতন সহ্য কৰি থাকিব? এটা নতুন সূৰ্যলৈ বাট চালে তাই.... য'ত তাই এটা নতুন দিনৰ শুভাৰম্ভ কৰিব? শেষ হ'ব য'ত তাই হৃদয়ৰ বিষন্ন ৰাতিবোৰ....!



# নিৰ্দয়

গীতিষ্মা গগৈ
অৰ্থনীতি বিভাগ

বাৰাণ্ডাৰ চকীখনতে বহি তন্ময়ীয়ে সেই অতীতৰ দিনবোৰৰ কথা ভাবি আছে। সন্মুখৰ কাঞ্চন জোপাত চিপ-চিপ কৈ দিয়া বৰষুণজাকে মিঠা সুৰৰ ঝংকাৰ তুলিছে। আজি তাইৰ গা-বেয়া লগাৰ বাবে অফিচলৈ যোৱাও নহ'ল। তেনেতে মাকে তাইক চিঞৰি মাতিলে-

ঃ মাজনী, ৰঙা চাহ একাপ খাই লহিচোন, আহ।

বাৰাণ্ডাৰ পৰা তাই উঠি যাবৰ মন নগ'ল। চকীখনতে হেলান দি বহি পৰিল। সঁচাকৈয়ে তাইৰ মাকৰ জীৱনটো যে কিমান দুখৰ। অতীতৰ স্মৃতিবোৰে তন্ময়ীৰ গাটো বিচাই ডকা দি ডাকি নিয়ে।

তাইৰ তেতিয়া পখিলা খেদাৰ বয়স। দেউতাক, আইতাকৰ কোলাত কোনোবা পৰীৰ কাহিনী শুনি টোপনি যোৱাৰ বয়স, কিন্তু কণমানি তন্ময়ীয়ে শৈশৱৰ সেই সুখ কেতিয়াও নেপালে। জীৱনৰ কঠোৰ বাস্তৱে শৈশৱৰ উমাল পুৱাবোৰ তাইৰ পৰা কাঢ়ি নিলে। সপ্তাহৰ মাত্ৰ দুটা দিনমানহে শান্তিৰে শুব পাৰিছিল। মাকৰ ওপৰত ৰাতি ৰাতি চলা দেউতাকৰ অত্যাচাৰে তাইক সন্মুখীন কৰাইছিল তীব্ৰ মানসিক হেঁচা। মাকৰ উচুপনিৰ শব্দই ঘৰখনত ৰাতিৰে নীৰৱতা কাঢ়ি নিছিল। দেউতাকৰ সন্দেহবাদী গুণৰ বাবেই মাকে ফুৰিবলৈ যাব নোৱাৰিছিল। দেউতাকৰ পাশৱিক অত্যাচাৰে মাকৰ শৰীৰটো কোঙা কৰি পেলাইছিল। এদিন তন্ময়ীয়ে মাকক কৈছিল-

ঃ মা, আমি ইয়াৰ পৰা যাওঁগৈ ব'লা, তোমাক দেউতাৰাই ইমান মাৰে।

বৈ অহা চকুপানীখিনি বাধা দিব নুখুজি মাকে কৈ উঠিছিল-

ঃ সোণ, দেউতা এদিন ভাল হ'ব, তোমাক, মোক আমাক সকলোকে মৰম কৰিব।

কিন্তু ক'তা তেওঁ এদিনো চিনি নেপালে মৰম অনুভৱক। জুমি চাব নিবিচাৰিলে তেওঁৰ সৰল পত্নীৰ প্ৰেমেৰে ভৰি থকা হৃদয়।

তেতিয়া তয়ন্মী নৱম শ্ৰেণীত। ওচৰৰ ঋতুৰ মাকৰ আগত তাইৰ মাকে কিবা কৈ কৈ কান্দি থকা শুনিলে। বুকুখন চিৰিং কৈ গ'ল, ভাবিলে আগতে চাৰি বাৰকৈ গৰ্ভপাত কৰোৱা তন্ময়ীৰ মাকে আকৌ এবাৰ তেনে এটা ভুলকে কৰিবলৈ ওলাইছে নেকি, হয় তাইৰ অনুমান শুদ্ধ। আগৰকেইবাৰৰ দৰে এইবাৰো তাইৰ মাকৰ গৰ্ভত কন্যা সন্তানৰ ভ্ৰূণ। দেউতাকৰ অত্যাচাৰ চলিল ভ্ৰূণ হত্যা কৰিবৰ বাবে। ঘিণ লাগি গ'ল তাইৰ দেউতাকলৈ, বিবাহ নামৰ সেই অনুষ্ঠানটোলৈ।

ঃ কি ভাবিছ মাজনী?

মাকৰ মাতত তাই চকা মকাকৈ বৰ্তমানলৈ ঘূৰি আহিল। দেখিলে, মাকে চাহ একাপ আৰু পকৰী চাৰিটা হাতত লৈ তাইৰ ওচৰত থিয় দি আছে। কিয় জানো তাইৰ আজি মাকলৈ বহুত বেছি মৰম লাগি গ'ল। এসময়ত দেউতাকৰ প্ৰেমৰ বাবে কাতৰ মাকৰ মুখ খনলৈ চাই পঠিয়ালে। এয়া কি মাকৰ দুচকুৰে দুধাৰি চকুলো বৈ আহিছে। তাই আচৰিত হ'ল।

ঃ কি হ'ল মা?

কঁকালটোতে সাৱটি মাকক সুধিলে।

মাকে ক'লে-

ঃ সোণ, তোৰ দেউতাৰৰ বেছিকৈ গা ভাল নাই। ব'ল এপাক চাই আহো।

তন্ময়ীৰ গাটো জ্বলি উঠিল। উত্তেজিত হৈ মাকক ক'বলৈ ধৰিলে-

ঃ মা, মোৰ দেউতাৰ কেতিয়াবাই মৃত্যু হৈছে। নাৰীক সন্মান কৰিব নজনা, ভন্টীক তোমাৰ গৰ্ভতে হত্যা কৰিব খোজা সেই অসুৰৰ দৰে মুখা পিন্ধা ভদ্ৰলোক সকলক মই ঘিণ কৰো। তুমিও যাব নোৱাৰা তেওঁক চাবলৈ। তেওঁ তোমাক সন্মান দিব নোৱাৰিলে।

তন্ময়ীয়ে হুকহুকাই কান্দিবলৈ ধৰিলে। ভিতৰৰ পৰা মনে মনে শুনি থকা ভনীয়েক চিমিয়েও কৈ উঠিল-

ঃ মা, হয় মা, সেই অসুৰটোক চাবলৈ মইও নেযাওঁ।

মাকেও চকুপানীবোৰ মোহাৰি গ'লে। মুষলধাৰে বৰষুণজাক নামি আহিল। ডাৱৰে ওফন্দি থকা আকাশখন মুকলি হৈ পৰিব অলপ পাছতে। তিনিওজনীয়ে বৰষুণ জাকলৈ চাই চাই কাঞ্চনজোপাৰ সৈতে একাত্ম হৈ পৰিল।



# এজাক ৰ'দ কাঁচিয়লিৰ আঁৰেৰে ...

**পৰিস্মিতা চুতীয়া**
**স্নাতক পঞ্চম ষাণ্মাষিক**

লাহে লাহে ডাৱৰৰ আঁৰে আঁৰে বেলিটি উলাই আহিল, ৰাঙলি কিৰণে পোহৰাই তুলিলে কলং পথাৰ। পুৱাৰ হেন্দোলনিত বিৰিখৰ চৰাইয়ে কিৰিলি পাৰিছে, নৈ কাষৰ ব্যস্ত পথটোৰেদি অহৰহ আগমন ঘটিছে বিভিন্নজনৰ। শুই উঠি ৰঞ্জিত ককাইয়ে গোহালীৰ গৰু কেইজনী উলিয়াই দি বাৰন্দাতে বহিলহি। খিৰিকীৰ ফাঁকেৰে ৰ'দৰ জিলিঙনি আহি বিছনাত পৰিলত বাস্তৱৰ সাৰ পাই উঠিল। চকুদুটা মোহাৰি মোহাৰি বাস্তৱে হাতত কলগেট ব্ৰাছ লৈ উলাই গ'ল। মাকে দেউতাকক চাহকাপ দি ভিতৰলৈ সোমাই আহিল। চাহ খাই হাতত কুঠাৰখন লৈ ৰঞ্জিত ককাইয়ে খোজ ল'লে বাৰীৰ ঢাপলৈ। যোৱাৰ আগত বাস্তৱক চিঞৰি কৈ গ'ল —

'কণমইনা গা-ধোৱাৰ আগতে গোহালীতো চাফা কৰি দিবি।" বাস্তৱে ভিতৰৰ পৰাই মাত লগালে 'হ'ব দেউতা।'

বিছনাখন সামৰি ল'ৱালৰিকৈ বাস্তৱে চাহকাপ খায় গোহালী চাফা কৰাত লাগিল। এনেতে টিউচনৰ পৰা আহি থকা আশাই বাস্তৱক ৰাস্তাৰ পৰাই চিঞৰিলে।

'কি হ'ল বাস্তৱ, আজি ইমান সোনকালে উঠিলা যে?' বাস্তৱে মিছিকিয়াই হাঁহি মাৰি উত্তৰ দিলে 'তোমাক চাবলৈকে আজি সোনকালে উঠিলো অ।" কলেজলৈ যাবানে নোযোৱা বুলি সুধি তাই গ'লকৈ।

"কণ মইনা গা ধুই আহি সোনকালে ভাত খাই লহি নহ'লে কলেজ দেৰি হ'ব।' এইবুলি কৈ মাকে ষ্টভটো অফ কৰি তাৰ ইউনিফৰ্মযোৰ ইস্ত্ৰি কৰাত লাগিল।

কলং পথাৰৰ মাজভাগতে সিহঁত পঢ়া কলেজখন। কলেজ গেটৰ কাষতে কল্পনাক দেখি আশাই মাত লগালে; 'কল্পনা আহিলি, আজি কৌস্তভ লগত নাই যে?' কল্পনাই ক'লে, 'তাৰ আজি কিবা কাম আছে অলপ দেৰি হ'ব। অ' হয়নেকি, আজি এই বাস্তৱটোও ইমান দেৰি কৰিছে, ৰাতিপুৱা কৈ আহিছো তথাপিও ইমান দেৰি.... আমি ক্লাচত সোমাও ব'ল, ইহঁত আহি থাকিব। কল্পনাও ক'লে ব'ল ব'ল ইহঁত দুটালৈ ৰৈ থাকিলে আমি ক্লাছ মিছ্ কৰিম। দুয়োজনী ক্লাচৰুমৰ ভিতৰত সোমাই। অলপ সময়ৰ পাছত বাস্তৱ আৰু কৌস্তৱ দুয়োটা ধুমুহা অহাদি ফোপাই জোফাই ক্লাচৰুমত সোমাই। তাকে দেখি আশাই হাঁহে।

বেলিটি ভটিয়াই গ'ল পশ্চিমলৈ। সকলো ব্যস্ত নিজৰ কামত। ৰঞ্জিতকাই গালত হাত দি বহি আছে পিৰালিত। অতীত স্মৃতিয়ে যেন তেওঁক বৰকৈ আমনি কৰিছে। ডাৱৰহীন আকাশৰ উৰুঙা বুকুৰদৰে উকা উকা লাগিছে তেওঁৰ হৃদয়খন। হেৰুৱাৰ বেদনাত যেন তেওঁৰ হিয়াই উচুপিছে। অকালতে হেৰাই যোৱা ১৫ বছৰীয়া বুলবুলিজনীৰ মৃত শৰীৰটো তেওঁৰ চকুৰ আগত ডোলা দি গ'ল। চকুৰ পানীৰে কেতিয়া বুকুৰ কাপোৰ তিয়াই নিলে গমেই নাপালে। কলেজৰ পৰা উধাতু খাই অহা বাস্তৱক দেখি কান্ধত উলমিথকা গামোচাখনে মুখখন মচি ক'লে, 'ইমান উধাতু খাই আহিছ যে, অলপ লাহে লাহে অহা হ'লেও ঘৰ পালিহিহেঁতেন।' বাস্তৱে ক'লে — 'নহয় অ' দেউতা, অহা ১৫ তাৰিখে কলেজত ভাল Occasion এটা আছে; নাটক এখন কৰিম বুলি ভাবিছো তাৰ আখৰা আছে সকলো গ'ল মোৰ দেৰিয়ে হ'ব এতিয়া। মা অ' মা ভাত দিয়া মোৰ এফালে যাব লাগে বুলি কৈ চাৰ্টৰ বুটাম কেইটা খুলি খুলি ভিতৰলৈ সোমাই যায়। দেউতাকে বহাৰ পৰা উঠি কোৰখন লৈ বাৰীৰ চুকলৈ যায় গৈ।

লাহে লাহে ৰাতি হৈ আহিল কিতাপ পত্ৰবোৰ জপাই বাস্তৱে ডায়েৰিখন মেলি ল'লে। কিবা এটা লিখো বুলি লওঁতেই ভনীয়েক বুলবুলিয়ে কোৱা কথাষাৰ মনত পৰিল, 'দাদা তই এইখনত কি লিখি থাক্ ইমানকে, যিবোৰ মানুহৰ অন্তৰত দুখে বাঁহ লয়, বিভিন্ন চিন্তাই মনতো অশান্ত কৰে তেতিয়াহে মানুহে ডায়েৰিত কথাবোৰ লিখি মনতো পাতলাই, তোৰ দেখুন তেনেকুৱা প্ৰভাৱ ক'তো পৰা নাই। কিয় এইবোৰ লিখি থাক' আহ্ না মোক বগৰী দুটামান পাৰি দেহি।' কথাবোৰ মনত পৰিলত যি আকৌ ডায়েৰিখন জপাই খিৰিকিখন খুলি দিলে। বাহিৰৰ পৰা অহা



চেঁচা বতাহজাকে তাৰ সকলো চুই গ'ল। নাতি দূৰত থকা বকুল জোপাৰ ওপৰত দৃষ্টি ৰাখি যি ঘূৰি গ'ল অতীতলৈ।

সেইদিনা আকাশত ডাৱৰ নাছিল, কুঁৱলীৰ উৰুনি ফালি বেলিটি উলাই আহিল। আনদিনাৰ দৰে শুই উঠি ঘৰৰ বহি বন কৰি বুলবুলিয়ে হাতত ক'লচীতো লৈ উলাই গ'ল নৈ পাৰলৈ। এটি গীতৰ কলি ওঁঠত উলোমাই তাই সৰু বাটটিয়েদি গৈ আছিল। নিষ্ঠুৰ সময়ৰ জোৱাৰে যে তাইক তচনচ কৰিব তাইতো কেতিয়াও ভবা নাছিল। দিনৰ ১২ বাজিল। বেলি আহি মূৰৰ ওপৰত। তথাপি বুলবুলিৰ কোনো উম ঘামেই নাই। মাক চিন্তাত পৰিল। বাস্তৱ কলেজত, দেউতাক উলাই গৈছিল বজাৰলৈ। এবাৰ মাকে নিজে গৈ বাৰীৰ চুকৰ পৰা নৈ লৈ চকু নিলে। কাকো নেদেখি তেওঁ আগবাঢ়ি গ'ল নৈ পাৰলৈ। কেতিয়াবা মৰম চেনেহবোৰে মানুহৰ মনবোৰৰ লগত ইমান লুকা-ভাকু খেলে ইয়াৰ উমানেই পাব নোৱাৰি। মাক আগুৱাই আছে দূৰৰ পৰা কিবা এটা পৰিথকা যেন দেখি খোজতো অলপ বেগাই দিলে। নৈ পাৰৰ সৰিয়হৰ ফুলবোৰে বাট ভেটি ধৰিছে তথাপি তেওঁ বেগেৰে খোজ দিছে। ওচৰ পাই তেজেৰে ৰাঙলি হোৱা বুলবুলিৰ দেহাতো দেখি মাক চিঞৰি উঠিল। কান্দি কান্দি মাকে কোনে মতে দাঙি ঘৰলৈ লৈ আনে মানে ওচৰৰ মানুহবোৰো চাপ খাই আহিল। ৰঞ্জিত ককাইয়ে বজাৰৰ পৰা আহি চাইকেল খন ৰখাইছিলহে মাকে চিঞৰ বাখৰ শুনি পোনে পোনে খোজ ল'লে ভিৰৰ মাজলৈ, নিজৰ জীয়েকক এনেদৰে পৰি থকা দেখি অচেতন হোৱাৰ দৰে হ'ল। বুলবুলিৰ তেতিয়ালৈকে বুকুৰ স্পন্দন হৈয়ে আছিল। হস্পিতাল নিয়াৰ ব্যৱস্থা কৰা হ'ল। বাস্তৱকো খবৰ দিয়া হ'ল। কলেজত বাস্তৱে ভনীয়েকৰ তেনেকুৱা এটা ঘটনা শুনি সি যেন নিঠৰ হৈ ৰ'ল কেই মুহূৰ্তমানৰ বাবে। বলিয়াৰ দৰে বেগাই আহিছিল ভনীয়েকৰ ওচৰলৈ। সি আহি পোৱাৰ আগতেই ভনীয়েকক হস্পিতাললৈ লৈ গৈছিল। কিন্তু নিয়তিয়ে হাত বাউল দি মাতিলে সময়ে ইংগিত দিলে কোন বাৰু ৰৈ থাকিব এই মায়াময় সংসাৰত। সেই নিয়তি আৰু সময়ৰ ছালনাত বুলবুলি গুচি গ'ল অজান কাল্পনিক পৃথিৱীলৈ যাৰ নাই কোনো সত্বা নাই কোনো ঠিকনা।

ৰাতি ১২ বাজিল ঘড়ীটোলৈ চাই চকুপানীৰে দুচকু সেমেকাই বাস্তৱ বাট চাই আছে মাকহঁত ঘূৰি অহালৈ। সপ্ৰাণে প্ৰাৰ্থনা কৰিছে ভগবানৰ ওচৰত ভনীয়েক যেন ভাল হৈ উঠে। এনেতে গাড়ীৰ মাত শুনি দৌৰি দুৱাৰখন খুলি দেখে গাড়ীৰ ভিতৰত বগা কাপোৰেৰে চকা এটা নিৰল নিচ্ছল দেহ। বাস্তৱৰ বুজিবলৈ আৰু বাকী নাথাকিল। বাস্তৱে ভনীয়েক সাৱটি ধৰি কান্দি কান্দি কৈ উঠিল।

'ভণ্টি তোৰ কি হ'ল, এবাৰ তই মোক দাদা বুলি মাত চাচোন তোলৈ মই কিমান দেৰিব পৰা ৰৈ আছো। বাস্তৱক তেনেদৰে কন্দা দেখি সকলোৰে চকুত চকুলো বিৰিঙি উঠিল। কিমান যে ভাল পাইছিল সি ভনীয়েকক।

বুলবুলি বিদায়ৰ শেষ শ্ৰদ্ধাঞ্জলি হৈ গ'ল। ঘৰখন যেন তেনেই নীৰৱ হৈ পৰিল। একেবাৰে পৰে নেদেখা সাগৰৰ দৰে। বাস্তৱৰ মাক যেন নিৰুপায় হৈ ৰ'ল। কেৱল এটাই মনলৈ আহিলক যোৱাৰ আগতে বুলবুলিয়ে কৈছিল; "মা, দাদা সিহঁতে মোক....। উহ্ মাকৰ যেন আৰু সহ্য নহয়। কিন্তু কি কৰিব কোনে তেওঁৰ মৰমৰ ছোৱালীজনীক শেষ কৰিলে তাকেই নাজানে। এনেদৰেই দিন বাগৰি গ'ল সময়ে সুতি সলালে কিন্তু বুলবুলিৰ হত্যাকাৰী নোলাল।

'কণমইনা ভাত খাহি, কণমইনা, অ'কণমইনা মাকে কেইবাবাৰো মাতিলত বাস্তৱে স্বাভাৱিক অৱস্থা ঘূৰাই পাই তিতি থকা চকুহাল ঢাকি মাকক 'গৈছো'। বুলি সহাঁৰি জনালে। এটা স্তব্ধ ৰাতি শেষ হোৱাৰ পাছত আকৌ এটা নতুন পুৱা আহিল। সকলোৰে আকৌ অহা যোৱা চলিল ব্যস্ত পথেদি। ক'তজনে উলাই গৈছে কামৰ তাগিদাত কতজনে উভতি আহিছে ঘৰৰ অভিমূখে।

আজি আশা বাস্তৱৰ ঘৰলৈ আহিছে লগত তাইৰ বান্ধৱী প্ৰেৰণাও আহিছে। মাকে সিহঁত দুজনীক চাহ দি ভিতৰলৈ সোমাই গ'ল। আজিকালি আশা আৰু বাস্তৱ দুয়োটাৰে খুব আত্মীয়তা গঢ়ি উঠিছে। দুয়োটাই দুয়োটাক যেন অলপ বেলেগ ধৰণে ল'ব বিচাৰে। কিন্তু দুয়োটাই প্ৰকাশ কৰিব নিবিচাৰে। আশাক দেখিলেই বাস্তৱৰ মনটো ভাল লাগি আহে। সেয়ে কলেজত সদায় আশা নহলাকৈ সি অপেক্ষা কৰি থাকে। আশাৰো ভাল লাগে তাক দেখিলে।

আশাৰ এটা ককায়েক আছে নাম নীলম। সি আৰু তাৰ লগৰ দুজনেই আছিল বুলবুলিৰ হত্যাকাৰী। এই কথা কোনেও নাজানে জানে মাথো মাছমৰীয়া যদু ককাইয়ে। যদু ককাইয়ে সিহঁতি বুলবুলিক বেয়া ব্যৱহাৰ কৰিছে বুলি গম পাইছিল বাধাও দিছিল কিন্তু যদু ককাইকো সিহঁতো উপায়হীন কৰিছিল সেই কথা কাকো নকবলৈ। আজি যদু ককাইয়ে জীৱনৰ শেষ মুহূৰ্তৰ বাবে যুজি আছে। মুখত মাথো এটাই শব্দ বুলবুলিক সিহঁতে



মাৰিছে সিহঁতক এৰি নিদিবি। যদুককাইৰ পত্নীয়ে কথাবোৰ গম পাই ৰঞ্জিত ককাইক জনালে, সকলো কথা বাস্তৱেও গম পালে। প্ৰতিশোধৰ জুই তাৰ দেহত দপদপ্‌কৈ জ্বলি উঠিল।

বাস্তৱে কি কৰিব একো ভাবি পোৱা নাই মাথো ইচ্ছাত বিচ্ছাত কৰি ঘূৰি ফুৰিছে কি কৰিব সি এফালে তাৰ প্ৰেম আনফালে বুলবুলিৰ শত্ৰু। তাৰ ভনীয়েকৰ দৰে নিৰ্দোষী আশাজনীকতো সি প্ৰতিশোধৰ চিকাৰ বনাব নোৱাৰে। আনফালে যদি নীলমৰ ওপৰত প্ৰতিশোধ লয় আশা আৰু নাথাকিব কাৰণ আশাই ককাইয়েকক বহুত ভাল পাই। ভাবি ভাবি বাস্তৱ বাৰান্দাতে থকা চকীখনত বহি পৰিল। প্ৰতিশোধৰ জুই হৃদয়ত জ্বলিছে যদিও দুচকুৰে চকুলো বৈ আহিছে। ভাবিছে পাৰিব জানো সি প্ৰেমৰ সন্মান ৰক্ষা কৰিব। আশাৰ ককাইকৰ কথা ক'লে তাই জানো বিশ্বাস কৰিব।

লাহে লাহে ৰাতি হৈ আহিল বিচনাত বাগৰি শুৱলৈ বহুত চেষ্টা কৰিছে যদিও টোপনি অহা নাই। ভাবিছে কি কৰিলে ভাল হ'ল। শেষত এটাই সিদ্ধান্ত ল'লে, সি আশাক সকলো কথা খুলি ক'ব। পুৱাই সোনকালে উঠি আশালৈ ফোন লগালে। নাই, আশাই ৰিচিভ কৰা নাই। তাই চাগে শুইয়েই আছে। সি ফোনটো থৈ মুখ হাত ধুই আহিল গৈ। পুনৰ ক'ল ট্ৰাই কৰোঁতেই সিফালৰ পৰা আশাৰ ক'ল আহিল। সি ক'লটো সহাঁৰি জনাই সন্ধিয়া আশাক নৈ পাৰলৈ মাতিলে।

সন্ধিয়া হৈ আহিছে বাস্তৱ বিমূৰত পৰিছে আশাক সি কথাবোৰ কেনেকৈ ক'ব। তথাপিও সি নিজক প্ৰস্তুত কৰি এখোজ-দুখোজকৈ আগবাঢ়িছে আশাৰ ওচৰলৈ। আশাৰ তাৰ পৰাই সি মাথো তাইৰ চকুলৈ চাই ৰৈ আছে। মুখৰ পৰা একো শব্দ ওলাই অহা নাই। এনেদৰে নিঠৰ হৈ চাই থকা দেখি আশাই সুধিলে, "বাস্তৱ কি হ'ল তোমাৰ এনেদৰে মৌন হৈ মোৰ ফালে কিয় চাই আছা কিয় মাতিছিলা নোকোৱা কিয়?' বাস্তৱ অলপ প্ৰস্তুত হৈ ক'বলৈ আৰম্ভ কৰিলে, "আশা তোমাক মই যিবোৰ কথা ক'বলৈ ইয়ালৈ মাতিছো সেইবোৰ কথা শুনিবলৈ তোমাৰ বাবে অপ্ৰিয় হ'ব পাৰে কিন্তু তুমি শুনিব লাগিব।"

"আশা তুমি জানানে মোৰ ভণ্টীৰ হত্যাকাৰী কোন আজি অ'ত দিনে বিচাৰি ফুৰা সেই হত্যাকাৰী মোৰ আগত ধৰা দিছে।"

কথাবাৰ শুনি আশাই উৎকণ্ঠাৰে সুধিলে, কোন সি? তুমি কিয় দেৰি কৰি আছা তাক উচিত শাস্তি দিয়া নাই কিয়?" বাস্তৱো একো নোকোৱা দেখি আকৌ সুধিলে, কোন কোৱা বাস্তৱ প্লিজ্।

বাস্তৱে ক'লে, "তুমি জানো শুনিব পাৰিবা আশা, যদি মই কওঁ তোমাৰ কোনোবা প্ৰিয় এজনেই মোৰ ভণ্টীৰ হত্যাকাৰী। আশাই কৈ উঠিল, "এয়া তুমি কি কৈছা বাস্তৱ, মই একো বুজিব পৰা নাই।" অ আশা তোমাৰ আটাইতকৈ প্ৰিয় ককাইদেউ নীলমেই মোৰ ভনীৰ হত্যাকাৰী। কথাষাৰ শুনাৰ লগে লগে আশাই চিঞৰি উঠিল এইটো কেতিয়াও হ'ব নোৱাৰে।" তুমি বিশ্বাস নকৰিলেও এইটো সত্য আশা। আশাই কোনোমতে মান্তি নোহোৱাত বাস্তৱে প্ৰমাণ দিবলৈ বাধ্য হ'ল। বাস্তৱ নিৰুপায় কেনেকৈ বুজাব আশাক সচাঁই নীলমেই যে তাৰ ভনীয়েকৰ হত্যাকাৰী। বাস্তৱে আশাক যদু ককাইৰ ওচৰলৈ লৈ গ'ল। যদু কাইৰ মুখৰ পৰা সকলো কথা শুনাৰ পাছত আশাই বিশ্বাস কৰিবলৈ বাধ্য হ'ল যে তাই মৰমৰ ককায়েক এজন হত্যাকাৰী। আশাৰ ককাইৰ প্ৰতি ঘৃণা উপজিল। তাই ককাইকক মাতবোল কৰিবলৈ বন্ধ কৰি দিলে, এইটোও জনাই দিলে যে হত্যাকাৰী এজনৰ লগত তাইৰ কোনো সম্পৰ্ক নাই। এনে ব্যৱহাৰত নীলমে বাৰে বাৰে অনুশোচনাত ভুগিলে, কিয় সি ইমান ডাঙৰ অপৰাধ কৰিলে, অনুশোচনাত ককবকাবলৈ ধৰিলে, ভনীয়েকৰ লগতে বুলবুলিৰ মাক-দেউতাকে বাস্তৱ সকলোৰে আগৰ মূৰ দূৱাই সি কৰা পাপৰ প্ৰায়চিত্ৰ মাগিলে। বুলবুলিৰ মাক-দেউতাকেও সকলো দুখ আওকান কৰি তাক ক্ষমা কৰি দিলে। আশাক সি নিজেই বাস্তৱৰ হাতত অৰ্পন কৰিলে। দুয়োৰে এটা নতুন জীৱনৰ আৰম্ভণি হ'ল। পুনৰ বাস্তৱৰ মাক-দেউতাকৰ মুখত বিৰিঙি উঠিল আনন্দৰ হাঁহি। আশাক নিজৰ ছোৱালীৰ দৰে ভাবিবলৈ ল'লে। বেছ সুখ-শান্তিৰে ঘৰখন চলি গ'ল।

আজি খুব ঠাণ্ডা পৰিছে বাস্তৱ আৰু আশাই বকুলজোপাৰ তলত বহি আছে। আশাই লাহেকৈ মাত লগালে, বাস্তৱ মোৰ দাদাই তোমালোকক দিয়া দুখবোৰৰ বাবে মইও পাপৰ ভাগী। মই আজি তোমাক কথা দিছো, বুলবুলিৰ স্থান মই পুৰণ কৰিম, মা-দেউতাক কোনে দিনেই মই বুলবুলি অভাৱ অনুভাৱ কৰিবলৈ নিদিওঁ। বাস্তৱেও সহাঁৰি জনালে। ৰাতি গভীৰ হৈ আহিল সকলো শুই পৰিল। পুৱা আকৌ বাস্ত পথটোৱেদি আগমন ঘটিল বিভিন্ন জন বাটৰুৱাৰ। আশা আৰু বাস্তৱো জড়িত হৈ পৰিল নিতো নৈমিত্তিক কামত। মাক-দেউতাকৰ পুনৰ ঠনধৰি উঠা ঘৰখন দেখি আনন্দৰ চকুলো দুচকুত বিৰিঙি উঠিল।



# আকৌ নতুন প্ৰভাত হ'ব

**জেবিন আখতাৰ ৰহমান**
**স্নাতক ষষ্ঠ ষান্মাষিক**

*এখন তীব্ৰবেগী মটৰ-গাড়ীৰ খুন্দাত গকুলৰ সকলো সপোন থানবান হৈ পৰিছিল। তেওঁক গাঁৱৰ ওচৰৰে মানুহ কেইজনমানে দাঙি আনি হস্পিতেল পোৱাইছিলগৈ। মিনতিক খবৰ দিয়া হৈছিল এক্সিডেণ্টটোৰ বিষয়ে। তাই খন্তেকৰ বাবে সকলো দিগ্ বিদিগ হেৰুৱাই পেলাইছিল চাৰিওফালে অন্ধকাৰ নামি আহিছিল। কিন্তু তথাপিও তাই ধৈৰ্য্য হেৰুৱা নাছিল। এমুঠি আশা বুকুত বান্ধি নিজকে বুজনি দিয়াৰ চেষ্টা কৰিছিল। কিন্তু তাইৰ আশা, ধৈৰ্য্য সকলো যেন নিমিষতে হেৰাই গৈছিল।*

ব'হাগ মাহৰ বিহুবলীয়া বতৰ। বৰদৈচিলাৰ মাকৰ ঘৰলৈ বিহু খাবলৈ যোৱাৰ বতৰ। আজি পুৱাৰে পৰা গোমা হৈ থকা বতৰটোৱে যেন তাৰেই ইংগিত বহন কৰিছিল। সচাঁকৈয়ে অলপ সময়ৰ পিছতেই গাজনি-বিজুলীৰে অহা ধাৰাষাৰ বৰষুণজাকে তাৰেই প্ৰমাণ দাঙি ধৰিলে। এইদৰে বৰষুণ আহিলেই সাধাৰণতে মিনতিৰ মনটোৱে হাঁহাকাৰ কৰি উঠে। বৰষুণজাকেই যেন তাইৰ দৈনন্দিন জীৱনত বাধা হৈ থিয় দিয়ে। লাহে লাহে ধুমুহাৰ গতি বেগ কমি আহিছিল যদিও বৰষুণৰ গতিবেগ কিন্তু একেই হৈয়ে থাকিল। বাহিৰৰ পৰিৱেশটোও ভয়াল হৈ পৰিছিল। এইজাক বৰষুণ যে এৰাৰ তাৰ কোনো আশা নাই। কণমানিজনীক বুকুত সাৱটি ধৰি সৰু খিৰিকীখনেৰে বাহিৰলৈ চাই মিনতিয়ে যেন তাকেই ভাবি আছে। তাইৰ মনটো হঠাৎ ভাৰাক্ৰান্ত হৈ পৰিল। অজানিতে এটি দীঘল হুমুনিয়াহ বাহিৰ ওলাই আহিল। কাৰণ এইদৰেই যদি বৰষুণজাক একেৰাহে দিয়েই থাকে তেন্তে যোৱা কেইৰাতিৰ দৰে আজিও সিহঁতে উজাগৰে কটাবলগীয়া হব। ঘৰটোৰ আটাইকেইটা কোঠাতে টিনবোৰ ফুটি য'ত-ত'ত পানী পৰিব ধৰিছে। তাই বাতি-ঘটি যি পাই তাকে পানী পৰা ঠাইত দি পানী ধৰি ৰখাৰ চেষ্টা কৰিছে। আজি পুনৰ এইদৰে অহা বৰষুণজাক দেখি তাইৰ চিন্তা দুগুণ বাঢ়িবলৈ ধৰিছে। উৰুখা চালিৰে পানী পৰি পৰি গোটেই মজিয়াখনো প্ৰায় গেলি গৈছে। কিন্তু তাইৰ যে কোনো উপায় নাই। ঘৰটো মেৰামতি কৰাবলৈও তাইৰ হাতত ধনৰ অভাৱ। কিয়নো ঘৰখনত উপাৰ্জন কৰা মানুহটো একমাত্ৰ তায়েই। হঠাৎ এক অস্ফুট গেঙনিৰ শব্দই মিনতিক ভাৱনাৰ পৃথিৱীৰ পৰা বাস্তৱলৈ ঘূৰাই আনিলে। তাই লৰি গৈ কাষৰ কোঠাটো পালেগৈ। বিচনাখনতে তাইৰ ৰোগীয়া মানুহ জনে ইকাটি-সিকাতি কৰি শুই আছে। তেওঁ যেন এতিয়া প্ৰতিদিনেই মৃত্যুৰ বাবে ক্ষণ গণিছে তেওঁৰ মুখখন দেখিলেই তেনে ভাৱ হয় মিনতিৰ। অজানিতেই তাইৰ চকুলো উপচি পৰিল। এইয়াই মিনতিৰ সংসাৰ। দিনৰ দিনটো গাঁৱৰে দুই এঘৰত কাম কৰি যি দুই এপ ইচা উপাৰ্জন কৰে তাৰেই তিনিটি প্ৰাণীয়ে কোনোমতে চলিব পৰা হয়। কেতিয়াবা কাম নাপালে নিমখ ভাতেৰেই পেট মোকলাবলগীয়া হয়। এই কেইদিন - নেৰানেপেৰা বৰষুণ জাকৰ বাবে তাই কাম বিচাৰি ওলাই যাব নোৱাৰাৰ কাৰণে তিনিওটি প্ৰাণীৰ পেটিত খুদকণ এটাও পৰা নাই। বিশেষকৈ কণমানি জনীৰ মুখলৈ চাব নোৱাৰা হৈছে তাই। কিন্তু কি কৰিব বিধিয়ে দিলেও যে বিধাতাই নিদিয়ে। এই নিৰ্মম সত্যক বুকুত বান্ধিয়ে তাই সংসাৰখনত আগবাঢ়ি যোৱাৰ প্ৰচেষ্টা চলাইছে।

ব'হাগ মাহৰ এটি শুভ লগনত গকুলক স্বামীৰূপে বৰণ কৰি মিনতিয়ে খোজ পেলাইছিল এক নতুন জীৱনৰ দিশে। য'ত আছিল তাইৰ অযুত সপোন, সীমাহীন আশা আৰু এমুঠি সুখৰ ৰেঙণি। সুন্দৰ ভাৱেই আগবাঢ়ি গৈছিল সিহঁতৰ সংসাৰ। প্ৰতিটো পুৱাই যেন কঢ়িয়াই আনিছিল অলেখ প্ৰতিশ্ৰুতি। এনে সময়তেই



আউল লাগিছিল সিহঁতৰ সংসাৰত। গকুলৰ মাক অৰ্থাৎ মিনতিৰ শাহুৱেক সামান্য জ্বৰত আক্ৰান্ত হৈ চিৰ দিনৰ বাবে চকু মুদিছিল ইহসংসাৰৰ পৰা। উকা হৈ পৰিছিল সিহঁতৰ ঘৰখনৰ এটা অংশ। অৱশ্যে এই শূন্যতা বৰ বেছি দিনলৈ নাথাকিল মিনতি আৰু গকুলৰ সংসাৰখনলৈ আগমন ঘটিছিল এটি সুন্দৰ দেৱকন্যাৰ। যাৰ জৰিয়তে পুলকিত হৈ পৰিছিল সিহঁতৰ মন-প্ৰাণ। লাহে লাহে সিহঁত ব্যস্ত হৈ পৰিছিল কণমানিজনীৰ আদৰ যত্নত। তাইৰ হাঁহি আৰু কলকলনিয়ে মুখৰিত কৰি তুলিছিল। ঘৰখনৰ প্ৰতিটো কোণ তাইৰ মুখলৈ চাই সকলো দুখ ভাগৰ পাহৰি পেলাইছিল স্বামী গকুলে। নতুন উৎসাহ উদ্যমেৰে কাম কৰি যোৱাৰ এক শক্তি লাভ কৰিছিল। পৰিশ্ৰম কৰিবলৈ কোনো দিনেই এলাহ কৰা নাছিল গকুলে। খেতিৰ মাটি যি কেইদৰা আছিল তাৰেই সিহঁতৰ সংসাৰৰ অভাৱ পুৰ হৈছিল। কণমানিজনীৰ এখন সুন্দৰ ভৱিষ্যৎ গঢ়াৰ সপোনে আনন্দত বুৰাই পেলাইছিল দুয়োকে। কিন্তু নিয়তিয়ে সহিব নোৱাৰিলে সেই হাঁহি, সেই সুখ আৰু আনন্দৰ জোৱাৰ। কাল ধুমুহাই সিহঁতৰ সকলো সপোন ডাঙি চাৰ খাৰ কৰি পেলালে। এদিনাখন বৰষুণৰ বতৰতে মিনতিৰ স্বামীয়ে খেতি পথাৰত কাম কৰি আছিল। পথাৰৰ পৰা তেওঁ ঘৰলৈ বুলি আহি আছিল। সেই মুহূৰ্ততে সংঘটিত হৈছিল সেই নিৰ্মম দুৰ্ঘটনাটো। এখন তীব্ৰবেগী মটৰ-গাড়ীৰ খুন্দাত গকুলৰ সকলো সপোন থানবান হৈ পৰিছিল। তেওঁক গাঁৰৰ ওচৰৰে মানুহ কেইজনমানে দাঙি আনি হস্পিতেল পোৱাইছিলগৈ। মিনতিক খবৰ দিয়া হৈছিল এক্সিডেণ্টটোৰ বিষয়ে। তাই খন্তেকৰ বাবে সকলো দিগ্ বিদিগ হেৰুৱাই পেলাইছিল চাৰিওফালে অন্ধকাৰ নামি আহিছিল। কিন্তু তথাপিও তাই ধৈৰ্য্য হেৰুৱা নাছিল। এমুঠি আশা বুকুত বান্ধি নিজকে বুজনি দিয়াৰ চেষ্টা কৰিছিল। কিন্তু তাইৰ আশা, ধৈৰ্য্য সকলো যেন নিমিষতে হেৰাই গৈছিল। যেতিয়া তাইৰ নিজতকৈও আপোন মানুহজনে নিজৰ পৰিচয় হেৰুৱাই পেলাইছিল। গকুলে এক্সিডেণ্টটোত মস্তিষ্কত বেয়াকৈ আঘাত পাইছিল। ফলত তেওঁ সকলো কথা পাহৰি পেলাইছিল। তাৰ অতিকৈ মৰমৰ মানুহজনীকো চিনিব পৰা নাছিল সি। আনকি যাৰ সান্নিধ্যই তাৰ সকলো দুখ ভাগৰ নিমিষতে দূৰ কৰি পেলাইছিল, যাৰ আগমনত তাৰ জীৱনে পৰিপূৰ্ণতা লাভ কৰিছিল তাৰ হিয়াৰ আমঠু কণমানিজনীকো সি চিনি পোৱাত বিফল হৈছিল। মিনতিৰ যেন মূৰৰ ওপৰত আকাশখন খহি পৰিছিল তাই কি কৰিব, ক'লৈ যাব একো ভাবি পোৱা নাছিল। তাইৰ আপোন বুলিব লৈয়ো কোনো নাছিল। খেতিৰ মাটি কেইদৰাও মানুহজনৰ চিকিৎসাৰ বাবে বন্ধকত দিয়া হ'ল। চহৰলৈ নি চিকিৎসা কৰোৱাৰো সামৰ্থ নাছিল তাইৰ। ফলত জীৱিত হৈয়ো মৃতপ্ৰায় জীৱন এটা অতিবাহিত কৰিবলগীয়া হৈছিল মিনতিৰ স্বামী গকুলে। তাই সম্পূৰ্ণ ভাগি পৰিছিল। সান্ত্বনা দিবলৈও তাইৰ ওচৰত কোনো নাছিল। প্ৰতিদিনেই তাই চকুলো টুকিছিল। সদায়ে ভগৱানক খাটিছিল যাতে তাইৰ স্বামী পুনৰ আগৰ দৰে সুস্থ হৈ পৰে। কিন্তু ভগৱানেও যেন তাইৰ প্ৰাৰ্থনা শুনা নাছিল। তথাপিও তাইৰ আশা, তাইৰ বিশ্বাস অটুত আছিল।

তেতিয়াৰে পৰা মিনতিৰ জীৱনৰ এটা নতুন অধ্যায় আৰম্ভ হৈছিল। কণমানিজনীৰ মুখলৈ চাই তাই নিজকে সাজু কৰিছিল জীৱন যুদ্ধত জয়ী হৈ সাহসেৰে আগুৱাই যাবলৈ। মিনতিয়ে গাঁৱৰে দুঘৰমান মানুহৰ ঘৰত কাম কৰি দুবেলা দুসাজ যোগাৰ কৰিছিল। ইয়াৰোপৰি গাঁৰৰ মহিলাসকলে খোলা আত্মসহায়ক গোটটোতো তাই নতুনকৈ নামভৰ্তি কৰিছে। যাতে তাৰ জৰিয়তে অলপ হ'লেও সকাহ পায়। ইফালে চাওঁতে চাওঁতে কণমানীজনীও তিনি বছৰত ভৰি দিলেহি। তাইকো স্কুল পঠাবৰ সময় হৈছেহি।

এনেতে মিনতি মিনতি বুলি দুৱাৰত কোনোবাই টোকৰ মৰাত তাইৰ তন্দ্ৰ ঘূৰি আহিল। সীমাহীন ভাবনাত বুৰ গৈ থাকোতেই কেতিয়ানো ইমান খিনি সময় অতিবাহিত হ'ল তাই গমকে নাপালে। তাই দেখিলে ধুমুহা গাজনিৰে অহা বৰষুণজাকৰ কোনো চিন চাবেই নোহোৱা হৈ গ'ল। আকাশৰ কলীয়া ডাৱৰবোৰ আঁতৰি ফৰকাল হৈ পৰিল। আকাশখনেই যেন তাইক সোঁৱৰাই দিলে এতিয়া আৰু বৈ থকাৰ সময় নাই। আগবাঢ়ি যোৱাৰ সময় এতিয়া। মুকলি আকাশখনে তাইৰ মনটোকো মুকলি কৰি তুলিলে। তাইৰ চকুজুৰিও জিলিকি - উঠিল এমুঠি আশাৰ ৰেঙণিৰে। ইতিমধ্যে কণামানিজনীয়েও সাৰ পায় উঠি মাকক বিচাৰি বাহিৰলৈ ওলাই আগবাঢ়ি আহিছিল - সুন্দৰৰ আলিয়েদি, য'ত সিহঁতৰ সপোনবোৰ দিঠকত পৰিণত হ'ব।



# বোৱাৰী হোৱাৰ দিনা ...

**যামিনি মহন্ত**
**স্নাতক পঞ্চম ষান্মাষিক**

সেউজীয়া পাহাৰৰ মাজে মাজে বৈ অহা নদীখনে গাঁওখনৰ যিটো অংশতে ভাঁজ এটা লৈ পুবলৈ বৈ গৈছে থিক সেই ঠাই ডোখৰতে মই মোৰ জীয়াৰী সত্বাটো এৰি থৈ আহিছিলো। বোৱাৰী সাজযোৰ পিন্ধাৰ পাছত... উকা কপালখনত সেন্দুৰীয়া বেলিটোৱে টগবগাই উঠাৰ আগ মুহূৰ্তলৈকে মই জনীয়ে তাতেই লৰি ঢাপৰি ফুৰিছিলো, আপোন মনে ঘূৰি ফুৰিছিলো শুকুলা কহুঁৱাবোৰৰ আঁৰে আঁৰে... হালধীয়া সৰিয়হতলিৰ মাজে মাজে... কেতিয়াবা কোনোবাটো চিনাকী সুহুঁৰিত মইও বিচলিত হৈ পৰিছিলো থিক নদীখনে ভাঁজ লোৱা ঠাই ডোখৰতে ...। পানী নিবলে যোৱা জাকৰুৱা গাভৰুজাকৰ খিল্ খিলনিত এদিন মইও যোগ দিছিলো। — বিহু নাচি সন্ধিয়াপৰত গাঁৱৰে ডেকাহঁতৰ চাইকেলৰ কেৰিয়াত উঠি মইও এদিন ঘৰলৈ আহিছিলো... থিক তেনেকুৱা এটা দিনৰে কথা... কপৌ ফুলিছে, ভাটৌ ফুলিছে... ইফালে সুৰুযে ধলফাত দিয়াৰ পৰাই কুলি-কেতেকীয়ে মাতিবলৈ ধৰিছে... ৰাতি পুৱাতে লগৰীহঁতৰ লগত কপৌ ফুল বিচাৰি যোৱাৰ কথা — সন্ধিয়ালৈ হুঁচৰি নাচিবলৈ যাব লাগিব দুলীয়াজানৰ কোনোবা এজন ব্যৱসায়ীৰ ঘৰলৈ... দিনটো উথপ্ থপ লগাই বেলি লহিওৱাৰ সময়তে আমি গাঁওখন এৰি ওলাই আহিছিলো আধুনিকতাৰ প্ৰলেপ সনা কংক্ৰীটৰ নগৰীখনলৈ...

কোনোদিনে সপোন দেখা নাছিলো মই এদিন এনে এখন নগৰীলৈ বোৱাৰী হৈ অহাৰ... মোৰ হাঁহিবোৰ জলাঞ্জলি দি ইয়ালে গুচি অহাৰ হেঁপাহো মোৰ মনত কেতিয়াও জাগি উঠা নাছিল। চঞ্চল নাছিলো যদিও খৰস্ৰোতা নদীখনক মই ভাল পাইছিলো। ইয়াৰ বাবে পাৰে থকা বিশাল শিলবোৰৰ সৈতে কথাপাতি মোৰ সুখ-দুখবোৰ ভগাই লৈছিলো... পখিলা খেদি খেদি সৰিয়হ তলিত কিমান সময় পাৰ কৰিছিলো হিচাপ ৰখা নাছিলো। পানী অনা ঘাটৰ বাঁহৰ দলংখনত বহি ভৰি নচুৱাই নচুৱাই সূৰ্যোদয় আৰু সূৰ্য্যাস্ত চোৱাৰ অনুভৱ খিনি মই কাৰোৰে সৈতে কেতিয়াও ভগাই ল'ব পৰা নাছিলো...

মিঠাতেলৰ চাকিৰ ঢিমিক ঢামাক পোহৰতে আছিলো যদিও নগৰৰ বিজুলী বাতিৰ সপোন দেখি উচ্ পিচাই থকা নাছিলো... নিজে বৈ কাটি পিন্ধা কাপোৰ সাজেৰেই নিজকে ধুনীয়া কৰি ৰাখিবলৈ যত্ন কৰিছিলো... মাটিৰ চাকিত মিঠাতেলৰ প্ৰলেপ দি তৈয়াৰ কৰা কাজলেৰে দুচকু পূৰ কৰি যেতিয়া নিজকে চাওঁ কোনো ঠাইতে কেতিয়াও অভিযোগ বা আপত্তি বা অসন্তোষ্টিৰে মন ভৰি পৰা নাছিল... সহজ অৰ্থত মই সহজ-সৰল মোৰ জীয়াৰী জীৱনটোতেই সুখী আছিলো মনে বিচৰা ধৰণেৰে... চিক্‌মিকীয়া এখন সমাজৰ এটা সপোন মই সচাঁকৈয়ে দেখা নাছিলো।

নভৱা কথাবোৰেইচোন জীৱনৰ প্ৰতিটো খোজতে আগভেটি ধৰেহি... হঠাৎ এটা সন্ধিয়াত ঘোষণা কৰা হ'ল যে মোৰ জীয়াৰী কালচোৱাৰ যৱনিকা পৰিবৰ হ'ল। গাত মা-হালধিৰে এসাঁজ নতুন কাপোৰ পিন্ধিবৰ হ'ল। মোৰ উকা কপালখন বিশেষ এজনৰ নামেৰে ৰাঙলী কৰিবৰ হ'ল... সেইটো সন্ধিয়া মোৰ জীৱনৰ এটা বিশেষ সন্ধ্যা... বুকুত বুজাব নোৱাৰা অনুভৱৰ চট্‌ফট্‌নি... মনত অলেখ ভাৱনাৰ ভেটা-ভেটি। কেনেকুৱা হ'ব আহিবলগীয়া মোৰ নতুন সাজেৰে নতুন দিনবোৰ। কপালত আঁকি লোৱা সেন্দূৰৰ নতুন সাজেৰে নতুন দিনবোৰ। কঁপালত আঁকি লোৱা সেন্দূৰৰ গৰাকীজনে বাৰু ল'বনে আঁকোৱালি মোক? কেনেকুৱা হ'ব সেই ঠাইখন? মোৰ গাওঁখনৰ দৰে থাকিবনে তাত এখন ভাঁজ লোৱা নদী আৰু তাৰ আশা পাশে মোৰ সুখ দুখৰ সমভাগী বিশাল শিলবোৰ...। বোৱাৰী সাজেৰে মই নতুন মানুহজনীক বাৰু বুজি পাবনে জাক-জমকতাৰ সেই সকল মানুহে। ক্ৰমশঃ যেন মোৰ হাঁহিবোৰ স্তিমিত হৈ আহিছে... এবুকু ভাৱনাৰে বুকুখন গধুৰ কৰি তুলিছে... আপোন আপোন ছবিবোৰ এৰি থৈ যোৱাৰ বেদনাই খুন্দা মাৰি ধৰিছে মোক। জনা-নজনাৰ খু-দুৱনিয়ে মনত পাৰা পাৰহীন ঢৌ তুলিছে... এজাক ধুমুহা যেন বলিবলৈ ,ৰিছে ক্ৰমশঃ মোৰ মনত...

নাচনী সাজেৰেই চকুত পৰা মই জনীক কইনা কৰি



নিবৰ মন সেইখন ব্যৱসায়ী পৰিয়ালৰ একমাত্ৰ উত্তৰাধিকাৰীলৈ। বুজা নুবুজাৰ সন্ধিক্ষণত মই থক্-থক্কৈ কঁপিছিলো ভয়ত নে অন্য কিবা কাৰণত নাজানো। মাথো দুৰু দুৰুকৈ কঁপি থকা হিয়াখনিৰ কঁপি থকা মাতষাৰ মই শুনা পাইছিলো কৰুণ ভাৱে। মোৰ জীৱনৰ প্ৰতিটো বসন্তই বৰ ধুনীয়া আছিল। এজনী ছোৱালী হিচাপে এইটো বসন্ত মোৰ বাবে সবাতোকৈ ধুনীয়া হ'ব লাগিছিল কিন্তু কিছুমান অজান ভাৱনাই যেন মোৰ পৰা ভাল লগাবোৰ আঁতৰাই ৰাখিছিল।

এদিন হঠাৎ আমাৰ ঘৰৰ দীঘল পদুলিৰ মূৰত এখন গাড়ী ৰখোৱাৰ শব্দ শুনিছিলো... আৰু সেই শব্দটোৱেই মোৰ নতুন সাজযোৰ পিন্ধাৰ সময় হ'ল বুলি সোঁৱৰাই দিছিলহি... কেইবাটোপোলা মিঠাইৰ সৈতে ব্যৱসায়ী পৰিয়ালটো আমাৰ ঘৰৰ চোতালত থিয় দিছিলহি — ভিতৰত বহিবলৈ দিবলৈ ঠাই নাই দেখিয়ে চোতালতে বেঞ্চ পাৰি দিছিল তেওঁলোকৰ বহাৰ সুবিধাৰ বাবে। আমাৰ ঘৰৰ অশিক্ষিত লোকসকলৰ তেওঁলোকৰ লগত কথা পতাৰ সাহস হোৱা নাছিল। সেয়ে কাঁহ পৰি জীন যোৱা এটা পৰিৱেশে বাৰুকৈয়ে আমনি কৰিছিল মোক। অৱশেষত তেওঁলোকেই অলপ সহজ হৈ আমাৰ চহা পৰিয়ালটোক অতিথি আপ্যায়ন কৰাত সুবিধা কৰি দিছিল। কথাবোৰ মই ভবাৰ ধৰণে একো হোৱা নাছিল... চহৰীয়া যদিও তেওঁলোক ভদ্ৰ অমায়িক আছিল। মোৰ অবুজন পৰিয়ালটোকো তেওঁলোকে আদৰ কৰিছিল। শুনিবলৈ পাইছিলো কইনাৰ লগত যৌতুক দাবী কৰা নাছিল তেওঁলোকে... আৰু প্ৰয়োজন সাপেক্ষে শিক্ষা-দীক্ষাৰে মোকো হেনো উপযুক্ত কৰি তুলিব বৰ্তমানৰ সৈতে খাপ খাবৰ বাবে। মোৰ ভাৱনাত যতি পৰিছিল, নভবাকৈয়ে ভাল লগা কথাবোৰ নিজ কাণেৰে শুনিবলৈ পাইছিলো। এটা সময় আহিল মই কাঁহৰ থালখনত গিলাচ কেইটা লৈ তেওঁলোকক চাহ দিবৰ বাবে ওলাই যাব লগীয়া হ'ল ... ভাল লগা, ভয় লগা, লাজ লগা আৰু অনেক অনুভাৱৰে শিহঁৰিত মোৰ সত্বাটোৱে বাঁহ পাতখিলাৰ দৰে কঁপিছিলো থক্ থক্কৈ, গিলাচবোৰে ইটোৰ সিটোৰ গাত খুন্দা মাৰি শব্দ কৰি উঠিছিল ঠন্ ঠন্কৈ... মই তলমূৰ ওপৰ নকৰাকৈ তেওঁলোকৰ মাজত চাহৰ কাঁহীখন থৈ সেৱা এটা জনাই কাষতে থিয় হৈ আছিলো। মোৰ নামটো শুনা পাইছিলো আদহীয়া মহিলা গৰাকীৰ কণ্ঠত খুউব মৰম লগাকৈ। আপোন আপোন লাগিবলৈ আৰম্ভ কৰিছিল সকলোবোৰ... তেখেতৰ চৰণ চুই সেৱা কৰিছিলো। মোৰ খবৰ সুধিছিল তেওঁ — বিহু নাচৰ কথা কৈছিলে সুন্দৰকৈ নাচিব পাৰো বুলি। হঠাতে সেই অচিন পুৰুষৰ কণ্ঠস্বৰে বাধা দিছিল মহিলাগৰাকীৰ কথাত... গহীন পুৰুষ সুলভ মাতষাৰে কিন্তু ভাল লগা কথা কিছুমানেই কৈ পেলাইছিল সেই সময়ত... আৰু তেতিয়াই লাজে সেন্দুৰীয়া কৰা মুখখন তুলি কণ্ঠস্বৰৰ গৰাকীলৈ চাইছিলো নিৰ্লজ ভাৱে যৌৱনৰ সীমনাত এজন কোমল মুখৰ পুৰুষ, মিহি গোঁফেৰে এখন কমনীয় মুখ... আয়তা কৃতিৰ গভীৰ দুচকুৰে যেন ক'ব বিচাৰে অলেখ কথা... দুই কোৱাৰিত ফুটো নুফুটোকৈ থকা হাঁহি। পঢ়ি পেলাইছিলো ক্ষন্তেকৰ চাৱনিতে সেই অচিন পুৰুষৰ মুখৰ ভাষা... তেওঁৰ চাৱনি হঠাৎ মৰম হৈ গলি সোমাই গৈছিল বুকুৰ ভিতৰলৈ — সেন্দুৰীয়া মুখখন টিক্-টিকীয়া বেলিটোৰ দৰে হোৱাৰ উপক্ৰম হৈছিল। হাবু-ডাবু খাইছিলে মুখৰ ভাষা বিচাৰি, কোনোবাই যেন মোৰ কথাবোৰ কাঢ়ি লৈ গৈছিল— বিচাৰি পোৱা নাছিলো কি ক'ব লাগিব কি নালাগিব? হঠাত খৰধৰকৈ সোমাই গুচি গৈছিলো পাকঘৰলৈ। আকৌ ওলাই আহিব পৰা নাছিলো আলহীৰ সন্মুখলৈ। কিবা এটা অস্থিৰতাই গ্ৰাস কৰি পেলাইছিল মোক। ভৰিৰ তলুৱাত তপত তেজৰ পিৰ্ পিৰণি মই অনুভৱ কৰিছিলো সঘনাই — নিজৰ মুখেৰে নিজেই আওঁৰাইছিলো— 'আজি মোক চাবলৈ আলহী আহিছে' ... আকৌ তপত তেজ এসোঁতা পোনহাছেই উঠি আহিছিল মোৰ মাগুৰ বৰণীয়া মুখখনলৈ... বেলি লহিওৱাৰ পৰত তেওঁলোক গুছি গৈছিল আকৌ সোনকালেই লগ পোৱাৰ প্ৰতিশ্ৰুতিৰে... বাঁহৰ বেৰৰ জলঙাইদি জুমি জুমি চাইছিলো আয়তাকৃতিৰ গভীৰ চকুযুৰিৰ গৰাকীলৈ তেৰোঁ যেন সকলোৰে আঁৰে আঁৰে সন্ধান লৈছিল বিশেষ কাৰোবাৰ ব্যাকুল হৈ... মনটো ভৰি পৰিছিল ভাল লগাৰে — তেওঁলোক পদূলি পোৱাৰ সময়তে বাৰান্দালৈ ওলাই আহিছিলো মই সেই বিশেষজনৰ আকৰ্ষণত। তেৰোঁ হয়তো উভতি চাই দেখিছিল মোক। সেয়ে এখিনি শান্তিৰ নিশ্বাস মোৰ পদূলিত এৰি থৈ গুছি গৈছিল বাটৰ ধূলি উৰুৱায় চহৰৰ দিশে...

আজি তেওঁলোক গুছি যোৱাৰ প্ৰায় দুমাহ হ'বৰ হ'ল... সেই যি গুছি গৈছিল— আজিলৈকে একো বা-বাতৰিয়েই পঠিওৱা নাছিল — মোৰ বাবে এটা এটা মুহূৰ্ত একোটা যুগ যেন লাগিছিল। প্ৰতিটো নতুন পুৱাতেই এখিনি নতুন আশা, নতুন হেপাঁহ বুকুত সাৱটি লৈছিলো... নতুন উদ্যামেৰে চোতাল সাৰিছিলো, ঘৰ মচিছিলো, কাঠৰ বেঞ্চখনকে দিনটোত পাঁচ-ছবাৰ কৈ ফটা কাপোৰেৰে মচি-কাচি ৰাখিছিলো। কি ঠিক, চহৰীয়া আলহী হঠাতে ওলাবহিও পাৰে। ঘৰৰ গিলাচ বাতিবোৰ ধুৱাকে ধুই আছিলো... চৰকাৰী সূতাৰে গামোছা বৈ উলিয়াইছিলো— আলহীক দিবৰ বাবে, এখন ফুলাম গামোছাও



সাঁচি ৰাখিছিলো বিশেষ জনৰ বাবে। সেয়ে প্ৰতিটো পুৱা মোৰ বাবে গভীৰ অপেক্ষাৰে আৰম্ভ হৈছিল আৰু প্ৰতিটো নিশা এবুকু হুমুনিয়াহেৰে শেষ হৈছিল।

আশাবোৰৰ ৰং হেৰাই যাওঁ যাওঁ হোৱা অৱস্থাতেই হঠাৎ মোৰ সপোনবোৰে আকৌ কিৰিলি পাৰি হাঁহি উঠিছিল তেওঁলোকৰ আগমনত... আগৰবাৰৰ দৰে হঠাতে ঘোষণা কৰিছিল তেওঁলোকে মোক আঙুঠি পিন্ধোৱাৰ কথা... মইজনী এইবাৰ নতুন হোৱাৰ আশাৰে শিহঁৰিত হৈ পৰিছিলো। বহু অপেক্ষাৰ অন্তত এই ভাল লগাৰ অনুভৱবোৰে আকোঁৱালি লৈছিল মোক। নতুন সাজেৰে নতুন হোৱাৰ হেপাঁহত ঘৰখন এৰি থৈ যোৱাৰ বেদনা তল পৰি ৰৈছিল। কপালত টগবগীয়া বেলিটো আঁকিবৰ বাবে হঠাৎ মই উদগ্ৰীৱ হৈ পৰিছিলো। মোৰ যে অন্য কিবা সপোন আছিল মই পাহৰি পেলাইছিলো। মই যে মোৰ জীয়াৰী সত্বাক সমাধিস্থ কৰিম পাহৰি পেলাইছিলো একেবাৰেই। মোৰ মৰমৰ নদীখন আৰু সুখ-দুখৰ সমভাগী হোৱা শিলবোৰৰ স্মৃতিয়েও আমনি নকৰা হৈছিল। দুচকুত ভাঁহি আছিল কেৱল এখনি পৰুষ সুলভ মুখৰ প্ৰতিচ্ছবি আৰু এখিনি মৰম ভালপোৱাৰে এখন আটোম টোকাৰি সমাজ।

মোৰ চৌপাশৰ সেউজীয়াখিনি মই এৰি থৈ আহিছিলো মোৰ বিয়াৰ নিশা নদীখনৰ বুকুত। দুৱাৰে দুৱাৰে আমডালি লগাৰ দিনাৰ পৰা ঘৰখনত চাৰিটা চুকত চাৰিটা হাৰিকেন লেম্প অনবৰতে জ্বলি থাকিছিল। গাঁৱৰ সকলোৰে ওৰেটো নিশা উজাগৰে থাকি মোক বিদায় দিয়াৰ আয়োজন কৰিছিল। মোৰ ভাল লাগিছিল, খুউব ভাল লাগিছিল সকলোৰে উখপ থপবোৰ দেখি। মনলৈ ভাঁহি অহা নাছিল এবাৰলেও যে মোক একেবাৰে পঠিয়াই দিবৰ বাবেহে ইমান বোৰ আয়োজন। ভাল লগাৰ অনুভৱেৰে আন্দোলিত হৈ আছিলো প্ৰতি মুহূৰ্তে মুহূৰ্তে... উৰুলি মংগল ধ্বনিৰে বিয়াৰ আগনিশা মূৰত তেল দি নিয়ম কৰা হৈছিল। মোৰ, মোৰ আত্মীয় সকলৰ চকুত চকুলো দেখি ক্ষন্তেকৰ বাবে মই হতভম্ভ হৈ পৰিছিলো। ইমান আনন্দৰক্ষণত চকুলোৰ ঠাই কোন ডোখৰত বুজি পোৱা নাছিলো। দুখৰ লোতকৰ ৰহস্য মোৰ বাবে দুৰ্ভেদ্য হৈ পৰিছিল। সচাঁ অৰ্থত সিমানখিনি বুজিব পৰাকৈ মই পৰিপক্ক হোৱাই নাছিলো। অলেখ ভাৱনাই আকৌ খেলা কৰি থাকিল মোৰ মনত। সেই নিশা আয়তী সকলে বিয়ানাম গাই গাই মোক প্ৰায় ওৰোটা নিশাই পহৰা দি থাকিলে... আস্ কি যে বেদনাদায়ক আছিল সেই বিয়ানামবোৰ... তেতিয়া প্ৰথমবাৰৰ বাবে মই অনুভৱ কৰিছিলো জীয়াৰী সাজেৰে আজি মোৰ শেষ নিশা... কাইলৈৰ পৰা মই বেলেগ এখন সম্ভ্ৰান্ত ঘৰৰ একমাত্ৰ বোৱাৰী। বুকুখন কিহবাই হেঁচা মাৰি ধৰা যেন অনুভৱ হৈছিল, শোকে খুন্দা মাৰি ধৰিছিল। মই গম নোপোৱাকৈই দুচকু সেমেকি উঠিছিল। ক্ষন্তেকৰ বাবে এনে লাগিছিল বন্ধ কৰা যাওঁক এইবোৰৰ আয়োজন। মই মোৰ জীয়াৰী কালটো হেৰুৱাব বিচৰা নাছিলো... মোৰ ঘৰখনৰ পৰা আঁতৰি কোনোবা অচিন চহৰলৈ যাব বিচৰা নাছিলো... মোৰ মৰমৰ নদীখনক এৰি যোৱাৰ বেদনাই মোক দহিছিল বাৰুকৈয়ে। পলকতে কি হৈ গ'ল একো ত'তেই ধৰিব পৰা নাছিলো... মই কেনেকৈ এইবোৰ কথা পাহৰি আছিলো ভাৱি ওৰ পোৱা নাছিলো। নতুনক পোৱাৰ আশাই পুৰণিক ঢাকি ৰাখিছিল সম্পূৰ্ণ ৰূপে... বিয়ানামৰ কথাই মোক খুলি খুলি খাইছিল সেই ওৰেটো নিশা— দুচকু উষ্ম লোতকেৰে উপচি পৰিছিল, চিঞৰি চিঞৰি কান্দিবৰ মন গৈছিল... আইৰ কোলাত মূৰ থৈ আইক সাৱতি ধৰিবৰ মন গৈছিল... ঘৰখনৰ প্ৰতিটো বস্তু হেঁপাহ পলুৱাই চাবৰ মন গৈছিল। পিছফালৰ পুখুৰীটোত মনে মনে গা-ধুৱৰ মন গৈছিল... কিন্তু মনযোৱাবোৰ একোৱে কৰিব পৰা নাছিলো মই। মাথো ইফালে সিফালে চাই ফেকুঁৰি ফেকুঁৰি কান্দি চাদৰৰ আঁচলেৰে চকুপানী মচি আছিলো। সেইদৰেই পাটীতেই কেতিয়ানো শুই পৰিছিলো নাজানিছিলো। পুৱা আয়তীহঁতে আমডালি ৰভাঘৰত লগাওঁতে দিয়া উৰুলিৰ শব্দতহে সাৰ পাইছিলো। কান্দি থকাৰ বাবে চকু দুটা ওখহি ৰঙা পৰি আছিল... দেখিছিলো শোৱনী কোঠাৰ চুক এটাত বহি আয়ে চকুপানী মচি আছে খিৰিকিৰে বাহিৰলৈ চাই চাই। পিতায়ে কামৰ ব্যস্ততাত হয়তো দুখ কৰিবৰ বাবে আজৰিয়ে পোৱা নাই!

দিনটোৰ সময়বোৰ আগবাঢ়ি গৈ আছে... মোৰো বুকুখনত খুউব জোৰেৰে শব্দ হৈ আছে। আলহী অতিথি ভোজ ভাতেৰে গোটেই ৰভাতলি খদ্‌ম-দম লাগি আছে। আয়তীহঁতে জাত জাত নাম জুৰিছে, যোৰা নাম গাইছে... আৰু মই... সময় গণনা কৰিছো প্ৰতিটো মুহূৰ্তৰ। প্ৰতিটো প্ৰহৰত এনে অনুভৱ হৈছে যেন মোৰ দেহৰ এটা অংগ সৰি পৰিছে... মই যেন ক্ৰমশঃ দুৰ্বল হৈ পৰিছো মানসিক ভাৱে। বেলি লহিওৱাৰ পৰত ৰঙাকৈ আকাশখন দেখি মোৰ কলিজাখন ফাটো যেন হৈছিল। জাকৰুৱা বগলীৰ জাকটো উৰা মাৰি যাওঁতে মোক যেন ৰিঙিয়াই কৈ গ'ল— আজিৰ পৰা আৰু আমাক নেদেখ তই...। সন্ধিয়া নামি আহিছে— ইমান গৰমৰ দিনটো মই থক্ থক্ কৈ কঁপিছো জাৰৰ নিশাৰ দৰে। আলহী-অতিথিৰ ভীৰো কমিছে লাহে লাহে...... এতিয়া ৰভাতলিত কেৱল আত্মীয় সকলহে আছেগৈ— এতিয়া অপেক্ষা মাথোঁ সেই বিশেষ জনৰ— যিয়ে আহি হোম জুইক



সাক্ষী কৰি মোক লৈ যাব নিজৰ কৰি তেওঁৰ কাষলৈ... এখন অচিন দেশলৈ... দুখৰ মাজতো এচেৰেঙা হাঁহিয়ে তলবল কৰিছিল মোৰ মুখত তেওঁৰ ভাৱনাত। দিনটোৰ ভাগৰে হেঁচা মাৰি ধৰিছিল মোক— সেয়ে বিশেষজনৰ অপেক্ষাত মই ঢলি পৰিছিলো আয়তী এগৰাকীৰ কোলাতেই। গভীৰ নিশা হঠাতে হুলস্থূল লাগিছিল ৰভাতলিত। গাড়ী ৰখোৱাৰ শব্দ, উৰুলিৰ শব্দই ঝংকাৰ তুলিছিল সকলোতে। অপেক্ষাৰ অন্ত পৰিছিল। মোক লৈ যাবৰ বাবে তেওঁলোক আহি উপস্থিত হৈছিলহি বৰযাত্ৰী হিচাপে। আদৰ-সাদৰেৰে বৰযাত্ৰীৰ আপ্যায়ন কৰা হৈছিল। যৎপৰোনাস্তি চেষ্টা কৰিছিল মোৰ পৰিয়ালে তেওঁলোকৰ আপ্যায়নত। তেওঁলোকে সন্তুষ্ট হৈছিল। এসময়ত হোম জুইৰ আহুতিৰ ধোঁৱাই কুণ্ডলী পকাই ধৰিছিল ৰভাঘৰ, হোমাগ্নিত ঘী ঢালি মন্ত্ৰ পাঠ কৰি যজ্ঞ কৰা হৈছিল। মোৰ আইৰ ঘৰৰ লগত সাতোটা জন্মৰ বাবে সম্পৰ্ক শেষ কৰি পিতায়ে আহুতি দিছিল অগ্নিত। মোৰ একমাত্ৰ ভাইটোৱে যজ্ঞৰ হোমাগ্নিত আখৈ ঢালি মোৰ লগত বাই-ভাইৰ সম্পৰ্ক ছেদ কৰিছিল, তাৰ বিনিময়ত সি পাইছিল উপহাৰৰ এটা বিৰাট ৰং চঙীয়া টোপোলা... চকুপানী টুকি টুকি সি দুহাত মেলি উপহাৰ গ্ৰহণ কৰিছিল আৰু মই... মই তলমুৰ ওপৰ কৰিব পৰা নাছিলো। কাৰো মুখলে চাব পৰা নাছিলো। অবিৰত মোৰ লোতক দুধাৰিয়ে সামৰি পেলাইছিল মোক। আৰু মোৰ আই? আইক সন্ধিয়াতে দেখিছিলো এবাৰ চকা মকাকৈ, এবাৰত খৰখেদাকৈ আহি জোৰ কৰি গাখীৰ এগিলাচ মোক খুৱাই থৈ গৈছিলহি। সেই তেতিয়াই লগ পোৱা... তাৰ পিছত আৰু এতিয়ালৈকে এবাৰো দেখা নাই... মোৰ ভিতৰলৈ দৌৰ মাৰি গুছি যাবৰ মন গৈছিল— কিন্তু মোক তেওঁৰ সৈতে লগুন গাঁঠিৰে বান্ধি ৰখা হৈছিল। পিছ নিশালে যজ্ঞ শেষ হৈছিল... এইবাৰ সময় আহিল মোক তেওঁৰ সৈতে পঠিয়াই দিয়াৰ... ভিতৰলৈ লৈ গৈছিল আমাক ধৰি ধৰি। মই যেন কথা কোৱাৰ শক্তিও হেৰুৱাই পেলাইছিলো। কোনোবা এগৰাকীয়ে মোৰ আইক ঘৰৰ দুৱাৰ ডলিত এখন কাপোৰ দুহাতেৰে ধৰি থিয় কৰাই ৰাখিছে আৰু মোক পিছফালে নোচোৱাকৈ কাপোৰখনৰ তলেৰে সৰকি আহিবলৈ কৈছে। কোৱামতেই মই কৰি গৈছো... কান্দোনত ভাগি পৰিছো মই... কোনোবাই মোক এমুঠি এমুঠি চাউল ওলোটাকে চটিয়াই দিবলে ক'লে, মোৰ এনে লাগিছিল যেন মই মোৰ শৈশৱটো 'মোৰ কৈশোৰ আৰু মোৰ চঞ্চল যৌৱনৰ হাঁহি ধেমালিবোৰহে চটিয়াই চটিয়াই মোৰ পৰা আঁতৰাই থৈ আহিলো। ভাইটিয়ে হঠাতে দৌৰি আহি সাৱটি ধৰি মোক নাযাবলৈ চিঞৰি চিঞৰি কান্দিছে... আৰু মই উপায়হীন হৈ তাৰ কান্ধত মুৰ থৈ কান্দিছো মাথো... কান্দিছো। অনুভৱ হৈছে মোৰ এসাঁজ নতুন কাপোৰ, এটা নতুন ৰূপেও কিমান যন্ত্ৰণা দিয়ে। বোৱাৰী হোৱাৰ প্ৰথম পদক্ষেপ বৰ যাতনাদায়ক। বহু সপোন, বহু আশা-আকাংক্ষা বুকুত সামৰি এজনী গাভৰু ঘৰখন এৰি থৈ গুছি অচিন এজনৰ সৈতে বোৱাৰী হ'বলৈ তেওঁৰ পত্নী হ'বলৈ, তেওঁৰ সুখ-দুখৰ সমভাগী হ'বলৈ। দুচকুত অযুত সপোন আঁকি ছোৱালীজনী এখোজ দুখোজকৈ আঁতৰি যায় জন্মদাতৃ পিতৃ-মাতৃৰ বুকুৰ উমৰ পৰা— অনিশ্চয়তাৰ দোমোজাত অচিনাকী এখন ঘৰলৈ। যাৰ বাবে এৰি থৈ যায় প্ৰাণৰ সকলোকে। তেঁৱেই যদি বিশ্বাস দিব নোৱাৰে, মৰম দিব নোৱাৰে তেনে এজনী ছোৱালীৰ জীৱনটো বিহময় হৈ পৰিব তেনেই...।

বেলি ওলোৱাৰ পৰত নতুন ঘৰৰ পদূলি গছকি ভিতৰ চ'ৰালৈ সোমাই গ'লো লাজুকীয়া চাৱনি, বুকুত অনাহকৰ ভয়, শংকা একোটা লৈ ... এখন কঠিন হাতৰ গভীৰ পৰশে আশ্বাস দিছিল মোক মোৰ অনাগত জীৱনটোৰ বাবে... সেইজনাৰ গভীৰ চাৱনিত মই বিচাৰি পাইছিলো এখন সুখ-দুখৰ সমভাগী হ'ব পৰা বিশাল হৃদয়... থিক সেই সময়তে মোৰ গাঁৱৰ মাজেৰে বৈ যোৱা নদীখনৰ ভাঁজটো আৰু শিলবোৰে বাৰুকৈয়ে আমনি কৰিছিল... এনেদৰে নভবা কৈয়ে এদিন মই মোৰ সেউজীয়া অনুভৱখিনি সেই নৈখনৰ ভাঁজটোত সপি থৈ আহিছিলো চিৰদিনৰ বাবে... কপালত আঁকি লোৱা ৰঙা বেলিটো আৰু শিৰৰ ৰঙচুৱা আলিটোৱে আজিও মোক সোঁৱৰাই দিয়ে মোৰ গাঁৱখন আৰু নৈ খনৰ বিশেষ ভাঁজটো। সেইখন সৰিয়হ তলিত আজিও মোৰ লৰি ফুৰিবৰ মন যায় সেই তেতিয়াৰ দৰেই... এখিনি কহুঁৱাৰ মাজে মাজে এতিয়াও হালি জালি গান গাই ফুৰিবৰ মন যায় সেই তেতিয়াৰ মইজনীৰ দৰেই... কিন্তু এতিয়া আৰু তেনে এটা দিন ঘূৰি নাহে কেতিয়াও ... মোৰ মূৰৰ চুলিয়ে হয়তো অলপ দিনতে সেই কহুঁৱাৰ দৰে ৰং ধৰিব... মই বিচাৰিলেও আৰু সেই সেউজীয়া অনুভৱবোৰ ঘূৰাই নাপাওঁ। আজি মোৰ মৰমৰ নদীখন আছে যদিও সেই ভাঁজটো আৰু জীয়াই থকা নাই... গাঁৱখনৰ অৱশিষ্ট বুলিবলৈ তাত এতিয়া সুউচ্চ অট্টালিকাবোৰৰ বাহিৰে একো নাই। মোৰ সেউজীয়া অনুভৱখিনি সেই ভাঁজটোৰ লগে লগেই হেৰাই গ'লে সোঁৱৰনিৰ গৰ্ভত... মাথোঁ কাণত বাজি থাকে এতিয়াও বাঁহৰ দলঙত বহি পানীৰ সৈতে খেলা কৰাৰ কুলু কুলু শব্দ... প্ৰতিশব্দ!



# হেৰাই যোৱা সপোন

**ৰাণীমা বৰপাত্ৰ গোহাঁই**
**স্নাতক প্ৰথম যান্মাষিক**

বতৰটো ডাৱৰীয়া কৰিছে। পাছবেলা লৈ বৰষুণ অহাৰ সম্ভাৱনা দেখি ৰত্নই লৰা-লৰিকৈ মাল-বস্তুবোৰ সামৰিবলৈ ধৰিলে। আজি বিক্ৰীও বৰ এটা ভাল নহয়। বস্তুৰ দাম শুনি মানুহবোৰ দূৰতে দৌৰ মাৰিব খোজে। আজি ১০ বছৰে ৰত্নই শাক-পাচলি দোকানখনতে সৰু তিনিজনীয়া পৰিয়ালটো সুকলমে চলাই আহিছে। পত্নী পূৰ্ণিমা আৰু জীয়েক নয়নাৰ সৈতে ৰত্নৰ এখন সুখৰ সংসাৰ বুলিয়েই ক'ব পাৰি। ঘৰখনৰ প্ৰত্যেকটো দিশটো পত্নীৰ পৰা সম্পূৰ্ণ সহায়-সহযোগিতা পোৱা ৰত্ন সাংসাৰিক জীৱনৰ সুখী মানুহ।



গধূলি দোকানৰ পৰা আহি মুখ হাত ধুই জুইশালত বহাটো ৰত্নৰ বহুদিনৰ অভ্যাস। জীয়েক নয়নাই চিঞৰি চিঞৰি পঢ়ি আছিল। জীয়েকৰ পঢ়াৰ প্ৰতি থকা ধাউতি দেখি ৰত্নৰ মনত এক অজান ভাল লগাই বিৰাজ কৰে। পঢ়া-শুনাত নয়না বহুত ভাল। জীয়েকৰ প্ৰত্যেকটো অভাৱ পুৰণৰ বাবে ৰত্নই বহুত কষ্ট কৰিছে। যাতে জীয়েকে ভালদৰে পঢ়া-শুনা কৰি ডাঙৰ মানুহ হৈ অঞ্চলটোৰ লগতে মাক-দেউতাকৰো গৌৰৱ বৃদ্ধি কৰে। এয়া ৰত্নৰ বহুদিনীয়া আশা। 'চাহ লওঁক'— ঘৈনীয়েক পূৰ্ণিমাই বিস্কুট দুখনেৰে সৈতে চাহৰ বাতিটো ৰত্নৰ ফালে আগবঢ়াই দিলে। 'হেৰা, আমাৰ এইক চোৱাচোন কিমান মন দি পঢ়া শুনা কৰিছে। তাই পঢ়ি শুনি ডাঙৰ মানুহ হ'লে আমাৰ যে কিমান ভাল লাগিব।' — ৰত্নই মুখত এটা মিচিকিয়া হাঁহিয়ে ঘৈণীয়েকলৈ চাই ক'লে। 'হয় দিয়ক, আমাৰটো তাইয়েই একমাত্ৰ আশা।' — ঘৈণীয়েক পূৰ্ণিমাৰ সেই একে গতানুগতিক কথা। ৰত্নই ঘৈণীয়েকৰ সন্মুখত জীয়েকৰ কথা ক'লে পূৰ্ণিমাই সেই একেটা কথাকে কয়।

মাক-দেউতাকৰ একমাত্ৰ আশাৰ স্থল নয়নাই ও আজিলৈকে মাক-দেউতাকক বিমুখ কৰা নাই। ভালদৰে পঢ়া-শুনা কৰাৰ লগতে মাকক ঘৰুৱা দুই এখন কামতো সহায় কৰিছে। তাই এতিয়া নৱম শ্ৰেণীত পঢ়ি আছে। মেধাৱী হোৱাৰ কাৰণে শিক্ষক-শিক্ষয়িত্ৰীৰ ও প্ৰশংসাৰ পাত্ৰী।

ৰাতিপুৱা সোনকালে শুই উঠাটো ৰত্নৰ সৰুকালৰে অভ্যাস। শুই উঠিয়েই দোকানলৈ যোৱাৰ লগতে তাৰ দৈনন্দিন কামবোৰ কৰে। গোহালিটো চাফা কৰি থাকোতে তিনি আলিৰ মুৰৰ হৰি দাইটিয়ে মাত লগালে— "কি অ' ৰত্ন গোহালি চাফা কৰিছ।" হৰি দাইটি অঞ্চলটোৰ ভিতৰতে ধনী মানুহ। মাটি-বাৰী থকা মানুহ। কিন্তু মানুহটোৰ চৰিত্ৰটো বৰ এটা ভাল নহয়। প্ৰথম ঘৈণীয়েকে আন কাৰোবাৰ লগত দাইটিৰ হলি-গলি থকাৰ কথা গম পাই মাকৰ ঘৰলৈ গুচি গ'ল। তাৰ পাছত দাইটিয়ে দ্বিতীয় বিবাহ কৰায়। ডাঙৰজনীৰ ফালৰ দুজনী ছোৱালীৰ লগতে দ্বিতীয়জনীৰ ফালৰ তিনিটা ল'ৰাৰে দাইটিৰ বৰ্তমানৰ সংসাৰ। ধন দেখি দাইটিক অঞ্চলটোৰ মানুহে সমীহ কৰি চলে। 'অ' হৰি দাইটি, ক'ৰবালৈ যায়?'— ইচ্ছা অনিচ্ছাৰ মাজেৰে ৰত্নই সুধিলে।



"তোৰ ওচৰলৈকে আহিছিলো। দোকানী মানুহ ৰাতিপুৱাতে লগ নাপালে দিনটোলৈ লগেই নাপাওঁ।" — মুখৰ ভিতৰত চোবাই থকা তামোলৰ পিকখিনি পেলাই হৰি দাইটিয়ে ক'লে। "হয় নেকি? আহক তেতিয়া হ'লে।" — ৰত্নই হৰি দাইটিক তাৰ তিনি কোঠীয়া ঘৰটোলৈ লৈ গ'ল। "দাইটি ইয়াতে বহক। আমিবোৰ দুখীয়া মানুহ বহিবলৈ দিবলৈ ভাল চকী এখনো নাই" চকীখন মোহাৰি মোহাৰি ৰত্নই ক'লে। "হ'ব দে, ইয়াতে বহিম" — দাইটিয়ে চকীত বহি ক'লে। ৰত্নই ঘৈণীয়েকক ভিতৰৰ পিনে মুখ কৰি চাহৰ কাৰণে চিঞৰিলে। "হ'ব দে, মই চাহ খাইয়ে আহিছো। তই ইয়াতে বহ চোন। তোৰ লগত মোৰ এটা জৰুৰী কথা আছে।" — ওচৰৰ মূঢ়াটোলৈ দেখুৱাই দাইটিয়ে ৰত্নক ক'লে।

"কি কথা আছেনো দাইটি" — ৰত্নই গম্ভীৰ মুখেৰে ক'লে।

"তই মোৰ মাজু ল'ৰাটোৰ বিষয়ে সকলো কথাই জান। এইবাৰ সি নিজাববীয়াকৈ এটা ব্যৱসায় ও হাতত লৈছে।" "ভাল কথা দাইটি, সি কিবা কাম কৰিবলৈ লৈছে বুলি শুনি পৰম সুখ পালো।" — ৰত্নই সৰল ভাবেই কথাষাৰ ক'লে।

হৰি দাইটিৰ মাজু ল'ৰাটো অঞ্চলটোৰ ভিতৰতে অভদ্ৰ, বেয়া স্বভাৱৰ ল'ৰাৰূপে জনাজাত। ওচৰৰ গাঁৱৰ ছোৱালী এজনী বলৎকাৰ কৰি জে'লৰ ভাতৰ সোৱাদো লৈ থৈছে। পিছে দাইটিয়ে এই পুৱাই পুৱাই সেইটোৰ কথা ৰত্নক কিয় কৈছে। ৰত্নই একো বুজিব নোৱাৰি দাইটিৰ মুখলৈ চাই ৰ'ল। "এতিয়া কথা হ'ল মোৰ ল'ৰাই তোৰ ছোৱালীজনী পচন্দ কৰিছে" —

দাইটিয়ে ক'লে — "কি ক'লে দাইটি, আপোনাৰ ল'ৰালৈ মই মোৰ একমাত্ৰ ছোৱালীজনী দিম।" — ৰত্নই অলপ খঙেৰে ক'লে। "নহয় মানে, মোৰ ল'ৰাই পচন্দ কৰিছে আৰু তই তোৰ ছোৱালীজনী দিয়াৰ বিনিময়ত যি বিচাৰ তাকে পাবি।" কথাষাৰ শুনাৰ লগে লগে ৰত্নৰ খঙ দুগুনে চৰিব ধৰিলে। গোটেই মানুহটো খঙত কঁপিবলৈ ধৰিলে। "আপুনি কি মোৰ ছোৱালীজনী বজাৰৰ বস্তু পাইছে। বিনিময় দিবলৈ আহিছে। আপুনি এতিয়াই এইয়াৰ পৰা উঠি যাওঁক"— ৰত্নই উচ্চ শব্দৰে চিঞৰি উঠিল। শব্দ শুনি ভিতৰত চাহ বনাই থকা পূৰ্ণিমা দৌৰি ওলাই আহিল। "নহয় তই এবাৰ কথাটো ভাবি চা। এনেকুৱা সুযোগ... দাইটিয়ে কথাষাৰ সম্পূৰ্ণ কৰিবলৈ নাপালে। ৰত্নই উগ্ৰ মূৰ্তি ধাৰণ কৰাত দাইটি খৰ খোজেৰে ওলাই গ'ল। "বাৰু তোক দেখা যাব" — বুলি দাইটি খঙত গুছি গ'ল।

একমাত্ৰ জীয়েকজনীৰ সপোনবোৰ ভাঙি এটা অভদ্ৰ ল'ৰালৈ বিয়া দিয়া কথাটো ৰত্নই সপোনতো ভাবিব নোৱাৰে। গোটেই ৰাতিটো ৰত্নই বকি বকিয়েই পাৰ কৰিলে। পূৰ্ণিমাই জীয়েকক গোটেই ৰাতি জোৰেৰে সাবটি থাকিল। ৰাতিপুৱা শুই উঠি ৰত্ন দোকানলৈ ওলাই গ'ল। আগদিনাৰ শুই উঠি ৰত্ন দোকানলৈ ওলাই গ'ল। আগদিনাৰ খঙটো ভালকৈ মাৰ যোৱাই নাছিল। জীয়েক স্কুললৈ যোৱাৰ সময়ত মুকলি মনে গৈ থকা ছোৱালীজনীক কিয় সাৱধানেৰে যাবলৈ ক'লে নয়নাই একো বুজি নাপালে। মাথো হ'ব বুলি কৈ স্কুললৈ বুলি ৰাওনা হ'ল। সন্ধিয়া পৰত ৰত্নৰ ঘৰত এটা আচৰিত ধৰণৰ পৰিবেশে বিৰাজ কৰিলে। সদায় ২ বজাত আহি পোৱা ছোৱালীজনী সন্ধিয়া ৬ বজালৈকে ঘূৰি নহাত মাক পূৰ্ণিমা কান্দি কাটি পাগলি হ'ল। কোনেও পূৰ্ণিমাক সান্তনা দিবলৈ ভাষা বিচাৰি চলাথ কৰিছে। কিন্তু জীয়েকৰ কোনো খবৰেই নাই। পুলিচ মেলেটাৰীয়ে ঘৰৰ পদুলিমুখ ভৰি পৰিছে। হঠাৎ ৰাতি ১১ মান বজাত ৰত্নক এজন পুলিচে লৈ গ'লহি। পূৰ্ণিমাই ৰত্নক লৈ যোৱা দেখি ৰত্নৰ পাছে পাছে যাবলৈ ল'লে। কিন্তু গাঁৱৰ মানুহৰ বাধাত পূৰ্ণিমা ঘৰতে থাকিব লগা হ'ল।

পুলিচজনে ৰত্নক এটা গেলা, আচুতীয়া পুখুৰীৰ ফালে লৈ গ'ল। গোটেই পুখুৰী পাৰটো মানুহে ভৰ্ত্তি। বাট বিচাৰি নোপোৱা অৱস্থা। ৰত্নই একো বুজি নাপালে। পুলিচজনক অনুসৰণ কৰি গৈ থাকিল। পুখুৰীটোৰ এটা পাৰৰ চুক এটালৈ মন কৰাত ৰত্নৰ ভৰিৰ তলত মাটিখিনি আঁতৰি যোৱাৰ দৰে অনুভৱ হ'ল। গাটো থক্ থক্ কৈ কঁপিবলৈ ধৰিলে। এয়া কি দেখিছে সি। নিজৰ চকুকে বিশ্বাস কৰিবলৈ টান পালে সি। মূৰটো ঘূৰোৱা যেন অনুভৱ হ'ল। জিলমিল চকুৰ মাজেৰে দেখিলে কেইজনমান মানুহে তাৰ সপোনবোৰ পাৰলৈ তুমি অনাৰ চেষ্টা কৰিছে। কিন্তু তাৰ সপোনবোৰ পাৰলৈ উঠি নাহিল। তাৰ সপোনবোৰ পানীৰ তলৰ গভীৰতাত হেৰাই গ'ল।



# শূন্যতাৰ অৱসান

**প্ৰতীক্ষা ফুকন**
**উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ**

এখন ব্যস্ততাপূৰ্ণ বিয়াঘৰ। উখল-মাখল পৰিৱেশ দূৰ দূৰণিৰ পৰা আলহী অতিথি আহিছে। অহা আহিছে, যোৱা গৈছে, নতুনকৈ অহাবোৰকৈ দ্বায়িত্বত থকা সকলে সোনকালে খুৱাই বুৱাই আজৰি হ'ব বিচাৰিছে কাৰণ দৰা আহিবৰ হৈছে, দৰা অহাৰ আগে আগে সকলোকে খুৱাই ল'ব নোৱাৰিলে মস্কিল হ'ব গতিকে ভাগে ভাগে অভ্যৰ্থনা জনোৱা হৈছে, কিছুমান অ'ত ত'ত একেলগে বহি কথা পাতিছে, আহিছে গৈছে কিন্তু সকলোৰে মাজত অন্যমনস্ক হৈ বহি আছে বিমল কাকতী, কইনাৰ দেউতাক। ৰাতিপুৱাৰে পৰা একো এটা নোখোৱাকৈ থকাৰ বাবে হাজাৰ কামৰ মাজটো ঘৈণীয়েক সৰলাই মাজে মাজে আহি তেওঁক চাই গৈছেহি। কিবা এটা খাই লবৰ বাবে বাবে অনুৰোধ কৰিছে। তেওঁ 'খাম নহয়, অলপ পিছত যাম ইত্যাদিৰে কথাটো পিছুৱাই আছে, "খাবলৈ কিবা মন যোৱা নাই অ'।" সৰলাই একেষাৰ কথাকে শুনি আছে দিনটো।



আজি 'মাজনী'ৰ বিয়া তাইৰ ভাল নাম মিতালী। মাক দেউতাকে তাইক মৰমতে 'মাজনী' বুলি মাতে। আজি তাইৰ বিয়া। সৰুৰে পৰা তাইক বৰ আলফুলে ডাঙৰ কৰিছে সৌ সিদিনালৈকে ফুটুকীয়া ৰঙা ৰঙা ফ্ৰক পিন্ধি পখিলাৰ পিছে পিছে দৌৰাজনী আজি এঘৰৰ বোৱাৰী হ'বগৈ।

"খুৱাদেউ বহিছে?"

ওচৰৰ ৰমাই নিজৰ এবছৰীয়া কেচুঁৱাটো কোঁচত লৈ এইমাত্ৰ পাৰ হৈ গ'ল। তেওঁৰ হঠাৎ মনত পৰিল হস্পিতেলৰ পৰা 'মাজনী'ক আনোতে কিমান আনন্দস্ফূৰ্তি আছিল তেওঁৰ সেই দিনবোৰ যে কি সুন্দৰ আছিল, তেনেই অকনমানি আছিল তাই তেওঁ কোলাত লবলৈয়ো ভয় কৰিছিল, কেনেবাকৈ যদি দুখ পায়, তাই শুই থকা সময়ত তাইৰ অকন অকন আঙুলিবোৰ চুই চাইছিল। ইমান কোমল আছিল সেই স্পৰ্শ। তাই লাহে লাহে ডাঙৰ হৈছিল, বগাইছিল; থিয় হৈছিল, থুপুক থাপাকৈ খোজ কাঢ়িছিল আৰু এদিন দে'তা দে'তা কৈ তেওঁৰ পিছে পিছে লাগি ফুৰিছিল। হাঁহি



উঠি গ'ল তেওঁৰ এদিন যে পানী খুৱাই থাকোঁতে তেওঁ প্ৰথম আৱিষ্কাৰ কৰিছিল তাই দাঁত গজিছে, মুহূৰ্ততে তেওঁ চিঞঁৰি চিঞৰি সৰলাক মাতিছিল। উধাতু খাই পাকঘৰৰ পৰা ওলাই আহিছিল সৰলা। তেওঁ মতাৰ আচল কাৰণটো গম পাই কৃত্ৰিম খং কৰিছিল। মনে মনে হাঁহিছিল। তাইক লৈ সদায় ফুৰিবলৈ যোৱা তাইৰ কাৰণে খোৱাবস্তু কিনা এইবোৰ যেন তেওঁৰ নিত্য নৈমত্তিক কাম আছিল। নিজৰ শৈশৱ যেন তেওঁ তাইৰ মাজেৰে পুনৰ বিচাৰি পাইছিল।

"বৰদেউতা..."

"হুম্।"

"বৰমাই কৈছে আপুনি বোলে দিনটো একো খোৱা নাই, আহক কিবা এটা খাই ল'ব, দৰা আহি পাবৰ হৈছে নহয়।"

"খাবলৈছোন মনেই যোৱা নাই অ', ভোকেই লগা নাই।

"নহয়, অকনমান খাবই লাগিব, একো নাখালে গা বেয়া লাগিব নহয় আহকচোন নহ'লে কিন্তু মই বেয়া পাম।'

"তই মানে নুশুন?"

"উম হ'ব।"

"বল তেন্তে।"

এইজনী পাহি বিমল কাকতীৰ ভায়েকৰ ছোৱালী এইবাৰ মেট্ৰিক দিছে, বিয়া বুলি দুদিনমান থকাকৈ আহিছে। আহিয়েই সকলোকে আপোন কৰি লৈছে। টকাৰ অভাৱৰ বাবেই দেউতাকে তাইক সকলো সুবিধা দিব পৰা নাই। মাজে সময়ে তেওঁ সাধ্যনুসাৰে দুই এটা টকা দি সহায় নকৰা নহয়, কিন্তু সেয়া যথেষ্ট নহয়, তেওঁৰো কেৰানীৰ চাকৰি, দৰমহাৰ টকাকিটাৰে যেনে-তেনেহে মাহটো জোৰে। পাহীৰ কিন্তু পঢ়াৰ প্ৰতি বৰ উৎসাহ। তেওঁৰ মাজনীক প্ৰথম স্কুললৈ থ'বলৈ যোৱা দিনটো মনত পৰিল। স্কুলৰ ইউনিফৰ্ম পিন্ধি কান্ধত তেওঁ নতুনকৈ আনি দিয়া স্কুল বেগটো। স্কুটাৰৰ পিছফালে তেওঁক সাবটি ধৰি বহি গৈছিল তাই ওৰে বাটটো বহুত প্ৰশ্ন কৰিছিল আকাশখন কেলে নীলা? চৰাইবোৰে কেনেকৈ উৰে? ইত্যাদি। তেওঁ উত্তৰ দিছিল, যিখিনি জানে পিছলৈ তেওঁৰ বাবে সেয়া এক ৰুটিনেই হৈ পৰিছিল। তাই খাই ভাল পোৱাবোৰ তেওঁ বিচাৰি বিচাৰি আনিছিল, ঢেঁকীয়া শাক, ঔ-টেঙা, মাটি মাহৰ দালি, সৰু মাছ এতিয়াও মনত আছে তেওঁৰ। সৰলায়ো অতি যতন কৰি ৰান্ধিছিল, তাই যে তৃপ্তিৰে ভাত কেইটা খায়, তাকে চাই তেওঁলোকৰ হৃদয় ভৰি আহিছিল। খোৱা শেষ কৰি তেওঁ পুনৰ নিৰ্দিষ্ট চকীখনত বহিলহি, সৰলা কামত বৰ চোকা প্ৰায় সকলোখিনি বহুত আগৰ পৰা সৰলাই ঠিক কৰি থৈছিল সেয়ে আজি এনে ব্যস্ততাপূৰ্ণ বিয়াঘৰত কইনাৰ দেউতাক হৈও তেওঁ বহি থাকিব পাৰিছে।

সৰলাই তাইক গালি পাৰিছিল সেইদিনা ফেকুঁৰি ফেঁকুৰি কান্দি তেওঁৰ বুকুৰ মাজত সোমাই টোপনি গৈছিলগৈ তাই। তেওঁ সৰলাক কৈছিল 'সৰু ছোৱালী কিনো জানে? অকনমানি কথাতনো ইমান গালি পাৰিব লাগেনে? আচলতে সৰলাই অলপ টানকৈহে কৈছিল গালি পৰা নাছিল কিন্তু তেওঁ 'মাজনী'ৰ পক্ষে মাত মাতিছিল। সৰলাই মাথো কৈছিল 'ছোৱালী মানুহ আনৰ ধন'। ইমানকৈ মৰম কৰিলে পিছলৈ এৰি যাবলৈ কষ্ট পাব। তেওঁ চিৎকাৰ কৰি উঠিছিল সেইদিনা অদ্ভুত এটা সোমাইছিল তেওঁৰ মনত। মাজনীক হেৰুৱাৰ ভয়। দৰা আহিল। সকলো পুনৰ ভাগে ভাগে ব্যস্ত হ'ল তেওঁ চিনাকি মানুহ কেইজনক মাতি আহিলগৈ। কিবা এটা উৰুঙা লাগিবলৈ আৰম্ভ কৰিছে কিবা এক শূন্যতা।

সৰু সৰু ল'ৰা-ছোৱালীৰ জাক এটা হাঁহি খিকিন্দালি কৰি দৌৰা-দৌৰী কৈ পাৰ হৈ গ'ল। বিমল কাকতীৰ আকৌ





# কবিতাৰ মেটমৰা জোলোঙা......

জোনাক নথকা আকাশখনত কবিতাই
সিঁচি দিয়ে এহালিচা জোনাক।
আন্ধাৰ-পোহৰৰ মায়াসনা জালৰ আৱেষ্টনীত
কবিতাবোৰ উৰি ফুৰে গাত পোহৰ সানি
আন্ধাৰবোৰ পোহৰ কৰিবলৈ।
জীৱনৰ ৰঙীণ অনুভূতিবোৰ, গভীৰ হুমুনিয়াহবোৰ....
কবিতা হৈ উৰা মাৰে
কৰ্পূৰৰ দৰে মনৰ
সুগন্ধি বিয়পাবলৈ.......

মাজনীৰ শৈশৱলৈ মনত পৰিল। সৰুতে বৰ উৎপতীয়া আছিল তাই, পখিলা ধৰা, উৎপাত কৰা কি কি মন যে কৰা নাছিল তাই ঘৰ ঘৰ খেলোতে এবাৰ আলনাৰ পৰা সৰলাৰ চাদৰ লৈ পিন্ধিছিল, সৰলাই মনে মনে দেখাইছিল তেওঁক ছোৱালী ডাঙৰ হ'লেই আৰু এবাৰ যে তেওঁৰ অফিচৰ হিচাপৰ কাগজখিনিৰ ওপৰত তাই ABCD লিখিছিল, গোটেই হিচাপবোৰ তেওঁ পুনৰ কৰি উলিয়াইছিল কিন্তু তাইক একো কোৱা নাছিল। সৰলাই তাইক গালি পাৰিছিল সেইদিনা ফেকুঁৰি ফেঁকুৰি কান্দি তেওঁৰ বুকুৰ মাজত সোমাই টোপনি গৈছিলিগৈ তাই। তেওঁ সৰলাক কৈছিল 'সৰু ছোৱালী কিনো জানে? অকনমানি কথাতনো ইমান গালি পাৰিব লাগেনে? আচলতে সৰলাই অলপ টানকৈহে কৈছিল গালি পৰা নাছিল কিন্তু তেওঁ 'মাজনী'ৰ পক্ষে মাত মাতিছিল। সৰলাই মাথো কৈছিল 'ছোৱালী মানুহ আনৰ ধন'। ইমানকৈ মৰম কৰিলে পিছলৈ এৰি যাবলৈ কষ্ট পাব। তেওঁ চিৎকাৰ কৰি উঠিছিল সেইদিনা অদ্ভুত এটা সোমাইছিল তেওঁৰ মনত। মাজনীক হেৰুৱাৰ ভয়। দৰা আহিল। সকলো পুনৰ ভাগে ভাগে ব্যস্ত হ'ল তেওঁ চিনাকি মানুহ কেইজনক মাতি আহিলগৈ। কিবা এটা উকঙা লাগিবলৈ আৰম্ভ কৰিছে কিবা এক শূন্যতা। তেওঁ ভিতৰৰ চোফাত বহিলগৈ।

বিয়া হোৱা বহু বছৰৰ পাছত 'মাজনী'ৰ জন্ম হৈছিল বহু মৰম আদৰত ডাঙৰ হৈছিল, অৰ্থনীতি বিজ্ঞানত প্ৰথম শ্ৰেণী লৈ পাছ কৰি ওচৰৰ ল'ৰা-ছোৱালী কেইটামানক ঘৰতে পঢ়াইছিল। মাকৰ তত্বাৱধানত ঘৰৰ সকলো কাম কাজতেই নিপুন হৈছিল। তাৰ মাজতে এদিন অৱসৰ ল'লে তেওঁ। আৰু এদিন সৰলাৰ এক আত্মীয়ই মানুহ এগৰাকীৰ স'তে তেওঁলোকৰ ঘৰলৈ আহিছিল মাজনীক চাবলৈ আৰু বিয়া ঠিক হৈছিল। তেওঁ হঠাৎতে থিয় হ'ল এখোজ-দুখোজকৈ গৈ মাজনীৰ কোঠাৰ বাহিৰত থিয় হ'ল। তাইৰ লগত কথা নাপাতে আজি তেওঁ। নোৱাৰে, বুকুখন মোচৰ খোৱা যেন লাগে। তাইলৈ চালে, ধুনীয়া লাগিছে। কইনাৰ সাজত সকলো ছোৱালীক ধুনীয়াই লাগে ছাগে। কিন্তু অনাহাৰ, অনিদ্ৰাত বেচেৰীজনী তেনেই শুকাই গ'ল। ইস চকুকেইটা চোন ৰঙা পৰি আছে, তাইৰ ছাগে টোপনি ধৰিছে। মুহূৰ্ততে খং এটা উঠি গ'ল তেওঁৰ, পোনছাটেই সৰলাক বিচাৰি তেওঁৰ ওচৰ পালেগে।

*পাহী বিবুদ্ধিত পৰিল। কি কৰে এতিয়া তাই কেনেকৈ সান্ত্বনা দিয়ে বৰদেউতাকক এয়া যে সংসাৰৰ নিয়ম। "বৰদেউতা, আপুনি দুখ নকৰিব আকৌ, ৰঞ্জন দাদা বৰ ভাল ল'ৰা। মাজনীবাক অলপো দুখ নিদিয়ে। তেওঁলোকৰ মাক দেউতাকো বৰ ভাল মানুহ, আপুনি এনেয়ে চিন্তা কৰিছে বাহিৰলৈ আহক আপোনাক মাতিছে নহয়। কইনাক বিদায় দিবৰ হৈছে। তেওঁ গৈ ৰভাতল পালেগৈ। ৰঞ্জন আৰু মাজনী সেৱা কৰিবৰ বাবে আগবাঢ়ি আহিছে, তেওঁ একো কব পৰা নাই, মাথো হৰ্‌হৰাই চকুলো বাগৰি আহিছে। মাজনীয়ে কান্দিলে বহুত কান্দিলে, তেওঁও বহুত দেৰি কান্দিলে। কিমান দেৰি হ'ল কব নোৱাৰে, কোনোবাই ক'লে 'হ'ব কাকতি দৰা যাবৰ হৈছে নহয়।'*

"হেৰা শুনাচোন।"

সৰলাই ইংগিতেৰে সুধিলে কি হ'ল, তেওঁ ইংগিতেৰেই ক'লে— এইফালে আঁহা।

"কি হ'ল নো?" — মানুহৰ মাজৰ পৰা যেনে-তেনে ওলাই আহি সৰলাই ক'লে।

"এ মাজনীক কিবা এটা খাবলৈ দিয়া চোন? আৰু অলপ শুই লবলৈয়ো কোৱা। তাত বা কিমান দেৰিৰ মুৰত খাবলৈ পাব।" সৰলা থৰ লাগিল। কি হৈছে নো এখেতৰ নীতি বিৰুদ্ধে কথাবোৰ কৈ আছে। আৰু ইমান কাম আছে আৰু এওঁ আকৌ এইবোৰ ক'বলৈহে মাতি আনিলে।

"হেৰি, দৰা ৰভাতলত বহি আছে, আৰু আপুনি এতিয়া কি কৈছে বাৰু এইবোৰ, আজিৰ পৰা তাই আমাৰ নহয়, লোকৰ তাইক লৈ এইবোৰ চিন্তা বাদ দিয়ক, মোৰ কাম আছে এতিয়া মই যাওঁ। সৰলা গ'লগৈ। শোকে খুন্দা মাৰি ধৰিলে তেওঁক আগতেও সৰলাই 'ছোৱালী পৰৰ ধন',



'জীৰণীয়া মৌ' জাতীয় কথাবোৰ কয় যদিও আজিহে যেন তেওঁ কথাবোৰৰ অৰ্থ উপলব্ধি কৰিব পাৰিছে। কাৰ আগত ক'ব তেওঁ মনৰ দুখৰ কথা। অন্তৰখন অলপ পাতল লাগক বুলি তেওঁটো কান্দিবও নোৱাৰে। আনক দেখুৱাই চকুপানী মচিবও নোৱাৰে, কাৰণ তেওঁ পুৰুষ ধৈৰ্য্য ধৰিব লাগিব তেওঁ। মাজনীক ৰভাতললৈ লৈ গৈছে 'উঃহ' বুকুখন বিষাই উঠিল, মূৰটো ঘূৰোৱা ঘূৰোৱা লাগিল, পৰিবলৈ লওঁতেই পাহীয়ে আহি ধৰিলে।

"আৰে আৰে বৰদেউতা কি হ'ল চাওঁ! কি হৈছে, পানী আনিছো ৰ'ব। লৰা-লৰিকৈ তাই তেওঁক পানী এগিলাছ দিলে, তেওঁ খালে।

"কি হ'ল বৰদেউতা, 'মাজনী বাক বিয়া দি দিব যে, সেই কাৰণে দুখ কৰিছে নেকি?

তেওঁ তাইলৈ চালে, এই সৰু ছোৱালীজনীয়ে ধৰিব পাৰিছে তেওঁৰ মনৰ দুখবোৰ। তেওঁ আৰু বৰ নোৱাৰিলে — "তাই... তাই মোৰ বৰ মৰমৰ অ'। আজি পঁচিশ বছৰ তাইক তুলি-তালি ডাঙৰ কৰিলো, এইখন হাতেৰে কোলাত লৈছিলো তাইক কেনেকৈনো লোকক দি দিওঁ। তাইক উলিয়াই দিবলৈ আজি মোৰ বৰ কষ্ট... আৰু কথা ক'ব নোৱাৰিলে তেওঁ হুকহুকাই কান্দি উঠিল।

পাহী বিবুদ্ধিত পৰিল। কি কৰে এতিয়া তাই কেনেকৈ সান্ত্বনা দিয়ে বৰদেউতাকক এয়া যে সংসাৰৰ নিয়ম। "বৰদেউতা, আপুনি দুখ নকৰিব আকৌ, ৰঞ্জন দাদা বৰ ভাল ল'ৰা। মাজনীবাক অলপো দুখ নিদিয়ে। তেওঁলোকৰ মাক দেউতাকো বৰ ভাল মানুহ, আপুনি এনেয়ে চিন্তা কৰিছে বাহিৰলৈ আহক আপোনাক মাতিছে নহয়। কইনাক বিদায় দিবৰ হৈছে। তেওঁ গৈ ৰভাতল পালেগৈ। ৰঞ্জন আৰু মাজনী সেৱা কৰিবৰ বাবে আগবাঢ়ি আহিছে, তেওঁ একো কব পৰা নাই, মাথো হৰ্হৰাই চকুলো বাগৰি আহিছে। মাজনীয়ে কান্দিলে বহুত কান্দিলে, তেওঁও বহুত দেৰি কান্দিলে। কিমান দেৰি হ'ল কব নোৱাৰে, কোনোবাই ক'লে 'হ'ব কাকতি দৰা যাবৰ হৈছে নহয়।' তেওঁৰ আৰু একো কৰিবৰ শক্তি নাছিল। তাই গাড়ীত বহিল গাড়ী লাহে লাহে চলিল। এটা সময়ত চকুৰে অদৃশ্য হ'লগৈ। আলহী অতিথিবোৰ এজন দুজনকৈ যাবলৈ লৈছে। ঘৰৰ আত্মীয় প্ৰায়খিনি তাইক থবলৈ তাইৰ লগত গৈছে। বিয়াঘৰ নিজম পৰিল, আতোল তোলকৈ ডাঙৰ কৰা ছোৱালজনী মুহূৰ্ততে আনৰ হৈ লোকৰ ঘৰলৈ গুচি গ'ল। ভিতৰত সৰলাৰ কান্দোনৰ শব্দ ভাঁহি আহিছে। তেওঁ বহুপৰ তাতে নিমাতে থিয় দি ৰ'ল। এনেতে পাহী ভিতৰৰ পৰা ওলাই আহিল।

"বৰদেউতা আপোনাক বৰমাই বিচাৰিছে।"

তেওঁ হঠাৎ পাহীক ক'লে — "তই আমাৰ ঘৰত থাক?"

পাহী নিমাতে ৰ'ল, তেওঁ পুনৰ অস্থিৰভাৱে ক'ব ধৰিলে, 'মাজনী নাইকিয়া ঘৰখন বৰ খালী খালী লাগিছে অ' তই আমাৰ ইয়াতে থাক, আমাৰ ঘৰৰ ওচৰৰ কলেজতে পঢ়িবি মই পঢ়োৱাম তোক, তই আমাৰ ঘৰতে থাকচোন। পাহীয়ে বৰদেউতাকলৈ চালে। বৰ আশাৰে তাইলৈ চাই তেওঁ আকৌ ক'লে, "আমাৰ ঘৰত থাকিবিনে?"



# জীৱনৰ পৰা আপুনি বিচাৰেনো কি?

মৌচুমী পান তাঁতী
একাদশ শ্ৰেণী, বিজ্ঞান শাখা

জীৱন পথৰ সন্ধানত হাবাথুৰি খাইছো।
সন্ধান.....। জীৱনৰ প্ৰতিশ্ৰুত পথৰ সন্ধান।
জীৱন গঢ়াৰ প্ৰতিশ্ৰুতিৰে গতি কৰোঁ
কুটিল সময়ৰ কাঁটাডালত থিয় হৈ।
দিগন্ত অভিলাষী অনুসন্ধানী দৃষ্টিৰে,
ৰবলৈ সময় নাই
কেৱল গতি আৰু গতি
হৃদয়ত ৰুই থোৱা
দুৰ্নিৰ্বাৰ হেপাহৰ গছপুলিটোকে উভতি চাবৰ আহৰি নাই।
আত্মীয়ই বাৰে বাৰে সকিয়াই
এই গতিয়ে জীৱনক
চিৰ আকাংক্ষাৰ মেঘযুক্ত আকাশ আৰু
সপোনৰ অনিৰ্বাণ বৰ্ণালী প্ৰদান কৰিব।
তাৰ পাছত!.........
এইয়াই যথেষ্ট, এইয়াই শেষনে?
একমাত্ৰ ইয়াতেই আমাৰ কষ্টোপাৰ্জিত প্ৰতিষ্ঠা
আমাৰ সনিৰ্বন্ধ শ্ৰমৰ সাৰ্থকতা সীমাবদ্ধ?
জীৱনৰ পৰা মই এইয়াই বিচাৰোনে?
নাই, এই ধাৰণা শুদ্ধ নহয়
অথচ মইতো তেনেদৰে নাভাবো।
মই ভাবো কেৱল........
জীৱনে মোৰ পৰা বিচাৰেনো কি?





# ৰোমন্থন সোণালী দিনৰ

সংগীতা দাস বৰুৱা (মালা)
প্ৰাক্তন ছাত্ৰী, গ্ৰন্থাগাৰ সহায়িকা




হে, শিৱসাগৰ ছোৱালী কলেজ
সদায় চিৰ-সেউজীয়া হৈ থকা এটি নাম
আমাৰ শ্ৰদ্ধাৰ শিক্ষাৰ মন্দিৰ
সোণবৰণীয়া মেখেলা, বগা ব্লাউজ,
বগা বেজ, বগা চাদৰৰ সেউজীয়া সপোন এটা
কলেজৰ সেই সাজেৰে আমাৰ পৰিচয়
গৌৰাৱিন্বিত আমি এই কলেজৰ ছাত্ৰী হিচাপে
দুবৰি-বগৰি সকলোতে সেউজীয়া
তোমাৰ সেউজীয়া দলিচাত আমাৰ ছাঁ-আমাৰ স্মৃতি
নিজনতাত অকলে বহি ওলমি থাকো
তোমাৰ-মোৰ অতীতৰ কথাকে ভাবি
মোৰ কেনভাছত তোমাৰ সেউজীয়া ছবি
ক'তযে স্মৃতিয়ে ভীৰ কৰিছেহি মনত
ওখল-মাখল হৈছো সোণালী এই ক্ষণত
কতক যে হেৰুৱালো কালৰ হাতত
অশ্ৰু-অঞ্জলি যাঁচিছো এই পবিত্ৰ ক্ষণত
চাঁওতে-চাঁওতে সোণালী জয়ন্তী বৰ্ষলৈকে
তুমি প্ৰকাণ্ড এজনী হ'লাহি....।

প্ৰতি ঘৰে-ঘৰে, হৃদয়ে-হৃদয়ে
আছে তোমাৰেই ছবি, আৰু আছে
অলিখিত অলেখ সোণালী কাহিনী....
শেষ নোহোৱা ক'ত কথা, হাঁহি-ধেমালি, পঢ়া-শুনা,
মান-অভিমানলৈ সময় গ'ল যে উৰি....
ছাৰ-বাইদেউসকলৰ উপদেশ আৰু ধমকি
সদায় মনত পৰে বছেৰেকীয়া খেল-ধেমালি
ভেকশন প্ৰতিযোগিতা, দৌৰা-দৌৰি,
দুপৰীয়া কেন্টিন, বান্ধৱীৰ টিফিন, আড্ডাবোৰ,
শীতৰ দিনৰ বনভোজ আৰু শিক্ষামূলক
ভ্ৰমণবোৰ জানো পাহৰিব পাৰি.....
হে, সেউজী সুন্দৰী, তোমাৰ সৈতে পাৰ কৰিলো
জীৱনৰ বহুতো ঢোল-পেঁপা-গগণা
আৰু সেমেকা শেৱালীৰ দিন
নাই কোনো অভিযোগ পোৱা-নোপোৱাৰ
আছিল মাথো অভিপ্ৰায় আশীবাদৰ ৰং বুটলাৰ
কিবা দুখ দিলো নেকি তোমাক.....?



নে বিৰক্ত হ'লা মেটমৰা হাঁহিৰ বোজাত
আৰু বাক্যৰ আতিশায্যত.......?
উস্ সেউজী সুন্দৰী, তোমাক এৰি অহা বহুদিনেই হ'ল
তুমিয়েই দিছিলা বিশ্বাসৰ মমবাতি, আশাৰ নাও এখনি,
মানুহ হোৱাৰ আশাৰে উপদেশ এখিনি....
একাগ্ৰতাৰে সফল কৰিবা অন্তৰৰ বাসনা,
পৰচৰ্চা, অসৎচিন্তা, আলস্যক প্ৰশ্ৰয় নিদিবা,
সজগুণেৰে মূৰ থিয় কৰি ৰাখিবা,
সদায় সৎ আৰু জ্ঞানীহে হ'বা,
উশৃংখল জীৱন নিবিচাৰিবা,
কোনো সমস্যাত জুৰুলা নহ'বা,
হাঁহিৰে জীৱন দুখতো উপচাই ৰাখিবা,
মানুহ মাত্ৰেই ভুল হয় পাৰিলে ক্ষমা কৰিবা,
অন্তৰ যদি আবেগৰ যন্ত্ৰণাত দহে,
তাঁতৰ পাতত বহি চাঁনেকি গঢ়িবা,
ইত্যাদি-ইত্যাদি নজনা বহু-কথাৰে

তুমি দিলা শিক্ষাৰ কঠিয়াতলী,
হে সেউজী সুন্দৰী, কিনো দি পূজিম তোমাক
আধুনিক সময়ৰ সোঁতত তুমি সুন্দৰী হ'লাহি
সুধিব পাৰোনে-আছেনে কুশলে-নতুনত্বৰ ভীৰত...?
মোৰ কথা নেলাগে সুধিব, আমনিহে পাবা
মোৰ কুশল বাতৰি লৈ.....
হে সেউজী সুন্দৰী, তোমালৈ চালে এতিয়াও
মন দেখো সেউজীয়া স্মৃতিৰে ভৰে...
যেতিয়া ৰোমন্থন কৰো কলেজৰ দিনৰ স্মৃতি
তেতিয়া দেখোন দিচাং-দিখৌ নদীয়ে ভীৰ কৰেহি দুচকুত
হে, জীৱনৰ সোণাৱালী দিন....
তোমাৰ স্মৃতিৰে ভৰপূৰ হৈ থাকো
ওমলি-জামলি থাকো অকলেই....
আজিৰ এই সোণালী বৰ্ষৰ ক্ষণত
বান্ধৱী সকলক দিবলৈ মোৰ একোৱেই নাই
তোমালোকলৈ মৰম-শুভেচ্ছা-
কৃতজ্ঞতা যাচিছো অশেষ...
হে, শিৱসাগৰ ছোৱালী কলেজ
আমাৰ জ্ঞানৰ মন্দিৰ,
যদিওৱা আমি প্ৰাক্তন ছাত্ৰী, তোমাতেই
সদায় থাকিব আমাৰ DNAৰ শিকলি,
চিৰদিন-চিৰকাল নতুন-নতুন সমীক্ষালৈ.......
তোমাৰ শিক্ষাদানৰ বাবেই আমি
চিৰকৃতজ্ঞ তোমাৰেই ওচৰত......।



# আঘোণৰ কেনভাছত মোৰ শৈশৱ

দীপশিখা ফুকন
স্নাতক প্ৰথম ষান্মাষিক, শিক্ষা বিভাগ

সপোনৰ সোণোৱালী ঠিকনা লৈ
আঘোণ আহিব
মোৰ গাঁৱলৈ.....।
লহপহকৈ বাঢ়ি আহিব
মোৰ কঙাল দেউতাৰ স্বপ্ন।
লখিমী আহি ভঁৰাল উপচিব
নিজম দুপৰীয়া ভাঁহি আহিব
নৰা পেঁপাৰ সুকোমল নিনাদ।
শেৱালি ফুলা ৰাতিৰ স্নিগ্ধ সুবাসৰ দৰে
মৃদু সমীৰণে কঢ়িয়াই আনিব
আঘোণৰ পথাৰৰ পকা পকা গোন্ধ
যি মোৰ শৈশৱৰে পৰিচিত।
আঘোণ মোৰ বুকুৰ আপোন,
মোৰ শৈশৱৰ চানেকি।
কলপাতত পকা জলকীয়াৰে সনা
ৰবাব টেঙাৰ সোৱাদ কিম্বা
হাতত শূলাং লৈ চেঁচু খান্দোতে
সমনীয়াৰ স'তে কৰা চুপতা-চুপতিৰ ছবি
আজিও সজীৱ মোৰ সোঁৱৰণীৰ কেনভাছত।
মায়ে দাই যোৱা ধাননিডৰাত লেছেৰী বুটলোতে
ধানৰ পাতে কাটিছিল মোৰ কনমানি দুহাত
মই গগণফালি কান্দিছিলো
হাতৰ কাঁচি দলিয়াই দৌৰি আহিছিল
মোৰ চেনেহৰ আঁজলি মা-জনী।
চাদৰৰ আঁচল ফালি বান্ধি দিছিল।
তেজেৰে ৰাঙলী মোৰ দুহাত।
অ' মোৰ বুকুৰ আঘোণ...!!
ক'ত যে দিন হ'ল তোক স্পৰ্শ নকৰা
তোক লগ পাবৰ মন গৈছে বাৰুকৈয়ে....।
দেউতাৰ কান্ধত বিৰিয়াৰ জিৰিক জিৰিক শব্দত
আকৌ এবাৰ নাচিবৰ মন গৈছে,
বিচাৰি চাবৰ মন গৈছে সোঁৱৰণীৰ গৰ্ভত এৰি অহা
মোৰ শৈশৱৰ মই জনীক।



# ফাগুণৰ কবিতা

পল্লৱী শইকীয়া
দ্বিতীয় ষান্মাষিক, ৰাজনীতি বিজ্ঞান বিভাগ

শিমলু তুলাই তৰা বচা আকাশেদি
ডেউকা কোবাই নামি আহিল ফাগুণ,
দুবৰিৰ পৰাই জিলিকিছে
চকুৰ শেৱালি পাহিত
পলাশৰ ৰঙীণ আভা,
কুঁহিপাতৰ প্ৰতিশ্ৰুতি ভৰা মুখৰ মিচিকি হাঁহিত
কহুৱা ফুলৰ উন্মাদনা
সন্মুখেদি পাৰ হৈ যোৱা কপাহ কোমল বতাহজাকৰ
গুণ-গুণনি শুনি,
কবিতাৰ জোনাকত থিয় হৈ মই দেখিলো
মোৰ হৃদয়ৰ দাপোনত ফাগুণৰ এক
ৰ'দে জিলমিল কৰি থকা সোণালী ছবি.....



# পৰিৱৰ্তন

জ্যোৎস্না গগৈ
দ্বিতীয় ষান্মষিক, ৰসায়ন বিভাগ

ইয়াত,
স্পন্দন আছে জীৱনত
তুমি নাই যদিও
স্পৰ্শ আছে বতাহৰ কণাত।
বকুলৰ পাতত
চিৰিৰ এটা ঢাপ
বগাব নোৱাৰা মনটোৱেও দেখোন।
ইয়াত,
কিয় জানো আকাশ চুমিব বিচাৰে,
কেতিয়াবা স্তিমিত হৈয়ো আশাৰ কিৰণ।
প্ৰতিটো পুৱাই
অজ্ঞৰ দৰেই
মোক বাট চোৰাই
সীমাহীন সেউজীয়াৰ বাবে।



# মোৰ জীৱন

হিমাশ্ৰী বৰা
স্নাতক তৃতীয় ষান্মসিক

কি যে হৈ যায়? কি যে হৈ যায় জীৱনত?
ধৰিবতো নোৱাৰি কোনো দিনে
কেতিয়াবা হঠাতে জীৱনলৈ নামি আহে
সুখ শান্তিৰ নিজৰা।
আকৌ কেতিয়াবা নামি আহে
এক গতিশীল ধুমুহা।
দি যায় অন্তৰত সেই ধুমুহাই
দুখ বেদনাৰ এক বিষাদৰ বোজা
সহি থাকো মই সেই যন্ত্ৰণা নিৰৱে।
কোনেও নাজানে অথবা নেদেখে
কিয়নো মই যে কাৰো আগত প্ৰকাশ নকৰো
মোৰ জীৱনৰ দুখৰ বতৰা
অজানিতে কেতিয়াবা দুধাৰি চকুলো বৈ আহে
মোৰ দুচকুৰ পৰা।
চকুৰ লোতকেৰে বৈ যায়
এক অন্তহীন চকুলোৰ নিজৰা
আৰু তাৰ পানীতেই লুকাই থাকে
মোৰ জীৱনৰ দুখৰ বতৰা।



# উভতি নাহিবা

মল্লিকা গগৈ
স্নাতক প্ৰথম বৰ্ষ, প্ৰাণীবিজ্ঞান বিভাগ

পলাশৰ ৰঙেৰে ৰঙীণ
ফাগুণৰ মিঠা পচোৱা জাকত,
সোণাৰুৰ হালধীলা ঠেলি
যি বাটেৰে আহিছিলা তুমি
সেই বাটেৰেই উভতি গ'লাগৈ
সোঁৰণিৰ সৰাপাত সিঁচি........
নাজানো তুমি মোৰ হৃদয়ৰ কুঠৰিত
খুচৰি খুচৰি ইমানদিনে
কি বিচাৰি ফুৰিছিলা........
আৰু ছাগে বিচৰাখিনি নাপালা বাবেই
আঁতৰি গুচি গ'লা
আঘোণৰ কুঁৱলী জাকৰ দৰেই....।।
হয়তো মোৰেই ভুল আছিল
তোমাক লৈ সপোন দেখাতো
কিন্তু কি কৰিবা.....
অনুভৱী হৈ ভালপোৱা ছোৱালী মই
ৰামধেনুৰ ৰঙেৰে সপোন আঁকিবহে জানো
প্ৰেমৰ অভিনয়েৰে কাৰোবাৰ কলিজাত
চুৰীৰ আঘাতেৰে থকা-সৰকা কৰি
তেজৰ ফিচকাৰিৰে ফাকু খেলিব নাজানিলো.....।
আৰু নজনাটোৱেই মোৰ ভুল হৈ গ'ল
জনা হোৱা হ'লে জীৱনটো ইমান
কষ্টকৰ নহ'লহেঁতেন ছাগে মোৰ।
কিন্তু তুমিয়েইতো কৈছিলা
তোমাৰ আৰু মোৰ ভৱিষ্যতৰ
ৰঙীণ সপোনবোৰৰ কথা
মিছা সপোনৰ চানেকি দেখুৱাই
কি ৰং চাইছিলা তুমি



মোৰ বাবে সেয়াহে আজিও সাঁথৰ হৈ ৰ'ল।
ভাবিলে যে এতিয়া হাঁহিয়েই উঠে
বাস্তৱ দিনবোৰৰ সমন্ধ নথকা জগতখনত
কিমান কি চিন্তাত যে
বিভোৰ হৈ আছিলোঁ মই........
কিন্তু এতিয়াহে সেয়া উপলব্ধি কৰিছোঁ
এনেই বহু সময় নষ্ট কৰিলোঁ
সকলো অলীক আৰু অনৰ্থক হৈ গ'ল।
ফাগুণৰ পলাশৰ দৰে ৰঙীণ সপোনবোৰ
দুষ্ট বতাহ জাকত ধূসৰ হৈ গ'ল
আৰু বৰষুণৰ পানীৰ বুৰবুৰণিৰ দৰে
ক্ষন্তেকতে নাইকিয়া হৈ গ'ল।
মোৰ ৰিক্ত হৃদয়ত,
শুকাই যোৱা লতিকা ডালত,
কুঁহিপাত মেলাবলৈ অনুগ্ৰহ কৰি
এতিয়া আৰু তুমি কোনো দিনেই উভতি নাহিবা।
শিমলু তুলাৰ দৰে মোৰ
কোমল মনটোক উৰুৱাই নি
কোনোবা কাঁইটীয়া গছৰ বুকুলৈ
দলিয়াই নিদিবাহি।।
অনাগত দিনত মোক কোনোদিনেই
বিচাৰি নাচাবা
ফেচবুক অথবা অৰকুট- ত,
বিচাৰি নাহিবা সপোন ৰচি বহা
আৰু বহু সন্ধিয়াৰ সূৰ্য্যাস্ত একেলগে
পাৰ কৰি দিয়া
পাৰ্ক অথবা পুখুৰীৰ পাৰটোলৈ......



সোঁৱৰণিৰ বুকুৰ ডুখৰীয়া স্মৃতিবোৰে যেতিয়া
তোমাক মোৰ কথা কয়,
শেষ নিশাৰ চেঁচা কুঁৱলী জাকক সুধি চাবা
কেনে আঁছো মই.......।।
পুনৰ উভতি নাহিবলৈ কোৱাতো
মোৰ স্বাৰ্থপৰতা বুলি নাভাবিবা।
তুমিতো নাজানা
তোমাৰ আগমনে মোৰ
কিমান ক্ষতি কৰিব.......
আকাশলংঘী সপোনেৰে ভৰপূৰ মোৰ মনটোক
হয়তো পুনৰ ভালপোৱাৰ বৰষুণত
তিতাবলৈ বিচাৰিবা আৰু
বৰষুণৰ দিনবোৰ শেষ হৈ গ'লেই হয়তো
স্বপ্ন ভংগৰ দুখত ঠৰঙা লগাই
আকৌ আঁতৰি যাবা.........
অন্তৰৰ জুইকুৰাই
দহি মাৰিবহে জানে,
বাহিৰৰ মানুহজনীক
ঠেঁটুৰে ধৰা দুখবোৰৰ পৰা বচাবতো নোৱাৰে।
সেয়ে কৈছোঁ অশ্রু শুকাই যোৱা
মোৰ দুচকুত পুনৰ ৰং দেখুৱাবলৈ,
অথবা নুমাই যোৱা জুই কুৰাত
ঘিউ ঢালিবলৈ
তুমি আৰু উভতি নাহিবা কোনোদিনেই.....।

এনেকৈয়ে নষ্টালজিক
হৈ থাকিবলৈ দিয়া
চকুলো উলিয়াই
দুখ পাতলাবলৈ,
কল্পনাবিভোৰ ছোৱালীজনীক
বাস্তৱিক কৰাবলৈ,
প্ৰেম নামৰ অলীক সপোনটোৰ পৰা
আঁতৰি থাকিবলৈ.....।।
সপোনৰ পথাৰখনত ৰোৱা পুলিটোৰ
ফাগুণৰ পচোৱাজাকে কৰা
লঠঙা ৰূপটো চাবলৈ আৰু
মোৰ অন্তৰৰ শূণ্যতাৰ কোঠালিৰ
খিৰিকিবোৰ খুলি দিবলৈ এতিয়া আৰু
কোনোদিনেই তুমি উভতি নাহিবা
খুলি দিলেই ফাগুণৰ
পচোৱাজাক সোমাই আহিব
আৰু তোমাক বিচাৰি হাহাকাৰ কৰিব
আৰু গুপুত স্মৃতিবোৰে সাৰ পাৰ কৰিবলৈ
খু-উ-ব কষ্টকৰ হ'ব।।
অযুত ভাৱনাই আহি মনত
লগাবহি জোঁটা-পোটা,
কলিজাৰ কেঁচা ৰঙা তেজবোৰেও
পুনৰ মাৰিবহি গোট,
আৰু সেয়া নহ'বৰ বাবেই
স্বাৰ্থপৰৰ দৰে কৈ উঠিছোঁ
উভতি নাহিবা।
উভতি নাহিবা।।



# প্ৰিয় বন্ধু নিঃসংগতা

মধুস্মিতা শেনচোৱা
স্নাতক পঞ্চম ষান্মাষিক, প্ৰাণীবিজ্ঞান বিভাগ

মোৰ অতিকৈ মৰমৰ বন্ধু নিসংগতা
তোমাৰ স্তব্ধতাৰ ঢৌত বিলীন হৈ যাওঁক
মোৰ উকা এই সত্বা।
বিলীন হৈ যাওঁক মোৰ
নিঃস্ব পৃথিৱীৰ উদাসী এই আত্মা।
মোৰ অকলশৰীয়া জীৱনত
তুমি বিশ্বাসী বন্ধু নিসংগতা.........
তোমাৰ প্ৰশান্তিৰ সাগৰত
নাও মেলি দিছো,
লৈ যোৱা মোক আগুৱাই
সকলো দুখ-যান্ত্ৰণা আঁতৰাই।
তোমাৰ গভীৰতাত মোক ডুব যাব দিয়া
ডুব যাব দিয়া মোক
তোমাৰ অটল তলিত মানিক বুটলিবলৈ।
মোৰ প্ৰিয় বন্ধু নিসংগতা
মোলৈ কঢ়িয়াই আনা
এমুঠি জোনাক ভৰা আশা আৰু শান্তি
যাতে বগাব পাৰো তোমাৰ বাবে
আকাশলংঘী বিয়পি থকা
নিজক চিনি পোৱাৰ জখলা।
তোমাতেই একাত্ম হৈ ৰওঁক
মোৰ উদাসী এই আত্মা.......।।

# ব'হাগী

ভাগ্য লক্ষী নেওগ
স্নাতক দ্বিতীয় বৰ্ষ, ইংৰাজী বিভাগ



ব'হাগী তই যে আহিছ
সাজোন-কাছোন জনী হৈ
চৌদিশে সকলো মতলীয়া
তোক আদৰিবলৈ।
সকলো ৰঙৰ সমাহাৰে
বহাগী, তই অপূৰ্ব সুন্দৰী
সেয়ে চাগে-বসন্তও ধপলিয়াইছে
তোৰ কাষলৈ।
আৰু ফেঁচা কাইটিয়ে
মঙ্গল উৰুলিৰে
তোকেই জানো
সঁহাৰি জনোৱা নাই?
বহাগী, কইনাৰ সাজত
তই সঁচাকৈয়ে সুন্দৰী।



# 'আকাশৰ তৰা এটি খহি পৰিল'

জুমি ভূঞা
স্নাতক ষষ্ঠ ষান্মাষিক, অসমীয়া বিভাগ

ফুলি অহা ফুলৰ কলিটি হঠাতে ম'ৰহি গ'ল
মাথো বোৱাই থৈ গ'ল বেদনাৰ এখনি সাগৰ
মণি কোঠাত সজীৱ হৈ ৰ'ল কিছু ক্ষণৰ স্মৃতি
পাৰ বাগৰি ভাহি আহিল কোনোবা অজান প্ৰেমিকৰ
হিয়া ভঙা কান্দোন
দুখত দুচকুৰ মৌনতাৰ ভাষা
উজাগৰী নিশা মনৰ নীলাৰ কথা
এতিয়া ওলাবনে কোনোবা বুজোতা শুনোতা
ক'ত হেৰাল সেই ওঁঠৰ হাঁহি
ক'ত হেৰাল সেই মুখৰ মধুৰ ভাষ্য
জীৱনৰ সেন্দুৰীয়া বাটৰ তৰাফুলীয়া আশাবোৰ ক'ত হেৰাল
আইৰ কোলাত দুচকু মুদি
মাথো চিৰ শান্তিত শুই পৰিল
আকাশৰ তৰা এটি খহি পৰিল
আকাশৰ তৰা এটি খহি পৰিল।।



# দোমোজাৰ অন্ধকাৰ

মৌতৃষা কোঁৱৰ
তৃতীয় ষান্মাষিক, অসমীয়া বিভাগ

বিশ্বাস সন্দেহৰ জোঁৱাৰ ভাটাত
অসহায় উদ্‌ভ্ৰান্ত হৃদয়
উফৰি পৰে আলিৰ কাষত।
হেৰাই যায় অধিকাৰ বাস্তৱত
এধানি মৰম পোৱাৰ,
অধিকাৰ হেৰাই যায়
ভালপোৱাৰ বৰষুণত তিতি
জুৰুলি জুপুৰি হোৱাৰ।
মুঠি মুঠি জোনাকবোৰ আঁতৰি গ'ল ক'ৰবালে,
জোনাকটোৱেও পোহৰ নিদিয়া হ'ল,
বেলিৰ উত্তাপত নিষ্প্ৰভ হৈ গ'ল সকলো।
কিহবাই বুকুখন খুলি খুলি খাইছে
কেঁকোৱাৰ খোলাৰ দৰে।
কি জানো সেইটো?
একোতো চকুত নপৰে,
সকলোবোৰ অস্পষ্ট হৈ পৰিছে।
আন্ধাৰ......
ক'তো পোহৰ নাই,
মাথো অস্পষ্ট কেঁকনি আৰু আন্ধাৰ......



# বিষাদৰ পণ

ৰীমা চুতীয়া
চতুৰ্থ ষান্মাষিক, অসমীয়া ৰিভাগ

বিষাদ মানে কি জানানে বাৰু
বিষাদ হৈছে জীৱনৰ সুখ-দুখৰ
দুটোপাল চকুলো।
জীৱনত হেৰুৱা বেদনা.......
ভাঁহি উঠা এখনি
কৰুণ মুখ।
চকুপানীয়ে ভাঙে কল্পনাৰ কাৰেং,
যাৰ কাৰণে সত-সহস্ৰ
জন-সমদল।
থাকিবলে বাৰু......
তোমাৰ জীৱনত
বিষাদৰ পণ।
যি জীৱনত সুখ-শান্তি
আনন্দৰে ভৰা,
কিন্তু তাৰ মাজতে
থাকি যাব পাৰে,
এটি মাথো পণ.......
যাৰ নাম বিষাদ।

# শাওন

যুথিকা ফুকন
স্নাতক তৃতীয় যান্মাষিক, অসমীয়া বিভাগ

শাওনৰ পথাৰৰ কেঁচামাটিৰ গোন্ধ
বৰ ভাল লাগে
সেই কেঁচা মাটিৰ গোন্ধত
লুকাই থাকে
খেতিয়কে কেঁচা ঘাম
মাটিত পেলাই কৰা
এধানিমান আশাৰ
কঠোৰ পৰিশ্ৰম।



# এবুকু স্মৃতি

জয়শ্ৰী গগৈ
স্নাতক পঞ্চম ষান্মাষিক

অশ্ৰুৰ জোৱাৰ নামি আহিল
পাহাৰৰ দৰে বেদনাবোৰ খহিল
সোণোৱালী দিনবোৰো অতীত হ'ল
ক্ৰমশ....হেৰাই গ'ল মৰম আপোনতা
এতিয়া চৌপাশে মাথো নিসংগতা।
শৈশৱৰ বিদায় পৰতেই মই
কৈশোৰৰ লগত পাতিছিলো মেলা
এবুকু আশাৰে তোমাৰ লগত
খেলিছিলো জীৱনৰ নতুন খেলা
কল্পনাতে থপিয়াইছিলো জোন, বেলি, তৰা।
কুঁৱলীসনা এই নিশাবোৰতেই
শুভ্ৰ জোনাক পৰত আকাশলৈ চাম
ভাবিছোঁ অকলশৰে......
তুমি ছাগৈ তিলফুল হৈ ফুলি আছা
নদীৰ সিপাৰৰ কোনো অজান দেশত।
স্বৰ্গৰ অপেশ্বৰীৰ দৰে শুভ্ৰ বসন পিন্ধি
তুমিয়েই নেকি সেই পৰীজনী
খেলিছিলো যাৰ সৈতে ওৰেটো কৈশোৰ
পাতিছিলো প্ৰেমেৰে মিতিৰালি
সাক্ষী আছিল য'ত জোন-বেলি তৰা।
আজি সেই বন্ধুত্বও শেষ হৈ গ'ল
তুমিও হ'লা মোৰ এবুকু স্মৃতি
অবুজন মনক বুজাব নোৱাৰি
এক মিঠা আৱেগ সুঁৱৰি
আকৌ..........
পাতিব খোজা তোমাৰ সৈতে মিতিৰালি।।



# "সেউজী ৰংপুৰ"

ৰাণী দাস
পঞ্চম ষান্মাষিক, অসমীয়া বিভাগ

এখন বিশাল পৃথিৱী, আৰু
তাৰ কোলাতেই আছে "ৰংপুৰ",
বাহ! ৰংপুৰখন যেন মোৰ বাবে
বুকুত সি লোৱা আজন্ম ভালপোৱা।
আহোম ৰজা দিনৰ সাতামপুৰুষীয়া কীৰ্তিচিহ্নবোৰ
আচৰিত কি যে মনোৰম!!
সঁচাকৈ ৰংপুৰবাসী হৈ আজি আনন্দত বিভোৰ হৈ পৰিছো
কি আছিল বাৰু এনে?
এই ৰংপুৰৰ এচুকেই আছে, এজাক ৰাংঢালী,
যাৰ মুখত হাঁহি আৰু সপোন
এই হাঁহিতেই সোমাই আছে,
এটা সেউজীয়া প্ৰতীক।
সেই প্ৰতীকৰ মাজতেই আছে
এটা জ্ঞানৰ মন্দিৰ,
যি আজিও চিৰশাশ্বত
যাৰ নাম "শিৱসাগৰ ছোৱালী কলেজ"।



# বিচ্ছিন্ন মনৰ অবিচ্ছিন্ন আশা.....

**জুৰী বৰগোহাঁই**
**উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ পৰীক্ষাৰ্থী**

শীতৰ হিমচেঁচা কুঁৱলীৰ মাজত
হেৰাই যোৱা মোৰ আশা......।
ফাগুনে জানো পাৰিব জীপাল কৰিব
পাৰিব জানো ঘূৰাই দিব, হেৰাই যোৱা মোৰ সপোনবোৰ...।
আঘোণৰ পথাৰ উদং হ'ল.......
হেৰাই গ'ল বহু প্ৰতিশ্ৰুতি, আশা, সপোন.........
সপোনৰ বালিঘৰ সাজি থাকোঁতে
কেতিয়ানো দুপৰীয়া হ'ল গমেই নাপালো.........
নিৰৱ-ৰাতি চন্দ্ৰাৱলী আকাশ চাই.......
থাঁকোতে কেনেকৈ পাৰ হৈ গ'ল সময়, গমেই নাপালো,
তথাপি মনত এটা আশা কৰো........
মোৰ হেৰাই যোৱা আশা, পুনঃ উজ্জীৱিত হ'ব।
ফাগুনৰ পছোৱাই কঢ়িয়াই আনিব মনৰ সপোন।
মোৰ হৃদয় হৈ পৰিব ফাগুনৰ পছোৱা........

# মা

**পাপৰি ঘৰফলীয়া**
**উচ্চতৰ প্ৰথম বৰ্ষ**

মা তুমি কেনে আছা?
মই আহি বহু দূৰণিত আছোহি
মনত পৰে মোৰ মা
সেই ল'ৰালিৰ দিনবোৰৰ কথা......
মই যেতিয়া অভিমান কৰিছিলো
তুমি যে মোক মৰমেৰে বুজাইছিলা!
যেতিয়া মই পৰিছিলো গভীৰ নিদ্ৰাত
লীন গৈছিলো যে তোমাৰ কোলাত
মনত পৰেনে মা মই যে নেখালে
তুমি যে মোক জোৰ কৰি খুৱাইছিলা!
তুমি যে মোক শিকাইছিলা
এখোজ দুখোজকৈ খোজ কাঢ়িবলৈ,
এযাৰ দুযাৰকৈ কথা ক'বলৈ,
মনত পৰে মোৰ মা
সেই ল'ৰালিৰ দিনবোৰৰ কথা........
মা তুমি এতিয়া কেনে আছা মা?



# ভালপোৱাৰ এটি অনুভৱ! এটি চুক্তি!!

পল্লৱী কপ্তাক
স্নাতক প্ৰথম ষান্মাষিক, ৰাজনীতি বিভাগ

ভালপোৱানে তুমিও মোক?
মই তোমাক পোৱাৰ দৰে,
নিয়ৰসিক্ত গোলাপ পাহক
কাণে কাণে সুধিলে ভোমোৰাই।
ঠিক তুমি সোধাৰ দৰে.......
ভালপোৱাৰ অৰ্থ যদি
বন্দিত্ব, একযেয়াসী, নিষ্ঠুৰতা
নিসংগ জীৱনক লৈ।
মোৰ কোনো অভিযোগ নাই।
ভালপোৱাত যদি বিলীন হয় অস্তিত্ব
আক্ষেপ কৰিবা নেকি নিজক হেৰুৱাই?
তুমি বুজিছাই ছাগে......
মোক কিন্তু তেনে ভালপোৱা নালাগে
য'ত উশাহ ল'বলৈও
কাৰোবাৰ অনুমতি লাগে
গোলাপ পাহে ক'লে, ঠিক মই কোৱাৰ দৰে।



# সপোনৰ ৰং

বাগ্মিতা কাশ্যপ
স্নাতক চতুৰ্থ ষান্মাষিক, ৰাজনীতি-বিজ্ঞান বিভাগ

সপোনৰ আছে জানো কিবা ৰঙ
ৰঙা, নীলা, হালধীয়া?
বৰ্ণহীন হৈয়ো যে ই বিচিত্ৰ,
শুকুলা ঘোঁৰাত সৌৱা মোৰ সপোন কোঁৱৰ
যি ৰঙীন কৰি তোলে মোৰ
শুভ্ৰ সপোনবোৰ.....নিজস্ব ৰঙেৰে।
আলোকিত হৈ উঠে মোৰ
হৃদয়ৰ প্ৰতিটো কোঠালি,
উদ্ভাসিত হয় তাত সেউজীবুলীয়া সপোন
আঁকি যায় যৌৱনৰ ৰঙীন আল্পনা।
প্ৰাপ্তিৰ আনন্দৰে সিক্ত মোৰ মনৰ গহ্ণত
পুনৰ পোখা মেলে এটা, দুটা........হাজাৰটা সপোন।



# জীৱন যুঁজৰ পথাৰখন....

ৰশ্মিৰেখা বৰগোহাঁই
স্নাতক তৃতীয় ষান্মাষিক, ৰাজনীতি বিজ্ঞান বিভাগ

পুৱাৰ দোকমোকালিৰে পৰিৱেষ্টিত
সেউজীয়া দলিচাখন....
পুবৰ আকাশত উদয় হোৱা
সূৰ্যৰ কিৰণৰে ভৰপূৰ
পৃথিৱীখন........
কিমান যে মনোৰম, মনোমোহা
সৌন্দৰ্য্যৰে পৰিপূৰ্ণ
প্ৰকৃতি প্ৰচণ্ড জগতখন
তলভৰা শুভ্ৰ শেৱালীৰে ভৰপূৰ
সেউজীয়া দলিচাখন দেখি
এনে লাগিল যেন
সেই কাল অমানিশাবোৰে
প্ৰকৃতিৰ সৌন্দৰ্য্যৰ ওচৰত
হাৰ মানি
ভয়ত বিব্ৰত হৈ
দূৰ দিগন্তত বিলীন হৈ গ'ল।
সেই কাল অমানিশাবোৰ
উহ.....
বৰ কষ্টদায়ক......
বৰ পীড়াদায়ক........
প্ৰকৃতিৰ কণ্টকময় আৱেষ্টনীৰ
ফলশ্ৰুতিত যেন
পুনৰ ইয়াৰ আগমন নহয়
তাৰেই অযুত কামনাৰে
জীৱন যুঁজৰ পথাৰখনত
নিজকে সাজু কৰি তুলিছো।



# আপোনালৈ শত-সহস্ৰবাৰ প্ৰণাম

চিমি কোঁৱৰ
স্নাতক পঞ্চম ষান্মাষিক, ৰাজনীতি বিজ্ঞান বিভাগ

টেলিফোন বা ই-মেইলত নহয়
এবাৰ দুবাৰ হাজাৰবাৰকৈ
শত-সহস্ৰবাৰ প্ৰণাম আপোনাক
মোৰ হিয়াৰ মাজত
বেলি ডুবিবৰ হ'ল
সন্ধিয়াও আহিছে নামি
ক'তা আপুনিচোন ক্লান্ত হোৱা নাই
বৰঞ্চ জোনাকৰ দেশলৈ
জোৰকৈহে চলিছে নাও
আন্ধাৰ আঁতৰিব এদিন
অচিন নদীৰ ঘাটে-ঘাটে
আপুনি সিঁচি যোৱা
জ্ঞানৰ শইচেৰে
উৰ্বৰা হ'ব পৃথিৱী
প্ৰতি দিনে প্ৰতি পলে
গজি উঠিব অলেখ জ্ঞানবৃক্ষ
শিক্ষাৰ পোহৰেৰে আলোকিত
স্বাধীন আত্মাবোৰে
অধিকাৰ বিচাৰি ৰাজপথত
ধৰ্ণা দিব
কংক্ৰীটৰ মহানগৰীত
মানৱতাৰ গান গাব
হে চিৰনমস্য শিক্ষাগুৰু
আপোনাক শত-সহস্ৰবাৰ প্ৰণাম......



# তোমাৰ বিয়াৰ দিনা

পৰিস্মৃতা চুতীয়া
স্নাতক চতুৰ্থ ষান্মাষিক, ৰাজনীতি বিজ্ঞান বিভাগ

তোমাৰ বিয়াৰ দিনা ৰঙা নীলা লাইটেৰে
উজ্জ্বলি উঠিব তোমাৰ চোতালৰ ৰভাতলি
উদুলি-মুদুলি হ'ব জীৱনৰ পদূলি।
সেইদিনা মনৰ আকাশত কলীয়া ডাৱৰে
নাচি-বাগি ফুৰিব
হৃদয়ত বিজুলি-গাজনিয়ে
গুজৰি-গুমৰি উঠিব
লাহে লাহে চকুৰ পটা
সেমেকি পৰিব।
তোমাৰ বিয়াৰ দিনা হোমৰ জুইক সাক্ষী কৰি
তুমি আনৰ হ'বা
বিচনাত পৰি দুটি গাৰুক সাক্ষী কৰি
মই দুখৰ চকুলো মচিম।
হোমৰ জুই দপদপকৈ জ্বলিব
আশাৰ জুই নিমিষতে নুমাব
জ্বলি-পুৰি ছাঁই হ'ব মোৰ হৃদয়
হয়তো মোৰ হৃদয়খনে চিৎকাৰ কৰিব
চিৎকাৰ কৰি কৰিয়েই হৃদয়খন অৱস হৈ পৰিব
ফুটা-নুফুটাকৈ উলাই আহিব বিষাদৰ চিঞৰবোৰ।
সিদিনা নিজক হয়তো সংযত কৰিব নোৱাৰিম
হয়তো মৰিবৰ মন যাব
নিজে নিজৰ মনক বুজাম
তথাপিও অবাধ্য চকুলোবোৰ ধাৰাসাৰে নিগৰিব।

তোমাৰ বিয়াৰ দিনা ৰাইজৰ জয় ধ্বনিৰে
কইনাক আদৰিব
মোৰ বিষাদে জয়ধ্বনি দি তোমাক বিয়াদ দিব চিৰকাললৈ।
সময়বোৰ উকলি যাব
যান্ত্ৰণাবোৰে চটফটাই ফুৰিব
আঘাটৰ শৰে বিন্ধিব বুকুত
হেৰুৱাৰ বেদনাই উটুপি উঠিব
চকুপানী নিৰলে বাগৰিব।
তথাপি তোমাক মই অভিশাপ নিদিও
দিম মাথো প্ৰাণভৰি আৰ্শীবাদ
কুশলে থকাৰ।
তুমি হয়তো মোক পাহৰি যাবা
মোৰ খবৰ ল'বলৈ তোমাৰ সময়ো নোলাব
তথাপিও আশা থাকি যাব শেষ মুৰ্হূত্বত
তোমাক এবাৰ চোৱাৰ।
মোৰ চিতাৰ জুই ৰঙাকৈ জ্বলিব
সপোনবোৰ ছাঁই হৈ উৰিব
আশাবোৰে ধোঁৱা হৈ পৰিব
মাটিৰ লগত বিলীন হ'ব নিষ্ঠুৰ মৰমবোৰ
তোমাৰ বিয়াৰ দিনা
সকলো আনন্দত মতলীয়া হ'ব
মোৰ স-পৰিয়ালে দুখত ভাগি পৰিব
মোৰ আত্মাই বিচৰণ কৰিব তোমাৰ কাষত
তোমাৰ অজ্ঞাতে
আৰ্শীবাদ বিচাৰিম মুক্তিৰ বাবে।
তোমাৰ বিয়াৰ দিনা ৰঙা-নীলা লাইটেৰে
উজ্জ্বলি উঠিব চোতালৰ ৰভাতলি
উদুলি-মুদুলি হ'ব জীৱনৰ পদূলি।



# এটি জন্ম.....অৱশেষ মানৱতা

**হিমাদ্ৰী ফুলকোঁৱৰ**
**স্নাতক প্ৰথম ষাণ্মাষিক, ৰাজনীতি বিজ্ঞান বিভাগ**

১৮৬৯ চনত গুজৰাটত এটি উল্কাপিণ্ড পৰিছিল...।
টুপ টুপ নিয়ৰে সম্ভাষণ জনাইছিল....
উল্কাপিণ্ডটো যেন এক গতি পথৰ আৰম্ভণি আছিল।
যাৰ বাবে এন্ধাৰ খেদি জোনাকী উৰিছিল.....।।
পৃথিৱীৰ সেউজীয়া আচলেও বা দিছিল
দূবৰিয়ে দলিচা পাৰিছিল
উল্কাপিণ্ডৰ আগমনৰ যেন উদ্ভাষিত হৈছিল
স্বৰগমত গুনৰ মৃদু অনুৰণন
যেন পুৱতি পখীৰ ৰিমঝিম কাকলি.......।
ক্ৰমশঃ উল্কাপিণ্ডটো গতিপথলৈ ৰূপান্তৰিত হৈছিল
যি গতিপথে নাম লৈছিল হেঙুলীয়াৰ....।
বিস্মিত আভাৰ সকৰুণ লাজৰ আভাক যেন
ধুই নিয়াৰ এক অনবদ্য প্ৰয়াস.......
কিহৰ বাবে?
কি শক্তিৰ বাবে।
সেই গতিপথে আগুৱাই গৈছিল..........!
গংগা, যমুনা, কাবেৰীৰ ভটিয়নী যাত্ৰাত
য'ত বাদ নপৰিছিল নীল নদী, আমাজান, টেমছ
আৰু আমাৰ স্ৰোতস্বিনী নীল নয়নাভ ব্ৰহ্মপুত্ৰও.........
কিহৰ মায়াত..........??
দিবাস্বপ্ন নে মুক্তিপণ..........?
যেন কিবা অবুজ সাঁথৰ..........!!
সঁচা আত্মাৰ মহানতা যে কিমান।
মহা.......... ত্মা!!

কল্পনাপিয়াসী এক গতিপথ
যেন সুখৰ বালিচৰ
আগুৱাই গৈছিল.........
সহযোগিতাৰ পণ বান্ধিছিল

নাশিব খুজিছিল তিমিৰুৰিস্তিত ভাৱধাৰা....
বুজাইছিল.........
কষ্টৰ ভঁৰালৰ ৰখীয়া একমাত্ৰ কৃষকজনহে
মাতৃৰ আঁচলৰ ধন মাত্ৰ সন্তানহে....
সহোদৰৰ সমভাগী মাত্ৰ স্বজনহে....
উস!!
যেন বৰ্ণাব নোৱাৰা দূৰত্ব সেই গতিপথৰ....
য'ত সকাহ দিয়ে মানৱতা নামৰ..........
এপথ আৱণ্টিত দুবৰিয়ে.....
মাথো যেন মৰমৰ সেউজীয়া........
প্ৰকৃত সত্য কি?
হিংস্ৰতা নে, মানৱতা
আছিল নেকি সেই সময়.....
নিৰ্দয়তাৰ দ্বাৰা সাৰুৱা
য'ত কক বকাইছিল নব্যজন্মিত বীজধাৰা......
বাঢ়িব খুজিছিল কিয় নীল খেতিৰ স্বকীয়তা??

হয়.........,
সুখৰ বননিত দুখৰ চৰাইৰ কাকলি
বৰ শ্ৰুতিকটু হৈ পৰিছিল.............।।
মহানতাৰ আত্মাই থিকেই শুনিছিল...........
চেষ্টা কৰিছিল............।
ক'লা, বগা হয়তো নাছিল কোনো ভগৱানৰ সৃষ্টি,
সকলোতো আছিল ধৰিত্ৰীৰ উপহাৰ
প্ৰেম, ভালপোৱা, বিশ্বাস, দয়া..........
সকলোবোৰেইতো আছিল মানৱতাৰ মাধ্যম.....



সঁচা, উল্কাপিণ্ডই যেন অনুভৱ কৰিছিল
সকলোবোৰ..........
নৱজাতকৰ মধুৰ ক্ৰন্দনৰ পৰা..........
শয্যাগত বুজৰ কাতৰ........
সকলোবোৰ আছিল সেই গতিপথৰ........
তত্বগধূৰ চিন্তাৰ গভীৰ সহযোগী।
হুমম!!
সুযোগে আকোৱালি ধৰিছিল.....
মানৱতাৰ জয়গান মুখৰিত হৈছিল
নদীও প্ৰবল হৈছিল
বতাহ শিহৰিত হৈছিল, যেন
প্ৰকৃতিয়েও বুজিছিল পাষাণ হৃদয়ৰ বাৰ্তা।
মানৱতাৰ জয়গান.......
আৰু যেন
সকলোবোৰ সৰু সৰু ভাগত সময়।।
কহুৱাৰ আঁচল কোঁচখাই গৈছিল...
সময় বিলাক মাথো স্তৱকলৈ....
পৰিগণিত হৈছিল......।
বিদ্বেষী স্পৃহাই সকলোকে কুকি কুকি খাইছিল.........
কুটি কুটি নষ্ট কৰিছিল নীলময় সপোন..........।

বিষাক্ত বতাহত..........
উশাহে বাট হেৰুৱাইছিল........
আচৰিত!!
আইতাৰ কাঁচিজোনৰ মাধুতোও কৰকাল............
উৰি গৈছিল............।।

আচৰ্য......
গতিপথে সকলো অতিক্ৰম কৰিছিল।
বিধংসী হব ধৰা দিনলিপিকো যেন......
নব্য ধাৰা দিছিল............ কৈছিল..........।।
আমাৰ সেউজীয়াক মৃতপায় নকৰিবা
মানৱতাক নুৰুকিবা
তেজৰ ফাঁকুৰে ধুনীয়া বিলাক অকপটে
নষ্ট গদ্য কৰি নেপেলাবা
মাথোঁ অনুগ্ৰহ..........,
ইতিহাস হবধৰা কথাবোৰক
কলংকময় নকৰিবা........
কলংকিত হৈ পৰিব সময়ৰ তান..........।।
মানৱতাই আমাক অভিশাপ দিব..........।।
সঁচা অভেদ্য বাণীৰ, যাদুকৰি দণ্ড.........।
আচৰিত........!!
চেষ্টাক সফলতাই আদৰণি জনাইছিল।।
ফলশ্ৰুতি বোৰ কি কি??
সপোনফুলীয়া স্বাধীনতা,
নে, কহুৱাৰ আঁৰত জিলিকা
প্ৰতিবাদৰ চাদৰত বচা বিদ্ৰোহৰ বুটা
য'ত নিহিত মানৱতা
সঁচা, গতিপথটিৰ কি মৃন্ময় ভালপোৱা............
যেন সকলো 'ভাৰত' নামৰ ফুলনিত......
মানৱতা নামৰ সুবাসী শেৱালী.........
যাৰ তাড়নাতেই সকলোবোৰ আশাবাদী।

(২ অক্টোবৰ গান্ধীজয়ন্তী উপলক্ষে অনুষ্ঠিত প্ৰতিযোগিতাৰ
প্ৰথম পুৰস্কাৰপ্ৰাপ্ত কবিতা)



# প্ৰত্যাশাৰ প্ৰতিশ্ৰুতি

সুস্মিতা দে
স্নাতক পঞ্চম ষাণ্মাষিক

প্ৰতিশ্ৰুতি এয়ে মোৰ
ওৰেটো জীৱন তোমাৰ কাষত থকা,
তোমাৰ জীৱনৰ সূৰ্য্য কিৰণ হৈ ৰোৱাৰ।
অবিচ্ছেদ্য সঙ্গিনী হৈ তোমাৰ,
জীৱনৰ বাটত ব্ৰতি হোৱাৰ।
নিৰাশাৰ প্ৰত্যাশা মই তোমাৰ।
ভিজিবলৈ দিবা মোৰ আঁচল
তোমাৰ অশ্ৰুজলেৰে।
প্ৰতিশ্ৰুত হৈছো মই প্ৰিতম।
তোমাৰ অপ্ৰতুল অৱস্থাত
সন্ধান নকৰিবা তুমি মোৰ;
প্ৰয়োজন নহ'ব।
আত্মসঙ্গিনী হৈ ৰ'ম
প্ৰতিশ্ৰুত হৈছো মই।
সময় আৰু সীমাৰ বান্ধোন চেৰাই চিৰকাল,
এই ক্ষণত আৰু প্ৰতিক্ষণত।
বিশ্বস্ত হৈ তোমাৰ প্ৰতিটো সন্ধিক্ষণত
এয়া মই প্ৰত্যাশা,
আৰু এয়াই তোমাৰ প্ৰত্যাশাৰ প্ৰতিশ্ৰুতি।।



# যাত্ৰা

চিমিৰেখা দত্ত
স্নাতক চতুৰ্থ ষাণ্মাষিক

মই কৰো নিঃসংগ যাত্ৰা
যত কেৱল অন্ধকাৰ
নাই কোনো বিশালতা, উন্মাদনা
কেৱল মাথো শূণ্যতা।
ক'ত জানো হেৰাই গ'লো.....
নিজকে দেখোন বিচাৰিয়েই নোপোৱা হ'লো
বৈচিত্ৰময় এই পৃথিৱীখনত
মোৰ ছাঁটো দেখোন নেদেখাই হৈ গ'লো
অতীতৰ সেই মধুৰ ক্ষণবোৰ
আধুনিকতাৰ সোঁতত বাৰু উটি গ'ল নেকি,
নে আমি বিচাৰি পোৱা নাই,
বিচাৰিব জনা নাই
সমস্যাৰে ভৰা এই বিশাল পৃথিৱীখন
কেতিয়া বাৰু নিকা হৈ পৰিব
পাৰিম জানো আমি নাগৰিকত্বৰ দায়িত্ব পালিব
পাৰিম নে বাৰু
এই নিসংগ যাত্ৰাৰ পৰা উভতি আহিব।



# জোনাক সুখীনে তুমি....?

**চুম্পী ভৰলুৱা**
**স্নাতক প্ৰথম ষান্মাষিক, অসমীয়া বিভাগ**

কেনে আছা তুমি........?
ভালেই আছা ছাগে ন'
মধুময় কৰি তুলিছা ছাগে
প্ৰতিটো মূহূৰ্ত।
তোমাৰ বাৰু মনত পৰেনে কেতিয়াবা
জোনাকৰ স্নিগ্ধতাত ডুবি আমি হৈ পৰিছিলো মাতাল!
নিশ্চয় নপৰে ন'!
আৰু পৰিবনো কিয়?
কাৰণ তুমিটো এতিয়া ভীষণ ব্যস্ত......
ব্যস্ততাই তোমাৰ পৰিচয়।
জোনাকে মোক এতিয়াও ৰিঙিয়াই মাতে
মোক আকৌ ডুবাব খোজে জোনাকৰ পৰসত
মই আকৌ ডুবিব বিচাৰো জোনাকত
মাথো এবাৰলে।
মোৰ জোনাকক স্পৰ্শ কৰিবলৈ মন যায়.....
মন যায় জোনাকৰ নিচাত মাতাল হ'বলৈ
কিন্তু মই নোৱাৰো কেতিয়াও।
কিয়নো জোনাক মোৰ পৰা বহু দূৰত্বত
আৰু ........?
এই যে আন্ধাৰ ইয়েই মোৰ পৰিচয়।
তোমাক মই আকৌ সুধিছো
মিছা নক'বা কিন্তু
বৰ দুখ পাম মনত মিছা ক'লে।
মাথো এবাৰ কোৱা
সুখীনে তুমি........
সঁচাই জোনাক সুখীনে তুমি..........?





# মানৱতাৰ প্ৰতীক ঃ বাপুজী

অনিন্দীতা কটকী
স্নাতক প্ৰথম যান্মাষিক, ইংৰাজী বিভাগ

সততাৰ লাখুটিডালত ভৰ দি
তেওঁ খোজ কাঢ়িছিল।
দুচকুত মমতাৰ চিক্‌মিক্‌নি লৈ
দয়াৰ সাগৰখন বুকুত বান্ধি
পৰৰ বেদনাত তেওঁ কান্দিছিল।।
'অহিংসাই পৰম ধৰ্ম' গীতাৰ শ্লোকটি
তেওঁৰ মুখৰ বাণী হৈছিল।
স্বপ্নৰ শিতানত 'ৰামৰাজ্য'ৰ
জয়ধ্বনি আছিল।।
মিঠা হাঁহি, সাধাৰণ খাদী পোছাক
পদযুগলত খৰম,
হৃদয়ত সকলো সুন্দৰ
দুখী, পাপী সকলোৰে পায় মৰম।
স্বাধীনতাৰ দাবীত অকলে আগবাঢ়ে
অনশন, পিকেটিঙ আদি কাৰ্যপন্থাৰ মাজে,
আশ্ৰমত শান্তিৰ ধ্বজা উৰুৱাই
তেওঁ আগবাঢ়ে জনগণক স্বাৱলম্বী কৰা পথে।
গ্ৰাম স্বৰাজৰ বুনিয়াদ গঢ়ে,
মহিলা সকলক জাগ্ৰত কৰে।
যতঁৰত সূতা কাটে, নিৰামিষ ভাল বান্ধে
অহিংসাৰ গীত গায় 'ৰামৰাজ্য'ৰ সপোন লৈ
বলি হয় হিংসাৰ।
জ্যোতিময় কৰি যায় মানৱতাক,
মোহনদাস কৰমচাঁদ গান্ধী হৃদয়ে হৃদয়ে ৰৈ যায়।



সময়বালিত তেওঁৰ খোজ থাকি যায়।
স্বাধীন ভাৰতৰ বুৰঞ্জীত তেওঁ সক্ৰিয় হয়।
মানৱতাৰ কোলাত তেওঁৰ মৰণ নাই।
মৃত্যু মাথো হ'ল এটা স্বপ্নৰ 'ৰামৰাজ্য'ৰ
শাসনৰ গাদীলৈ অৰিয়াঅৰি,
দিল্লীৰ 'ডামিনী কাণ্ড'
অথবা নিৰ্মম হত্যাকাণ্ডবোৰে
কপাঁই তোলে ভগ্ন স্বপ্নৰ অংশবোৰ।
দৰিদ্ৰতাৰ কোলাহল শুনি তেওঁ উচুপে
আত্মাৰ বিননি কোনে শুনে?
ফটোখনে চাই ৰয়
খাকী পোছাকৰ আঁৰৰ কাহিনী।
জাতিৰ পিতা 'মহাত্মা'
সত্যৰ এমুঠি অনুভৱ,
বিশ্বাস, আস্থা, নিষ্ঠা আদি শব্দবোৰ
নতুনৰ মাজত সিঁচি দিয়া।
পুনশ্চবাৰ জীপাল কৰা
সততাৰ পথাৰখন।
মানৱতাৰ পিতৃ 'মহাত্মা'
জীপাল কৰা সততাৰ পথাৰখন।।



# ক'লা ৰঙৰ ফুল...আৰু মই!

যামিনী মহন্ত
স্নাতক দ্বিতীয় ষাণ্মাষিক

অভিনয়....
কি এক দুৰ্দ্দান্ত প্ৰতিভা!
অস্থিৰ, উত্তাল মন এটা লৈও
যেতিয়া,
শান্ত হৈ থাকিব লাগে মই!
কণমানি আমঠুখন যেন
কিহবাই কুটি কুটি খাই-
অভিশপ্ত দিনবোৰক এদিন
দুহাতেৰে আকোঁৱালি লৈছিলো
নিজৰ বুলি ভাবি!
অন্য হেজাৰজনীৰ দৰেই
ময়ো ৰঙীণ হৈ পৰিছিলো.....
শূণ্যতাৰ একো অৱকাশেই নাই-
সকলো হৈ পৰিছিল গোলাপ তগৰ
পলাশ, মদাৰ, সোণাৰুৰ দৰে
ৰং-চঙীয়া.... আলফুলীয়া
গোলাপ পাহ খামুচি ধৰিব লওঁতেই
কাঁইটে বিন্ধিলে... তথাপি ভাল লাগিছিল
অভিমান কৰা নাছিলো কেতিয়াও...
আগৰ দৰে তুলি লৈছিলো দুহাতত
আলফুলেৰে হেঁপাহেৰে...
কাৰণ মই যে জীৱন ঘাটৰ
ৰং চঙীয়া পাৰত তেতিয়া-
মোৰ ৰং বোৰত সুৰুযেও ঢালি দিছিল তাৰ আভা



মনে প্ৰাণেৰে... উজ্বলি উঠিছিলো
প্ৰাপ্তিৰ লগনেৰে মই
উদীয়মান সুৰুযেও দিনৰ শেষত মেলানি মাগে-
মোৰ ৰংচঙীয়া ঘাটৰ পাৰো
ক্ৰমশঃ ম্লান পৰি আহিল.....
আৰম্ভ কৰিলো এক নতুন যাত্ৰাৰ
সেই যাত্ৰা অভিনয়ৰ-
কাহানিও অনুভৱ কৰা নাই
ক'লা ফুলৰ অস্তিত্বক
কিন্তু অভিনয়ে দিছে মোক
এপাহ এপাহকৈ হাজাৰ পাহ ক'লা ফুল
ক'লা ফুলৰ বুটা বছা হৃদয়খনত
মই সানি ল'ব খুজো
এচেৰেঙা ৰঙা ৰ'দ... বেলিফুলৰ
অলপ হালধীয়া-
মই অভিনয় কৰো হাজাৰজনৰ আগত
মুখত বিয়পাই দিওঁ প্ৰাপ্তিৰ
অভিলেখ তোলা হাঁহিৰ বোল-
গমকে নাপায় কেওৱে
মোৰ এই অভিনয়ৰ ঢৌবোৰ
মাথো চুই যায় সকলোকে।
মোৰ প্ৰাপ্তিৰ দোলেৰে সজাই তোলে
মোক প্ৰশংসাৰ সুউচ্চ খাপত....
আৰু ...... মই!
মই পাৰ কৰো মোৰ লগন
ক'লাফুলৰ পাহিৰে... অভিনয়ৰ সাকোঁৰে



# শাৰদী কোমল জোনাক....

ৰ'দালি চেতিয়া
স্নাতক পঞ্চম ষান্মাষিক

হে'ৰা, জোনাকৰ প্ৰেমিক কবি...
বুকুত উকমুকাই থকা অনুভূতিবোৰে যেতিয়া
কবিতা হ'ব খোজে
আপুনি কিয় খুলি দিয়ে খিৰিকিখন
জোনাক চাবলে??
দুচকুৰে জানো স্পৰ্শ কৰিব পাৰি
জোনাকৰ মায়াময় স্নিগ্ধতা??
সৌৱা....
শাৰদী নিশাৰ জোনাক তিয়াই
নামি আহিছে আকাশৰ পৰা
শেৱালীৰ সুবাস সনা
এজাক সুবাসী বৰষুণ...
আহক....
মুক্ত আকাশৰ তলতে ৰওঁ এক্ষন্তেক
দুহাত মেলি...
বুকুজুৰি বৈ যাওঁক
জোনাক মিহলি এখনি
হালধীয়া বৰষুণৰ নদী...।



# শৰতৰ আগমনৰ লগে লগেই....

টুলুমণি গগৈ
স্নাতক তৃতীয় ষান্মাষিক, অসমীয়া বিভাগ

হৃদয়ত বাঢ়িবলৈ ধৰিছে
বহুদিনৰ আগতে দেখা সেই
সপোনটিৰ উকমুকনি...
শিহৰিত, পুলকিত আৰু....
আৰু আমেজভৰা.....।
স্নিগ্ধ শেৱালিৰ সুবাসৰ
আঁৰত লুকাই থকা
বিষাদৰ এবুকু যান্ত্ৰণাৰ দৰে....।
পুৱাৰ ৰাঙলী বেলিটিৰ
সেই দীপ্ত চাৱনিত
কেনেকৈ যে হুমুনিয়াহ পেলাই
শান্ত, শুভ্ৰ শেৱালিৰ পাহিবোৰে...
ঠিক....ঠিক তেনেকুৱাই এটি সপোন
যাৰ প্ৰাপ্তি মাথো এটি হুমুনিয়াহ
ঠিক....ঠিক যেন পাতৰ আগত
উলমি ৰোৱা এটি নিয়ৰৰ কণিকা....
আৰু কি হ'ব পাৰে...
হয়তো হ'ব পাৰে পাখিভঙা শালিকাৰ
করুণ বিননিৰ দৰে...
বহাগৰ মাজনিশা কেতেকীৰ কান্দোনৰ দৰে...।
তথাপি তাত আছে কিবা এক
সুকোমল মাদকতা...
শিহৰণ তোলে হৃদয়ত...
পুলক জগাই সমগ্ৰ সত্তাত...।



# বৰ্ষাৰ শেষত তাই আহে...

চিমি কোঁৱৰ
স্নাতক তৃতীয় যান্মাষিক, ৰাজনীতি বিজ্ঞান বিভাগ

বৰ্ষাৰ শেষত প্ৰতি বছৰে তাই
আমাৰ সৰু গাঁওখনলৈ আহে
তাইৰ আগমনত মোৰ চুবুৰীটোলৈ
জোনাক নামে গোপনে গোপনে
দিখৌৰ পাৰৰ কহুঁৱা কেইজোপাই
উলাহতে হালি-জালি নাচে...
তাই ঋতুৰাণী শৰত
শুকুলা সাজেৰে জোনাকত খোজ
কাঢ়ে তাই আমাৰ গাঁৱত
আহিনৰ সেমেকা বতাহ ছাটিয়ে
বেজেৰুৱা সুহুৰি এটা গুণগুণালে
পুৰাতন শূণ্যতাবোৰ তাইৰ
বুকুলৈ উজাই আহে
শীতৰ নিশাবোৰ গধূৰ হৈ আহে
নীৰৱে, নিমাতে...
মোৰ বিষাদবোৰ অশ্ৰু হৈ সৰে
শেষ ৰাতিৰ জোনটোৱে অতীতৰ
সমাধি খান্দে
বৰ্ষাৰ শেষত তাই প্ৰতি বছৰে
আমাৰ গাঁৱলৈ আহে...







# শৰৎ

মৌতৃষা কোঁৱৰ
**স্নাতক প্ৰথম ষান্মাষিক, অসমীয়া বিভাগ**

স্নিগ্ধ আকাশৰ মাজে মাজে
উৰি ফুৰা শুকুলা ডাৱৰ,
সূৰ্যস্নাত ধৰণীৰ কোমল সেউজীয়াৰ বুকুত
কহুঁৱাৰ আন্দোলন।
সৌৱা আকাশৰ বুকুত উৰি ফুৰিছে
এজাক ৰাজহংস,
ৰিব ৰিব মলয়াই কঢ়িয়াই আনিছে
এক নিৰ্মল অনুভূতি।
বাগৰি আহিছে এক অচিন সুৰ,
মতলীয়া প্ৰাণত বৈ গৈছে অনামী শিহৰণ,
নামহীন আবেগত মতলীয়া প্ৰাণ।
পাতল কুঁৱলীৰ আস্বাদনত
ধৰিত্ৰীয়েও যে লুকাব খুজিছে নামহীন
লাজৰ ভাৰত।
নৈৰ পাৰৰ কহুঁৱা ডৰাৰ আন্দোলনত
বুকুৰ মাজতো যে কিবা এক
ভাৰত আন্দোলিত হৈছে,
উৰি গৈছে নীলাকাশৰ কোনোবাখিনিলৈ।



# অনুভৱৰ দলিচা

এখন হৃদয়ে হৃদয়ংগম কৰা প্ৰতিটো মুহূৰ্তই সৰল হৈ পৰে অনুভৱৰ সত্বাৰে জীৱন নামৰ দলিচাখনিত। জীৱনৰ পোৱা-নোপোৱাৰ নিমিলা হিচাপবোৰ, হাঁহি আৰু কান্দোনৰ গণনাবোৰ, আশা-নিৰাশা, স্বপ্ন ভগ্নৰ বিভ্ৰান্তিবোৰৰ সমষ্টিয়েই এখন অপূৰ্ণ হৃদয়ৰ পূৰ্ণ অনুভৱ। অনুভৱে মানুহৰ সত্তাক আৱেগিক কৰি তোলে। অনুভৱৰ লেখাই পাঠক সমাজক আলোড়িত কৰি ৰাখে ইয়াৰ নিজস্বতাৰে।



# স্বাধীন দেশত স্বাধীনতাৰ সংজ্ঞা বিচাৰি....

পাপৰি শেনচোৱা
স্নাতক তৃতীয় ষান্মাষিক, শিক্ষা বিভাগ

"মুকলি আকাশৰ তলত পখিলা খেদা
ছোৱালীজনী যদি স্বাধীন.........
দেশৰ নীতি-নিয়ম নজনা সদাজাত
শিশুটি যদি স্বাধীন.........
আপুনি কি যুক্তিত ক'ব
কাঁটাতাৰৰ সীমাত আমি স্বাধীন বুলি???"

মোৰ বাবে স্বাধীনতাৰ কোনো সংজ্ঞা নাই। যি দেশত জনসাধাৰণক বাক স্বাধীনতা, ভোটাধিকাৰৰ ক্ষমতা দি, সেই সকলোবোৰ কাৰোবাৰ স্বাৰ্থৰ বাবে ব্যৱহাৰ কৰা হৈছে; সেই দেশৰ স্বাধীনতা মোক নালাগে। যি স্বাধীন দেশত অলপ সেউজীয়া নাই, য'ত থিয় হৈ চিঞৰিবলৈ এডোখৰ মুকলি নাই, যান্ত্ৰিকতাই য'ত কাঢ়ি নিছে মানুহৰ নিজস্বতা; হৃদয়, সময়, সেই স্বাধীন দেশৰ স্বাধীনতা মোৰ বাবে প্ৰয়োজনবিহীন। যি দেশত এজনী নাৰীয়ে দিন-দুপৰতো মুকলিমনেৰে ৰাস্তাত অকলশৰে খোজকাঢ়ি ওলাই যাব নোৱাৰে, সেই দেশৰ স্বাধীনতাৰ অৰ্থ কি??? যিখন দেশত গণতন্ত্ৰ প্ৰচলিত, যাৰ সংবিধানত নাৰী-পুৰুষৰ সম অধিকাৰৰ কথা উল্লেখ আছে, অথচ বাস্তৱ ক্ষেত্ৰত পুৰুষে নাৰীক শোষণ কৰি আহিছে। সেই গণতান্ত্ৰিক দেশত স্বাধীনতা কোনখিনিত??? আমি জানো সঁচাই স্বাধীন আজি?? এখন স্বাধীন দেশত স্বাধীনতাৰ বাখ্যাৰ জানো প্ৰয়োজন আছে??? আচলতে স্বাধীন দেশত বাস কৰি সীমাৰ মাজত স্বাধীনতাৰ সংজ্ঞা বিচাৰি ফুৰা এটা চকু মুদা কুলি আমি। অন্যায়ৰ বিৰুদ্ধে মাত মতাৰ অধিকাৰ কাহানিবাতে হেৰুৱাই, বৰ্তমান তথা বাস্তৱ ক্ষেত্ৰত নিৰৱ একোজন দৰ্শক আমি, যি ভয় কৰোঁ অন্যায়ৰ বিৰুদ্ধে মাত মাতিবলৈ, কাৰণ আমাৰ স্বাধীনতা শাসকগোষ্ঠীৰ নিয়ন্ত্ৰণাধীন। আমি ভয় কৰো, অন্যায়ৰ প্ৰতিবাদ কৰিবলৈ, কিজানিবা টকাৰ বলত তেওঁলোকে আমাক নিস্ক্ৰিয় কৰে। আমি সঁচাই স্বাৰ্থপৰ। কেতিয়াবা এনেকুৱা হয় নিজৰ পৰিয়ালটো ৰক্ষাৰ বাবে আন হাজাৰটা পৰিয়ালৰ ওপৰত কৰা অন্যায় আমি চাই ৰওঁ। আমি যে নিৰুপায়। স্বাধীন দেশৰ নাগৰিক হোৱাৰ বাবদ পোৱা "বাক স্বাধীনতা" পৰি ৰয় বহুত পিছত, সেয়ে আমি মুখ ফুটাই ক'ব নোৱাৰো একোকে অন্যায়ৰ বিৰুদ্ধে।

আজি এখন স্বাধীন দেশৰ নাগৰিক আমি অথচ পদে পদে মৃত্যু, ধ্বংসৰ আশংকা। দেশে আজি স্বাধীনতা ৬৭ বছৰ অতিক্ৰম কৰিলে, তথাপিও সকলোতে যেন নিৰাপত্তাৰ অভাৱ স্বাধীনতা দিৱসটো উদ্‌যাপন কৰিবলৈ। আজি দেশে স্বাধীনতা লাভ কৰা ইমান বছৰৰ পাছতো নিৰাপত্তাটো দূৰৰে কথা, চৰকাৰে লোকৰ পিঠাগুৰিয়ে সকাম পাতি আছে। স্বাধীন দেশৰ জাতীয় পতাকাখন উত্তোলন কৰিবলৈ এটি ঘৰ বনাব নোৱাৰিলে। মোগল সম্ৰাট চাহজাহানে বনাই থৈ যোৱা ঘৰটোত আৰু কিমানদিনলৈ পতাকা উত্তোলন কৰিব???? বৰ্তমান স্বাধীনতা দিৱসৰ দিনটো এটা বন্ধ দিনলৈ ৰূপান্তৰিত হোৱাৰ দৰে হৈছেগৈ। সকলোৰে বুকুৰ স্পন্দনবোৰ যেন তীব্ৰ হয় এই দিনটোত। কি ঠিক ক'ত বা বোমা ফুটে। যিসকল যুঁজাৰুৱে নেতৃত্ব দি আজি আমাক স্বাধীনতাৰ এই পৰ্যায় পোৱালেহি, সেই লোকসকলক সুঁৱৰি দেশৰ স্বাধীনতাৰ চিন স্বৰূপে পতাকা তুলিবলৈ আজি আমি ভয় কৰো; কি ঠিক, কাৰ লক্ষ্য বা আজি মই। সঁচাই স্বাধীন দেশৰ আজি এই স্বৰূপ। নিৰ্দোষী সকলৰ তেজেৰে মজিয়া ধুই পিশাচীয় শান্তি পোৱা অথচ মুখ দেখুৱাবলৈ সাহস নকৰা এই ভয়াতুৰ সকলে আমাৰ আগত মুখামুখি যুদ্ধ নকৰে কিয়? আমি কিয় ভয় কৰো, নিজ আকাশৰ বুকুত, নিজ দেশৰ মাটিত পতাকা এখন মেলি দিবলৈ। কিয় আমি শান্তিৰে ভোগ কৰিব নোৱাৰো আমাৰ স্বাধীনতাৰ দিনটো। আচলতে, এখন স্বাধীন স্বীকৃত দেশত বাস কৰা, কাটাতাঁৰক সীমাক নিজৰ স্বাধীনতাৰ পৰিধি বুলি ভুল কৰা কাপুৰুষ আমি। যি ভয় কৰো



নিজ দেশৰ স্বাধীনতাৰ দিনত এখন পতাকা উৰুৱাবলৈ আৰু সেই গণতন্ত্ৰৰ ৰখিয়া মন্ত্ৰীসকল, তেওঁলোক কি? বাহাদুৰ, নে ৰক্ষণ কৰ্তা। স্বাধীনতা দিৱসলৈ মাহ বাকী থাকোতে তেওঁলোকে য'ত পতাকা উত্তোলন কৰিব তাত নিৰাপত্তাৰক্ষীয়ে পহৰা দিব। বিনা অনুমতিত মাহৰ আগৰ পৰাই সেই বিশেষ ঠাইত সাধাৰণ মানুহৰ প্ৰৱেশ নিষিদ্ধ হ'ব। ই জানো ইয়াকে নুবুজায়, তেওঁলোকে প্ৰাণৰ মমতাত কঁপি থাকে। স্বাধীনতা দিৱস উদ্‌যাপন কৰিবলৈ এমাহ আগৰ পৰাই নিৰাপত্তা লাগে। অথচ, আমাৰ দৰে মানুহবোৰ, মোৰ দৰে ছাত্ৰ-ছাত্ৰীবোৰ, তাঁহাতৰ কি জীৱন, প্ৰাণৰ প্ৰতি আকুলতা নাই। তাঁহাতক, আমাক কিয় নিদিয়ে নিৰাপত্তা? নে গণতন্ত্ৰৰ ৰখীয়া মন্ত্ৰী সকলৰহে জীৱনৰ দাম আছে, আমাৰ জীৱনৰ কি কোনো দাম নাই। সাধাৰণ জনতাৰ তেজেৰে দেশে স্বাধীনতাৰ মুখ দেখিছিল, কোনো বিশেষ মন্ত্ৰীয়ে অকলশৰে দেশ স্বাধীন কৰা নাছিল। মাথো মন্ত্ৰী এজনৰ জীৱনটো অমূল্য নহয়, এজন সাধাৰণ মানুহৰ জীৱনো তেওঁৰ দৰেই। জীৱন সমান, জীৱনৰ মূল্য সমান। সেয়া মন্ত্ৰী হওঁক বা সাধাৰণ মানুহ হওঁক; মাকেই সন্তান জন্ম দিয়ে। স্বাধীন এখন গণতান্ত্ৰিক দেশত সকলো সমান। নিৰাপত্তা যদি মন্ত্ৰীৰ বাবে বিশেষ, দেশৰ সকলো জনসাধাৰণৰ বাবে বিশেষ হ'বই লাগিব। মন্ত্ৰীসকলে মনত ৰখা উচিত যে, নিজৰ জীৱনৰ নিৰাপত্তাক লৈ চিন্তা কৰিবৰ বাবে তেওঁলোকক নিৰ্বাচন কৰা হোৱা নাই, তেওঁলোকক সাধাৰণ মানুহৰ কল্যাণ তথা নিৰাপত্তা আদি সকলো দিশৰ চিন্তাৰ বাবে নিৰ্বাচিত কৰা হৈছে। এখন স্বাধীন দেশত যদি আজি এনে অৱস্থা এইয়া ৰাজনীতি নহয়; ৰাজনীতিৰ নামত অৰ্থনীতি আৰু মোক অৰ্থনীতি নালাগে। ৰাজনীতি লাগে এনে স্বাধীন দেশো নালাগে, য'ত স্বাধীনতা দিৱস উদ্‌যাপনৰ ভয়।

মোক এখন মুক্ত আকাশ লাগে, যাৰ তলত বৈ সকলো মানুহে হাঁহিব পাৰে, যাৰ তলত প্ৰতিজন মানুহে নিজ অধিকাৰ সাব্যস্ত কৰিব পাৰে। যাৰ তলত মেলি দিব পাৰে সপোনৰ পানচৈ...... স্বাধীন দেশত হোৱা টকাৰ বাবে কটাকটি-মৰামৰি মই চাব নিবিচাৰো। এমুঠি ভাতৰ বাবে টনাটনিৰ দৃশ্যও মোৰ কাম্য নহয়। স্বাধীন দেশৰ সীমা বঢ়াবলৈ লগা যুদ্ধ কেতিয়াও নিবিচাৰো। নগৰ চাফা কৰাৰ নামত সাধাৰণ মানুহৰ দৰে উচ্ছেদ কৰি, পুঁজিপতিসকলৰ বেদখলক স্বীকৃতি দিয়া মন্ত্ৰী-আমোলাকো মোক নালাগে। স্বাধীন দেশত যদি ধনীসকলে সুবিধা পাই পাই ধনী হৈ গৈ থাকে, আৰু তাৰ বিপৰীতে যদি দুখীয়াসকল মাথো অৱহেলিত হৈ থাকে, সেই স্বাধীনতা কেতিয়াও নালাগে। যদি দুখীয়া বুলি সকলো অধিকাৰৰ পৰা বঞ্চিত হওঁ, নিজৰ মাত মতাৰ অধিকাৰ হেৰুৱাঁও, সেই স্বাধীনতা কি আমাৰ কাম্য। নালাগে আমাক সেই নামমাত্ৰ স্বাধীনতা। য'ত নাই স্বাধীন উশাহৰ সুবিধা, স্বাধীন এজাক বতাহ। য'ত উশাহ, বতাহো বিশেষ লোকৰ নিয়ন্ত্ৰণত থাকে; সেই স্বাধীন দেশতকৈ পৰাধীন হৈ আনক সেৱা কৰি থকাই শ্ৰেয়ঃ। স্বাধীনতাইতো ধনী-দুখীয়া বিচাৰ নকৰে। সকলো লোকৰ বাবে স্বাধীনতা সমান। নিৰ্দিষ্ট সীমাৰ মাজত আৱদ্ধ হৈ স্বাধীন বুলি দাবী কৰি কাৰোবাৰ শোষণত জাহ গৈ থকাটো স্বাধীনতা নহয়। এখন কম্বল, এখন আঁঠুৱাৰ লগত নিজৰ ভোটাধিকাৰ অধিকাৰ সাব্যস্ত কৰি নাগৰিকত্ব জাহিৰ কৰাটোও স্বাধীনতা নহয়। আমি স্বাধীন হ'ম সিদিনা; যিদিনা মানসিকভাৱে স্বাধীন হ'ম। পৃথিৱীখনক যিদিনা নিজৰ বুলি ভাবিম, যেতিয়া অন্যায়ৰ হকে মাত মাতি যাম..... আৰু যিদিনা সকলোৰে শান্তিৰে আগবাঢ়ি যাব।



# বিশ্বাসৰ তুলাচনীত সাৱধানতা

সুনীতা বৰগোহাঁই
স্নাতক প্ৰথম ষান্মাসিক, উদ্ভিদ বিজ্ঞান বিভাগ

"Never trust anything that can think for itself if you can't see where it keeps its brain." "Act of goodness" আমাৰ সকলোৰে জীৱনৰ এক প্ৰয়োজ্য শব্দ। ইয়াৰ অৰ্থ হ'ল আনৰ ভালৰ কাৰণে কৰা কোনো কাৰ্য, যিয়ে আমাক অতিশয় আনন্দ প্ৰদান কৰে। আমি সকলোৰে জীৱনত হয়তো এবাৰলৈ হলেও আনৰ বাবে কিবা কৰিছোঁ নিজৰ অকণমানো স্বাৰ্থ নোহোৱাকৈ। ইয়াত স্বাৰ্থ এটাই থাকে- আমাৰ নিজৰ মানসিক সন্তুষ্টি।

"কেতিয়াবা আমাৰ ভাল স্বভাৱবোৰৰ কাৰণেও আমি আনৰ মনত ভুল বুজাবুজিৰ সৃষ্টি কৰোঁ। আমি আমাৰ সৰলতাৰ কাৰণে আনৰ চিন্তা ধাৰণাও আমাৰ দৰে বুলি ভাবি লওঁ আৰু প্ৰায়ে এই ভুলৰ বাবে নিজে কষ্ট আৰু অনুতাপত ভুগিবলগীয়া পৰিস্থিতিৰ সৃষ্টি হয়।"

মানসিক সন্তুষ্টিৰ লগতে এই কাৰ্য্যই আনৰ লগত আমাৰ সম্পৰ্কৰ গভীৰতাও বঢ়াই তোলে। কিন্তু কেতিয়াবা ইয়াৰ বাবে আমাৰ ক্ষতি হৈছে নেকি? আমাৰ ভালখিনিৰ বাবে আমি বহুত বেছি হেৰুৱাবলগা হৈছে নেকি? হয় আমাৰ বহুতৰে হয়। জীৱনত আমি বিভিন্ন ধৰণৰ মানুহ লগ পাওঁ, সকলোৰে স্বভাৱ বেলেগ, চিন্তাধাৰা ভিন্ন। আমি নিজে সাৱধান নহ'লে আনে আমাৰ ভালখিনিৰ সুবিধা লোৱাৰ পূৰামাত্ৰাই সম্ভাৱনা থাকে।

অসমীয়া যোজনা এটাআছে "উপকাৰীক অজগৰে খায়।" আমাৰ জীৱনটো এই যোজনাষাৰ সত্য হৈ পৰে কেতিয়াবা।

"কেতিয়াবা আমাৰ ভাল স্বভাৱবোৰৰ কাৰণেও আমি আনৰ মনত ভুল বুজাবুজিৰ সৃষ্টি কৰোঁ। আমি আমাৰ সৰলতাৰ কাৰণে আনৰ চিন্তা ধাৰণাও আমাৰ দৰে বুলি ভাবি লওঁ আৰু প্ৰায়ে এই ভুলৰ বাবে নিজে কষ্ট আৰু অনুতাপত ভুগিবলগীয়া পৰিস্থিতিৰ সৃষ্টি হয়।" কেতিয়াবা আমাৰ সহায়ৰ আনে অপপ্ৰয়োগ কৰিব



পাৰে। জীৱনৰ আটাইতকৈ ডাঙৰ তথা কষ্টকৰ কৰ্মটো হ'ল “মানুহ চিনি পোৱাটো।” আজিৰ যুগত মানুহে নিজক বিচাৰ কৰাটোৱেই কষ্টকৰ হৈ পৰিছে। তেনেস্থলত এজন অচিনাকী ব্যক্তিক সহজে বিশ্বাসযোগ্য তথা আপোন কৰি লোৱাটো বৰ সুবিধাজনক নহয় বুলি ব্যক্ত কৰিব খোজো। আমাৰ সহজ-সৰল স্বভাৱৰ বাবে নিজৰ অনাহকত ক্ষতি হোৱাৰ সম্ভাৱনা আটাইতকৈ বেছি। সেয়ে থোৰতে এষাৰ কথা ক'ব পাৰি জীৱনৰ এজন সৎ-বিশ্বাসযোগ্য সংগী বাছনিত ভুল কৰা আৰু যুদ্ধৰ অস্ত্ৰ নিৰ্বাচন কৰাও ভুল কৰাতকৈ আৰু মাৰাত্মক ভুল একো নাই। সেয়েহে বৰ্তমানৰ যান্ত্ৰিকতাৰ যুগত নিজকে প্ৰতি মুহূৰ্ততে সচেতন কৰি ৰখাটো অত্যন্তই জৰুৰী। তাৰ বিপৰীতে যান্ত্ৰিকতাৰ মায়াজালত ডুব গৈ নিজৰ হাতত একো তথ্য প্ৰমাণ নথকাকৈ, নিজৰ সৰলতাক প্ৰাধান্য দি কাৰোবাক নিঃসন্দেহে বিশ্বাস কৰাটো এক ভয়ানক মূৰ্খামি যাৰ বাবে বিভিন্ন বিপদত পৰি সমাজত লাঞ্চিতও হ'বলগীয়া হয়।

এনে ধৰণৰ কৰাল গ্ৰাসত পতিয়ন গৈ বহুতো লোকে নিজৰ জীৱন আৰু সোণোৱালী ভৱিষ্যতটোক অন্ধকাৰমুখী আৰু ধ্বংসৰূপী কৰি তুলিছে। যাৰ ফলশ্ৰুতিত আজিৰ উঠি অহা প্ৰজন্মৰ মাজত দেখা দিছে বিশৃংখলতা, নেতিবাচক দৃষ্টিভংগী, অসৎ অভিপ্ৰায় আৰু সময়ৰ অসৎ ব্যৱহাৰ।

এনেধৰণৰ বিভিন্ন বিপদ আৰু লাঞ্জনাৰ পৰা হাত সাৰিবলৈ আমি সাৱধান হোৱা উচিত। কিন্তু তাৰমানে এই মনোভাৱ লোৱাটো অনুচিত যে আমি নিঃস্বাৰ্থভাৱে কাৰোবাক সহায় কৰাটো বা আনৰ ভাল বিচৰাটো ভুল। আমি সমাজত স্বাৰ্থপৰ আৰু আত্মকেন্দ্ৰিক হৈ জীয়াই থকাটো এখন সৎ-সুৰুচিপূৰ্ণ আৰু শৃংখলাবদ্ধ মানৱ সমাজৰ প্ৰকৃত নিদৰ্শন নহয়। আমি আমাৰ ভাল সত্বাটোক চিৰদিন জীৱন্ত কৰি ৰাখিব লাগিব আৰু ভাল কৰ্ম কৰি যাব লাগিব। কিন্তু তাৰ লগতে আমি কিছু পৰিমাণে চতুৰ বা বুদ্ধিমান হোৱাটোও নিতান্তই প্ৰয়োজনীয়। নহ'লে আপোনাৰ এজন সৎ প্ৰকৃত, নিষ্ঠাৱান আৰু বিশ্বাসযোগ্য বন্ধুও হৈ পৰিব পাৰে আপোনাৰ আহি থকা ভৱিষ্যত জীৱনৰ সাফল্যতাৰ পথৰ হেঙাৰ।

পৃথিৱীখন চতুৰ, চালাক, সুবিধাবাদী আৰু স্বাৰ্থপৰ মানুহেৰে পৰিৱেষ্টিত। আমি তাৰ ওলোটা নহয়। কিন্তু আনে যাতে আমাৰ সৰলতাৰ সুযোগ গ্ৰহণ কৰি আমাক অপকাৰ কৰিব নোৱাৰে তাৰ বাবে আমি সজাগ আৰু যিকোনো কামৰ আগতে এবাৰ ভাবি চোৱাটো দৰকাৰী।

না ক'বলৈ শিকাটো প্ৰয়োজনীয়। বহু ক্ষেত্ৰত আমি জীৱনত আনক না ক'ব নোৱাৰাৰ বাবে বহু কাম কৰি অৱশেষত পস্তাবলগীয়াও হয়। গতিকে নিজৰ ভালৰ বাবে না কোৱাটো দৰকাৰী। নিজৰ স্বাৰ্থৰ বাবে যেনেদৰে আনক ব্যৱহাৰ কৰাটো ভুল তেনেদৰে আনৰ দ্বাৰা ব্যৱহৃত হোৱাটোও মুঠেই সুখৰ কথা নহয়।

Act of kindness নিজৰ মাজত সদায় জীয়াই ৰাখক কিন্তু প্ৰতি ক্ষেত্ৰত চালি জাৰি চাইহে আৰু আনক অত্যাধিক বিশ্বাস কৰাৰ আগতে এষাৰ কথা মনত ৰখা উচিত যে “সাৱধানীৰ মৰণ নাই”।



# জীৱনৰ অভিজ্ঞতা ঃ নিজৰ ভুলৰ বাবে.....

**টুলুমণি গগৈ**
**স্নাতক চতুৰ্থ ষাণ্মাষিক, অসমীয়া বিভাগ**

প্ৰত্যেক মানুহৰ জীৱনতে ভুল এবাৰ নহয় এবাৰ হয়েই। মানুহ মাত্ৰেই ভুল হয়েই। তাৰকাৰণে বেজাৰ কৰি একো লাভ নাই। মাত্ৰ সৰ্তক হ'ব লাগে সঘনাই যাতে এই ভুলৰ আগমন হ'ব নোৱাৰে। আচলতে মানুহে ভুল কৰিলেহে কিবা নতুন কথা এটা শিকিব পাৰে। ভুলৰ সংশোধন কৰিবলৈ মানুহে চেষ্টা কৰিব লাগে। মানুহে যিমানবাৰ জীৱনত ভুল কৰে মোৰ বোধেৰে সিমানেই তিতাঁ-কেঁহা অভিজ্ঞতা লাভ কৰে। অভিজ্ঞতাই মানুহক বহুত শিকাই, বহুত জ্ঞান দিয়ে। ময়ো জীৱনত ভুল কৰিছো বহুবাৰ। সঁচা কথা ক'বলৈ গ'লে জীৱনত মই কৰা ভুলৰ সংখ্যা আঙুলিৰ মূৰত লিখিব নোৱাৰি। মই 'ভুল' কৰি পিছত বহুত দগ্ধ হওঁ। দুখ লাগে বহুত। জীৱনৰ বেছিভাগ দিশতে মই এটা হ'লেও ভুল কৰিছো। মোৰ ভুলৰ কাৰণে আনক কিন্তু মই জগৰীয়া কোনো ক্ষেত্ৰতে কৰিব নোৱাৰো। হয়তু মই জগৰীয়া কৰি পোৱা নাই। মোৰ নিজৰ অজ্ঞতাৰ বাবেই মই ভুলবোৰ হঠাতে কৰি পেলাওঁ, অজানিতে মোৰ ভুল হৈ যায়। কিয় জানো মোৰ ক্ষেত্ৰত এনে হয়। সদায় চেষ্টা কৰো ভুলবোৰ শুধৰাবলৈ। তথাপি কৰবাত নহয় কৰবাত ভুল হৈ যায়েই। এতিয়া আহোঁ মই কৰা সেই জঘন্য ভুলটোৰ কথালৈ.........

২০১৪ চনৰ নৱেম্বৰ মাহত কৰিলো ভুলতো। নৱেম্বৰত আমাৰ 3rd semৰ পৰীক্ষা হৈছিল। পৰীক্ষা আৰম্ভ হোৱাৰ কেইদিনমানৰ আগত আমাক Admit বোৰ দিছিল। Admit খন পাই মই কোনোদিন নাচালো মোৰ তাত কি কি বিষয় (Subject) আছে। মাত্ৰ চালো ৰোল নম্বৰটো। ভাবিলে বৰ দুখ লাগে। আৰু এটা ভুল কৰিছিলো মই কাকো সোধা নাছিলো Computer skillৰ Short Formটো কি হ'ব। মই ভাবিছিলো CMSK মানে Computer skill আৰু Communicative skill দুয়োটা। গতিকে নিজৰ Admitটো চোৱাতো নায়েই আনৰ Admitয়ো চোৱা নাই যে CMSK মানে দুয়োটা হয়নে নহয়। সেই সময়ত পঢ়াৰ বাদে অন্য কথা চিন্তা কৰিবলৈ কাৰনো সময় থাকিব। গতিকে ময়ো সেইবোৰ বাদ দি পঢ়া-শুনাত লাগিছিলো। সময় আগবাঢ়িছিল। পৰীক্ষাৰ দিনটো আহিছিল। পৰীক্ষাও ভালে দিয়া হৈছিল। কিন্তু দুৰ্ভাগ্যবশতঃ সপোনতো নভবা কিছুমান ঘটনাই মোক সঁচাকৈয়ে বহুত বেছি ব্যাকুল কৰিছিল। যিয়েনেকি মোৰ পৰীক্ষাত প্ৰভাৱ পেলাইছিল। পৰীক্ষা অৱশ্যে যিমান পাৰো ভালদৰে দিবলৈ চেষ্টা কৰিছিলো। নিৰ্দিষ্ট দিনটোত আমাৰ Computer skillৰ পৰীক্ষা দিবলৈ মই আহিছিলো। আহি দেখিছিলো পৰীক্ষা হ'লত থকা ডেক্সবোৰত যিবোৰ টিকট মৰা হৈছে তাত এইটো মোৰ ৰোল নাম্বৰটো নাই। কিন্তু হ'লটোৰ একেবাৰে শেষত থকা ডেক্স এখনত মোৰ ৰোল নাম্বাৰটো থকা টিকট এটা আছে। সম্ভৱ সেইটো টিকট Computer skillৰ কাৰণেমৰা টিকট নাছিল। সেইটো ৰুমটে দুদিনমানৰ আগতে আমাৰ মেজৰ পৰীক্ষা হৈছিল। সেইটো ছাগে মেজৰৰ টিকটহে আছিল। তথাপি মই তাতে বহি আছিলো। সেই সময়ত কিন্তু মই সেইটো কথা ঘূণাক্ষৰেও ভবা নাছিলো। যেতিয়া ৰুমটোলৈ পৰীক্ষাৰ Guard পৰা ছাৰ বাইদেউ সকল সোমাই আহিছিল তেতিয়া কিন্তু মোৰ ভাব হৈছিল কিবা এটা খুতঁ লাগিছিল। ছাৰ এজনে মোক তাৰ পৰা উঠাই আনিছিল আৰু বেলেগত বহুৱাইছিল। অৱশ্যে তেওঁ মোক সুধিছিল তোমাৰ Computer skill হয়তো? মই Cofidently হয় বুলি কৈছিলো। কাৰণ মই Admission লওঁতেও Computer skillৰ কাৰণেই লৈছো আৰু Form fillup কৰোতেঁও Computer skillৰ কাৰণে পইচা দিছোঁ। মোৰ সন্দেহ হৈছে মই ছাগে তাত মোৰ Sub বোৰত CMSK য়েই লিখিছিলো। পৰীক্ষা হৈ গ'ল। Practical যো দিলো ঠিকমতে। ৰিজাল্ট দিয়াৰ সময় কাষ চাপি আহিল। 4 Marchত আমাৰ ৰিজাল্ট ওলাল। Rejult sheetত মোৰ Roll No- 10456 নাই। মইতো আচৰিত। কান্দোনে হাঁহো লাগিছে। Computer skill ইমান ভাল হোৱা নাছিল কিন্তু মোৰ দৃঢ় বিশ্বাস পাছ মাৰ্ক পাব লাগিছিল। যেতিয়া Marksheet আনিলো তেতিয়াহে আচল কথাটো ওলাল। মোৰ Communicative skill ABS আহিছে। মানে Fail কৰিছোঁ। বহুত মৰ্মাহত হৈ পৰিছিলো। লগৰ কেইজনীয়ে মোক কিন্তু সান্ত্বনা দিছিল।

হোৱাবোৰ হৈ গ'ল কিন্তু মই এটা শিক্ষা পালো। আগলৈ এনে ভুল নকৰো বুলিও মনে মনে প্ৰতিজ্ঞাৱদ্ধ হ'লো। জানো কি হয় ভৱিষ্যতে। ভগৱানক প্ৰাৰ্থনা কৰিছো। মোৰ দৰে বা মোৰ অৱস্থাৰ দৰে আন কাৰোবাৰ এনেকুৱা নহওঁক।



# শিৱসাগৰ ছোৱালী মহাবিদ্যালয় আৰু অলপ চিন্তা

চেতনা চক্ৰধৰা
স্নাতক পঞ্চম ষান্মাষিক, শিক্ষা বিভাগ

প্ৰতিবাদী মন এটা লৈ জন্ম হৈছো। প্ৰায়ে প্ৰতিবাদ কৰাৰ ইচ্ছা যায়। বন্ধ অথবা ৰাজপথ ভেটি নহয়। সৎ আৰু সাহসেৰে কিবা সমস্যা সমাধানৰ ইচ্ছা, কিন্তু সুযোগৰ অভাৱ, সু-সহযাত্ৰীৰ অভাৱ আৰু সঁচা অৰ্থত সংকোচ আৰু সৎ সাহসৰ অভাৱ।

বৰ্তমান সময়ত যুৱ প্ৰজন্মক অতি উৎ-শৃংখল আৰু উদণ্ড বুলি ভবা হয়। তাৰ বাবে দায়ী প্ৰধানকৈ বৰ্তমানৰ যুৱ প্ৰজন্ম। কিন্তু তাৰ মাজতো এনে এচাম যুৱ প্ৰজন্ম আছে যি মাথো সমাজৰ হিতৰ বাবে কাম কৰিব বিচাৰে, যাৰ বাবে তেওঁলোকক লাগে এখন সুস্থ সমাজ, সুস্থ পৰিৱেশ, সুস্থ চিন্তাক আৰু এটা শক্তিশালী মন।

আমি মহাবিদ্যালয়ৰ শ্ৰেণী কোঠাত, কেন্টিনত বা মহাবিদ্যালয়ৰ যিকোনো মুকলি ঠাইত জুম বান্ধি বান্ধি আড্ডা দিওঁ। বিৰামহীন ভাৱে কথা পাঁতো। কথাৰ কোনো লাগ বান্ধ নাথাকে। কিন্তু মহাবিদ্যালয়ৰ বিশাল চৌহদত জিলিকি থকা পুথিভঁৰালটোলৈ মাত্ৰ যায় ১০ মান ছাত্ৰীহে, এয়া অতি পৰিতাপৰ বিষয়।

মোৰ ব্যক্তিগত দৃষ্টিভংগীত আমাৰ আড্ডাৰ বিষয় সমূহ মাথো, প্ৰেম অশ্লীলতা আৰু বিভিন্ন 'ছ'চিয়েল নেটৱৰ্কিং ছাইড' সমূহতে সীমাবদ্ধ। বৰ্তমান সময়ত গাৰ্লফ্ৰেণ্ড, বয়ফ্ৰেণ্ড, ইন্টাৰনেট আদিৰ ব্যৱহাৰে আমাৰ মনবোৰ এক ঠেক গণ্ডীৰ মাজত আবদ্ধ কৰি ৰাখিছে। আমি পাহৰি গৈছো আন চিন্তা, যি চিন্তাই আমাক বহল মনৰ গৰাকী কৰি তুলিব পাৰে, যিবোৰ চিন্তাই আমাৰ স্বাৰ্থপৰ মনটো পৰোপকাৰী মনলৈ ৰূপান্তৰ কৰিব পাৰে। আমি প্ৰতিদিনে ম'বাইলৰ নামত, ইন্টাৰনেট, চিনেমা-থিয়েটাৰ, সাজ-সজ্জা এইবোৰৰ নামত হাজাৰ হাজাৰ টকা খৰচ কৰোঁ। কিন্তু আমি এবাৰো নাভাবো ফুটপাথত পৰি থকা নাঙঠ, ভোকাতুৰ শিশুহঁতৰ কথা, টকাৰ অভাৱত পৰি আধাতে পঢ়া এৰিবলগীয়া হোৱা মেধাৱী সহপাঠীৰ কথা, টকাৰ অভাৱত মৃত্যু মুখত পৰা কণ কণ শিশুহঁতৰ কথা। আমি কিয় কিছুমান কথাৰ পৰা গা এৰা দি চলো? কিয় ভাবো এয়া আমাৰ দায়িত্ব নহয় বুলি? কিয় আমি সৎ সাহস গোটাব নোৱাৰো ভাল কাম কৰিবলৈ? কিহৰ ভয়ত, কেৰিয়াৰ ধ্বংস হোৱাৰ ভয়ত নে সমাজৰ আনে আমাক 'উপলুঙা' কৰাৰ ভয়ত?

আমি যদি এই সমূহ বিষয়ৰ পৰা ফালৰি কাটি আহি তাৰ লগত বৰ্তমান সময়ৰ কিছু বিষয়ক যোগ দিও তেতিয়া হয়তু আমাৰ মাজৰ পৰাই এক নতুন সমাজৰ সৃষ্টি হ'ব। আজিৰ সামগ্ৰীক সময়ত নাৰীৰ নিৰাপত্তাহীনতা, য'ত আমি নাৰীসকল এক অন্ধকাৰৰ দিশে গতি কৰিছো, তেনে সময়ত আড্ডাৰ মাজলৈ টানি অনা উচিত তচলিমা নাচৰিণ, মালালা, মেণ্ডেলা, আন্না হাজাৰে, নৰেন্দ্ৰ মোডীৰ দৰে ব্যক্তিৰ কথা। ব্যক্তিগত জীৱনৰ লগত ৰজিতা খুৱাই আমি এটা নতুন জীৱনৰ বাবে আন্দোলন কৰিব লাগিব, যাৰ দ্বাৰা আমি আমাৰ দায়িত্ব পালনৰ সুবিধা পাওঁ।

তেতিয়াই হয়তু মহাবিদ্যালয়ৰ বুকুৰ পৰাই আৰম্ভ হ'ব নৱপ্ৰজন্মৰ নিজৰ দায়িত্ব পালনৰ জাগৰণ, যি জাগৰণত সকলোৱে এটা মুকলি মঞ্চ পাব, য'ত এখন সুখ-সমৃদ্ধিময়ৰ সুচনা হ'ব আৰু য'ৰ পৰাই সৃষ্টি হ'ব হাজাৰ হাজাৰ জনী সাহসী তচলিমা, অনুৰাধাৰ দৰে সু-লেখিকা আৰু কৰবী ডেকাৰ দৰে সমাজৰ একোজনী সু-চিন্তক।



# অভিজ্ঞতাৰ মাজেদি মোৰ অনুভৱ

**ৰিমা বুঢ়াগোহাঁই**
**স্নাতক প্ৰথম যান্মাষিক, ইংৰাজী বিভাগ**

নাৰী শিক্ষাৰ উজ্জ্বল প্ৰাণকেন্দ্ৰ স্বৰূপ শিৱসাগৰ ছোৱালী কলেজত মোৰ পদাপাৰ্ণ ঘটিছিল ২০১২ চনৰ ১৬ জুলাই তাৰিখে। ২০১২ চনত মেট্ৰিকৰ দেওনা পাৰ হৈ এক মূহুৰ্তৰ বাবেও ভবা নাছিলোঁ যে মোৰ অনাগত শিক্ষাগত জীৱন পাৰ হ'ব ৰূপে-ৰসে বৰেণ্য এখন নভবাকৈয়ে সংঘটিত হৈ গৈছিল সকলোবোৰ। ১৬ জুলাইৰ পূৰ্বে কেতিয়াও আহি নোপোৱা এই শিক্ষানুষ্ঠানখনৰ প্ৰতি পিছে মোৰ আগ্ৰহ যে কম আছিল এনে নহয়, অতিকে প্ৰিয় মোৰ এই শিক্ষানুষ্ঠানখনৰ বিষয়ে অলপ ওচৰৰ পৰা জনাৰ সুযোগ পাইছিলোঁ যেতিয়া মোৰ 'বা' এই কলেজৰ এসময়ৰ ছাত্ৰী আছিল। তাইৰ মুখত শুনা পাইছিলোঁ কলেজৰ পৰিৱেশ, কলেজৰ শিক্ষা ব্যৱস্থা, কলেজৰ শৃংখলতা ইত্যাদি বহু কথা। বৰ ভাল লাগিছিল কলেজখনৰ বিষয়ে শুনা এই কিছুমান জনা-নজনা কথাবোৰ। পিছে মোৰেই সৌভাগ্য যে মই বৰ্তমান এই কলেজৰ ছাত্ৰী।

১। মহাবিদ্যালয়ৰ সকলো নীতি নিয়ম যাতে সকলো ছাত্ৰীয়ে নিষ্ঠাৰে পালন কৰে তাৰ ওপৰত বিশেষ গুৰুত্ব প্ৰাদন।

২। মহাবিদ্যালয়ৰ নিৰ্মাণ।

৩। মহাবিদ্যালয়ৰ সংগীত স্থায়ীভাৱে লোৱা হয়।

গীতৰ কথা - ড° কৰবী ডেকা হাজৰিকা।

সুৰ - শ্ৰীযুত প্ৰবীণ হাজৰিকা।

৪। ছাত্ৰী একতা সভাৰ সাংস্কৃতিক বিভাগৰ সহঃ সাংস্কৃতিক পদটি নতুনকৈ অন্তৰ্ভুক্ত কৰা হৈছে।

৫। শ্ৰেণী প্ৰতিনিধিৰ বাবে নিৰ্বাচনৰ ব্যৱস্থা গ্ৰহণ।

৬। মহাবিদ্যালয়ত ছাত্ৰীসকলে দৈনন্দিন এটি ভক্তিভৰা সেৱা জনাবলৈ বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী সৰস্বতীৰ এটি প্ৰতিমূৰ্ত্তি পকীকৰণ কৰি স্থাপন কৰা হয়।

কৃতজ্ঞতা জ্ঞাপন ঃ



সৰ্বপ্ৰথমে ধন্যবাদ জ্ঞাপন কৰিছো আমাৰ মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ ড° হেমন্ত কুমাৰ ফুকন ছাৰ আৰু উপাধ্যক্ষা ড° লীলা মহন্ত বৰচেতিয়া বাইদেউক। তেওঁলোকে মোক মোৰ কাৰ্যকালত প্ৰতি মুহূৰ্ততে উপযুক্ত পৰামৰ্শৰে কৃতাৰ্থ কৰিছিল। মই কৃতজ্ঞতা জ্ঞাপন কৰিছো মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰু, পুথিভঁৰালৰ বিষয়ববীয়া, কাৰ্যালয়ৰ সমূহ বিষয়ববীয়ালৈ আৰু চতুৰ্থ বৰ্গৰ কৰ্মচাৰীসকললৈ। যিসকলে কৰ্মকৰ্তাই মোক প্ৰতি মুহূৰ্ততে সহায় কৰিছিল। কেণ্টিনৰ সকলো বিষয়ববীয়ালৈও জনালোঁ মই অশেষ ধন্যবাদ। মই অশেষ ধন্যবাদ জনাইছো মোৰ অগ্ৰজ, অনুজ আৰু সহপাঠী সকলক। যাৰ সহযোগিতাৰ অবিহনে মই কেতিয়াও সফল হ'ব নোৱাৰিলোহেঁতেন। ইয়াৰোপৰি মহাবিদ্যালয়ৰ বাহিৰৰ সকলো শুভাকাংক্ষীক ধন্যবাদ জনাইছো। যিসকলে আমাক বহু কামত সহায় কৰিছিল। সকলোৰে সহযোগিতাৰৰ ফলতহে ২০১৩-১৪ বৰ্ষৰ ছাত্ৰী একতা সভাই নিজৰ দায়িত্ব সুচাৰুৰূপে পৰিচালনা কৰিব পাৰিলে। সেয়ে সকলোৰে ওচৰত এভাগি ভক্তিভৰা সেৱা নিবেদন কৰি মহাবিদ্যালয়ৰ সু-নাম লগতে উজ্জ্বল ভৱিষ্যত কামনা কৰি 'শিৱসাগৰ ছোৱালী কলেজ' এটি উজ্জ্বল নক্ষত্ৰৰ দৰে জিলিকি ৰোৱাৰ কামনা কৰি মোৰ কলমৰ মুখনি মাৰিলো।

জয়তু ছাত্ৰী একতা সভা

জয়তু শিৱসাগৰ ছোৱালী কলেজ

মেঘালী বৰুৱা

সাধাৰণ সম্পাদিকা





# REPORT OF ASSISTANT GENERAL SECRETARY

"The another name of 'college' is temple which gives us knowledge and wisdom"

At first, I greet to my respected Principal Sir, Vice- Principal maam and all my respected teachers. I an very thankful to God as I have got a chance to study in a renown college like Sibsagar Girls' college.

In 2013, I put my first step in this college with lots of hopes, colourful dreams and infinite imagine. In the beginning I felt a little nervous in such a high frame college. But day by day, I became adjusted and formed a tight relation between me and my college. I fell something to do for my college for better environment. So, I decide to stand in our college general election' 2013.

I never forget my loving seniors and my friends who inspired and supported me to receive the opportunity to be elected as an Asstt. general secretary of student union for the year 2013-2014.

Events of our period :

In 19/9/2013, The student union election was held.

In 24/09/2013, we took oath and since than start our activities by plantation in the science campus of our college.

In 2/10/2013, we observed Gandhi Jayanti.

From 28/10/2013, to 1/11/2013 we organised college weak and college provide students to show their talents and extra curriculur. It was a wonderful opportunity for those students who want to show their talents in different activities like singing, dancing, rangoli, debating, pout recietation reld on the last day of the callege week. It was a cultural procession. It was such a precious priviledge for the students to take part in it. The last day of the college week is a great remembrance to everyone. As this was last day of our college week, due put up a small entertainment which consisted of dancing and singing. After the college week. the work did not stop many work had such as Saraswati Puja and so on. As a asstt general secretary, I have to do my work sincerely without facing and problem.

I feel very lucky as we got an opportunity to organised golden jublee with our respected Principal Sir, vice-principal maam, teachers, office-staffs. all loving friends and sisters, guests and ex-students.

Thanks giving to all :

Firstly, I would like to give my sincere thanks to our most respected Principal Sir to give an opportunity to do something for our college, our respected teachers for guiding us. Secondly a very special thanks to our office staffs for the help they provided to me during the year. I also want to give my special thanks to all my bos-om friends. my loving and caring sisters and all the students of sibsagar Girls' college for helping and supporting me in such a excullent way. Thanking you. At last I want to reflect a very clear - to all that our college is comparable to those glorious college of the world. All of our students have a responsibility towards our college and along with a bright career of them selves- 'Manner, behavious, deep attention helps people to lead a successful life."

Your's bossom
Miss Parbin Sultana Begum
2013-14
Political Science Department
B.A. 3rd Semester





# সাংস্কৃতিক বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন

শিৱসাগৰ ছোৱালী কলেজৰ ৪৮ তম ছাত্ৰী একতা সভাৰ মোৰ এবছৰীয়া সাংস্কৃতিক বিভাগৰ সম্পাদকীয় প্ৰতিবেদনখন লিখাৰ প্ৰাক্ মূৰ্হূত্বত মই সেইসকল চিৰ নমস্য ব্যক্তিলৈ মোৰ সশ্ৰদ্ধ প্ৰণিপাত জ্ঞাপন কৰিছো, যিসকল বৰেণ্য ব্যক্তিৰ ত্যাগ, সাধনা আৰু তেজ ঘামৰ বিনিময়ত ৰংপুৰৰ সোণালী ছাঁয়াত প্ৰাণ পাই উঠিছিল আমাৰ এই পবিত্ৰ জ্ঞানৰ মন্দিৰটিয়ে। লগতে মই মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয়, উপাধ্যক্ষা, মহোদয়া, মোৰ অতি শ্ৰদ্ধাৰ শিক্ষাগুৰু সকল, মহাবিদ্যালয়ৰ কৰ্মচাৰীবৃন্দ আৰু সমূহ ছাত্ৰীলৈ মোৰ সাদৰ সম্ভাষণ জ্ঞাপন কৰিছো।

১৬ জুলাই, ২০১২ তাৰিখে- সঁচাকৈয়ে এটি চিৰ স্মৰণীয় দিন মোৰ বাবে কাৰণ এই দিনটোয়েই প্ৰথম বাৰৰ বাবে প্ৰবেশ কৰিছিলো শিৱসাগৰ ছোৱালী কলেজত মনত এক সপোন লৈ যে ইয়াৰ চাৰিওফালে সিঁচৰিত হৈ থকা মূল্যবান জ্ঞানৰ মণিবোৰ যিমান পাৰো বুটলি ল'ম বুলি। কিন্তু এয়া সহজ নাছিল। সৰুৰে পৰা সহ শিক্ষা ব্যৱস্থা থকা স্কুলত পঢ়ি অহাৰ পিছত ছোৱালী কলেজত পঢ়াৰ অনুভৱ সম্পূৰ্ণ বেলেগ আছিল মোৰ বাবে। প্ৰথম কেইমাহমান নানা ধৰণৰ বিভ্ৰান্তিৰ মাজত পাৰ কৰিবলগীয়া হৈছিল কিন্তু লাহে লাহে সকলো বিভ্ৰান্তিৰ পৰা নিজকে উলিয়াই আনি ইয়াৰ পৰিবেশৰ লগত নিজকে খাপ খোৱাবলৈ সক্ষম হৈছিলো। কলেজখনত পঢ়া-শুনাৰ লগতে অন্যান্য দিশতো সমান গুৰুত্ব প্ৰদান কৰা দেখি মই আকৰ্ষিত হৈছিলো। সৰুৰে পৰা সাংস্কৃতিক দিশটোৰ প্ৰতি ধাউতি থকাৰ বাবে মহাবিদ্যালয়ত অনুস্থিত হোৱা প্ৰায় সকলো অনুষ্ঠানতে অংশগ্ৰহণ কৰিছিলো আৰু এই ক্ষেত্ৰত মোৰ শিক্ষাগুৰু সকলৰ পৰা আৰম্ভ কৰি মোৰ বান্ধৱী সকলে মোক সদায় উৎসাহ ও অনুপ্ৰেৰণা যোগাইছিলে। সকলোৰে মৰম-আন্তৰিকতা পাই কলেজখন মোৰ বাবে মোৰ দ্বিতীয় ঘৰ স্বৰূপ হ'বলৈ ধৰিছিল। এনেকুৱা বোধ হৈছিল যদি মই এই কলেজখনৰ কাৰণে কিবা এটা কৰি যাব পাৰিলো হয়; কলেজখনক লৈ বহু সপোন ৰচি পেলাইছিলো আৰু মোৰ স্বপ্ন দিঠকলৈ ৰূপান্তৰিত হৈছিল সেইদিনা যিদিনা মই শিৱসাগৰ ছোৱালী কলেজৰ ৪৮ তম ছাত্ৰী একতা সভাৰ সাংস্কৃতিক বিভাগৰ সম্পাদিকাৰ ৰূপত মোৰ কাৰ্যভাৰ গ্ৰহণ কৰিছিলো। এই সুযোগতে মই মোৰ ভগ্নীস্বৰূপ মহাবিদ্যালয়ৰ ছাত্ৰীসকলক মোৰ হৃদয়ৰ নিভৃত কোণৰ পৰা ধন্যবাদ জ্ঞাপন কৰিছো মোক তেওঁলোকৰ বহুমূলীয়া ভোট দি জয়যুক্ত কৰাৰ বাবে লগতে সময়ে সময়ে কলেজৰ বিভিন্ন কামত সহযোগিতা আগবঢ়োৱাৰ বাবে।

কাৰ্যভাৰ গ্ৰহণ কৰি আমি সৰ্বপ্ৰথমে গান্ধী জয়ন্তী উৎযাপন কৰিছিলো। সকলোৰে সহযোগত আমাৰ প্ৰথম কাৰ্য সুন্দৰভাৱে সম্পন্ন হৈ গৈছিল। চাঁওতে চাঁওতে কলেজৰ আটাইতকৈ গুৰুত্বপূৰ্ণ উৎসৱ "বাৰ্ষিক যুৱ মহোৎসৱ"ৰ তিনিদিনীয়া কাৰ্যসূচী হাতত লোৱা হৈছিল। এই তিনিদিনীয়া বিভিন্ন ধৰণৰ প্ৰতিযোগিতাৰ অনুস্থিত কৰা হৈছিল। ইয়াৰেই সাংস্কৃতিক বিভাগত অন্তৰ্ভুক্ত আছিল। বিয়ানাম, দিহানাম, একক অভিনয়, একাংকিকা নাটকে ধৰি পম্পৰাগত সাজপাৰ প্ৰতিযোগিতা, ভেশচন প্ৰতিযোগিতা, একক নৃত্য প্ৰতিযোগিতা, দলীয় নৃত্য প্ৰতিযোগিতা, একক বিহু নৃত্য প্ৰতিযোগিতা, জেং বিহু প্ৰতিযোগিতা, বিহু হুঁচৰি প্ৰতিযোগিতা (মহিলা) ইত্যাদি। বিভিন্ন শিতানত বাদ্য বাদন প্ৰতিযোগিতা যেনে- ঢোল, পেঁপা, গগণা বাদক আৰু গিটাৰ বাদনৰ দৰে প্ৰতিযোগিতা প্ৰথম বাৰৰ বাবে কলেজখনত অনুস্থিত কৰিবলৈ সক্ষম হৈছিলো আৰু ইয়াৰ লগতে পোন প্ৰথমবাৰৰ বাবে কলেজত মুকাভিনয় প্ৰতিযোগিতাৰ সংযোজন ঘটোৱা হৈছিল। এটি বাবে বৰণীয়া সাংস্কৃতিক শোভাযাত্ৰাৰ লগতে এটি সাংস্কৃতিক অনুষ্ঠানেৰে যুৱ- মহোৎসৱটিৰ সামৰণি মৰা হৈছিল। ছাত্ৰীসকলৰ নিজৰ নিজৰ প্ৰতিভা সমূহ বিকাশ কৰাৰ অন্যতম সুবিধা লাভ কৰিছিল এই তিনিটা দিনত। সকলোৰে সহযোগিতা আৰু শৃংখলাবদ্ধতাৰ ফলত আমি উৎসৱটি



সুকলমে পৰিচালনা কৰিব পাৰিছিলো।

ইয়াৰ পিছতে সময় চাপি আহিছিল আমাৰ জ্ঞানৰ দেৱী আই সৰস্বতীৰ চৰণত প্ৰতি বছৰৰ দৰে এপাহি গন্ধ পুষ্প অৰ্পণ কৰাৰ। আনন্দ উৎসাহৰ মাজেৰে অধ্যক্ষ মহোদয় তথা সমূহ শিক্ষাগুৰু, আৰু কৰ্মচাৰী বৃন্দৰ সহায় সহযোগত পম্পৰাগত ভাৱে পালন কৰা হয়, হংশ বাহিনীৰ পূজা।

তাৰ পিছত আহিল আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱৰ কথা। সাংস্কৃতিক বিভাগৰ সম্পাদিকা হিচাপে মই দৃঢ় সংকল্প লৈছিলো যে আমাৰ মহাবিদ্যালয়খনলৈ শুনাম কঢ়িয়াই আনিবলৈ মোৰ ফালৰ পৰা মই যিমান পাৰো চেষ্টা কৰিম। শিৱসাগৰ চহৰৰ শ্ৰীযুত বকুল বিজয় চুতিয়া, ইন্দ্ৰজাত দাস, পঞ্চানন দাস আৰু দীপক দত্তদেৱৰ দৰে গুণী ব্যক্তি সকলৰ ছত্ৰছায়াত বিভিন্ন ক্ষেত্ৰত প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰিছিলো। ছাত্ৰীসকল বহুত উপকৃত হৈছিল তেওঁলোকৰ পৰা। বহু দিনৰ কষ্টৰ ফলস্বৰূপে আমি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱত মুঠ নটা পুৰস্কাৰেৰে পুৰস্কৃত হৈছিলো। তাৰেই ভিতৰত একাংকিকা নাটত শ্ৰীমতী পূজা ফুকনে বিচাৰকৰ বিশেষ বঁটা লাভ কৰিছিল, মুকাভিনয়ত আমাৰ ছোৱালীৰ দলটিয়ে দ্বীতিম শ্ৰেষ্ঠ দল হিচাপে বিবেচিত হৈছিল, আৰু দলীয় লোকনৃত্য প্ৰতিযোগিতাত আমাৰ কলেজৰ মহিলা দলটিয়ে বিহু হুঁচৰি পৰিবেশন কৰি প্ৰথম শ্ৰেষ্ঠ দল হিচাপে বিবেচিত হোৱাৰ লগতে বিচাৰক তথা দৰ্শকৰ উৎসাহজনক সহাঁৰি লাভ কৰিছিল। এই কথাত নিৰাশ অৱশ্যাই হৈছিলো যে অলপ নম্বৰৰ বাবে আমি কলেজখনক শ্ৰেষ্ঠ দল হিচাপে বিবেচিত কৰোৱাত ব্যৰ্থ হৈছিলো। কিন্তু আশা ৰাখিছো যাতে আগন্তুক সময়ত

সকলো আসোঁৱাহ নেওচি ছাত্ৰীসকলে শিৱসাগৰ ছোৱালী কলেজক শ্ৰেষ্ঠ দলৰ খিতাপটি আনি দিয়াত সক্ষম হ'ব।

ইয়াৰ পাছত আমি ৮ জুলাই, ২০১৪ তাৰিখে কলেজৰ প্ৰতিষ্ঠা দিৱসটি উদ্‌যাপন কৰো।

ইয়াৰ পাছত ২৪ জুলাই, ২০১৪ তাৰিখে নৱাগতা আদৰণি সভাৰ আয়োজন কৰা হ'ল। প্ৰত্যেক বছৰৰ দৰে এইবছৰো আমি আমাৰ কলেজ পৰিয়ালৰ নতুন কনিষ্ঠা সদস্য সকলক আনুষ্ঠানিক ভাৱে আমাৰ পৰিয়ালৰ সদস্যৰূপে আদৰণি জনাইছিলো আৰু তেওঁলোকৰ বাবে এটি বাবে বৰণীয়া সাংস্কৃতিক অনুষ্ঠানৰো আয়োজন কৰিছিলো। ইয়াৰ লগতে সংগতি ৰাখি এটি সম্বৰ্ধনা অনুষ্ঠানৰ আয়োজন কৰা হৈছিল য'ত আমাৰ কলেজৰ কৃৰ্তি ছাত্ৰীসকলক সম্বৰ্ধনা জনোৱা হৈছিল। তাৰ পিছৰ দিনাই পৰাই কলেজত বৰ্ণাঢ্য কাৰ্যসূচীৰে স্বৰ্ণজয়ন্তি বৰ্ষৰ সামৰণি অনুষ্ঠানটি আৰম্ভ হয়। সঁচাকৈয়ে সেইকেইদিন মহাবিদ্যালয় এক উৎসৱমুখৰ পৰিবেশে বিৰাজ কৰিছিল।

যিদৰে এখন ৰাষ্ট্ৰৰ জনগণৰ মাজত ঐকান্তিক দেশপ্ৰেম আৰু ভাতৃত্ব বোধৰ উদ্ভাৱন ঘটায় দেশৰ ৰাষ্ট্ৰীয় সংগীতে সেই একে ধৰণে এখন মহাবিদ্যালয়ৰ শিক্ষাৰ্থীৰ লগতে অন্য সদস্য আৰু সদস্যাৰ মাজত একতা আৰু সহযোগিতাৰ ভাৱ বৰ্ধিত কৰে 'মহাবিদ্যালয় সংগীতে'। আমাৰ বাবে ই এক সৌভাগ্য তথা আনন্দৰ বিষয় যে আমাৰ এই এবছৰীয়া কাৰ্যকালতে কলেজখনৰ এটি স্থায়ী মহাবিদ্যালয় সংগীতে মুক্তিলাভ কৰিলে। সংগীতটি ৰচনা কৰিছিল ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শ্ৰীযুতা কৰবী ডেকা হাজৰীকা বাইদেউয়ে আৰু সুৰ ৰচনা কৰিছিল বিশিষ্ট সংগীত শিল্পী শ্ৰীযুত প্ৰবীণ হাজৰীকাদেৱে। কলেজখনৰ স্বৰ্ণ জয়ন্তিৰ ক্ষণত তেওঁলোকৰ এনে এক মধুৰ উপহাৰ আমাৰ বাবে চিৰ স্মৰণীয় হৈ ৰ'ব।

স্বৰ্ণ জয়ন্তীৰ পাছতে আহিল ৫ চেপ্তেম্বৰ, শিক্ষক-দিৱস আমি অতি উলহ-মালহেৰে উদ্‌যাপন কৰিছিলো সেই পবিত্ৰ দিনটো। আমাৰ কাৰ্যকালৰ শেষ অনুষ্ঠান হিচাপে আমি এয়াই প্ৰয়াস কৰিছিলো যাতে আমাৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু সকলৰ মন জয় কৰিব পাৰো। সেইবাবে যদিও প্ৰত্যেক বিভাগে বিভাগে ছাত্ৰী সকলে শিক্ষক দিৱস উদ্‌যাপন কৰে, আমি শেষ বাৰৰ বাবে একত্ৰিত ভাৱে সকলোৰে লগত মিলি এই দিনটো উদ্‌যাপন কৰিম বুলি ঠিৰাং কৰিছিলো এই শেষ প্ৰয়াসটি সফলও হৈছিল।

'সংস্কৃতি' এটি সমাজৰ আধ্যাত্মিক, বৌদ্ধিক সৃজনশীলতাৰ মিশ্ৰিত ৰূপ। জ্ঞানীলোক সকলে বহুবাৰ ব্যক্ত কৰিছে যে সংস্কৃতিৰ ফল স্বৰূপেহে, মানৱ সভ্যতা সম্ভৱ হৈছিল। মানুহৰ জ্ঞান আৰু চৰিত্ৰৰ এক অন্যতম বৈশিষ্টই হৈছে সংস্কৃতি। সংস্কৃতিয়ে হৈছে এখন সুস্থ সমাজৰ জন্মদাতা। সাংস্কৃতিক বিভাগৰ এগৰাকী সম্পাদিকা হিচাপে ছাত্ৰীসকলক উদ্দেশ্যে মই এইটোয়ে ক'ব বিচাৰো যে আমি যিমানেই সাংস্কৃতিক ক্ৰিয়া কলাপৰ লগত নিজকে লিপ্ত কৰি ৰাখিম, সিমানেই আমি এক সুন্দৰ ব্যক্তিত্ব গঢ়ি তোলাত সক্ষম হ'ম। মোৰ এই এবছৰীয়া কাৰ্যকালত নিজৰ সীমিত সামৰ্থ্যৰে



মই কলেজখনক কিদৰে সেৱা আগবঢ়াব পাৰিলো সেয়া আপোনালোকৰ বিচাৰৰ বিষয়। বহুতো বাধা-বিঘিনি, সফলতা-বিফলতা, তিতা-মিঠা কিছু অভিজ্ঞতাৰে আমাৰ ছাত্ৰী একতা সভাৰ ২০১৩-১৪ বৰ্ষৰ কাৰ্যকালৰো অন্ত পৰিছিল। মোৰ এই এবছৰীয়া কাৰ্যকালত সকলো সময়তে কৰ্মৰ প্ৰতি উৎসাহ প্ৰদান কৰা মাননীয় অধ্যক্ষ মহোদয় ড° হেমন্ত কুমাৰ ফুকন চাৰ আৰু মাননীয় উপাধ্যক্ষা ড° লিলা মহন্ত বৰচেতিয়া বাইদেউলৈ মই আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো। মোৰ দায়িত্ব কালত প্ৰতিটো ক্ষেত্ৰতে পৰামৰ্শ আগবঢ়োৱা মোৰ বিভাগীয় উপদেষ্টা শ্ৰীযুত মেদিনী হাজৰীকা চাৰ আৰু শ্ৰীযুত সমৰজীত চৌধুৰী চাৰলৈ কৃতজ্ঞতাৰ শৰাই আগবঢ়াইছো।

তদুপৰি মোৰ এই কাৰ্যকালত আৰম্ভণিৰে পৰা সহায়ৰ হাত আগবঢ়োৱা মোৰ বান্ধৱী তথা একতা সভাৰ সাধাৰণ সম্পাদিকা মেঘালী বৰুৱাক লগতে অন্যান্য বিভাগীয় সম্পাদিকা সকলক মোৰ অশেষ ধন্যবাদ জ্ঞাপন কৰিছো। লগতে ধন্যবাদ জনাইছো। কলেজখনৰ সমূহ কৰ্মচাৰী বৃন্দলৈ যি সকলৰ অবিহনে হয়তো আমাৰ সকলো কাৰ্য ইমান সুকলমে হৈ নুঠিল হয়।

সদৌ শেষত মোৰ এই এবছৰীয়া কাৰ্যকালৰ অজানিতে হৈ যোৱা ভুল ক্ৰুটিৰ বাবে সকলোৰে পৰা কৰযোৰে ক্ষমা খুজি, শিৱসাগৰ ছোৱালী কলেজৰ সৰ্বাংগীন উন্নতি আৰু উজ্জ্বল ভৱিষ্যত কামনা কৰি মোৰ সম্পাদকীয় প্ৰতিবেদনৰ সামৰণি মাৰিলো।

"জয়তু শিৱসাগৰ ছোৱালী কলেজ"
"জয়তু ছাত্ৰী একতা সভা"

সুস্মিতা দে
সাংস্কৃতিক বিভাগৰ সম্পাদিকা

## সাংস্কৃতিক বিভাগৰ ফলাফল

**সাংস্কৃতিক শোভাযাত্ৰাৰ প্ৰতিযোগিতাৰ ফলাফল**

প্ৰথম ঃ ৰংপুৰ ছাত্ৰী নিবাসৰ দল
দ্বিতীয় ঃ অসমীয়া বিভাগৰ দল
তৃতীয় ঃ ভূগোল বিভাগৰ

**একক বিহুনাচ প্ৰতিযোগিতা ঃ**

প্ৰথম ঃ সংঘমিত্ৰা সন্দিকৈ
দ্বিতীয় ঃ ললাদ কায়ুম মিলি
তৃতীয় ঃ দেৱাহুতী কুকুৰাচোৱা

**জেং বিহু প্ৰতিযোগিতা ঃ**

প্ৰথম ঃ বৰদৈচিলা জেং বিহু দল
দ্বিতীয় ঃ সপ্তৰথী জেং বিহু দল
তৃতীয় ঃ ৰংপুৰ ছাত্ৰী নিবাসৰ দল

**বিহু (হুচৰি) প্ৰতিযোগিতা ঃ**

প্ৰথম ঃ সমন্বয় হুচৰি দল (উদগণি)
শ্ৰেষ্ঠ ঢুলীয়া ঃ কংকনা বৰগোহাঁই
শ্ৰেষ্ঠ পেঁপা বাদক ঃ পম্পি গগৈ
শ্ৰেষ্ঠ নামতি ঃ ডিম্পি ফুকন

**একক নৃত্য প্ৰতিযোগিতা ঃ**

প্ৰথম ঃ ললাদ কায়ুম মিলি
দ্বিতীয় ঃ লাকি গগৈ
তৃতীয় ঃ জিম্পি লাহন

**দলীয় নৃত্য প্ৰতিযোগিতা ঃ**

প্ৰথম ঃ ডলী হাজৰিকাৰ দল
দ্বিতীয় ঃ বৈশালী লাহনৰ দল
তৃতীয় ঃ লিজা তায়েৰ দল



**বিয়ানাম প্ৰতিযোগিতা ঃ**
প্ৰথম ঃ ডিম্পী ফুকনৰ দল
দ্বিতীয় ঃ ডলী হাজৰিকাৰ দল
তৃতীয় ঃ দীপশিখা শৰ্মাৰ দল
বিচাৰকৰ বিশেষ বঁটা ঃ দীপশিখা গগৈৰ দল

**পৰম্পৰাগত সাজপাৰ প্ৰতিযোগিতাৰ ফলাফল ঃ**
প্ৰথম ঃ প্ৰমোদিনী দেৱী
দ্বিতীয় ঃ প্ৰিয়ংকা দে’
তৃতীয় ঃ পৰী কোঁৱৰ

উদ্‌গণিমূলক বঁটা ঃ জেচমিন দেউৰী, দীপশিখা বৰবৰুৱা, নীলাক্ষী বৰগোহাঁই

**গীটাৰ বাদন প্ৰতিযোগিতা ঃ**
উদ্‌গণিমূলক বঁটা ঃ বৈশালী লাহন

**গগণা বাদন প্ৰতিযোগিতা ঃ**
প্ৰথম ঃ প্ৰতিক্ষা ফুকন
দ্বিতীয় ঃ কৰবী গগৈ
তৃতীয় ঃ ৰঞ্জুমণি গগৈ

**দিহানাম প্ৰতিযোগিতা ঃ**
প্ৰথম ঃ অসমীয়া বিভাগৰ দল
দ্বিতীয় ঃ ৰংপুৰ ছাত্ৰী নিবাসৰ দল
তৃতীয় ঃ ভূগোল বিভাগৰ দল, ৰাজনীতি বিজ্ঞান বিভাগৰ দল

**ভেকচন প্ৰতিযোগিতা ঃ**
প্ৰথম ঃ নিকিতা গগৈ, ৰাফিয়া বেগম
দ্বিতীয় ঃ মৃদুস্মিতা ফুকন
তৃতীয় ঃ যামিনী মহন্ত আৰু দল
উদ্‌গণি ঃ দীপশিখা আৰ্চাৰ্য আৰু সাস্বতী বড়া

**মুকাভিনয় প্ৰতিযোগিতা ঃ**
প্ৰথম ঃ যামিনী মহন্ত
দ্বিতীয় ঃ ৰুবী কোঁৱৰ
তৃতীয় ঃ জিতাস্ময়ী গগৈ

**একক অভিনয় প্ৰতিযোগিতা ঃ**
প্ৰথম ঃ জিতাস্ময়ী গগৈ
দ্বিতীয় ঃ নিকুমণি দিহিঙীয়া
তৃতীয় ঃ মধুস্মিতা বৰগোহাঁই

**একাংকিকা নাট প্ৰতিযোগিতা ঃ**
প্ৰথম ঃ মাটিৰ মানুহ
দ্বিতীয় ঃ ডাইনী
তৃতীয় ঃ শান্তিৰ পক্ষী
শ্ৰেষ্ঠ অভিনেত্ৰী ঃ দৰথী বৰুৱা
দ্বিতীয় ঃ মৃদুস্মিতা ফুকন
তৃতীয় ঃ পূজা ফুকন
শ্ৰেষ্ঠ সহঃ অভিনেত্ৰী ঃ অজন্তা দাস
দ্বিতীয় ঃ কৰবী গগৈ
তৃতীয় ঃ মূৰ্চনা চুতীয়া

পৰিচালক ঃ মৃদুস্মিতা ফুকন (মাটিৰ মানুহ)
উদ্‌গণিমূলক ঃ ভায়লিনা লাহন, চেহনাজ আৰা চুলতানা, গীতালী।



# সংগীত বিভাগৰ সহঃ সম্পাদিকাৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে মই শিৱসাগৰ ছোৱালী কলেজৰ সমূহ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰী তথা কৰ্মচাৰীবৃন্দলৈ শ্ৰদ্ধা আৰু মৰম জ্ঞাপন কৰিলো।

"শিৱসাগৰ", অসমৰ এখন অন্যতম ঐতিহ্যমণ্ডিত নগৰ যাৰ বুকুত এতিয়াও জিলিকি আছে আহোম যুগৰ ভাস্কৰ্য্যৰ নিদৰ্শন। এনেকুৱা এখন বুৰঞ্জী প্ৰসিদ্ধ নগৰৰ মাজমজিয়াত, তাৰোপৰি শিৱসাগৰ বৰপুখুৰী, শিৱদৌল, বিষ্ণুদৌল, দেৱীদৌলৰ কাষতে ১৯৬৪ চনত স্থাপিত হৈছিল শিৱসাগৰ ছোৱালী কলেজ।

সময় পাখি লগা কাঁড়ৰ দৰে। সময়ৰ সোঁতত মোৰ এবছৰীয়া। কাৰ্যকাল কিদৰে পাৰ হৈ গ'ল গমেই নাপালো। মোৰ কাৰ্যকালত মই সহকাৰী সংগীত সম্পাদিকা হিচাপে কিমানখিনি আগবাঢ়িলো সেয়া আপোনালোকৰ বিচাৰ্য বিষয়।

সহঃ সংগীত সম্পাদিকা হিচাবে মনোনীত হোৱাৰ পিছত অনুভৱ কৰিলো এইটো কিমান দায়িত্বশীল কৰ্ম আৰু দেখাত আকাৰ সৰু হ'লেও বিভাগটোৰ যথেষ্ট দায়িত্ব থাকে। এই দায়িত্বশীল কৰ্মটিৰ দায়িত্বভাৰ গ্ৰহণ কৰি যিখিনি কাম কৰিব লাগে তাৰ বাবে বেছি চিন্তান্বিত হৈ পৰিছিলো। শেষত বহু ভাবি চিন্তি কেইটিমান বাক্য লিখাৰ মানসেৰে প্ৰতিবেদনখন আপোনালোকৰ আগত অৱগত কৰিলো।

মই মোৰ কাৰ্যকালত মহৎ সংগীত সম্পাদিকা হিচাপে ছাত্ৰীসকলক যিমান সুযোগ সুবিধাৰ প্ৰয়োজন হৈছিল সিমানখিনি দিবলৈ চেষ্টা কৰিছিলো। কলেজৰ যিকোনো অনুষ্ঠানতে গীতৰ অনুষ্ঠান অনুষ্ঠিত কৰিবলগীয়া হ'লে আগতীয়াকৈ সকলো ছাত্ৰীক জনাইছিলো আৰু জাননী দিছিলো, যাতে সকলোবোৰ ছাত্ৰীয়ে সমানে সুবিধা প্ৰদান কৰিব পাৰে। কলেজৰ উপৰিও বাহিৰৰ যিকোনো গীতৰ অনুষ্ঠানত প্ৰতিযোগিতাত আমাৰ কলেজৰ ছাত্ৰীক অংশ গ্ৰহণ কৰিবলৈ সুবিধা দিয়া হৈছিল। কলেজৰ যুৱ মহোৎসৱত বাছনি প্ৰক্ৰিয়াৰে বাছি উলিওৱা সংগীত বিভাগৰ ছাত্ৰীসকলক অংশগ্ৰহণ কৰিবলৈ সুবিধা দিয়া হৈছিল। কলেজৰ যিকোনো অনুষ্ঠানত গীত পৰিৱেশনৰ বাবে বাদ্যযন্ত্ৰকাৰী সকলক মাতি অনা হৈছিল যাতে ছাত্ৰীয়ে কোনো কাৰণে অসন্তুষ্টি প্ৰকাশ নকৰে। কলেজৰ সোণালী জয়ন্তী বৰ্ষত আমি বিভিন্ন ধৰণৰ সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত কৰিছিলো।

আমাৰ অনুষ্ঠানটো শলাগিবলগীয়া হৈছিল। কলেজৰ বাবে যিমানখিনি কৰিবলগীয়া আছিল সকলোবোৰ নিয়াৰিকৈ কৰি গৈছিলো।

এইখিনি কৰাত মোৰ বিভাগীয় উপদেষ্টা সকলৰ পৰা বহুত সহায় পাইছিলো। ইয়াৰ উপৰিও ছাত্ৰী একতা সভাৰ সদস্যাসকলৰ পৰা মই যথেষ্ট সহায় পাইছিলো।

প্ৰতিবছৰে অনুষ্ঠিত হোৱাৰ দৰে বাৰ্ষিক ক্ৰীড়া সপ্তাহ, সৰস্বতী পূজা, শংকৰদেৱ-মাধৱদেৱৰ ইত্যাদি বিভিন্ন অনুষ্ঠান উদ্‌যাপন কৰিছিল। মই সকলো ছাত্ৰী একতা সভাৰ সদস্যাসকলৰ সৈতে অংশগ্ৰহণ কৰি সুখী অনুভৱ কৰিছিলো।

সদৌ শেষত অজানিতে যদি মোৰ কিবা ভুল হৈছিল তাৰ বাবে সকলো শিক্ষাগুৰু আৰু মোৰ ভন্টি, বান্ধৱী, বাইদেউসকলৰ পৰা পুনৰবাৰ ক্ষমা বিচাৰিছো।

"জয়তু শিৱসাগৰ ছোৱালী কলেজ"

বিকি বৰষা গগৈ
সহকাৰী সংগীত বিভাগৰ সম্পাদিকা





# তৰ্ক আৰু আলোচনা বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন

জয়জয়তে এই মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়ক প্ৰমুখ্য কৰি শ্ৰদ্ধাৰ শিক্ষক, শিক্ষয়িত্ৰী আৰু মহাবিদ্যালয়ৰ সমূহ কৰ্মচাৰীক মোৰ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো। লগতে মহাবিদ্যালয়ৰ ছাত্ৰী একতা সভাৰ সমূহ বিষয়ববীয়াক মোৰ শ্ৰদ্ধা আৰু স্নেহ যাচিলো।

২০১৩-১৪ বৰ্ষৰ বাবে মই তৰ্ক আৰু আলোচনা চক্ৰ বিভাগৰ সম্পাদিকা পদৰ বাবে নিৰ্বাচিত হওঁ। এই সুযোগ দিয়াৰ বাবে মোৰ অগ্ৰজ আৰু অনুজ সকলো ছাত্ৰীকে মোৰ কৃতজ্ঞতা নিবেদন কৰিলো। যিহেতু এই বৰ্ষটো আমাৰ কলেজৰ সোণালী জয়ন্তী বৰ্ষ আছিল সেই হেতুকে এই বৰ্ষতে ছাত্ৰী একতা সভাৰ এগৰাকী সম্পাদিকা হিচাপে থাকি গৌৰৱ অনুভৱ কৰিছিলো লগতে সোণালী জয়ন্তীৰ লগত সংগতি ৰাখি মহাবিদ্যালয়ত বিভিন্ন কাৰ্যসূচী অনুস্থিত কৰা হৈছিল আৰু সেই কাৰ্যসূচী সমূহত সফল হোৱাত সহায়ৰ হাত আগবঢ়াইছিলো।

কোনো এটা বিভাগৰ দায়িত্ব লোৱা সহজ। কিন্তু বিভাগটো কিমান সততা আৰু কৃতকাৰ্যতাৰে চলাব পৰা হ'ল সেইটোহে আচল কথা। বিগত বৰ্ষত মোৰ বিভাগটো কৃতকাৰ্যতা আপোনালোকৰ নিজ দৃষ্টিভংগীৰে মূল্যায়ন কৰিব। ভুল-ত্ৰুটি বৈ যোৱাটো স্বাভাৱিক তাৰ বাবে ক্ষমা প্ৰাৰ্থনীয়।

শিক্ষা হৈছে সমাজ পৰিবৰ্তনৰ এক অবিৰত প্ৰণালী। এই প্ৰণালী বৰ্তমান বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ প্ৰভাৱত জ্ঞানৰ বিস্ফোৰণ ঘটিছে। শিক্ষাক অগ্ৰগতিৰ মূল চাবি-কাঠি বুলি বিবেচনা কৰা হয়। একৈশ শতিকাৰ জ্ঞান আৰু তথ্য-প্ৰযুক্তিৰ দ্ৰুত উত্তৰণ তথা বিস্ফোৰণৰ সন্ধিক্ষণত পৰম্পৰাগতভাৱে পঠন, লিখন আৰু গাণিতীক অৰ্হতা আহৰণেই শিক্ষাৰ একমাত্ৰ উদ্দেশ্য হ'ব নোৱাৰে। এই শিক্ষাৰ লগতে জীৱনত প্ৰয়োজনীয় দিশ সমূহৰ উত্তৰণ ঘটোৱা একান্তই আৱশ্যক। ইতিহাস অধ্যয়ন কৰিলে দেখা যায় যে অতীত কালত খুব বুদ্ধিমান লোক সকল একোজন উল্লেখনীয় তাৰ্কিক আছিল। ইয়াৰ পৰা এইটোৱেহে প্ৰতীয়মান হয় যে তাৰ্কিক লোক সকল যথেষ্ট বুদ্ধিসম্পন্ন; প্ৰত্যুৎপন্নিতা গুণ অতি প্ৰখৰ। গতিকে এই প্ৰতিযোগিতাময় বিশ্বত জীয়াই থাকিবলৈ হ'লে শিক্ষাৰ লগতে তৰ্ক, কুইজ, বক্তৃতা, আলোচনা চক্ৰ আদি অতি প্ৰয়োজন। ইয়াৰোপৰি এই দিশ সমূহত অনুশীলনে ছাত্ৰ-ছাত্ৰীসকলক ভৱিষ্যত জীৱনৰ বাবে আত্ম প্ৰতিষ্ঠাত যথেষ্ট অৰিহণা যোগায়।

বাৰ্ষিক কলেজ সপ্তাহ হৈছে ছাত্ৰ-ছাত্ৰী সকলৰ প্ৰতিভা বিকাশৰ অন্য এক মাধ্যম। মোৰ কাৰ্যকালত ২৮।১০।২০১৩ ৰ পৰা ১।১১।১৩ লৈকে ২০১৩ বৰ্ষৰ বাৰ্ষিক কলেজ সপ্তাহ অনুষ্ঠিত কৰা হয়।

বাৰ্ষিক কলেজ সপ্তাহত মোৰ বিভাগৰ অন্তৰ্গত প্ৰতিযোগিতা সমূহ আছিল তৰ্ক, কুইজ আৰু আকস্মিক বক্তৃতা।

বাৰ্ষিক কলেজ সপ্তাহৰ তৰ্ক প্ৰতিযোগিতাৰ বিষয়টো আছিল-- **"পৃথক ৰাজ্যৰ সৃষ্টিয়ে অসমীয়া জাতীয় গঠন প্ৰক্ৰিয়াত বাধাৰ সৃষ্টি কৰিব।"**

**ৰাৰ্ষিক ক্ৰীড়া সপ্তাহৰ মোৰ বিভাগৰ ফলাফল সমূহ আছিল এনেধৰণৰ ঃ**

**তৰ্ক প্ৰতিযোগিতাৰ ফলাফল ঃ**

প্ৰথম ঃ ৰুবী দিহিঙীয়া
দ্বিতীয় ঃ মৃদুস্মিতা ফুকন
তৃতীয় ঃ মেঘালী বৰুৱা

**আকস্মিক বক্তৃতাৰ ফলাফল ঃ**

প্ৰথম ঃ সাগৰিকা গগৈ
দ্বিতীয় ঃ লাকী গগৈ
তৃতীয় ঃ ৰুবী দিহিঙীয়া
উদ্‌গণিমূলক বঁটা ঃ জিতাস্মাই গগৈ

**কুইজ প্ৰতিযোগিতাৰ ফলাফল ঃ**

প্ৰথম ঃ ৰুবী দিহিঙীয়া, চমা দত্ত
দ্বিতীয় ঃ চিন্ময় ঘৰফলীয়া, জেবিন আখতাৰ ৰহমান
তৃতীয় ঃ স্বাগতা বৰুৱা, জিতাস্মাই গগৈ



মোৰ এবছৰীয়া কাৰ্যকালত মোৰ বিভাগীয় কাম-কাজ পৰিচালনা কৰোতে নানা সমস্যাৰ সমাধানৰ লগতে সহায় সহযোগিতা, পৰামৰ্শ আগবঢ়োৱা মোৰ বিভাগীয় উপদেষ্টা শিৱ প্ৰসাদ মিলি ছাৰ আৰু উৎপলা গোহাঁই চমুৱা বাইদেউৰ ওচৰত চিৰকৃতজ্ঞ। লগতে মাননীয় অধ্যক্ষ মহোদয় ড০ হেমন্ত ফুকন ছাৰ আৰু উপাধ্যক্ষা ড° লীলা মহন্ত বৰচেতিয়া বাইদেউলৈ তথা সমূহ শিক্ষাগুৰুক কৃতজ্ঞতা জনাইছো।

লগতে মোৰ কাৰ্যকালত সকলো সময়ত সহায় আগবঢ়োৱা গীতাঞ্জলি বাইদেউ, কনচেং ছাৰ, শান্তনুদা, অংকুৰ দা, অচিন্ত দা, ৰুবুল দা, আৰু মোৰ বান্ধৱী ময়ুৰী, হিমাদ্ৰী, সুকন্যা, ৰাজশ্ৰী, চনুবা আৰু ছাত্ৰী একতা সভাৰ সকলো সম্পাদিকালৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

সদৌ শেষত শিৱসাগৰ ছোৱালী কলেজৰ সৰ্বাগীন উন্নতি আৰু উজ্জ্বল ভৱিষ্যতৰ কামনাৰে মোৰ এবছৰীয়া কাৰ্যকালৰ প্ৰতিবেদন সামৰিছো।

ধন্যবাদেৰে

"জয়তু শিৱসাগৰ ছোৱালী কলেজ"

"জয়তু ছাত্ৰী একতা সভা"

স্বাগতা বৰুৱা

তৰ্ক আৰু আলোচনা চক্ৰ বিভাগৰ সম্পাদিকা





# সাহিত্য আৰু আলোচনী বিভাগ প্ৰতিবেদন

"আমি কোমল পুৱাৰ ৰ'দালি
আমি এজাক সপোন সোণালী
পোহৰৰ দিশে উৰা মাৰি যোৱা
যেন এজাক পখীৰ কাকলি....."

-ড° কৰবী ডেকা হাজৰিকা

শিৱসাগৰ ছোৱালী কলেজৰ ২০১৩-১৪ বৰ্ষৰ সাহিত্য আৰু আলোচনী বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন লিখাৰ প্ৰাক্ বুলনিতে যিসকল মহান মণিষীৰ আপ্ৰাণ প্ৰচেষ্টাত নাৰী শিক্ষাৰ বাটকটীয়া স্বৰূপ এই 'শিৱসাগৰ ছোৱালী কলেজ"এ প্ৰাণ পাই উঠিল সেইসকল মহান মণিষীলৈ আমাৰ সশ্ৰদ্ধা নিবেদিছো লগতে মহাবিদ্যালয়খনিক প্ৰাণোচ্ছল কৰি ৰখাত অৱদান আগবঢ়োৱা সদস্য সদস্যা তথা সমূহ ছাত্ৰীলৈ আমাৰ আন্তৰিক অভিনন্দন যাঁচিছো। এই জ্ঞান মন্দিৰত অংশীদাৰ হোৱাৰ সুযোগ পাই নিজকে সৌভাগ্যৱতী বুলি জ্ঞান কৰিছোঁ।

শিৱসাগৰ ছোৱালী কলেজৰ ৪৮ তম ছাত্ৰী একতা সভাৰ সাধাৰণ নিৰ্বাচনত মোৰ প্ৰস্তাৱক আৰু সমৰ্থক জিয়লী চিৰিং ফুকন আৰু মেঘালী বৰুৱাৰ উৎসাহতে ১৯ চেপ্তেম্বৰত অনুষ্ঠিত হোৱা নিৰ্বাচনত মই 'সাহিত্য আৰু আলোচনী' বিভাগৰ পদটিত প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছিলো যদিও বিনা প্ৰতিদ্বন্দ্বিতাৰেই মই জয়লাভ কৰিছিলো।

নৱ নিৰ্বাচিত ছাত্ৰী একতা সভাৰ বিষয়ববীয়া সকলে ২৪ চেপ্তেম্বৰত আনুষ্ঠানিকভাৱে শপত গ্ৰহণ কৰি কাৰ্যভাৰ গ্ৰহণ কৰে। কাৰ্যভাৰ গ্ৰহণৰ চিৰস্বৰূপে ছাত্ৰ একতা সভাৰ সদস্যা সকলে মহাবিদ্যালয়ৰ বিজ্ঞান শাখাৰ চৌপাশত আৰু মহাবিদ্যালয়ৰ নিজা ছাত্ৰী নিৱাস ৰংপুৰ ছাত্ৰী নিৱাসক দুটি নিম গছৰ পুলি ৰূপণ কৰে। আমাৰ কাৰ্যকালৰ প্ৰথম কাৰ্যসূচী হিচাপে ২ অক্টোবৰ দিনা গান্ধী জয়ন্তী অনুষ্ঠানটো অনুষ্ঠিত কৰিছিলো। উক্ত দিনা ছাত্ৰী সকলৰ মাজত এখনি থলিতে লিখা কবিতা প্ৰতিযোগিতাও অনুষ্ঠিত কৰা হৈছিল।

ইয়াৰ পাছতেই ২৮ অক্টোবৰৰ পৰা সকলোৰে হেঁপাহৰ মহাবিদ্যালয়ৰ "বাৰ্ষিক যুৱ মহোৎসৱ" অনুষ্ঠিত হয়। এই মহোৎসৱত সাহিত্য আৰু আলোচনী বিভাগৰ অন্তৰ্গত প্ৰতিযোগীতাসমূহ (যেনে- থালিতে লিখা কবিতা, গল্প, চিঠি, প্ৰবন্ধ, মৌলিক গল্প, কবিতা, কবিতা আবৃত্তিৰ লগতে চিত্ৰাংকন, বেটুপাত অংকন, আৰু প্ৰাচীৰ পত্ৰিকা প্ৰতিযোগিতা) অনুষ্ঠিত কৰা হয়। ছাত্ৰী সকলৰ আগ্ৰহ তথা সক্ৰিয় অংশ গ্ৰহণে প্ৰতিটো প্ৰতিযোগিতাত সুচাৰু ৰূপে সম্পন্ন কৰাত যথেষ্ট সহায় কৰিলে। এই আপাহতে প্ৰতিগৰাকী প্ৰতিযোগীলৈ অশেষ ধন্যবাদ জ্ঞাপন কৰিলো।

ইয়াৰ পাছতেই ২ জানুৱাৰীৰ পৰা - জানুৱাৰীলৈকে তিনিচুকীয়া মহাবিদ্যালয়ত অনুষ্ঠিত হ'বলগীয়া আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱৰ বাবে প্ৰতিযোগীসকলক সাজু কৰা হৈছিল। প্ৰতিযোগী সকলেও তেওঁলোকৰ প্ৰদৰ্শন ভাল কৰিবলৈ যৎপাৰানাতি চেষ্টা কৰিছিল। এই ক্ষেত্ৰত ছাত্ৰীসকলক উপযুক্ত প্ৰশিক্ষণেৰে উপকৃত কৰাৰ বাবে এই আপাহতে শ্ৰদ্ধাৰ বকুল বিজয় ছাৰ, দীপক দত্ত ছাৰ, ইন্দ্ৰজিত দাস ছাৰ, পঞ্চানন দাস ছাৰ, আৰু বন্দনা বা, মাখন ছাৰলৈ অশেষ কৃতজ্ঞতা জ্ঞাপন কৰিছো। এই সকলৰ উৎসাহ, অনুপ্ৰেৰণা তথা ছাত্ৰীসকলৰ প্ৰচেষ্টাতে হয়তো আমাৰ শিৱসাগৰ ছোৱালী কলেজে সৰ্বমুঠ ৯টা পুৰস্কাৰ তথা দ্বিতীয় শ্ৰেষ্ঠ মহাবিদ্যালয়ৰ খিতাপ কটিয়াই আনিবলৈ সক্ষম হ'ল। আমাৰ কাৰ্যকালত ই এক বিশাল সফলতা হিচাপে আমি বিবেচনা কৰো। আশা কৰো আগলৈকো এই সাফল্য অক্ষুন্ন থাকক।

ইয়াৰ পাছতেই অনুষ্ঠিত কৰা হৈছিল বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী সৰস্বতী পূজা। বিগত বৰ্ষৰ দৰে এইবোৰো অতি আনন্দ উলাহেৰে ফেব্ৰুৱাৰী ২০১৪ তাৰিখে বিভাগীয় উপদেষ্টা সকল তথা সম্পাদিকা সকলৰ প্ৰচেষ্টাত সৰস্বতী পূজা পালন কৰা হয়। এই পূজাত আমাৰ আমন্ত্ৰণ ৰক্ষা কৰি যিসকল সদাশয় ব্যক্তিয়ে বিভিন্ন স্থানৰ পৰা আহি শিৱসাগৰ ছোৱালী কলেজৰ সৌষ্ঠৱ বৃদ্ধি কৰিলে তেওঁলোকলৈ মোৰ আন্তৰিক ধন্যবাদ থাকিল।

১৯৬৪ চনত ৮ জুলাইত জন্ম হোৱা শিৱসাগৰ ছোৱালী মহাবিদ্যালয় খনিয়ে আজি ৫০টা বসন্ত গৰকিবলৈ সক্ষম হৈছে। এই আপাহতে ২০১৩ চনৰ ৮ জুলাইৰ পৰা ২০১৪ চনৰ জুলাই মাহলৈকে এক বছৰ যোৱা কাৰ্যসূচী ৰূপায়ণ কৰা কৰা হৈছিল। সেয়ে মহাবিদ্যালয় খনিৰ সোণালী জয়ন্তী বৰ্ষৰ লগত সংগতি



ৰাখি গোটেই বছৰটোতে বিভিন্ন অনুষ্ঠান অনুষ্ঠিত কৰাত কাৰ্যসূচী হাতত লোৱা হৈছিল। ২০১৪ চনৰ ৮ জুলাই তাৰিখে মহাবিদ্যালয় খনিৰ প্ৰতিষ্ঠা দিৱস উদ্‌যাপন কৰা হয়। আৰু ২৫ জুলাই আৰু ২৬ জুলাই তাৰিখে মহাবিদ্যালয়ৰ সোণালী জয়ন্তী বৰ্ষৰ সামৰণি অনুষ্ঠানটি অনুষ্ঠিত কৰিবলৈ আয়োজন কৰা হৈছিল। ২৪ জুলাই তাৰিখে আয়োজন কৰা নৱাগতা আদৰণী সভাখনত আমন্ত্ৰিত বিশিষ্ট অতিথি প্ৰখ্যাত সাহিত্যিক দেৰগাঁৱৰ ড° গীৰিশ বৰুৱাদেৱৰ উপস্থিতিয়ে সভাখনিৰ সৌষ্ঠৱ বৃদ্ধি কৰিলে। ২৫ জুলাই তাৰিখে প্ৰদৰ্শনী আৰু গ্ৰন্থমেলাৰ উন্মোচনৰ লগতে মূখ্য আলোচক ড° অৰূণী কুমাৰ ভাগৱতীৰ অংশ গ্ৰহণে সভাখনৰ সৌষ্ঠৱ বৃদ্ধি কৰে। ন-পুৰণি ছাত্ৰীৰ সমাৰোহে সেইদিনাৰ আবেলিটো সুকীয়া অনুভৱেৰে আলোড়িত কৰি ৰাখিছিল। সন্ধিয়ালৈ বৰ্ণাঢ্য সাংস্কৃতিক অনুষ্ঠানেৰে সেইদিনাৰ কাৰ্যসূচীৰ অন্ত পৰিছিল।

২৬ জুলাইত এক বৰ্ণিল শোভাযাত্ৰাৰে দিনযোৰা কাৰ্যসূচীৰ আৰম্ভ হৈছিল। অসম সাহিত্য সভাৰ সভাপতি শ্ৰীযুত ইমৰান শ্বাহৰ দ্বাৰা গ্ৰন্থ উন্মোচন হোৱাৰ লগতে মুকলি সভাত অন্যান্য বিশিষ্ট্য ব্যক্তি সকলৰ সক্ৰিয় অংশ গ্ৰহণে সভাখনি সুকলমে হৈ যোৱাত সহায় কৰাৰ লগতে সভাখনিৰ মৰ্যদা বৃদ্ধি কৰে। সন্ধিয়া বিশিষ্ট্য সংগীত শিল্পী 'মানস ৰবীন'ৰ মন পৰশা সংগীত পৰিবেশনে মহাবিদ্যালয় খনৰ চৌপাশে ৰঙীণ কৰি তুলিছিল। এনে দৰেই অহৰহ গীত পৰিবেশনৰ অন্তত কাহিলী পুৱাৰ ভাগত মহাবিদ্যালয় খনিৰ সোণালী জয়ন্তী বৰ্ষৰ যোৰা কাৰ্যসূচীৰ যৱনিকা পৰিছিল। মহাবিদ্যালয়ৰ প্ৰাংগন উকা উৰুঙা লাগিছিল অনুষ্ঠানৰ অন্তত।

ইয়াৰ পাছতেই ১৫ আগষ্ট'ত স্বাধীনতা দিৱস উদ্‌যাপন কৰা হৈছিল। সকলো সদাশয় শিক্ষক মণ্ডলী আৰু ৰংপুৰ ছাত্ৰী নিৱাসৰ সমুদায় আৱাসীৰ সক্ৰিয় অংশগ্ৰহণে উক্ত দিনটো মনোগ্ৰাহী কৰি তুলিছিল। শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়ৰ দ্বাৰা পতাকা উত্তোলন কৰি দেশমাতৃলৈ পুনৰ বাৰ প্ৰণিপাত যাচিছিলো।

আমাৰ কাৰ্যকালত অন্তিমটি কাৰ্যসূচী হিচাপে আমি ৫ চেপ্তেম্বৰত শিক্ষক দিৱস অনুষ্ঠানটি সভক্তিৰে উদ্‌যাপন কৰাৰ চেষ্টা কৰিছিলো। তুলনামূলক ভাৱে বিগত বৰ্ষতকৈ অধিক ছাত্ৰীৰ উপস্থিত তথা সহায়-সহযোগিতাই উক্ত দিনটোৰ কাৰ্যসূচীৰ সফল ৰূপায়নত আমাক সহায় কৰিছিল আৰু চিৰ নমস্য শিক্ষাগুৰু সকলৰ স্নেহভৰা আৰ্শীষ আমাক সফল মণ্ডিত কৰি তুলিছিল।

কৃতজ্ঞতা ঃ- আমাৰ এই কাৰ্যকালত সকলো দিহা-পৰামৰ্শ আগবঢ়োৱা মাননীয় অধ্যক্ষ ড° হেমন্ত কুমাৰ ফুকন ছাৰ আৰু মাননীয় উপাধ্যক্ষা ড° লীলা মহন্ত বৰচেটিয়া বাইদেউৰ ওচৰত আমি চিৰকৃতজ্ঞ। বিভাগীয় কাম কাজ পৰিচালনা কৰোতে সকলো প্ৰকাৰৰ দিহা-পৰামৰ্শ তথা নীতি নিৰ্দেশনা তথা সকলো ক্ষেত্ৰতে সহায় কৰা মোৰ বিভাগীয় উপদেষ্টা শ্ৰীযুত প্ৰণৱ জ্যোতি ভৰালী ছাৰ আৰু শ্ৰীযুত বিদ্যুৎ বৰুৱা ছাৰলৈ কৃতজ্ঞতা জনাইছো। লগতে সাহিত্য বিভাগৰ বিভিন্ন প্ৰতিযোগিতা সমূহত বিচাৰকৰ আসন অলংকৃত কৰি প্ৰতিযোগিতা পৰিচালনাত বিশেষভাৱে সহায় কৰা শ্ৰীযুত ৰঞ্জিত ৰঞ্জন তামূলী ছাৰ, শ্ৰীযুত কিশোৰ কুমাৰ দেউৰী ছাৰ, শ্ৰীযুতা কাকলি সোণোৱাল বাইদেউ, শ্ৰীযুতা মৌচুমী দত্ত দুৱৰা বাইদেউ, শ্ৰীযুত অভিজিত বৰপূজাৰী ছাৰ, শ্ৰীযুত প্ৰবীণ শৰ্মা ছাৰ আৰু শ্ৰীযুত সঞ্জয় দাস ছাৰলৈ তথা মহাবিদ্যালয়ৰ সমূহ শিক্ষা গুৰুলৈ কৃতজ্ঞতা জনাইছো।

বিভাগীয় বিভিন্ন কামত সহায় কৰা ছাত্ৰী একতা সভাৰ সদস্যা সকল তথা বান্ধৱী হিমাদ্ৰী, চনু, জুলী, বৰ্ণালী তথা মোৰ অতি মৰমৰ অগ্ৰজ অনুজ সকলৰ ওচৰত চিৰকৃতজ্ঞ হৈ ৰ'ম।

ইয়াৰোপৰি বিভিন্ন ক্ষেত্ৰত আমাৰ ছাঁয়াৰ দৰে থাকি আমাক সহায়ৰ হাত আগবঢ়োৱা মহাবিদ্যালয়ৰ কৰ্মচাৰী বৃন্দ তথা চতুৰ্থবৰ্গৰ সকলো কৰ্মকতাই এই আপাহতে কৃতজ্ঞতাও ধন্যবাদ জ্ঞাপন কৰিছো।

অজানিতে ৰৈ যোৱা ভুল-ক্ৰটিৰ বাবে পাঠক মণ্ডলীৰ ওচৰত মই ক্ষমা প্ৰাৰ্থী। অনুজ জ্ঞান কৰি ক্ষমা কৰি দিয়ে যেন।

সৰ্ব শেষত ৰংপুৰৰ বাকৰিত জন্ম লোৱা নাৰী শিক্ষাৰ বাটকটীয়া স্বৰূপ এই শিৱসাগৰ ছোৱালী কলেজৰ প্ৰতিটো সাফল্যৰ অধ্যায় শিৱসাগৰৰ বুৰঞ্জীত সোণোৱালী আখৰেৰে খোদিত হওঁক....শিৱসাগৰ ছোৱালী কলেজৰ এটা অংশ হৈ গৰ্বিত অনুভৱেৰে অনুভৱ কৰো এই অনুষ্ঠান যুগমীয়া....চিৰ যুগমীয়া।

সদৌ শেষত শিৱসাগৰ ছোৱালী কলেজৰ সৰ্বাংগীন উন্নতি উত্তৰোত্তৰ কামনা কৰি প্ৰতিবেদনৰ সামৰণি মাৰিছো।

"জয়তু শিৱসাগৰ ছোৱালী কলেজ"

"জয়তু ছাত্ৰী একতা সভা"

**যামিনী মহন্ত, সম্পাদিকা**
**সাহিত্য ও আলোচনী বিভাগ**
২০১৩-১৪ বৰ্ষ



## ২০১৩-১৪ বৰ্ষৰ বাৰ্ষিক যুৱ মহোৎসৱৰ সাহিত্য আৰু আলোচনী বিভাগৰ অন্তৰ্গত প্ৰতিযোগিতাসমূহ ফলাফল এনে ধৰণৰ-

১। চিত্ৰাংকণ প্ৰতিযোগিতাৰ ফুলাফল-
প্ৰথম - নিকুমণি দিহিঙ্গীয়া (উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ)
দ্বিতীয় - দ্বিপশিখা (প্ৰথম ষান্মসিক, ভূগোল বিভাগ)
তৃতীয় - ইন্দ্ৰানী চেতিয়া (বিজ্ঞান শাখা প্ৰথম ষান্মসিক)

২। বেটুপাত অংকণৰ ফলাফল - (সোণালী জয়ন্তী বৰ্ষ শিৰসাগৰ ছোৱালী কলেজ-বিষয়)
প্ৰথম - নিকুমণি দিহিঙ্গীয়া (উ.মা প্ৰথম বৰ্ষ)
দ্বিতীয় - বিবেচিত নহ'ল
তৃতীয় - বিবেচিত নহ'ল

৩। থলিতেলিখা কবিতা প্ৰতিযোগিতা ফলাফল -
বিষয় - 'শৰৎ'
প্ৰথম - মৌতুষা কোঁৱৰ ('শৰৎ' - অসমীয়া বিভাগ প্ৰথম ষান্মসিক)
দ্বিতীয় - (শৰতৰ আগমনৰ লগে লগে তৃতীয় ষান্মসিক অসমীয়া বিভাগ)
তৃতীয় - চিমি কোঁৱৰ ('বৰ্ষাৰ শেষত তাই আহে' তৃতীয় ষান্মসিক, ৰাজনীতি বিজ্ঞান বিভাগ)
ৰ'দালি চেতিয়া ('শাৰদী কোমল জোনাক', পঞ্চম ষান্মসিক, অসমীয়া বিভাগ)

৪। থলিতে লিখা চিঠি প্ৰতিযোগিতাৰ ফলাফল -
বিষয়- বাৰ্ষিক কলেজ সপ্তাহত কিদৰে অংশগ্ৰহণ কৰিলা তাক জনাই বান্ধৱীলৈ চিঠি লিখা'
প্ৰথম - গীতিমণি বৰুৱা (পঞ্চম ষান্মসিক, অসমীয়া বিভাগ)
দ্বিতীয় - হিমাদ্ৰী ফুলকোঁৱৰ (প্ৰথম ষান্মসিক, ৰাজনীতি বিজ্ঞান বিভাগ)
চিমি কোঁৱৰ (তৃতীয় ষান্মসিক, ৰাজনীতি বিজ্ঞান বিভাগ)
তৃতীয় - মৃদুস্মিতা গগৈ (তৃতীয় ষান্মসিক, ৰাজনীতি বিজ্ঞান বিভাগ)
টুলুমণি গগৈ (তৃতীয় ষান্মসিক, অসমীয়া বিভাগ)

৫। থালিতে লিখা গল্প প্ৰতিযোগিতাৰ ফলাফল -
বিষয়ঃ- (নাৰী নিৰ্যাতন)
প্ৰথম - নিকুমণি দিহিঙ্গীয়া (প্ৰতিজ্ঞা- জীৱন এনেকৈয়ে উ.মা প্ৰথম বৰ্ষ)
দ্বিতীয় - চিমি কোঁৱৰ (বিষন্ন পৃথিৱীৰ উচুপনি তৃতীয় ষান্মসিক, ৰাজনীতি বিজ্ঞান বিভাগ)
তৃতীয় - গীতিৰতা গগৈ (৫ম ষান্মসিক, অৰ্থনীতি বিজ্ঞান বিভাগ)

৬। মৌলিক কবিতা ঃ-
প্ৰথম - বিবেচিত নহ'ল
দ্বিতীয় - যামিনী মহন্ত (৩য় ষান্মসিক, ভূগোল বিভাগ 'কলাকুলৰ ৰং আৰু মই')
তৃতীয় - বিবেচিত নহ'ল

৭। মৌলিক গল্প ঃ-
প্ৰথম - চিমি কোঁৱৰ ('নিৰ্জনতাৰ প্ৰান্তত' ৩য় ষান্মসিক, ৰাজনীতি বিজ্ঞান বিভাগ)
দ্বিতীয় - দ্বিপশিখা বৰবৰুৱা ('মৰীচিকাৰ পিছে পিছে ক্ৰমশ ১ম ষান্মসিক, ইংৰাজী বিভাগ)
তৃতীয় - মৃদুস্মিতা গগৈ ('প্ৰেৰণাময়ী')
উদ্‌গণিমূলক ঃ-
গীতিমণি লাহন (জীৱনৰ এক অনন্য যাত্ৰা)
ৰিয়া তৰচচুম (অৰিন্দম আৰু ড্ৰাগছ)

৮। মৌলিক প্ৰবন্ধ ঃ- (আধুনিক সমাজ জীৱনত - ভূমিকা)
প্ৰথম - চিমি কোঁৱৰ (৩য় ষান্মসিক, ৰাজনীতি বিজ্ঞান বিভাগ)
দ্বিতীয় - অনিন্দীতা কটকী (১ম ষান্মসিক, ইংৰাজী বিভাগ)
তৃতীয় - বিবেচিত নহ'ল

৯। অসমীয়া কবিতা আবৃত্তি ঃ- (কবিতা- 'পথাৰ')
প্ৰথম - মেঘালী বৰুৱা (৩য় ষান্মসিক, বুৰঞ্জী বিভাগ)
দ্বিতীয় - যামিনী মহন্ত (৩য় ষান্মসিক, ভূগোল বিভাগ)
তৃতীয় - নিকুমণি দিহিঙ্গীয়া (উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ)
উদ্‌গণিমূলক- প্ৰতীক্ষা মহন্ত (১ম ষান্মসিক, ইংৰাজী বিভাগ)

১০। ইংৰাজী কবিতা ঃ-



উদ্‌গণি - আটলান্টা বৰুৱা (১ম ষান্মসিক, ইংৰাজী বিভাগ)

১১। প্ৰাচীৰ পত্ৰিকা প্ৰতিযোগিতাৰ ফলাফল ঃ-

প্ৰথম - স্পেকট্ৰাম (-) বিজ্ঞান শাখা)

দ্বিতীয় - সঞ্চাৰিণী দ্বীপশিখা (ৰংপুৰ ছাত্ৰী নিৱাস)

তৃতীয় - চুপহি (অসমীয়া বিভাগ)

ক) শ্ৰেষ্ঠ সম্পাদকীয় ঃ- জুলীমণি বড়া (স্থিত প্ৰজ্ঞা বুৰঞ্জী বিভাগ)

খ) শ্ৰেষ্ঠ বেটুপাত ঃ- স্থিত প্ৰজ্ঞা (বুৰঞ্জী বিভাগ)

গ) শ্ৰেষ্ঠ অলংকৰণ ঃ- সঞ্চাৰিণী দ্বীপশিখা (ৰংপুৰ ছাত্ৰী নিৱাস)

ঘ) কবিতা (অসমীয়া) প্ৰথম- ৰ'দালি চেতিয়া (চুপহি)

দ্বিতীয়- অৰ্চনা দেৱী (কল্লোলিনী - )

তৃতীয় - চিমি কোঁৱৰ (স্ৰোতস্বিনী- - )

ঙ) শ্ৰেষ্ঠ প্ৰবন্ধ ঃ-

প্ৰথম - টুলুমণি গগৈ (সঞ্চাৰিণী দ্বীপশিখা ৰংপুৰ ছাত্ৰী নিৱাস)

দ্বিতীয় - - পাৰৱীক (উত্তৰণ- অৰ্থনীতি বিভাগ)

চ) চুটি গল্প - বৰ্ণালী বুঢ়াগোহাঁই (স্পেকট্ৰাম)

ছ) শ্ৰেষ্ঠ ইংৰাজী কবিতা - টাচামিন আখটাৰ হুচেইন (উত্তৰণ- অৰ্থনীতি বিভাগ)

জ) বিশেষ পুৰস্কাৰ (- ) বাগ্মীতা বৰা (-) ভূগোল বিভাগ

শ্ৰেষ্ঠ সাহিত্যিক ঃ- চিমি কোঁৱৰ (তৃতীয় ষান্মসিক, ৰাজনীতি বিজ্ঞান বিভাগ)





# ক্ৰীড়া বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন

২০১৩-১৪ বৰ্ষৰ ক্ৰীড়া বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন লিখাৰ আৰম্ভণিতে মই শিৱসাগৰ ছোৱালী মহাবিদ্যালয় স্থাপন কৰা মহান ব্যক্তি সকললৈ শ্ৰদ্ধা জনাইছো। লগতে এই মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়, উপাধ্যক্ষা মহোদয়া। শ্ৰদ্ধাৰ শিক্ষা গুৰুসকল, সমূহ কৰ্মচাৰী তথা মহাবিদ্যালয়ৰ ছাত্ৰীসকললৈ আন্তৰিক শ্ৰদ্ধা আৰু অভিনন্দন জনাইছো।

২০১২ বৰ্ষত মই এই মহাবিদ্যালয়ত পঢ়িম বুলি আগবাঢ়ি আহিছিলো। এই মহাবিদ্যালয়ৰে ছাত্ৰী গৃহ ৰংপুৰ ছাত্ৰী নিবাসত থাকি মই মোৰ মহাবিদ্যালয়ৰ জীৱনৰ আৰম্ভণি কৰিলোহি আৰু ২০১৩-১৪ বৰ্ষৰ নিৰ্বাচনী প্ৰতিযোগিতাত মই মোৰ অগ্ৰজ আৰু অনুজসকলৰ সমৰ্থনত ক্ৰীড়া বিভাগৰ সম্পাদিকা পদৰ বাবে প্ৰতিদ্বন্দ্বিতা কৰি জয়ী হৈছিলো। মোক এই পদৰ বাবে উপযুক্ত প্ৰাৰ্থী হিচাবে নিৰ্বাচিত কৰি জয়যুক্ত কৰাৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰী তথা ৰংপুৰ ছাত্ৰী নিবাসৰ প্ৰতিগৰাকী আবাসীলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

ছাত্ৰী একতা সভাৰ ক্ৰীড়া বিভাগৰ সম্পাদিকা পিছত জয়ী হৈ কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছত সেই কাৰ্যভাৰ সুচাৰুৰূপে পালন কৰি নিয়াৰ মোক সহায়ৰ হাত আগবঢ়োৱা মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয়া, মোৰ বিভাগীয় উপদেষ্টা তথা শিক্ষাগুৰু সঞ্জয় দাস চাৰ আৰু ৰঞ্জন দাস চাৰ, শিক্ষাগুৰু সকল, কৰ্মচাৰীবৃন্দ, মোৰ সহকাৰী সম্পাদিকা ফাৰজিয়া ৰহমান, ছাত্ৰী একতা সভাৰ সদস্যসকল, ৰঞ্জু বড়া বা, ডিম্পী, মুনমী, ডিম্পী, সাখী, উইনী, গায়ত্ৰী, পৰিস্মিতা, ৰিমজিম, পৰিস্মিতা, দেৱশ্ৰী বা, বিস্মিতা, নিশিতা, সুৰভী, তনময়ী কৃষ্ণানু আদি ৰংপুৰ ছাত্ৰী নিবাসৰ সকলো আবাসীলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছো।

এইবাৰ বাৰ্ষিক কলেজ সপ্তাহত খেল বিভাগৰ দুদিনীয়া কাৰ্যসূচীৰ বাবে কাৰ্যভাৰ গ্ৰহণ কৰিছিলো যদিও কাৰ্যভাৰ পালন কৰাত সফল হ'ব নোৱাৰিলো বতৰ বেয়া হোৱা বাবে। যদিও এদিনীয়া কাৰ্যসূচীৰে যিমান পাৰি সিমান খেল অনুষ্ঠিত কৰিছিলো। তথাপিও বহুত খেল আমি অনুষ্ঠিত কৰিব নোৱাৰিলো। তাৰ বাবে আপোনালোকৰ সকলোৰে ওচৰত আমি দুঃখিত। এই এদিনীয়া কাৰ্যসূচীত অনুষ্ঠিত কৰা খেলসমূহ আৰু বিজয়ী প্ৰতিদ্বন্দ্বিবোৰ হৈছেঃ-

১। ডিচকাচ থ্ৰ ঃ- ১ম শ্ৰীমতী ডিম্পী সোণোৱাল (2nd year)
২। জেৰলিন থ্ৰ ঃ- ১ম শ্ৰীমতী ডিম্পী সোণোৱাল (2nd year)
৩। চৰ্ট ফুট ঃ- ১ম শ্ৰীমতী মিতালী কলিতা (3rd sem)
৪। হাই জাম্প ঃ- ১ম শ্ৰীমতী জুমি দত্ত (3rd sem)
৫। লং জাম্প ঃ- ১ম শ্ৰীমতী প্ৰিয়ংকা বড়া (3rd sem)
৬। কাবাডী ঃ- ১ম প্ৰিয়ংকা বড়া দল ৰংপুৰ ছাত্ৰী নিবাসী (বিজয়ী দল)।
২য় জুমি দত্ত দল (দ্বিতীয় বিজয়ী দল)।
৭। মাৰ্চ ফাচ ঃ- ১ম ৰাজনীতি বিজ্ঞান বিভাগ
৮। শ্ৰেষ্ঠ খেলুৱৈ জুমি দত্ত

শেষত মোৰ এই এবছৰীয়া কাৰ্যকালত মই যিমান পাৰি সিমান মোৰ দায়িত্ব সুচাৰুৰূপে পালন কৰিছিলো যদিও বহুতো ভুলক্ৰটি হ'ব পাৰে। যাৰ বাবে মই আপোনালোকৰ ওচৰত ক্ষমা খুজিছো আৰু শিৱসাগৰ ছোৱালী কলেজৰ উন্নতি আৰু উজ্জ্বল ভৱিষ্যত কামনা কৰি মোৰ এই এবছৰীয়া কাৰ্যকালৰ সামৰণি মাৰিলো।

ধন্যবাদেৰে
জয়তু শিৱসাগৰ ছোৱালী কলেজ
জয়তু ছাত্ৰী একতা সভা

প্ৰিয়ংকা বড়া
ক্ৰীড়া বিভাগৰ সম্পাদিকা





# ক্ৰীড়া বিভাগৰ সহঃ সম্পাদিকাৰ প্ৰতিবেদন

জয়জয়তে মোৰ সম্পাদকীয় প্ৰতিবেদনৰ আৰম্ভণিতে মই শিৱসাগৰ ছোৱালী কলেজৰ ছাত্ৰীসকল। শিক্ষাগুৰুসকল আৰু সমূহ কৰ্মচাৰীবৃন্দলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

ইতিহাসে গৰকা বুৰঞ্জী প্ৰসিদ্ধ শিৱসাগৰ নগৰৰ মাজমজিয়াত অৱস্থিত স্ত্ৰী-শিক্ষাৰ উচ্চ শিক্ষানুষ্ঠান শিৱসাগৰ ছোৱালী কলেজ। শিৱসাগৰ ছোৱালী কলেজ আমাৰ পবিত্ৰ জ্ঞানৰ মন্দিৰ। শিৱসাগৰ ছোৱালী কলেজৰ এগৰাকী ছাত্ৰী হিচাপে গৌৰৱ অনুভৱ কৰাৰ লগতেএই কলেজৰ ছাত্ৰী একতা সভাৰ এগৰাকী সদস্য হ'বলৈ পাই নিজকে সৌভাগ্যৱান বুলি ভাবিছো। খেলৰ প্ৰতি অনুৰাগী হোৱাৰ বাবেই বহু হেপাঁহৰ অসমৰ ঐতিহ্যমণ্ডিত নগৰ "শিৱসাগৰৰ" মাজমজিয়াত ১৯৬৪ চনত স্থাপিত শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ ক্ৰীড়া বিভাগৰ সহ-সম্পাদিকা হিচাপে দায়িত্ব লৈ মোৰ সহপাঠী, বন্ধু বৰ্গসকলৰ খেলৰ জৰিয়তে এটি সুস্থ পৰিবেশ গঢ়ি তুলিব পাৰিম বুলি দৃঢ় প্ৰতিজ্ঞা হৈ খেল বিভাগত প্ৰতিদ্বন্দ্বিতা কৰো। কিন্তু নিৰ্বাচনত মই বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়ী হ'লো মোৰ চিৰ নমস্য শিক্ষাগুৰু সকলৰ আৰ্শীবাদ শিৰতলৈ।

২০১৩-১৪ বৰ্ষত 'ছাত্ৰী একতা সভাৰ' কাৰ্যকাল চেপ্তেম্বৰ মাহৰ পৰা আৰম্ভ হৈছিল। কাৰ্যভাৰ গ্ৰহণ কৰিয়েই প্ৰথমতে 'গান্ধী জয়ন্তী' উদ্‌যাপন কৰা হৈছিল। ইয়াৰ পাছত এটা গুৰুত্বপূৰ্ণ কাৰ্য। শিৱসাগৰ ছোৱালী কলেজৰ "বাৰ্ষিক ক্ৰীড়া সপ্তাহ"। খেল বিভাগৰ সহকাৰী সম্পাদিকা গধূৰ দায়িত্ব লৈ 'কলেজ সপ্তাহ'ত মোৰ বিভাগৰ কাম-কাজবোৰ আগবঢ়াই নিছিলো। খেল-বিভাগৰ সম্পাদিকা প্ৰিয়ংকা বড়া, উপদেষ্টাদয় সঞ্জয় দাস চাৰ আৰু ৰঞ্জন দাস চাৰৰ সহযোগিতাত বাবে অশেষ ধন্যবাদ জ্ঞাপন কৰিছো। আমি এই ক্ষেত্ৰত বহুতো অসুবিধাৰ সন্মুখীন হৈছিলো। কিন্তু আমি এই বাট নেওচি নিজৰ বিভাগৰ কাম-কাজসমূহ প্ৰতি- পৰিচালনা কৰিবলৈ সক্ষম হৈছিলো।

এইবাৰৰ প্ৰতিযোগিসমূহ আছিল এনেধৰণৰ মাৰ্চ-পাচ প্ৰতিযোগিতা, দৌৰ প্ৰতিযোগিতা, ডিচ্‌কাচ থ্ৰু, শ্বট-পুট, জেভেলিন থ্ৰু, লংজাম্প, হাইজাম্প, ৰচী টনা আৰু কাবাদী।

কাৰ্যভাৰ গ্ৰহণ কৰা কিছুমাহৰ পাছত আমাৰ সন্মুখত আহি পৰিছিল বছৰটোৰ আটাইতকৈ গুৰুত্বপূৰ্ণ কাম। শিৱসাগৰ ছোৱালী কলেজৰ ৫০ তম সোণালী জয়ন্তী সামৰণি অনুষ্ঠান। অতি উৎসাহেৰে ২০১৪ বৰ্ষৰ ২৫ জুলাই আৰু ২৬ জুলাইলৈকে "সোণালী জয়ন্তী" সামৰণি অনুষ্ঠান উদ্‌যাপন কৰা হৈছিল। যাতে কোনো ভুল-ক্ৰটি বাকী নাথায় তাৰ বাবে সকলো বিভাগৰ সম্পাদিকাই যথেষ্ট চেষ্টা কৰিছিল আৰু আমি এই ক্ষেত্ৰত সফল হৈছিলো।

মোৰ কাৰ্যকালত শেষ অনুষ্ঠান 'শিক্ষক দিৱস'।

সদৌ শেষত এই কাৰ্যকালত জ্ঞাতে বা অজ্ঞাতে যদি কোনো ভুল-ক্ৰটি হৈছিল আৰু কেতিয়াবা যদি বাধ্যত পৰি কাৰোবাক বেয়া ব্যৱহাৰ কৰিছিলো তেন্তে প্ৰতিবেদনৰ যোগেদিয়েই ক্ৰটি মাৰ্জনা কৰিবলৈ প্ৰাৰ্থনা কৰিছো।

আমাৰ কলেজৰ বাৰ্ষিক আলোচনী 'প্ৰবাহিনী' দীৰ্ঘায়ু কামনাৰে সকলোলৈকে মোৰ আন্তৰিক শ্ৰদ্ধা জনাই এই বিদ্যালয়ৰ সৰ্বাঙ্গীণ উন্নতি কামনা কৰিলো। মোৰ প্ৰতিবেদন সামৰণি মাৰিছো।

ধন্যবাদেৰে
জয়তু শিৱসাগৰ ছোৱালী কলেজ
জয়তু ছাত্ৰী একতা সভা

মিছ ফাৰজিয়া ৰহমান
ক্ৰীড়া বিভাগৰ সহঃ সম্পাদিকা





# ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন

অতীতৰ সোণোৱালী পৃষ্ঠাত জিলিকি থকা শিৱসাগৰ জিলাৰ মাজমজিয়াত অৱস্থিত স্ত্ৰী শিক্ষাৰ উচ্চ শিক্ষানুষ্ঠান শিৱসাগৰ ছোৱালী কলেজ। এমুঠিমান শিক্ষানুৰাগী, দূৰদৰ্শী ব্যক্তিৰ সীমাহীন প্ৰচেষ্টাত জিলিকি আছে আজি শিৱসাগৰ ছোৱালী কলেজ। প্ৰতিবেদনৰ প্ৰহেলিকাতে মই সহস্ৰবাৰ প্ৰণাম জনাইছো সেইসকল মহানুভৱ জ্ঞানৰ পূজাৰীলৈ যিসকলৰ ঐকান্তিক প্ৰচেষ্টাত জন্ম হ'ল এই জ্ঞানৰূপী বটবৃক্ষৰ পুলি।

একে এক ঐতিহ্যমণ্ডিত মহাবিদ্যালয়ত সোণালী জয়ন্তী বৰ্ষত বিনা প্ৰতিদ্বন্দ্বিতাৰে ছাত্ৰী একতা সভাৰ সদস্যা হ'বলৈ পোৱাটো মোৰ বাবে অতি গুৰুত্বপূৰ্ণ কথা। ছাত্ৰী একতা সভাৰ ৪৮ তম সাধাৰণ নিৰ্বাচনত মোক প্ৰতিদ্বন্দিতা আগবঢ়াবৰ বাবে অনুপ্ৰাণিত কৰা যামিনী, প্ৰিয়ংকালৈ এই আপাহতে ধন্যবাদ জনাইছো। ছাত্ৰী একতা সভাৰ সদস্যা হৈ বহু নজনা কথা শিকাৰ লগতে মহাবিদ্যালয়ৰ বাবে কিঞ্চিত সেৱা আগবঢ়াবলৈ সুবিধা পালো।

কাৰ্যভাৰ গ্ৰহণ কৰিয়েই বহুতো পৰিকল্পনা কৰিছিলো ছাত্ৰী জিৰণি কোঠাটো যাতে স্বাস্থ্যসন্মত হয় তাৰ ওপৰত গুৰুত্ব আৰোপ কৰি কোঠাটোৰ আচবাব সমূহ পৰিস্কাৰ তথা পৰিপাটিকৈ ৰখাৰ ব্যৱস্থা কৰিছিলো। ছাত্ৰীসকলে যাতে আচবাব সমূহ স্থানান্তৰ নকৰি পৰিস্কাৰকৈ ৰাখি ডাষ্টবিনৰ সদ্ ব্যৱহাৰ কৰে তাৰ বাবে জাননী দিয়াৰ ব্যৱস্থা কৰিছিলো। পৰ্দাসমূহ সলনি কৰিবৰ বাবে অধ্যক্ষ মহোদয়ৰ ওচৰত দৰ্খাস্ত কৰিছিলো যদিও সেয়া মোৰ কাৰ্যকালত হৈ নুঠিল, তাৰ বাবে ছাত্ৰীসকলৰ ওচৰত মই ক্ষমাপ্ৰাৰ্থী।

কাৰ্যভাৰ গ্ৰহণ কৰাৰ কিছুদিনৰ পাছত ২০১৩ চনৰ ২৮ অক্টোবৰ তাৰিখৰ পৰা আমি অনুষ্ঠিত কৰিছিলো বাৰ্ষিক কলেজ সপ্তাহ। বাৰ্ষিক কলেজ সপ্তাহত মোৰ বিভাগৰ দায়িত্বত থকা খেল সমূহ তলত দিয়া ধৰণৰ ঃ

বেডমিণ্টন, লুডু, চাইনিজ চেকাৰ, কেৰম, ডবা, মেহেন্দী, কেশসজ্জা, পুডিং, হালোৱা, পৰম্পৰাগত সাজপাৰ প্ৰতিযোগিতা, ইনষ্টলেচন, টয় মেকিং, পষ্টাৰ মেকিং, কালাৰ আদি। কিছুমান খেলত প্ৰতিযোগীৰ সংখ্যা অধিক আছিল যদিও কিছুমানত তেনেই নগন্য। যি কি নহওক এই প্ৰতিযোগিতাসমূহ সুন্দৰভাৱে সম্পন্ন হোৱাত সহায় কৰা সমূহ প্ৰতিযোগী তথা মোক বিশেষভাৱে সহায় কৰা কাব্যশ্ৰী চুতীয়ালৈ অশেষ ধন্যবাদ জ্ঞাপন কৰিছো।

২০১৩-১৪ বৰ্ষৰ ছাত্ৰী জিৰণি কোঠাৰ অন্তৰ্গত প্ৰতিযোগিতাসমূহৰ ফলাফল ঃ

১। কেৰম প্ৰতিযোগিতা (একক শাখা) ঃ
প্ৰথম ঃ পম্পী গগৈ
দ্বিতীয় ঃ নিহাৰিকা বৰ্মন
তৃতীয় ঃ কংকনা বুঢ়াগোহাঁই

দ্বৈত শাখা ঃ
প্ৰথম ঃ চনু শৰ্মা, জুহী গগৈ
দ্বিতীয় ঃ পম্পী গগৈ, কংকনা বুঢ়াগোহাঁই

২। ডবা প্ৰতিযোগিতা ঃ
প্ৰথম ঃ সংগীতা সন্দিকৈ
দ্বিতীয় ঃ সুৰভি বুঢ়াগোহাঁই
তৃতীয় ঃ বৰ্ণালী বুঢ়াগোহাঁই

৩। বেডমিণ্টন (একক শাখা) ঃ
প্ৰথম ঃ তাছমিন আলম
দ্বিতীয় ঃ জুমি দত্ত

দ্বৈত শাখা ঃ
প্ৰথম ঃ তাছমিন আলম, জুমি দত্ত
দ্বিতীয় ঃ ডিম্পী সোণোৱাল, বিদিশা বৰদলৈ

৪। চাইনিজ চেকাৰ ঃ
প্ৰথম ঃ হিমাক্ষী চাৰুকীয়া
দ্বিতীয় ঃ নিকিতা গগৈ
তৃতীয় ঃ ৰঞ্জুমণি বৰা

৫। ৰংগোলী প্ৰতিযোগিতা ঃ
প্ৰথম ঃ গীতিস্মা গগৈ দল
দ্বিতীয় ঃ দৰথী বৰুৱা দল
তৃতীয় ঃ স্নেহা চাহু দল

৬। মেহেন্দী প্ৰতিযোগিতা ঃ
প্ৰথম ঃ চনু শৰ্মা



দ্বিতীয় ঃ পূজা পাৰিষ, চুবেৰা বেগম
তৃতীয় ঃ ৰাফিয়া বেগম, নিলাক্ষী বৰগোহাঁই

৭। **পোলাও প্ৰতিযোগিতা ঃ**
প্ৰথম ঃ চুমা দে
দ্বিতীয় ঃ পিংকী বড়া

৮। **পুডিং প্ৰতিযোগিতা ঃ**
প্ৰথম ঃ নাচৰিণ আহমেদ
দ্বিতীয় ঃ ৰিংকুমণি বড়া

৯। **কেক আৰু পিঠা প্ৰতিযোগিতা ঃ**
প্ৰথম ঃ চুমা দে
দ্বিতীয় ঃ চনু শৰ্মা

১০। **হালোৱা প্ৰতিযোগিতা ঃ**
প্ৰথম ঃ চনু শৰ্মা
দ্বিতীয় ঃ চেহনাজ চুলতানা ৰহমান
তৃতীয় ঃ প্ৰিয়ংকা কেদিয়া

১০। **ৰন্ধন প্ৰতিযোগিতা ঃ (শিক্ষাগুৰুসকলৰ মাজত)**
উদ্‌গণিমূলক বঁটা লাভ কৰে ঃ আলফিকা ৰহমান বাইদেউ
ৰাজশ্ৰী দত্ত বাইদেউ।

১১। **কেশসজ্জা প্ৰতিযোগিতা ঃ**
প্ৰথম ঃ জেচমিন আৰা বেগম
দ্বিতীয় ঃ মিনাক্ষী দত্ত, হিমাদ্ৰী চেতিয়া
তৃতীয় ঃ ৰুবী গগৈ

১২। **ইনষ্টলেচন প্ৰতিযোগিতা ঃ**
প্ৰথম ঃ নিকুমণি দিহিঙ্গীয়া
দ্বিতীয় ঃ হিমাদ্ৰী বড়া
তৃতীয় ঃ কৰবী ৰিচং

১৩। **কলাজ প্ৰতিযোগিতা ঃ**
প্ৰথম ঃ ৰিংকীমণি বড়া
দ্বিতীয় ঃ নিকিতা গগৈ

১৪। **টয় মেকিং প্ৰতিযোগিতা ঃ**
প্ৰথম ঃ হিমাদ্ৰী বড়া
দ্বিতীয় ঃ যামিনী মহন্ত

১৫। **প'ষ্টাৰ মেকিং প্ৰতিযোগিতা ঃ**
প্ৰথম ঃ ৰিংকুমণি বড়া
দ্বিতীয় ঃ শিৰোমণি কোঁৱৰ
তৃতীয় ঃ নিকিতা গগৈ

১৬। **ক্লে মেকিং প্ৰতিযোগিতা ঃ**
প্ৰথম ঃ ৰাজশ্ৰী বড়া
দ্বিতীয় ঃ পিংকী বড়া
তৃতীয় ঃ হিমাদ্ৰী বড়া

বাৰ্ষিক কলেজ সপ্তাহৰ পিছতেই আমি সকলোৰে সহযোগত সৰস্বতী পূজাও অনুষ্ঠিত কৰিছিলো। এই অনুষ্ঠানৰ পাছতেই সকলোৰে বাট চাই আছিলো সোণালী জয়ন্তীৰ সামৰণি অনুষ্ঠানলৈ। এই অনুষ্ঠানো সকলোৰে সহযোগত সুকলমে পাৰ হৈ গৈছিল। এই অনুষ্ঠানলৈ আমাৰ আমন্ত্ৰণ ৰক্ষা কৰি যিসকল সদাশয় ব্যক্তিয়ে বিভিন্ন স্থানৰ পৰা আহি শিৱসাগৰ ছোৱালী কলেজৰ সৌষ্ঠৱ বৃদ্ধি কৰিলে তেওঁলোকলৈ মোৰ আন্তৰিক ধন্যবাদ নিবেদিছো।

মোৰ এই এবছৰীয়া কাৰ্যকালত মোক যিসকলে উৎসাহ দিলে, যিসকলে মোক পৰামৰ্শ দিলে, মোক সহায় কৰিলে সকলোৰে ওচৰত মই চিৰকৃতজ্ঞ। সৰ্বপ্ৰথমে মই কৃতজ্ঞতা জনাইছো অধ্যক্ষ ড০ হেমন্ত কুমাৰ ফুকন ছাৰলৈ আৰু উপাধ্যক্ষা ড০ লীলা মহন্ত বৰচেতিয়া বাইদেউলৈ। কৃতজ্ঞতা জনাইছো মোক দিহা পৰামৰ্শ দি সহায় আগবঢ়োৱা বিভাগীয় উপদেষ্টা ড০ ৰাজশ্ৰী ফুকন বাইদেউ আৰু চিত্ৰলেখা গগৈ বাইদেউলৈ। বিভিন্ন সময়ত সহায় আগবঢ়োৱা জিমলী বৰা বাইদেউ, নিবেদিতা বৰুৱা বাইদেউ, শিৱ প্ৰসাদ মিলি ছাৰ, সঞ্জয় দাস ছাৰ, বিদ্যুত বৰুৱা ছাৰ, প্ৰণৱ জ্যোতি ভৰালী ছাৰ, বিমল দত্ত ছাৰ আৰু কৰ্মচাৰীবৃন্দলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছো।

মোৰ কাৰ্যকালত বিভিন্ন সময়ত সহায়ৰ হাত আগবঢ়োৱা, আদৰ্শীবা, ৰশ্মি, সংকল্পপ্ৰিয়া, যামিনী, উইনী, জুলি, পৰিস্মিতা, গায়ত্ৰী, প্ৰিয়ংকা, কাব্যশ্ৰী, বনাশ্ৰী, দেৱাশ্ৰী আৰু R.C.Nৰ সমূহ আৱাসীলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছো।

মোৰ কাৰ্যকালতে জ্ঞাতে-অজ্ঞাতে হৈ যোৱা ভুল-ক্ৰটিসমূহৰ বাবে সকলোৰে ওচৰত মই ক্ষমা বিচাৰিছো। পৰিশেষত শিৱসাগৰ ছোৱালী কলেজ জিলিকি ৰওঁক নিজস্ব গৰিমাৰে তাকেই আন্তৰিকতাৰে কামনা কৰিলো।

"জয়তু শিৱসাগৰ ছোৱালী কলেজ"

অজন্তা দাস
ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা





# সমাজ সেৱা বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন

ঐতিহ্যমণ্ডিত তথা বুৰঞ্জী প্ৰসিদ্ধ শিৱসাগৰ নগৰৰ মাজ মজিয়াত অৱস্থিত শিৱসাগৰৰ একমাত্ৰ গৌৰৱমণ্ডিত মহিলা মহাবিদ্যালয় "শিৱসাগৰ ছোৱালী কলেজ"ৰ জ্ঞান মন্দিৰত ২০১৩-১৪ বৰ্ষৰ সমাজ সেৱা বিভাগৰ সম্পাদিকা হিচাপে সেৱা আগবঢ়াবলৈ সুবিধা দিয়াৰ বাবে প্ৰতিবেদন আৰম্ভণিতেই মাননীয় অধ্যক্ষ মহোদয়, সমূহ শিক্ষাগুৰু তথা ছাত্ৰীবৃন্দলৈ মোৰ আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জনাইছো।

শিৱসাগৰ ছোৱালী কলেজৰ এটা অংশ হিচাপে কলেজৰ প্ৰতি আমাৰ প্ৰত্যেকগৰাকী ছাত্ৰীৰ একোটা দায়িত্ব থাকে। কলেজখনৰ প্ৰতি কিছু সহায়ৰ হাত আগবঢ়োৱাৰ মানসেৰে মই এই পদটো বাছি ল'লো আৰু অধিক ভোটৰ দ্বাৰা মই এই পদৰ বাবে উৎকৃষ্ট বুলি বিবেচনা হ'লো। যিসকলে মোক ভোট দি জয়যুক্ত কৰিলে তেওঁলোকলৈ মোৰ অশেষ ধন্যবাদ থাকিল। আৰু লগতে মোৰ সমৰ্থক আৰু প্ৰস্তাৱক এই আপাহতে কৃতজ্ঞতা জ্ঞাপন কৰিলো। লগতে ৰংপুৰ ছাত্ৰী নিবাস আৰু ভিছন গাৰ্লছ হোষ্টেলৰ সমূহ ছাত্ৰীলেও মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছো।

সমাজ সেৱা বিভাগৰ সম্পাদিকা হিচাপে নিৰ্বাচিত হোৱাৰ পাছত কাৰ্যসূচীসমূহ যথা সম্ভৱ সুকলমে চলাই নিয়াৰ চেষ্টা কৰিছিলো। এই ক্ষেত্ৰত মই কিমান দূৰ সফল, সেয়া আপোনালোকৰ বিচাৰ্য্য। তথাপিও কৰ্তব্য আৰু দায়িত্বত পাৰ্য্যমানে আত্মনিয়োগ কৰাৰ চেষ্টা কৰিছিলো। বাৰ্ষিক কলেজ সপ্তাহৰ লগত সংগতি ৰাখি 'বৃক্ষৰোপন' কাৰ্যসূচী হাতত লোৱাৰ লগতে কলেজৰ চৌপাশে পৰিষ্কাৰ কৰা হৈছিল। এই ক্ষেত্ৰত সহায় কৰা দহ গৰাকী ছাত্ৰীক সমাজসেৱা বিভাগৰ তৰফৰ পৰা একোখনকৈ মানপত্ৰ প্ৰদান কৰা হৈছিল। কলেজৰ সোণালী জয়ন্তী আৰু অন্যান্য অনুষ্ঠানত কলেজৰ চৌপাশে পৰিষ্কাৰত মনোনিৱেশ প্ৰদান কৰিছিলো। কলেজৰ প্ৰতিটো শ্ৰেণী কোঠাৰ লগতে ছাত্ৰী জিৰণী কোঠাত একোটাকৈ ডাষ্টবিন প্ৰদানৰ ব্যৱস্থা কৰিলো। কাৰ্যকালৰ সময়ছোৱাত মহাবিদ্যালয়ৰ চৌহদ্‌ চাফ-চিকুণ কৰাৰ লগতে অন্যান্য অসুবিধা সমূহ একতা সভাৰ হৈ শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়ক অৱগত কৰিছিলো। অধ্যক্ষ মহোদয় ড° হেমন্ত কুমাৰ ফুকন ছাৰ আৰু মোৰ বিভাগীয় উপদেষ্টা কাকলী সোণোৱাল বাইদেউ আৰু দ্বীপজোনালী ভুঞা বাইদেৱে এই ক্ষেত্ৰত অনেক দিহা পৰামৰ্শৰে মোক যি সহায় আগবঢ়াইছিল তাৰ বাবে তেওঁলোকৰ ওচৰত মই চিৰকৃতজ্ঞ।

সদৌ শেষত, মোৰ কাৰ্যকালৰ আৰম্ভণিৰে পৰা শেষলৈকে সকলো দিশতে সহায় আগবঢ়োৱা হালিমা বা আৰু টুনী বালৈ অশেষ ধন্যবাদ থাকিল, লগতে মোৰ সহপাঠী, বান্ধৱীসকললৈ কৃতজ্ঞতা জ্ঞাপন কৰিছো। সমূহ ছাত্ৰীলৈ এটি সামান্য অনুৰোধ যে- কলেজৰ চৌপাশটো পৰিষ্কাৰ কৰি ৰখাত সদায় যেন সহায় কৰে। "এটি সুস্থ পৰিবেশতহে এটি সুস্থ মন বিৰাজ কৰে।"

কাৰ্যকালৰ সময়ছোৱাত অজানিতে হোৱা ভুল-ভ্ৰান্তিৰ বাবে সকলোলৈ পুনৰবাৰ ক্ষমা প্ৰাৰ্থনা জনাই এই জ্ঞান বৃক্ষ মহাবিদ্যালয়খনিৰ উন্নতিৰ কামনাৰে মোৰ প্ৰতিবেদন সামৰণি মাৰিলো।

"জয়তু শিৱসাগৰ ছোৱালী কলেজ"

"জয়তু শিৱসাগৰ ছোৱালী কলেজৰ ছাত্ৰী একতা সভা"

জিমলী চিৰিং ফুকন
স্নাতক পঞ্চম ষান্মাসিক
ভূগোল বিভাগ



# কলেজৰ বিভিন্ন কাৰ্যসূচীত ছাত্ৰীসকল



ছাত্ৰী একতা সভাৰ প্ৰথম কাৰ্যসূচী, বৃক্ষৰোপণ



কাজিৰঙা বিশ্ববিদ্যালয় পৰিদৰ্শন




শিক্ষক দিৱস উপলক্ষে প্ৰাচীৰ পত্ৰিকা উন্মোচন



সৰস্বতীদেৱীৰ বেদী স্থাপন




নাটকৰ এটি মুহূৰ্ত



হুঁচৰি প্ৰদৰ্শন



মুখ্যমন্ত্ৰীৰ কাৰ্যসূচীত ছাত্ৰীসকলৰ অংশ গ্ৰহণ



আন্তঃকলেজ মুকাভিনয় প্ৰতিযোগিতাৰ দ্বিতীয় শ্ৰেষ্ঠ দল